# মঙলদৈ মহাবিদ্যালয়

# আলোচনী




সম্পাদক ঃ অসীম শর্মা




# Mangaldai College Magazine

**38th Issue**
**1999-2000 Session**

মঙলদৈ মহাবিদ্যালয় আলোচনী
৩৮ তম সংখ্যা
ইং ১৯৯৯-২০০০ বৰ্ষ

With best compliments

To

..............................................

..............................................

..............................................

Editor

EDITOR
*Ashim Sarma*

তত্বাৱধায়ক
অধ্যাপক বিচিত্র কুমাৰ মেধি


MANGALDAI COLLEGE LIBRARY
Accession No 17,956
Class No ........
Book No SAR
Ref-511
17,956

মঙলদৈ মহাবিদ্যালয় আলোচনী ঃ মঙলদৈ মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশ ।
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ (১৯৯৯-২০০০)
আলোচনী বিভাগৰ দ্বাৰা প্ৰকাশিত

সম্পাদনা সমিতি

মুখ্য উপদেষ্টা ঃ ড° গিৰীশ চন্দ্ৰ গোস্বামী, অধ্যক্ষ

উপদেষ্টা ঃ ড° বিজয় কুমাৰ শৰ্মা, অধ্যাপক
শ্ৰীমতিৰাম মেধি, অধ্যাপক
জামালুদ্দিন আহমেদ, অধ্যাপক
শ্ৰীবনানী চক্ৰৱৰ্ত্তী, অধ্যাপিকা

তত্বাৱধায়ক ঃ শ্ৰীবিচিত্ৰ কুমাৰ মেধি, অধ্যাপক

সম্পাদক ঃ শ্ৰীঅসীম শৰ্মা

সদস্য ঃ শ্ৰীসাধিৰাম বড়া, হিচাপ পৰীক্ষক
শ্ৰীহিতেশ ডেকা
শ্ৰীসঞ্জীৱ বৰুৱা
শ্ৰীনিভাৰাণী বড়া
শ্ৰীদ্বীপেন কলিতা
শ্ৰীদ্বীপেন ডেকা
শ্ৰীতপন ৰাজবংশী
শ্ৰীধৰ্মদত্ত শৰ্মা

বেটুপাতৰ শিল্পী ঃ শ্ৰীনিৰ কুমাৰ চহৰীয়া (জোন)
বেটুপাতৰ শেষ পৃষ্ঠা ঃ ঐতিহাসিক পথৰুঘাটৰ কৃষক শ্বহীদ স্তম্ভ।

ৰেখাঙ্কন ঃ শ্ৰীগৌতম ঠাকুৰীয়া
শ্ৰীগৌতম বৰুৱা

অংগ সজ্জা
অলংকৰণ ঃ সম্পাদক

মুদ্ৰণ ঃ প্ৰিণ্ট'মেটিক্‌চ
মঙলদৈ - ৭৮৪ ১২৫
ফোন - (০৩৭১৩) ২৩৬৩০


ড° গিৰীশ চন্দ্ৰ গোস্বামী
মুখ্য উপদেষ্টা


ড° বিজয় কুমাৰ শৰ্মা
উপদেষ্টা


শ্ৰীমতিৰাম মেধি
উপদেষ্টা


জামালুদ্দিন আহমেদ
উপদেষ্টা


শ্ৰীবনানী চক্ৰৱৰ্ত্তী
উপদেষ্টা


শ্ৰীবিচিত্ৰ কুমাৰ মেধি
তত্বাৱধায়ক


শ্ৰীঅসীম শৰ্মা
সম্পাদক


শ্ৰীসাধিৰাম বড়া
সদস্য


শ্ৰীহিতেশ কুমাৰ ডেকা
সদস্য


শ্ৰীসঞ্জীৱ বৰুৱা
সদস্য


শ্ৰীনিভাৰাণী বড়া
সদস্যা


শ্ৰীদ্বীপেন কলিতা
সদস্য


শ্ৰীদ্বীপেন ডেকা
সদস্য


শ্ৰীতপন ৰাজবংশী
সদস্য


শ্ৰীধৰ্মদত্ত শৰ্মা
সদস্য

# শ্ৰদ্ধাঞ্জলি

MANGALDAI COLLEGE
No.......
Date...
MANGALDAI

সমাজৰ বাবে, দেশৰ বাবে, জাতিসত্ত্বাৰ বাবে অকৃপন ভাৱে কাম কৰি মৃত্যুৰ কবাল গ্ৰাসত জীৱন হেৰুৱা প্ৰতিগৰাকী ব্যক্তিলৈ শ্ৰদ্ধা আৰু অশ্ৰু অঞ্জলি যাচিছোঁ। তেওঁলোক মৃত্যুঞ্জয়ী। তেওঁলোকৰ আদৰ্শক মৃত্যুৱে বিচ্ছিন্ন কৰিব নোৱাৰে।

মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক ৰামেশ্বৰ শৰ্মাদেৱলৈ।

গোটেই জীৱন শিক্ষা দানকে জীৱনৰ ব্ৰত কৰি ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত গঢ় দিয়া আমাৰ মহাবিদ্যালয়ৰ প্ৰয়াত অধ্যাপক ড°পূৰ্ণ বৰা ছাৰলৈ।

মাটিৰ মানুহ, আজিৰ মানুহ, গাওঁৰ মানুহ, ভাবাঘৰ আদিৰ দৰে কেইবাখনো উপন্যাসেৰে অসমীয়া সাহিত্যৰ ভড়াল চহকী কৰি থৈ যোৱা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হিতেশ ডেকালৈয়ো যাচিছোঁ শ্ৰদ্ধা আৰু অশ্ৰুঅঞ্জলি।

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক, নাট্যকাৰ, গীতিকাৰ, ৰাজনীতিবিদ, আমাৰ সকলোৰে মৰমৰ ককা, অসমৰ অঘোষিত সম্ৰাট লক্ষ্যধৰ চৌধুৰীদেৱলৈ ।

বড়ো সাহিত্য সভাৰ সভাপতি বিনেশ্বৰ ব্ৰহ্মদেৱলৈ।

প্ৰবাদ প্ৰতীম সাহিত্যিক, অসমীয়া সাহিত্যৰ কান্দাৰী, কথা শিল্পী, উপন্যাসিক, অসমীয়া সাহিত্যৰ মহীষি স্বৰূপ সূৰুযমূখীৰ স্বপ্নৰ স্ৰষ্টা চৈয়দ আব্দুল মালিক দেৱলৈ।

গীতেৰে সম্প্ৰীতিৰ সাঁকো গঢ়িব বিচৰা জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমেদ দেৱলৈ!

কেন্দ্ৰীয় শক্তিমন্ত্ৰী ৰঙ্গনাথন কুমাৰমঙ্গলম দেৱলৈ।

শদিয়াৰ পৰা ধুবুৰীলৈ হাঁহিৰ খোৰাকেৰে সকলোৰে মন জয় কৰা স্বনামধন্য কৌতুকগোষ্ঠী ভায়ামামাৰ দললৈ।

দেশ মাতৃক ৰক্ষাৰ্থে কাৰ্গিলৰ যুদ্ধত জীৱন উচৰ্গা কৰা সত সহস্ৰ সৈনিকলৈ।

উৰিষ্যাৰ বা-মাৰলিত নিহত হোৱা দুৰ্ভগীয়া সকললৈ।

পৃথিৱীৰ সৰ্ববৃহৎ গাইশালৰ ৰেল দুৰ্ঘটনাত নিহত হোৱা ব্যক্তি সকললৈ।

গুপ্ত ঘাটকৰ হাতত মৃত্যুক সাৰতি লোৱা দুৰ্ভগীয়া সকললৈ।

পৃথিৱীৰ সৰ্ববৃহৎ গুজৰাটৰ ভূমিকম্পত প্ৰাণ হেৰুৱা সহস্ৰজনলৈ আমি সকলোৱে অশ্ৰু অঞ্জলি নিবেদিছোঁ।

# উচৰ্গা

যি সকল মহৎ প্ৰাণ ব্যক্তিৰ শুভইচ্ছা, অধ্যৱসায় আৰু অকৃপণ ত্যাগৰ ফলত এই বিদ্যা মন্দিৰ প্ৰতিষ্ঠা হ'ল সেই সকল ব্যক্তিৰ পূণ্য স্মৃতিত আৰু মঙলদৈ মহাবিদ্যালয়ৰ সমূহ শান্তিকামী, বিবেকবান, কৰ্মনিষ্ঠ আৰু দায়িত্বশীল ছাত্ৰ-ছাত্ৰীৰ হাতত এই সংখ্যা মহাবিদ্যালয় আলোচনী উচৰ্গা কৰা হ'ল।

শ্ৰদ্ধাৰে

**সম্পাদনা সমিতি**

# অশ্ৰুঅঞ্জলি



৺ **মনোমতী বৰুৱা**

জন্ম ঃ ৩১ মে', ১৯৭৯

মৃত্যু ঃ ৫ মে', ২০০০



৺ **জ্যোতিষ ডেকা**

জন্ম ঃ ১৮ আগষ্ট, ১৯৭৮

মৃত্যু ঃ ২৯ চেপ্তেম্বৰ, ২০০০



৺ **অৰ্পণা দেৱী**

জন্ম ঃ ১ মাৰ্চ, ১৯৮০

মৃত্যু ঃ ১৪ নবেম্বৰ, ২০০০

জন্মিলে মৰিব লগা নিষ্ঠুৰ নিয়মৰ বশৱৰ্ত্তী হৈ আমাৰ মাজৰ পৰা আঁতৰি যোৱা আমাৰ মহাবিদ্যালয়ৰ মনোমতী, জ্যোতিষ, অৰ্পণা - আমাৰ শোক-সন্তপ্ত অন্তৰেৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ তোমালোকৰ আত্মাই অক্ষয় শান্তি লাভ কৰক।

তোমালোকৰ মধুৰ স্মৃতি আমাৰ হৃদয়ত চিৰদিন জীৱিত থাকিব।

**শ্ৰদ্ধাৰে**

**সম্পাদনা সমিতি**

# মঙ্গলদৈ মহাবিদ্যালয় সংগীত

ৰচনা

**শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী**

সুৰ আৰু স্বৰলিপি

কুমাৰ আনন্দ নাৰায়ণ দেৱ

তাল

দাদৰা (ভাতখাণ্ডে পদ্ধতিত স্বৰ লিপি কৰা হৈছে)

মহাজীৱনৰ মহাসাধনাৰ
আশাৰ গজালি তুমি
জ্ঞান গৰিমাৰ ধ্যান-ধাৰণাৰ
মহান পুণ্যভূমি ॥১॥
অজ্ঞানতাৰ তমসা বাতিত
জনতা আছিল ডুবি,
জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা
সুধা সঞ্জীৱনী।
বিকশিত আজি শত শত দল
তোমাৰ চৰণ চুমি ॥২॥
বিয়পি পৰিছে চৌদিশে আজি
তোমাৰ জ্যোতিৰ বাণ,
শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান।
তোমাৰ আভাও হওক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি ॥৩॥

স্থায়ী

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | X | | | O | | | X | | | O | |
| গ | গ | গপ | গৰ | গৰ | ম | গ | গ | -প | গৰ | গৰ | স |
| ম | হা | জী | ৱS | নS | ৰ | ম | হা | Sসা | ধS | নাS | ৰ |
| ম | ৰগ | ম | ম | মধ | প | স | ম | ধ | - | - | - |
| আ | শাS | ৰ | গ | জাS | লি | তু | মিS | S | S | S | S |
| ধ | ধ | ধ | ধন | ধ | প | প | প | প | মধ | স | গ |
| জ্ঞা | ন | গ | ৰিS | মা | ৰ | ধ্যা | ন | ধা | ৰS | ণা | ৰ |
| ৰ | ৰ | ৰ | ৰগ | মগ | প | নৰ | স | - | - | - | - |
| ম | হা | ন | পুS | SS | ণ্য | ভূS | মি | S | S | S | S |

১ম অন্তৰা

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | X | | | O | | | X | | | O | |
| প | প | ধন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধপ |
| অ | S | জ্ঞাS | নS | তাS | Sৰ | ত | ম | সাS | বাS | তিS | Sত |
| প | ধন | ন | ধন | পধ | গ | প | ধ | - | নধ | পধ | - |
| জ | নS | তাS | আS | ছিS | ল | ডু | বি | S | S | S | S |
| ন | ন | নৰ | নধ | পধ | প | প | প | - | - | - | - |
| জ | নS | তাS | আS | ছিS | ল | ডু | বি | S | S | S | S |
| প | পধ | ' ন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধপ |
| জ্ঞা | নS | ৰ | প্ৰ | দীS | Sপ | শি | খা | ৰেS | বিS | লাS | লাS |
| প | সন | - | ধন | পধ | গপ | প | ধ | ন | নধ | পধ | ন |
| সু | ধাS | S | সন | SS | জীS | ৱ | নী | S | SS | SS | S |
| ন | ন | নৰ | নধ | পধ | প | ধ | প | - | - | - | - |
| সু | ধা | সন্ | SS | জী | SS | ৱ | নী | S | S | S | S |
| প | প | প | পধ | ম | মৰ | ম | ম | Sম | ম | গমপ | ৰ |
| বি | ক | শি | তS | আ | জিS | শ | ত | Sশ | তS | দSS | ল |
| ৰ | ৰ | ৰ | ৰ | গম | প | নৰ | স | - | - | - | - |
| তো | মা | ৰ | চ | ৰS | ণ | চুS | মি | S | S | S | S |

২য় অন্তৰা

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | X | | | O | | | X | | | O | |
| ম | ৰ | গপ | গ | ৰ | গৰস | স | ৰ | গপ | গ | ৰগ | ৰস |
| বি | য় | পিS | প | ৰি | ছেSS | চৌ | S | দিS | শে | আS | জিS |
| স | ধ | ধ | পধ | গপ | ধ | - | - | - | - | - | - |
| তো | মা | ৰ | জ্যোS | তিS | ৰ | বা | S | S | S | S | ন |
| ন | ন | ন | ধন | পধ | গধ | প | - | - | - | - | - |
| তো | মা | ৰ | জ্যোS | তিS | Sৰ | বা | S | S | S | S | ন |
| স | ৰ | গপ | গৰ | ৰগ | ৰস | স | ৰ | গপ | গৰ | ৰগ | ৰস |
| শ | ত | প্ৰS | দীS | পS | Sৰ | চৌS | S | দিS | শেS | আS | জিS |
| স | ধ | ধ | পধ | গ | প | ধ | - | - | - | - | - |
| তু | মি | যে | দীS | প্ | তি | মা | S | S | S | S | ন |
| ন | ন | ন | ধন | পধ | গধ | ধ | প | - | - | - | - |
| তু | মি | যে | দীS | Sপ্ | তিS | মা | S | S | S | S | ন |

(পুনৰ স্থায়ীলৈ এবাৰ গায় শেষ কৰিব )

# মহাবিদ্যালয় প্ৰতীকৰ তাৎপৰ্য্য

''নিহিত সম্ভাৱনাৰ বিকাশেই জীৱন''
এই বিকাশৰ মূলকথা ঘাত-প্ৰতিঘাতৰ মাজত
খেলুৱৈৰ মনোভাবেৰে আৰু নিৰ্লিপ্ত চিত্তেৰে স্থূলৰ পৰা সুক্ষ্মলৈ,
ক্ষুদ্ৰৰ পৰা বৃহত্তলৈ, স্বাৰ্থপৰতাৰ পৰা নিঃস্বাৰ্থ ভাবলৈ,
ব্যক্তিকেন্দ্ৰিকতাৰ পৰা সামাজিকতালৈ, - মুঠতে অন্ধকাৰৰ পৰা পোহৰলৈ গতি।
এনে বিকাশৰ অৰ্থে প্ৰথমতে প্ৰয়োজন বিশেষ চাৰিত্ৰিক গুণৰ, বিশেষ দক্ষতাৰ,
গভীৰ অভিজ্ঞতাৰ, অফুৰন্ত উদ্যম আৰু কৰ্মৰ। দ্বিতীয়তে প্ৰয়োজন সেইবোৰ সমজেমুখী, বিস্তাৰমুখী,
ত্যাগমুখী আৰু মঙ্গলকামী গতি। শিক্ষাৰ এই মূল অৰ্থৰ পঅতি লক্ষ্য ৰাখি মহাবিদ্যালয় প্ৰতীকত
সেয়ে মূলকথা হিচাবে দিয়া হৈছে ভাৰতীয় সভ্যতাৰ মূল ভেটি উপনিষদৰ মহৎ বাণী
- তমসো মা জ্যোতিৰ্গময়।
পৰিসীমাৰ ঢালৰূপে সূচাইছে খেলুৱৈৰ মনোভাৱ আৰু নিৰ্লিপ্ত চিত্ত।
মাজৰ যোগ চিহ্নই সূচনা কৰিছে অভিজ্ঞতা, দক্ষতা, চাৰিত্ৰিক গুণ আৰু
উদ্যমৰ লগত প্ৰাণৰ সংযোগ। বেখাবোৰৰ ৰঙা ৰঙে সূচাইছে শক্তি আৰু প্ৰাণ,
পশ্চাদভূমিৰ নীলা ৰঙে সংযম আৰু অভিজ্ঞতাৰ জ্ঞান, কেন্দ্ৰৰ বগা ৰঙে শুদ্ধতা আৰু পবিত্ৰতা।
জ্ঞানেই আনন্দ, জীৱনৰ সাৰ্থকতা আৰু সমৃদ্ধি। সোণালী শস্যৰ ঠোক এটাৰ মাজত স্পষ্ট হৈ পৰিছে
জীৱনৰ এই আনন্দ ভিত্তিক সমৃদ্ধি আৰু প্ৰাপ্তি। এই প্ৰাপ্তি কিন্তু স্বাৰ্থপৰ নহয়।
ই সীমিত নহয়। ই স্থিতিশীল নহয়। ই গতিশীল, সমাজমুখী, মঙ্গলকামী আৰু অসীম।
পূৰণ চিহ্নৰ মাজত আছে বিস্তাৰৰ প্ৰেৰণা আৰু চতুৰ্দিশে বিস্ফুৰিত
জ্যোতিকণাৰ মাজত আছে প্ৰাণময় জীৱনৰ মঙ্গলময়
বিকাশ আৰু তাৰ গতি।''



# বিংশ শতিকাৰ শেষ দশকৰ সমস্যাসমূহ

*সাম্প্ৰতিক ঃ*

কুৰি শতিকাক বিদায় দি বিশ্বই নতুন সহস্ৰাব্দক আদৰি ললে। ভৱিষ্যত প্ৰজন্মই এই সহস্ৰাব্দত কিদৰে আগবাঢ়িব সেয়া চিন্তনীয় বিষয়। বিজ্ঞান প্ৰযুক্তি বিদ্যাৰে সমৃদ্ধ আন আন দেশ এতিয়া উন্নতিৰ চৰম সীমাত উপনীত হোৱাৰ বিপৰীতে হিংসা, সন্ত্ৰাসেৰে জৰ্জৰিত হৈ আমাৰ দেশ বহুখিনি পিছুৱাই যোৱা যেন অনুমান হৈছে। যি সময়ত পৃথিৱীৰ আন আন ৰাষ্ট্ৰই চন্দ্ৰত গৈ বসবাস কৰাৰ চিন্তা কৰিছে, সেই সময়তে আমাৰ দেশত চলিছে নিজক স্বাধীনকৈ প্ৰতিষ্ঠা কৰাৰ প্ৰতিযোগিতা।

আমি যেন আজি উভতি গৈছো পুনৰ সেই আদিম বৰ্বৰ অৱস্থালৈ। সমাজখন ব্যক্তি কেন্দ্ৰিক হৈ পৰিছে। হিংসা, হত্যা, সন্ত্ৰাসেৰে জৰ্জৰিত সমাজ আজি ইমানেই ভয়ানক হৈ পৰিছে যে যিফালেই চোৱা যায় সেই ফালেই এক আতংকময় পৰিৱেশ চকুত পৰে। ৰাতিপুৱাই ঘৰৰ পৰা ওলাই যোৱা কোনোবাজন সন্ধিয়া সোঁ-শৰীৰে ঘৰ সোমাব নে বগা কাপোৰৰ তলত নীৰৱে শুই আহিব তাৰ উত্তৰ আজিৰ সময়ে দিব নোৱাৰে। সন্ধিয়া হলেই নগৰ চহৰৰ কথা বাদেই গাওঁবাসীও ভাত-পানী খাই শুই পৰে। কিবা যেন এক আতংকই গ্ৰাস কৰিছে সকলোকে। মন-ব্ৰহ্মাণ্ডত সৃষ্টি হৈছে হেজাৰ মাতৃৰ করুণ বিননিৰ শ্লাইড।

বৰ্তমানৰ কোনো কোনো যুৱক অপ্ৰাসংগিক কাম-কাজৰ বাবে ইমানেই নিষ্ঠুৰ হৈ পৰিছে যে নিজৰ জন্ম দাতা পিতৃ মাতৃকো হত্যা কৰিবলৈ কুণ্ঠাবোধ নকৰে। ধিক ! আজিৰ সমাজ, সময়। ৰাতিপুৱাৰ লগে লগেই ডাঙৰ ডাঙৰ হৰফেৰে বাতৰি কাকতৰ পৃষ্ঠা ভৰি ওলাই মাথোঁ দুখ-যন্ত্ৰণা, অমানৱীয় খবৰ। মানৱৰ কল্যাণ, আশাৰ বাণী - এইবোৰ হৈ পৰিছে দুৰ্লভ। সমাজত প্ৰতিপত্তি লাভ কৰা বহু বুদ্ধিজীৱী কিন্তু এইবোৰ বিষয়ত আজি সম্পূৰ্ণ নীৰৱ। সাধুকথাৰ সেই নীলা শিয়ালৰ বৰ্ণনাতেই তেওঁলোক ব্যস্ত।

বৰ্তমান বহুচৰ্চিত বিষয় এটি হৈছে বিভিন্ন জাতি সত্বাৰ আত্ম নিয়ন্ত্ৰণৰ দাবীৰে গঢ় লৈ উঠা মুক্তি সংগ্ৰাম। তাৰে পৰিপ্ৰেক্ষিতত সমাজত সৃষ্টি হৈছে নানা সন্ত্ৰাস। গোটেই বিশ্বতে চানি ধৰিছে পুঁজিবাদে আৰু তাৰেই ছত্ৰছায়াত সমাজবাদে অৰ্থনৈতিক দিশত লুণ্ঠন কৰিছে ক্ষুদ্ৰ জাতিসত্বাক আৰু সেয়ে চেতনাপ্ৰাপ্ত জাতিসত্বাসমূহে অস্তিত্ব ৰক্ষাৰ নামত সশস্ত্ৰ সংগ্ৰামত লিপ্ত হৈছে। ইতিহাসৰ পাতত আমি পাওঁ ৰাষ্ট্ৰৰ ভূমিকা কল্যাণকাৰীৰ বিপৰীতে শোষক, হত্যাকাৰী, অত্যাচাৰী ৰূপেহে। আত্ম নিয়ন্ত্ৰণৰ দাবীত জন্ম লোৱা মুক্তি সংগ্ৰাম সমূহে শ্ৰমিক, কৃষক শ্ৰেণীৰ স্বাৰ্থ ৰক্ষা কৰিব নোৱাৰাত তেওঁলোকৰ ইপ্সিত লক্ষ্যত উপনীত হব পৰা নাই।

অসমত হত্যা, লুণ্ঠন, সন্ত্ৰাস, ধৰ্ষণৰ লগে লগে আৰু এটা ডাঙৰ সমস্যা হ'ল বন্ধৰ সমস্যা। বন্ধ যেন বৰ্তমান সময়ত এক সংস্কৃতিত পৰিণত হৈছে। এই বন্ধই যে কেৱল শ্ৰমজীৱী দুখীয়া মানুহখিনিৰ অপকাৰ সাধনৰ বাহিৰে চৰকাৰৰ একো এটা কৰিব নোৱাৰে তাক কিন্তু কোনেও ভৱা নাই। মাথোঁ সংস্কৃতিৰ ৰূপত ইয়াক পালন কৰি গৈছে। কেতিয়াবা সফল আৰু কেতিয়াবা বিফল। ঠিক সেইদৰে হত্যাকাণ্ড বাঢ়ি গৈছে প্ৰতিযোগিতাৰ দৌৰত।

উত্তৰ পূৰ্বাঞ্চলত গঢ় লৈ উঠা বিচ্ছিন্নতাবাদী সংগ্ৰাম সমূহ বিশ্লেষণ কৰি আমি কব পাৰো কেন্দ্ৰৰ এই অঞ্চলটোত থকা দীৰ্ঘদিনীয়া আওকনীয়া মনোভাৱ, অপৰ্যাপ্ত সম্পদ থকা স্বত্তেও সীমাৰ ভিতৰত সু-ব্যৱহাৰ নকৰি ৰাজ্যৰ বাহিৰলৈ লৈ যোৱা, সম্পদৰ অ-সম বিতৰণ, অ-উদ্যোগিকৰণ ব্যৱস্থা। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা ৫০ বছৰ পিছতো যেতিয়া জনসাধাৰণে একো এটা নাপালে সেয়েহে মুক্তি সংগ্ৰামৰ প্ৰয়োজনীয়তা অনুভৱ কৰিলেও জনসাধাৰণে ইয়াত অংশ লোৱাৰ পৰা বিৰত থাকে। কিয়নো মুক্তি সংগ্ৰামী সকল নিজেই নিজৰ লক্ষ্য, উদ্দেশ্য আৰু কৰ্মপন্থা সম্পৰ্কে নিশ্চিত নহয়।

*শিক্ষা, দুৰ্নীতি, অভিভাৱক টিউচন ঃ*

শিক্ষাই মানুহক জ্ঞানী কৰে। দেশৰ আৰু জাতিৰ বাবে চিন্তা কৰি কাম কৰিবলৈ জিজ্ঞাসু কৰে। মানৱ জাতিৰ কল্যাণ সাধিবলৈ শিক্ষাই মানুহক উদ্বুদ্ধ কৰে। বৰ্তমান কিন্তু শিক্ষাতো হৈছে চাকৰিৰ এক আহিলা স্বৰূপ। অতি লাজৰ কথা এই মহান শিক্ষা বিভাগটোৱে আজি আন সকলো বিভাগতকৈ বেছি দুৰ্নীতিত নিমৰ্জ্জিত। প্ৰাথমিক শিক্ষাৰ পৰা আৰম্ভ কৰি উচ্চ শিক্ষালৈ, সামৰিকৰ পৰা অসামৰিক প্ৰতিযোগিতামূলক পৰীক্ষালৈ দুৰ্নীতিয়ে ছানি ধৰিছে। কেইগৰাকী মান কাণ্ডজ্ঞানহীন, স্বাৰ্থপৰ, দুৰ্নীতিগ্ৰস্ত অকামিলা কাৰ্য্যৰত ব্যক্তিৰ নিজস্ব সিদ্ধান্তত ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত ৰাৰুকৈয়ে অন্ধকাৰময় হৈ পৰিছে। নামভৰ্ত্তিৰ পৰা পৰীক্ষাৰ ফলাফল পৰ্যন্ত দুৰ্নীতিয়ে ছানি ধৰিছে। বিশ্ববিদ্যালয় সমূহেও নিজৰ অদূৰদৰ্শিতা প্ৰকট কৰি পৰীক্ষাৰ ফলাফল ঘোষণাত পলম কৰিছে। যাৰ ফলত বহুতো মেধা ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষাৰ পৰা বঞ্চিত হব লগা হয়।

আনহাতে এইখন মহান দেশতে য'ত শংকৰ, আজান ফকীৰ, গৌতম বুদ্ধৰ দৰে মহাপুৰুষ সকলে তেওঁলোকৰ মহৎ চিন্তাৰাশিৰ নিদৰ্শন দি থৈ গৈল, সেইখন দেশৰে শিক্ষা জগতত চলিছে আজি টকাৰ মুক্ত

# কবি সাহিত্যিকৰ শেষ বছৰৰ সম্পাদকীয়

বেহা। পিতৃয়ে দুৰ্নীতিৰে ধন ঘটিছে আৰু পুত্ৰই জুৱা খেলি খৰছ কৰিছে, পিতৃয়ে হত্যা কৰিছে সততাক পুত্ৰই হত্যা কৰিছে ভৱিষ্যত প্ৰজন্মক। আজি দুই-তিনি লাখ টকা ভেটি দিলেহে এ.চি.এচ.; এ.পি.এচ. পৰীক্ষাত উত্তীৰ্ণ হব পাৰি। ধন দিব নোৱাৰাৰ বাবেই বহু মেধাৱী যুৱক-যুৱতী প্ৰশাসনীয় সেৱাৰ পদৰ পৰা বঞ্চিত হৈছে। অকল শিক্ষা বিভাগটোৱে নহয়, দুৰ্নীতিৰে নিমজ্জিত হৈছে দেশৰ প্ৰতিটো বিভাগ। নিমখৰ পৰা আৰম্ভ কৰি ক্ৰিকেট পৰ্য্যন্ত, ৰাজনীতিৰ পৰা সাহিত্য সংস্কৃতিলৈ আজি দুৰ্নীতিয়ে ছানি ধৰিছে। শাসক সকলেই যেতিয়া নিজে দুৰ্নীতিত গললৈকে পোট গৈছে তেওঁলোকে কেনেকৈ দুৰ্নীতি নিবাৰণ কৰিব? " কেঁচু খান্দোতে সাপ ওলোৱাৰ ভয়ত আজি সকলো নীৰৱ দৰ্শক "।

সেইদৰে নিজৰ সন্তানটোৰ শিক্ষাৰ ক্ষেত্ৰত যেন অভিভাৱক সকল সম্পূৰ্ণ নিৰ্বিকাৰ। নিজে মগজু খটুৱাই জ্ঞান অৰ্জন কৰাতকৈ তেওঁলোকে টিউচন কৰি সহজভাৱে নোট বনোৱাত বেছি গুৰুত্ব দিয়া দেখা যায়। টিউচনটো বৰ্তমান সময়ত হৈ পৰিছে এটা ফেচন, প্ৰতিযোগিতাআৰু উত্তম ব্যৱসায়। ৰাতিপুৱা ৫ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ টিউচনৰ ছাত্ৰ-ছাত্ৰীৰ এই প্ৰতিযোগিতাত শিক্ষকসকলো হৈ পৰিছে কৰ্মবিমুখ। স্কুল, কলেজত মনোযোগেৰে ক্লাছ কৰাতকৈ বহুক্ষেত্ৰত টিউচনৰ ওপৰত অধিক গুৰুত্ব দিয়া এচামে ধন ঘটাৰ পথ প্ৰশস্ত কৰিছে। চৰম লাজৰ কথা যে অসমীয়া মাতৃভাষাও টিউচনৰ পৰা বেহাই পোৱা নাই। স্বনিৰ্ভৰশীলতাৰ কথা কোৱা সমাজখনে ছাত্ৰ-ছাত্ৰীক স্বাৱলম্বী হৈ নিজৰ টোকাটোও প্ৰস্তুত কৰিবলৈ উদ্গনি দিয়া নাই। যাৰ ফলত পৰীক্ষা গৃহত অসৎ উপায় অৱলম্বন কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অধিক হৈ পৰিছে।

স্বকীয় প্ৰতিভাৰে জগত আৰু জীৱন সম্পৰ্কে গভীৰ তথ্যান্বেষণ কৰাৰ ফলত ক্ৰান্তদৰ্শী হৃদয়াংকুৰত উদ্ভাযিত হোৱা অনুভূতি খিনিক বাংময় ৰূপত ভাষাৰেই প্ৰকাশ কৰাতেই সাহিত্যৰ সাৰ্থকতা। প্ৰতিভাক পৃষ্ঠভূমি কৰি কল্পনাৰ সোপানত খাপে খাপে আগবাঢ়ি কবি মণীষি সকলে এনে এটা স্তৰত উপনীত হয় যে সেই স্থিতিৰ পৰা নিৰীক্ষণ কৰি তেওঁলোকে গছকত পৰা বাটৰ দূৰৰি বনতো সবগৰ বতৰা পায় আৰু সেই বতৰাৰ তন্ময়তাত বিৰাজ কৰা তত্বৰ্শী কবি সাহিত্যিক জনাৰ অন্তঃকৰণত ক্ষুদ্ৰাপি ক্ষুদ্ৰ ফুল এপাহেও এনে ভাৱৰ উদ্ৰেক ঘটায়, যাক প্ৰকাশ কৰা হয় কেৱল অশ্ৰুধাৰাৰ মাজেৰেহে। তেনে ভাৱৰ ৰস নিৰ্ভৰ প্ৰকাশেই সাহিত্য।

অনস্বীকাৰ্য্য যে সাহিত্যৰ ওপৰত যুগ পৰিৱৰ্ত্তনৰ প্ৰভাৱ প্ৰকট। যুগচেতনাই সাহিত্যিক, চিন্তাবিদ সকলৰ চিন্তা-চৰ্চাত গভীৰ ৰেখাপাত কৰা হেতু যুগৰ চাহিদা অনুসৰি অধ্যয়ণ কৰাৰ ফলস্বৰূপে তেওঁলোকে যি অভিজ্ঞতা আহৰণ কৰে, সাহিত্য কৰ্মৰ মাজেৰে তাক প্ৰকাশ কৰোতে সেই সাহিত্যৰ যুগ ধৰ্মৰ প্ৰতিচ্ছবিৰ প্ৰতিফলন হয়। সেয়ে কালিদাসৰ সাহিত্যত, ডান্টে, ছেক্সপিয়েৰৰ সাহিত্যত আৰু আজিৰ একবিংশ শতিকাৰ সাহিত্যত ভিন্নসুৰৰ অনুৰণন অনুভূত হয়। সেয়ে হলেও কিন্তু এই ভিন্নতা কেৱল সাহিত্যৰ অঙ্গধৰ্মিতাৰ ভিন্নতা। সত্য এক নিৰ্বিকাৰ।

সাহিত্য সৃষ্টিৰ মৌলিক লক্ষ্যৰ প্ৰতি সচেতন নহলে কেৱল সাহিত্যৰ বাবে সাহিত্যৰ সৃষ্টি কৰিব যোৱাটো অৰ্থহীন। শেষত প্ৰশ্ন হৈছে সাহিত্য কেৱল উৎকৃষ্ট শব্দ সম্ভাৰেৰে অলংকৃত কৰা কিছুমান কিতাপৰ স্তুপ নে, অন্ধকাৰময় মানৱ জীৱনক অমৃতময় দীপ্তিৰে উদ্ভাষিত কৰিব পৰা, দানৱীয় শক্তিৰ পৰা সত্যক আজুৰি আনিব পৰা এক অমোঘ অস্ত্ৰ ?

আৰ্নেষ্ট হেমিংৱেই কোৱা কথাষাৰ যেন আজি অৰ্থহীন হৈ পৰিছে যে "মানুহ কেতিয়াও পৰাজিত নহয়"। মানুহৰ অদম্য কৰ্মশক্তি আছে। সেই শক্তিৰে সকলো প্ৰকাৰৰ প্ৰত্যাহ্বানকে প্ৰতিৰোধ কৰিব পাৰে। জনসংখ্যাৰ আকাশলংঘী সময়তো মানুহে কিন্তু আজি নিসংগতা অনুভৱ কৰে। মানুহে আজি স্বয়ং ভগৱানকো প্ৰত্যাহ্বান জনাবলৈ সাজু কিন্তু পৰিতাপৰ বিষয় ইমান অদম্য শক্তি থকা স্বত্তেও মানুহে আত্মহত্যাৰ দৰে নিকৃষ্ট কামো কৰে।

সমাজ পৰিৱৰ্ত্তনৰ সময় হ'ল। অসমীয়া সাহিত্যৰ ইতিহাসক সৃজনীশীলতাক অন্যই আলেকজেণ্ডাৰ, নেপোলিয়ন বোনাপাৰ্ট মনোভাৱেৰে হেঁচুকি ৰখাৰ প্ৰচেষ্টা চলাইছে। বান্ধ খোলাৰ প্ৰচেষ্টা সময় সমাগত। বৰ্তমান সমাজৰ পৰিৱৰ্তন আনিবলৈ সংগঠন সমূহে একগোট হৈ কাম কৰাৰ সময় হৈছে আৰু তাৰ বাবে লাগিব তেওঁলোকৰ সামাজিক দায়বদ্ধতা, মানসিক নমনীয়তা, পৰ্য্যবেক্ষণ আৰু অনুশীলন। শিক্ষক, ছাত্ৰ, শিল্পী সাহিত্যিক, বুদ্ধিজীৱি সকলোৰে দায়িত্ব আহি পৰিছে সমাজখন ধুই মেলি এখন নতুন দুৰ্নীতিমুক্ত নিকা সমাজ গঢ়াৰ।

*২০০০ ৰ ভুল ক্ৰটী মাৰ্জনাৰে -*

(স্বাক্ষৰ)

# CONTENTS
## সূচীপত্ৰ

### চিন্তা শিল্প


লোকনাট্য আৰু অসমীয়া নাটক□ ড° পৰমানন্দ ৰাজবংশী/১

কাঠফুলাৰ খেতি ঃ এক লাভজনক ব্যৱসায়□শচীন চহৰীয়া/৫

টিকৃটিকনি আৰু নাই□ড° খলিলুৰ ৰহমান/৭

কবিতাত অলংকাৰ, প্ৰেম, যৌনচিত্ৰ ইত্যাদি□দিব্যজ্যোতি বৰা/৯

মানৱ জীৱনৰ ওপৰত সংগীতৰ প্ৰভাৱ□ৰীপামণি শৰ্মা/১২

ভাৰতীয় মহাকাব্য ঃ ৰামায়ণ আৰু মহাভাৰতৰ উৎস□শশীন শৰ্মা/১৪

শান্তি, বিদ্ৰোহী আৰু ভাৰত (চিন্তন)□আব্দুল মান্নান/১৬

ব্যাস পাৰাৰ ব্যাস ওজা□কল্পজিৎ শৰ্মা/১৮

সহস্ৰাব্দত জনসংখ্যা আৰু ইয়াৰ প্ৰতিৰোধ ব্যৱস্থা□ইনামুল মজিদ/২০

অটল বিহাৰী বাজপেয়ী আৰু তেওঁৰ ব্যক্তিত্ব□মানৱ জ্যোতি চহৰীয়া/২২

অসম আৰু অসমীয়াৰ দুৰৱস্থা□মধুস্মিতা শৰ্মা/২৫

সাক্ষাৎ প্ৰসঙ্গ□সম্পাদক/২৭


### কথা শিল্প


সেই মানুহজন□ড° বিজয় কুমাৰ শৰ্মা/২৯

খিড়িকী□মহাদেৱন বৰুৱা/৩২

আত্মাৰ চিৎকাৰ□ৰূপজ্যোতি নাথ/৩৫

গল্পৰ প্লট বিচাৰি□কল্পৰী দেৱী/৪১

গল্প নহয় কিন্তু এটা সপোন□দুৰ্লভ গোস্বামী/৪৩

শৰশয্যাত এখনি হিয়া□অৰূপ জ্যোতি মহন্ত/৪৪

সপোনৰ শিহৰণ□হেমলতা দেৱী/৪৬

জীৱন গদ্যৰ সন্ধিক্ষণত□বিনীতা কলিতা/৪৮

নাঙল (একাঙ্কিকা ব্যঙ্গ নাটক)□পবেশ কুমাৰ বড়া/৫০


### শব্দ শিল্প


মোক সাগৰিকা বুলি মাতিবা□মৃদুস্মিতা শৰ্মা/৫২ প্ৰত্যাশাৰ স্নিগ্ধতা□জয়ন্ত কুমাৰ নাথ/৫২ নদীবোৰ যেতিয়া গাভৰু হয়□মুকুট শৰ্মা/৫৩ অনামিকাৰ প্ৰিয়া এতিয়া কাৰ্গিলত□আকাশ ৰাজ কলিতা/৫৩ যদি আপোনমনে বজোৱা তোমাৰ চিফুং বাঁহীটি□নিতু কুমাৰ কলিতা/৫৪ অদ্ভুত অলৌকিক□দিগন্ত শৰ্মা/৫৪অনুভৱৰ পৃথিৱীত কবিতাৰ মেলা□মালবিকা নাথ/৫৫ সময়ৰ জালিয়াতত□মিণ্টু বৰুৱা/৫৫ এজুৰি চকু এজাক ধুমুহা□পুনম নাথ/৫৬ সাৰথি□অজিত কুমাৰ বৰুৱা/৫৬ পৰিহাস□মঞ্জুলা শৰ্মা/৫৭ মৃত্যুৰ সপোন□নিৰঞ্জন বড়া/৫৭ এখন নক্সা□দ্বীপজ্যোতি কলিতা/৫৮ কবিতা□হেমলতা ডেকা/৫৮ অপেক্ষা□প্ৰণামিকা চহৰীয়া/৫৯ নিৰ্বোধ যাতনা□ঈশান প্ৰতিম বৰুৱা/৫৯ নতুন দিনৰ প্ৰতিশ্ৰুতিৰে□লাচিত বৰুৱা/৬০ প্ৰেমৰ কবিতা□ঋতুৰাজ/৬০ বেহা□পংকজ চমুৱা/৬০ সিদ্ধান্তৰ জুপুৰিত□হিতেশ কুমাৰ ডেকা/৬১প্ৰত্যাহ্বান□চাৰু কলিতা/৬১ এলান্দু□জিতুমণি ডেকা/৬২ প্ৰতীক্ষা□হেমন্ত চহৰীয়া/৬২ কেন্দ্ৰ নোহোৱা এটা বৃত্ত□অনামিকা চহৰীয়া/৬৩ তুমি আৰু মই□হেমন্ত কুমাৰ বৰুৱা/৬৩ জলাশয়ত এটা চৰাইৰ গান□দ্বীপেন ডেকা/৬৪ ব'দৰ অপেক্ষাত□জ্যোতিষ নাথ/৬৪ হৃদয়ৰ মাজত চিতাৰ এক চেমেতা-চেমেতি গোন্ধ□দ্বীপ কিশোৰ শইকীয়া/৬৫ মোৰ প্ৰেম□কমকণ জান্নাত/৬৫ এটা অপাৰ্থিৱ অস্তিত্ব□গৌতম ঠাকুৰীয়া/৬৫ সপোন□ত্ৰিলোচন নাথ/৬৬ তুমি এবাৰ আহিবাছোন□কমল জ্যোতি শৰ্মা/৬৬ অৰুণিমা ! তুমি কেনে আছা ?□ চন্দন কলিতা/৬৭ বেইৰগুৰি উদুলি-মুদুলি□গৌতম বৰুৱা/৬৭ ব্যৰ্থতাৰ প্ৰতিদান□স্বপ্না দেৱী/৬৮ মোৰ দুঃস্বপ্ন□দীপঙ্ক কুমাৰ বৰা/৬৮ এটি সন্ধিয়াত□চৈয়দা জেচমিন মেৰী/৬৯ বেদনা□প্ৰণৱ জ্যোতি শৰ্মা/৬৯ অপেক্ষা□বিণাংক নাথ/৬৯ অনুভূতি□নিবেদিতা চহৰীয়া/৭০ হৃদয়□ কাজল হক/৭০ আশা□বিনীতা কলিতা/৭০ বিৰহানল□নিৰঞ্জন দাস/৭১ এটা দুখৰ গাঁতত□পংকজ কুমাৰ শৰ্মা/৭১এতিয়া মই অপেক্ষাৰ মৰিশালিত□দ্বীপেন কলিতা/৭২ বকুলৰ কথা□মানিক চন্দ্ৰ চহৰীয়া/৭২ জান□ভাস্কৰ জ্যোতি শৰ্মা/৭৩ তোমাৰ প্ৰথম চিঠি□মনোজ কুমাৰ নাথ/৭৩ অনাহূত□বিজু কুমাৰ শৰ্মা/৭৪ হৃদয় আৰু প্ৰেম□মধুমিতা দেৱী/৭৪ কদ্ধ দুৱাৰ খুলি□জিতুকণ ভট্টাচাৰ্য/৭৫ তুমি□বিপুল শৰ্মা/৭৫ মধুৰ যন্ত্ৰণা□ইন্দ্ৰাণী পাঠক/৭৬

উকা হৃদয়ৰ চিত্ৰ□মদন মোহন বড়া/৭৬


### ভিন্নশিল্প


যুদ্ধক্ষেত্ৰৰ পৰা তোমালৈ□শিশিৰ কুমাৰ ডেকা/৭৭

ব'দ বিচৰা কবি হীৰেন ভট্টাচাৰ্য□অলিক ভৰদ্বাজ/৭৮

এটি প্ৰেমৰ কবিতা □অনিল কলিতা/৭৯

সময়, ৰহস্যৰ অন্য এক নাম□মুনীন্দ্ৰ শৰ্মা/৮০

অনুভৱ - বিস্কুৱালা আৰু পানদোকানীৰ□সাধিৰাম বড়া/৮১

বাস্তৱ ঘটনা□মৃদুল শৰ্মা/৮৩

অনুবাদ কবিতা□জামালুদ্দিন আহমেদ/৮৪

জীৱন □ জোনমণি চহৰীয়া/৮৫, বিদায়ৰ শেষ অনুৰোধ□ৰশ্মিৰেখা বড়া/৮৫

ছবিয়েও কথা কয়/৮৬


### English Section


Education and literaly in Darrang District□Dr. G.C. Goswami/87

Maniram Dewan : An illustrious son of Assam□Dr. Hiren Kr. Goswami/90 College for all□Jyotish Deka/92

Bathow Riligion in the Bodo community□Laba Kr. Bsumatary/93

Requisiteness of Internet□Rana Basistha/94

Square of prime numbers□Mandeep Mandal/95

How God becames man□Ridip Kr. Sarma/96

Awake and Revolt□Pranab Jyoti Sarma/97

How sweet the dream was□Ranjana Rani Dutta/97

What is life□Khanindra Kalita/97


### কলেজ চৌহদ


৯৯-২০০০ ৰ প্ৰতিভা, প্ৰতিশ্ৰুতি . . . /৯৮

সম্পাদকলৈ চিঠি/১০০

বিভাগীয় সম্পাদকৰ প্ৰতিবেদন/১০২

চিন্তা শিল্প

অতিথি লিখকৰ কলমেৰে

# লোকনাট্য আৰু অসমীয়া নাটক

## ( দৰঙী লোকনাট্যৰ বিশেষ উল্লিখনসহ )

ড° পৰমানন্দ ৰাজবংশী

(১)

অনুভূতিশীল মানুহ স্বাভাৱিকতে অনুকৰণ প্ৰিয়। ৰস সৃষ্টিও সেয়ে স্বভাৱ সুলভ। প্ৰকৃতিৰ ঐশ্বৰ্য্যমণ্ডিত বৈভৱৰ মাজত থাকি মানুহে প্ৰকৃতি অথবা এই ৰহস্যময় বিশ্বব্ৰহ্মাণ্ডৰ পৰাই আহৰণ কৰিছে বিভিন্ন ৰসসৃষ্টি কলা সম্পদ। সেয়ে যি খাদ্য আহৰণ কৰিছিল, সেই আহৰণ শক্তিৰ ফলতেই এটা সময়ত চিকাৰী প্ৰিয় আদিম জনগোষ্ঠিৰ লাহে লাহে সংৰক্ষণ আৰু বংশবৃদ্ধি আৰু জীয়াই থকাৰ বুণিয়াদতেই সৃষ্টি হ'ল প্ৰজনন তথা উৰ্বৰতা কামনাৰ পৃষ্ঠভূমি। এই পৃষ্ঠভূমিতেই যাদুকৰী ধাৰণাৰো উদ্ভৱ হ'ল। বিশ্বৰ সকলো জনগোষ্ঠিৰ মাজতেই আমি সেয়ে কৃষি কাৰ্যত উল্লিখিত যাদুকৰী ধ্যান-ধাৰণা সম্পৃক্ত হৈ পৰা দেখিবলৈ পাওঁ। আদিম জড়বাদী ধ্যান-ধাৰণাৰ ওপৰতেই ভিত্তি কৰি এসময়ত ক্ৰমবিবৰ্তনৰ ধাৰাত যি ধৰ্মৰ সৃষ্টি হ'ল এই ধৰ্মত যাদুকৰী ধ্যান-ধাৰণাৰ সৈতে একাকাৰ হৈ পৰা পৰিলক্ষিত হ'ল।

এই বিনন্দিয়া প্ৰকৃতিৰ বুকুৰ পৰাই মানুহে আয়ত্ব কৰিলে নৃত্য-গীতৰ উপাদান। অনুকৰণশীল মানৱে প্ৰকৃতিৰ যি কোনো সম্পদক আশ্ৰয় কৰি নিজৰ ভাৱোচ্ছ্বাসেৰে গছ-বনৰ দৰে হালি-জালি, হুৰাই-চিবিকটি, জন্তুৰ অংগী-ভংগী, নৈ-জানজুৰিৰ গতি, বৰষুণ, বিজুলী আদি প্ৰকৃতিক কাৰ্যৰ ধ্বনি-প্ৰতিধ্বনি হৃদয়গ্ৰাহ্য অনুকৰণেৰে নৃত্য-গীতৰ সৃষ্টি কৰিলে। প্ৰকৃতাৰ্থত নৃত্য-গীতৰ আৰত প্ৰচ্ছন্ন হৈ আছে অভিনয়। কাৰণ অনুকৰণ বা অনুসৰণ যে এই কলাৰ মৌলিক ধৰ্ম।

যিহেতু লোক-জীৱনত কৃষি আৰু বংশ বৃদ্ধি দিশটোৰ গুৰুত্ব অপৰিসীম, সেয়ে নৃত্য-গীত, অভিনয়-বাদ্য আদিৰ সৈতেই অপৰিহাৰ্য্য হৈ পৰিল আৰু এই চাৰি আহাৰ্যৰ সংমিশ্ৰণত লোকনাট্যৰ উদ্ভৱো অৰ্বাচীন। প্ৰাচীন কালৰে পৰা অনুভূতিশীল, ভাৱ-ক্ৰিয়া প্ৰকাশত সক্ষম মানুহে এনেদৰেই লোকনাট্যৰ সৃষ্টি কৰিছে। এই লোকনাট্যৰ আধাৰতেই গ্ৰীক ট্ৰেজেডিৰ সৃষ্টি হৈছে। ভাৰতবৰ্ষতো এনে এক শক্তিশালী লোকনাট্যৰ পৰম্পৰাৰ ফলতেই খ্ৰীষ্টপূৰ্ব তিনি চন মানত ভৰত মুণিয়ে নাট্যশাস্ত্ৰ প্ৰণয়ন কৰে। ভাৰতবৰ্ষত এই নাট্য পৰম্পৰাৰ সৈতে এটা সময়ত যি ধৰ্মীয় দিশৰ অৱতাৰণা হ'ল, সুক্ষ্মভাৱে বিচাৰ কৰিলে সেয়া লোক ধৰ্মৰ পৰম্পৰাৰহে ফলশ্ৰুতি বুলি নিঃসন্দেহে কব পাৰি।

অপ্ৰকাশ আৰু বহুপ্ৰকাশৰ নীতি বিধৃত নাট্য হৈছে বিবিধ বিদ্যাৰ ভিতৰত অন্যতম। 'কাব্যেষু নাটকম ৰম্যম্' বুলি সংস্কৃত আলংকাৰিক সকলে অকপটে স্বীকাৰ কৰি গৈছে। ঋগবেদৰ পৰা কথা, সামবেদৰ পৰা সংগীত, যজুৰ্বেদৰ পৰা মুদ্ৰা আৰু অথৰ্ববেদৰ পৰা অন্তৰ্দশী মানসিক অৱস্থা সমূহ লৈ ভৰত মুণিয়ে নাট্যশাস্ত্ৰ প্ৰণয়ন কৰাৰ পৰা আমি সমগ্ৰ ভাৰতবৰ্ষত প্ৰাক-বৈদিক যুগৰ পৰাপৰিবেশ্য কলাসমূহৰ অস্তিত্ব সম্পৰ্কে অনুধাৱন কৰিব পাৰো। নাট্যশাস্ত্ৰ প্ৰণেতা গৰাকীয়ে এই শাস্ত্ৰখনিক এক শিক্ষণীয় বিদ্যা হিচাপে অভিহিত কৰাৰ পৰা ইয়াক পঞ্চম বেদ ৰূপে চিহ্নিত কৰা হ'ল। ইয়ে ভাৰতবৰ্ষৰ শক্তিশালী লোকনাট্য অথবা গ্ৰামীণ নাট্য, পৰম্পৰাগত নৃত্য-নাট্যৰ প্ৰৱহমান দিশটোলৈকে আঙুলিয়াইছে। ড° কপিলা বাৎস্যায়নে 'Traditional Indian Theatre' শীৰ্ষক গ্ৰন্থত এই শক্তিশালী, ব্যাপ্ত লোকনাট্যসমূহৰ বৈশিষ্ট, লক্ষণসমূহৰ বিষয়ে গৱেষণামূলক দৃষ্টিভংগীৰে আলোচনা কৰিছে। এই কলাৰীতিবোৰৰ কালনিৰ্ধাৰণ সম্পৰ্কে ড° বাৎসায়নে উল্লেখ কৰিছে যে বিভিন্ন ঐতিহাসিক যুগৰ মাজেদি এইবোৰৰ প্ৰৱমানতা আৰু অস্তিত্বৰ দৃঢ়তাৰ বিষয়ে প্ৰত্যয় জন্মে। আক্ৰমন, যুদ্ধ, ৰাজ্যৰ পতন, প্ৰব্ৰজন, সৰু পাতিল ৰাজ্য আৰু ৰাষ্ট্ৰৰ উত্থান আৰু অতি উগ্ৰধৰণৰ বিশুদ্ধবাদীৰ সামাজিক ধৰ্মীয় আন্দোলনৰ আৰু প্ৰতিবাদ আৰু বিৰুদ্ধমতৰ বিস্তাৰ এনে ধৰণৰ ঘটনাৰে চিহ্নিত ৰাজনৈতিক ইতিহাসৰ মাজেদিয়েই এইবোৰৰ উদ্ভৱ আৰু বিকাশ হৈছে। যদিও এই কলাৰীতিবোৰৰ বিকাশৰ অতি সুস্পষ্ট ধৰণৰ ঐতিহাসিক স্তৰ বিভাজন বা কালনিৰ্ধাৰণ কৰাৰ প্ৰচেষ্টা হোৱা নাই, তথাপি ইয়াৰো ভালেমান কাল নিৰ্ণয় কৰাটো সম্ভৱ। কাহিনী-গীতৰ দৰে কিছুমান কালৰীতিৰ গুৰি বৈদিক বা বৈদিকোত্তৰ যুগত বিচাৰি পোৱা যাব। আন কিছুমান মুল উলিয়াব পাৰি ধ্ৰুপদী সংস্কৃত সাহিত্যৰ যুগত ; কুটিয়াট্টম আদি আৰু কিছুমানক দশম একাদশ শতাব্দীলৈকে নিব পাৰি। ভালেমানৰ গুৰি বিচাৰি পোৱা যায় এটা পৰৱৰ্তী যুগতদ্বাদশ শতাব্দীৰ পৰা ষোড়শ-সপ্তদশ শতাব্দীলৈকে আঞ্চলিক সাহিত্যৰ উত্থানৰ সমসাময়িক ভাৱে ; কিছুমান পঞ্চাশ বা এশ বছৰকৈ অধিক পুৰণি নহয়, এই সময়চোৱাত এইবোৰৰ বিকাশ হৈছে কোনো ৰাজনৈতিক ঘটনাৱলীৰ প্ৰভাৱত অথবাকোনো সৃষ্টিমুখী শিল্পীৰ ব্যক্তিগত প্ৰতিভাৰ মাজেদি। আকৌ সমসাময়িক ভাৰতবৰ্ষত পৌৰ আৰু গ্ৰামীণ উভয় স্তৰতে নতুন কলাৰীতিৰ জন্ম হৈ আছে আৰু এই কলাৰীতিসমূহে প্ৰচলিত প্ৰবাহবোৰক যিদৰে সমৃদ্ধি কৰিছে ; সেইদৰে সেইবোৰৰ দ্বাৰা এই ৰীতিবোৰো সমৃদ্ধ হৈছে। 'Traditional Indian Theatre' অসমীয়া ভাঙনি, নেচনেল বুক ট্ৰাষ্ট ইণ্ডিয়া, (১৯৯৬)। অসমৰ অংকীয়া নাট-ভাওঁনাৰ সৃষ্টিত যিদৰে লোকায়ত আৰু শাস্ত্ৰীয় দুয়ো অভিধাৰ সু-সমন্বয় ঘটিছে, একেদৰে ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তৰত কুটিয়াট্টম, যক্ষগান, ভাগৱত মেলা আৰু কুছিপুড়ি, ছৌ, ময়ুৰভঞ্জ ছৌ, পুৰুলিয়া ছৌ, ৰামলীলা, যাত্ৰা, ভৱাই, স্বাংগ, খ্যাল, নৌটঙ্কী, তমশা আদিতো উল্লেখিত দুয়োটা অভিধাৰ সু-সমন্বয় সাধিত হৈছে।

গ্ৰীক ট্ৰেজেডিৰ বিকাশ যি দৰে সম্ভৱ হৈছে গ্ৰীক দেৱতা ডায়োনিছৰ মন্দিৰৰ নৃত্যৰ পৰা, একেদৰে ভাৰতীয় নাটকৰো জন্মৰ সৈতে জড়িত শিৱ অথবা নটৰাজৰ নৃত্যৰ পৰা। ভাৰতীয় জীৱনত শিৱ আকৌ মূলতঃ অৰ্থভিন্ন দেৱতা। নাট্যশাস্ত্ৰই লোকনাট আৰু লিখিত নাট বুজাবৰ বাবে লোকধৰ্মী আৰু পদ দুটা ব্যৱহাৰ কৰিছে।

ধৰ্মী বা দ্বিবিধা প্ৰোক্তা ময়াপূবং দ্বিদ্মোত্তমা।
লৌকিকী নাট্যধৰ্মী চ তয়োৰ্ক্ষ্যামী লক্ষণম্॥

লোকনাট্য সৃষ্টিত লোকগীত লোকনৃত্যৰ ভূমিকা অনস্বীকাৰ্য। সেয়ে পৃথিৱীৰ প্ৰায়বোৰ পৰিবেশ্যকলাত লোকনাট্যৰ উপাদান নিহিত হৈ আছে। সংগীত, নৃত্য, বাদ্য আৰু অভিনয় এই চাৰিটা হৈছে লোকনাট্যৰ প্ৰধান উপাদান। যিহেতু এই নাট্যৰ কাহিনী নিৰ্মাতা, পৰিচালক, কলা-কুশলী, দৰ্শক আদি সকলোবোৰ লোকসমাজৰ, প্ৰদৰ্শন স্থলিও ৰাজহুৱা অথবা মুক্ত অস্থায়ী মঞ্চ। সেয়ে লোকসমাজ অথবা গ্ৰামীন সমাজতেই ইয়াৰ স্থিতি আৰু ব্যাপ্তি।

বাদ্যৰ ভিতৰত যিদৰে ঢোল বিশ্বজনীন তথা অতি প্ৰাচীন, একেদৰে লোকনাট্যৰ প্ৰচীনতালৈ লক্ষ্য কৰিলে পুতলা নাচো প্ৰাচীন আৰু বিশ্বজনীন। মানৱ সৃষ্টি কলা বাবে পৃথিৱীৰ সকলো ঠাইৰেই লোকনাট্যৰ চাৰিত্ৰিক বৈশিষ্ট প্ৰায় একেই। মাথো ভাষাহে বেলেগ। একেদৰে মানৱ বৈচিত্ৰৰ দৰে এই লোকনাট্যৰো ঠাইভেদে বৈচিত্ৰ পৰিলক্ষিত। মানৱসৃষ্ট এই লোকনাট্যৰ আধাৰতেই প্ৰকৃততে প্ৰত্যেকখন আদৰ্শ দেশতে এক শক্তিশালী নাট্য পৰম্পৰাৰ সৃষ্টি হৈছে।

ধৰ্মীয় আৰু ধৰ্মনিৰপেক্ষ, এই দুটি ভাগত লোকনাট্যক ভাগ কৰিব পাৰি। পিছে সমাজৰ কল্যাণ অথবা মঙ্গল কামনাই এই লোকনাট্যৰ মূল উদ্দেশ্য। লোকনাট্যই গতিশীল জীৱনচৰ্যাক অকপটে গ্ৰহণ কৰে। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক যিকোনো গুৰুত্বপূৰ্ণ ঘটনালোকনাট্যৰ বিষয়বস্তু হিচাপে সোমাই পৰিছে। সাধুকথা, জনশ্ৰুতি, পৌৰাণিক প্ৰায়বোৰ কাহিনীকেই লোকনাট্যই সামৰিছে। খোলা মঞ্চ এই লোকনাট্যৰ বুনিয়াদ। চাৰিওপিনে দৰ্শক বহিব পাৰে। পোহৰো পৰম্পৰাগত।

(২)

অসমৰ প্ৰাচীন লোকনাট্য সন্দৰ্ভত ভৰত মুণিৰ নাট্যশাস্ত্ৰত বৰ্ণিত চাৰি প্ৰকাৰ নাট্যপ্ৰবৃত্তিৰ শুভ্ৰ মাগধীৰ উল্লেখ তাৎপৰ্যপূৰ্ণ।

চতুৰ্বিধা প্ৰবৃত্তিশ্চ প্ৰোক্তা নাট্য প্ৰয়োগতঃ।
আৱন্তী দাক্ষিণাত্যা চ পাঞ্চালী ঔড্ৰমাগধী॥

এই ঔড্ৰ-মাগধীয়ে অংগ, বংগ, কলিংগ, শুভ্ৰ, মগধ, পুণ্ড, নেপাল, প্ৰাগজ্যোতিষ আদি অঞ্চলক সামৰা দিশটোৱে প্ৰচীন প্ৰাগজ্যোতিষত এক স্বকীয় নাট্যশৈলী প্ৰচলিত আছিল বুলি আমি ধাৰণা কৰিব পাৰো। অৱশ্যে একমাত্ৰ পুতলা নাচক বাদ দি অসমৰ ঢুলীয়া, ওজাপালি, ভাৰীগান, কুশান গান, খুলীয়া ভাৱৰীয়া আদি পূৰ্ণপৰ্যায়ৰ লোকনাট্য সমূহ অনুধাৱন কৰিলেই উল্লেখিত ধাৰণা স্পষ্ট হৈ পৰে।

দৰং আৰু অবিভক্ত কামৰূপ অঞ্চলত প্ৰচলিত বৰঢুলীয়া, ঢুলীয়া আৰু ঢেপা ঢুলীয়া অতি প্ৰাচীন তথা পৰিপূৰ্ণ লোকনাট্যানুষ্ঠান। ওজাপাতি নামনি অসমৰ প্ৰায়বোৰ ঠাইতেই পৰিলক্ষিত। কামৰূপত ঠাই ভেদে ভাইৰা বুলি অভহিত এই ওজাপাতি অনুষ্ঠানৰ ভূ-স্বৰ্গ হৈছে দৰং। অবিভক্ত গোৱালপাৰা আৰু দৰং লোকনাট্যৰ ভূ-স্বৰ্গ বুলি অভিহিত কৰিব পাৰি। অবিভক্ত গোৱালপাৰাৰ কুশান গান, ভাৰীগান, সেৰজা গাৱৌন, থাপ্পিফালা, হঁৰসিঙৈ, দিহিনায় গাৱৌন, ফাৰকান্তি, হানাঘোঁৰা, পালাগান, বাঁশীপুৰাণ, মাৰেগান আদি অসংখ্য লোকনাট্য আৰু অৰ্ধ লোকনাট্যানুষ্ঠান বিভিন্ন সম্প্ৰদায়ৰ মাজত প্ৰচলিত। (স্থানান্তৰত দৰঙী লোকনাট্যৰ বিষয়ে আলোচনা কৰা হৈছে।) ইয়াৰোপৰি দেৱধ্বনি, আপী ওজা, দেৱদাসী নৃত্য, হাজোৰ নট-নটী, ডুবিৰ নাচ, পচতি, মথনি, দৌল, ঝুলন যাত্ৰা, ৰাস যাত্ৰা, নাগাৰা নাম, ঝেঝেৰা পাটি, মহ'হৌ, বাৰে চহৰীয়া ভাওনা, হেজাৰী-ভাওনা আদিও অসমৰ ঠাই বিশেষে প্ৰচলিত লোকনাট্য উপাদানযুক্ত অনুষ্ঠান।

অসমৰ সৰহভাগ লোকনাট্যৰ বিষয়বস্তু দুখন মহাকাব্য তথা পুৰাণৰ পৰা আহৰণ কৰা। ভাৰতীয় লোক জীৱনত মহাকাব্য আৰু পুৰাণৰ যি অপৰিসীম প্ৰভাৱ, এয়া লোকনাট্যৰ বিষয় বস্তুলৈ চাই ধৰা পৰে। ইয়াৰোপৰি লৌকিক দেৱ-দেৱী, সাধুকথা, জনশ্ৰুতি, ইতিহাস, সমসাময়িক সামাজিক ঘটনা, মিভিন্ন হাস্য-কৌতুক ঘটনা এই লোকনাট্যৰ বিষয় বস্তু হিচাপে অন্তৰ্ভুক্ত হৈছে। অসমৰ লোকনাট্য সমূহৰ সংযুতি একক এনে ধৰণে দেখুৱাব পাৰি ঃ বাদ্য, প্ৰস্তাৱনা, বাদ্য সংগীত, মংগলাচৰণ, মূলকাহিনী বা পালা, অভিনয়, নৃত্য, গীত, সংলাপ, ৰাজনা, হাস্য-কৌতুক।

(৩)

লোকনাট্য এক শক্তিশালী পৰম্পৰাৰে দৰং ঐশ্বৰ্যমণ্ডিত। প্ৰাচীন কামৰূপৰ অন্তৰ্গত এই দৰঙৰ পৰিসীমা হৈছে পূৱে ধনশিৰি, পশ্চিমে পুঠিমাৰী নৈ (লখেইতৰা), উত্তৰে ভোটৰাজ্য আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ। আৰ্যভিন্ন-আৰ্যীয় সংস্কৃতিৰ মিলনফল এই দৰং দৰাচলতে অৰ্ধ নাটকীয় অথবা লোক-নাট্য ভৰাল বুলি কলেও ভুল নহয়। পুতলা নাচৰ পৰম্পৰা আৰ্হিত গঢ় লোৱা ওজাপালি অনুষ্ঠান, ঢুলীয়া, ঢেও-চাপৰি, খুলীয়া ভাউৰীয়া নাঙেলী গীত, থিয় নাম, মহ'হৌ আদিত লোকনাট্যৰ উপাদান নিহিত হৈ আছে।

দৰঙৰ ঢুলীয়া অনুষ্ঠানত অধিক পৰিমানে লোকনাট্যৰ উপাদান সংযুক্ত হৈ আছে। দৰঙৰ ঢোল আকৌ তিনি প্ৰকাৰৰ - (১) বৰ ঢোল, (২) দেৱ বা জয়ঢোল, (৩) ঢেপা ঢোল। বৰঢুলীয়াৰ সৈতে দৰঙৰ লগত কামৰূপৰ এক বিশেষ সম্পৰ্ক দৃশ্যমান। জয়ঢোলৰ ব্যৱহাৰ সচৰাচৰ বিভিন্ন পূজা উৎসৱ (দৰং আৰু গোৱালপাৰাত মনসা পূজাত) মন্দিৰ অথবা দেৱালয়ৰ লগত সম্পৰ্কিত অনুষ্ঠানৰ অপৰিহাৰ্য হিচাপে গণ্য কৰা হয়।

পিছে মূলতঃ আৰ্যভিন্ন প্ৰজাতিৰ মাজত পৰিলক্ষিত ঢেপাঢুলীয়া অনুষ্ঠান দৰঙৰ অমূল্য সম্পদ। ছয় বা আঠ জনীয়া দলেৰে সংগঠিত এই দলত এজন ঘাই ঢুলীয়া বা গায়ন, পালি এজন, আগ তালুৰৈ দুজন আৰু পাছ তালুৰৈ চাৰিজন অথবা ততোধিক। দৰঙৰ বিভিন্ন উৎসৱ পাৰ্বনত

ঢেপা ঢুলীয়াৰ প্ৰদৰ্শন অপৰিহাৰ্য্য আছিল । বাদ্য অথবা বাদি মুখ্য যদিও এই ঢুলীয়াৰ যুজ তথা বিভিন্ন ধৰনৰ নাচনত (তমাল মুচৰা, ঊঘা, বোন দাপাক, চমোৰা পাক) অভিনয়ৰ উপাদান সংযুক্ত । আজিও পানী ভৰোৱা ঢেপাঢোল বজাই বহুতো দলে এই কৃষ্টি জীয়াই ৰাখিছে । ইয়াৰ সংগীতবো সুকীয়া বৈশিষ্ট আছে ।

দৰঙৰ অন্য এক শক্তিশালী লোকনাট্যৰ পৰম্পৰা হৈছে ওজাপালি। মহাকাব্য আশ্ৰয়ী অথবা বিষ্ণু পূজাৰ সৈতে সম্পৰ্ক থকা ব্যাসৰ ওজাপালি আৰু মনসা দেৱীৰ পূজাৰ লগত সম্পৰ্ক থকা সুকনানি ওজাপালি - এই দুবিধ দৰঙত বিদ্যমান । সুকৱি নাৰায়ণ দেৱৰ পদ্মপুৰাণৰ গীত পৰিবেশন কৰাৰ যি পৰম্পৰা, সেয়েই সুকনানি হিচাপে পৰিগনিত হ'ল । পিছে এনে পৰম্পৰাৰ সৈতে দেওধানী সংযুক্ত হৈ পৰিল । মংগোলীয় জনগোষ্ঠীৰ দান দেওধা, দেওধানী পৰম্পৰা ওজাপালিৰ সৈতে সংযুক্ত হোৱাটোও গুৰুত্বপূৰ্ণ দিশ । দেওধা অথবা দেওধানীৰ নাচে অভিনয় প্ৰকাৰ্য সাধন কৰে । নৃত্য-গীত, ৰাগ-ৰাগিনী, মুদ্ৰা, আংগিক, অংগীভংগীৰে ওজাপালি দৰাচলতে এক সাংস্কৃতিক অনুষ্ঠান । দৰঙত মূল পৰিচালক গৰাকীক ওঝা বোলা হয় ।

হাতে মুদ্ৰা, মুখে পদ, পাৱে ধৰে তাল ।  
ময়ুৰ সদৃশ নাচে সেই ওঝা ভাল ॥

উল্লিখিত পদফাকিৰে ওজাপালিৰ মানদণ্ড সম্পৰ্কে মোটামুটি ধাৰণা কৰিব পাৰি । এইদৰে ভাৰতীয় মাৰ্গীয় সংগীত ধাৰাৰ ধাৰক বাহক হিচাপে ব্যাসৰ ওজাপালিক উদাহৰণ হিচাপে ল'ব পাৰি । দৰঙৰ গোন্ধচৌপৰি সভাত অপৰিহাৰ্য এই ওজাপালিত শাস্ত্ৰীয় বৈশিষ্ট অধিক । ওঝাই দাইনাপালিৰ সৈতে মাজে মাজে পৰিবেশিত পদ সমূহ স্থানীয় ভাষাত ৰসগৰ্ভভাৱে উত্থাপন কৰাৰ যি পৰম্পৰা, ইয়াৰ মাজত অভিনয়ৰ উপাদান সংযুক্ত হৈ আছে । কামৰূপৰ ওজাপালিত আকৌ এনে অভিনয়ৰ পৰিমাণ অধিক । মুঠৰ ওপৰত এই লোক সম্পদে আজিকোপতি প্ৰাচীন ঐতিহ্য-পৰম্পৰা দৰঙত অক্ষুণ্ণ ৰাখিছে ।

দৰঙৰ অন্যতম পূৰ্ণাংগ লোক নাট্যানুষ্ঠান হৈছে খুলীয়া ভাউৰীয়া। এই খুলীয়া ভাউৰীয়া সৃষ্টিৰ পৃষ্ঠভূমি আকৌ দৰঙৰ ঢুলীয়া আৰু ওজাপালি অনুষ্ঠান । বিয়াহ আৰু সুকনানি ওজাপালিৰ বিভিন্ন উপাদানেৰে পৰিপুষ্ট এই বৃহৎ লোকনাট্যানুষ্ঠানটি পৰৱৰ্ত্তী সময়ত গুৰুজনাৰ অংকীয়া নাটৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি । একেষাৰে কবলৈ গলে দৰঙৰ ঢুলীয়া ওজাপালিৰ পৰম্পৰাত সৃষ্ট খুলীয়া ভাউৰীয়া পৰৱৰ্ত্তী সময়ত অংকীয়া নাটৰ দ্বাৰা প্ৰভাৱপুষ্ট হৈ বৰ্ণাঢ্য হৈ পৰিছে । মহাকাব্যৰ উপৰিও পুৰাণ, উপপুৰাণ তথা ৰাম সৰস্বতীৰ বধ কাব্যৰ কাহিনীক আধাৰ হিচানে লৈ খুলীয়া ভাউৰীয়া দলে পদছন্দত মুখ পৰম্পৰাৰে নাটক সৃষ্টি কৰিছিল । ঢুলীয়াৰ দৰে এই ভাউৰীয়া অনুষ্ঠানতো চং তথা বহুৱাৰ দ্বাৰা হাস্য-কৌতুকৰ অৱতাৰণা কৰা হয় । অংকীয়া নাটৰ সূত্ৰধাৰৰ দৰে খুলীয়াতো এগৰাকী ওঝা থাকে । কিন্তু এই ওঝা সূত্ৰধাৰতকৈও এখোপ ওপৰত । একেধাৰে মঞ্চ নিৰ্দেশক, পৰিচালক, নৃত্যবিশাৰদ, অন্যতম মূখ্য গায়ক, অভিনেতা এই সকলো কাৰ্যই ওঝাই সম্পন্ন কৰে । ক'বলৈ গলে ওঝা অনুষ্ঠানটিৰ হৃদপিণ্ড । খোলঘাটেনীৰ পাছত ওঝাৰ নিৰ্দেশমতে অভিনেতা সকলে অভিনয় কৰে। এই অভিনয় পদছন্দত নাচি নাচি প্ৰৱেশ-প্ৰস্থান কৰিহে সম্পন্ন কৰে । ওঝাই পদ লগাই দিয়ে । পালিসকলে ধৰে । এই পদৰ নিৰ্দেশ অনুসৰি চৰিত্ৰবোৰে অভিনয় কৰি যায় । বিলাপ আৰু যুদ্ধ ভাউৰীয়া আনুষ্ঠানৰ অপৰিহাৰ্য । একেদৰে বহুৱাও ইয়াৰ গুৰুত্বপূৰ্ণ উপাদান । যুদ্ধ মৃত্যু বিলাপ আদিৰ লগতে লৌকিক হাস্যৰস খুলীয়া ভাউৰীয়াৰ যি দৰে বৈশিষ্ট, অংকীয়া নাটত এয়া আকৌ অনুপস্থিত । গীত,নৃত্য, অভিনয়, বাদ্য এই চাৰি আহাৰ্য্য সমানুপাতিক হাৰত খুলীয়াত বিদ্যমান । দৰঙৰ যিকোনো ৰাজহুৱা অনুষ্ঠানত এই অনুষ্ঠান প্ৰদৰ্শন অতি কমেও তিনি ঘন্টা সময়ৰ প্ৰয়োজন হয় । সেয়ে খুলীয়া ভাৱৰীয়াক আমি অসমৰ এক স্বয়ংসম্পূৰ্ণ লোকনাট্যানুষ্ঠান বুলি অভিহিত কৰিলে নিশ্চয় ভুল নহয় ।

ইয়াৰোপৰি দৰঙৰ মথেনি আৰু পঁচেতি উৎসৱত পৰিবেশন কৰা পৰিবেশ্য কলাসমূহতো লোকনাট্যৰ উপাদান বহু পৰিমাণে পৰিলক্ষিত । এইদৰে মহোঁ খুন্দা, নাঙেলী গীততো লোকনাট্যৰ উপাদান বিদ্যমান ।

দৰঙৰ নাগাৰা নাম, চেও-চাপৰি নাম, থিয় নামতো লোকনাট্যৰ উপাদান কিছু পৰিমাণে বিদ্যমান । একেদৰে দৰঙৰ খেৰাই, বাগৰুম্বা, বৈশাগু আদি পৰিবেশ্য অনুষ্ঠান আদিকো আমি অৰ্ধনাটকীয় অনুষ্ঠান বুলি অভিহিত কৰিব পাৰো ।

অসমৰ লোকনাট্য পৰম্পৰাত দৰঙৰ স্থান গুৰুত্বপূৰ্ণ । অসমীয়া লোকনাট্য পৰম্পৰাত গোৱালপাৰাৰ লগতে দৰঙে প্ৰভৃত অৰিহনা আগবঢ়োৱাৰ উপৰিও এই ধাৰাটিক বৈচিত্ৰপূৰ্ণ কৰি তুলিছে ।

(৪)

এক চহকী লোকনাট্যৰ আধাৰতেই পৃথিৱীৰ প্ৰায়বোৰ নাট্য সাহিত্যৰ গতিধাৰা নিৰ্ণীত হৈছে । আধুনিক ইংৰাজী নাটকৰ জন্ম আৰু উত্তৰণৰ দিশতো এই ধাৰণা অধিক স্পষ্ট কৰিছে এগৰাকী বিশিষ্ট নাট্য-সমালোচক ডেভিড ডেইচিয়ে তেওঁৰ " A critical History of English Literature" নামৰ গ্ৰন্থত ।

"The ultimate origins of all dramas are the concern of the anthropologist rather than of the literary historian. Drama and religious ritual seem to have been bound up with each other in the earliere stages of all civilizations; folk celebrations, ritual mining of such elemental themes as death and resurrection, Reasonal festivals with approate symbolic actions these lie in the background (Sometimes far in the background) of all dramas, though a sophisticated literary tradition may go far too obliterate their traces. So far as we can write the history of English drama it begins with the celebration of the ecclesiastical litegy in mutually ansering dialogues of the other goddess pre-christian reasonal festivals. St.George and Robin Hood plays. Maypale dance and similar folk activities-we can say little more then that they undoubtedly existed."

অসমীয়া নাটকৰ জন্ম, আৰু উত্তৰণতো উল্লিখিত দিশসমূহ সুস্পষ্ট। অসমৰ শক্তিশালী লোকনাট্য সমূহৰ আধাৰতেই শ্ৰীমন্ত শংকৰদেৱে যি

ঐশ্বৰ্যমণ্ডিত অংকীয়া নাট ভাওনাৰ সৃষ্টি কৰিলে, সেয়ে অধিক ব্যাপ্ত কৰি তুলিলে তেখাৰ প্ৰিয় শিষ্য মাধবদেৱে। এই অংকীয়া নাট ভাওনাৰ সৈতে ভক্তি ধৰ্মৰ প্ৰসাৰতা সম্পৃক্ত হোৱাৰ বাবে আৰু গুৰুজনাৰ সৃষ্টি কৰ্মৰ বাবে পাছৰ বৈষ্ণৱ ধৰ্মৰ উত্তৰাধিকাৰী সকলে এই নাট্যধাৰাক অধিক গতিশীল, চহকী কৰিবলৈ কোনো প্ৰচেষ্টা নচলালে। ফলত এই শক্তিশালী পৰম্পৰা বহু পৰিমানে স্তিমিত হৈ পৰিল। ইং ১৮৫৭ চনত গুনাভিৰাম বৰুৱাই 'ৰাম নৱমী' নাটকখন লিখি অংকীয়া নাট্য পৰম্পৰা সংস্কৃত নাটক আৰু ইংৰাজী শ্বেইক্সপীয়েৰৰ নাট্যশৈলীৰ এক সমন্বয় সাধনাৰ প্ৰচেষ্টা চলালে যদিও পাছৰচাম নাট্যকাৰে আমাৰ ঐশ্বৰ্যমণ্ডিত পৰম্পৰাৰ প্ৰতি একেবাৰে পিঠি দিলে বুলি কলেও বঢ়াই কোৱা নহয়। ইং ১৮৮৮ চনত কেইগৰাকীমান প্ৰবাসী অসমীয়াই কলিকতাত শ্বেইক্সপিয়েৰৰ 'Comedy of Errors' নাটকখন 'ভ্ৰমৰঙ্গ' নামেৰে অসমীয়ালৈ ভাষান্তৰ কৰি মঞ্চস্থ কৰাৰ লগে লগে যেন অসমীয়া নাটকৰ অন্য এক সুঁতিৰ সৃষ্টি হ'ল। সম্পূৰ্ণ পাশ্চাত্য মঞ্চশৈলীৰে নাটকখন মঞ্চস্থ কৰা 'ভ্ৰমৰঙ্গৰ' প্ৰভাৱ অসমৰ প্ৰধান প্ৰধান চহৰবোৰতো পৰিল। সেই সময়ত পাশ্চাত্য শিক্ষাৰে শিক্ষিত লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা প্ৰভৃতিয়েও ইংৰাজী নাটকৰ আৰ্হিত অসমীয়া নাটক লিখাৰ লগে লগে অসমীয়া নাটকে অন্য এক সুকীয়া ধাৰাৰে আগবাঢ়িল। সেই সময়ত বঙালী যাত্ৰাগান, নাটকৰ অপৰিসীম প্ৰভাৱে অসমীয়া নাট্য-জগতৰ ৰূপটোকেই সলনি কৰি তুলিলে। তথাপিও অসমীয়া নাটসমূহৰ ভাষা, গীত আদিত লোক-উপাদান নিহিত আছিল।

শেষত যেনিবা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই শোনিতকুঁৱৰী, নিমাতী কন্যাত লোকনাট্যৰ কিছু উপাদান সংযুক্ত কৰি অসমীয়া নাট্য-সাহিত্য ধন্য কৰিলে।

অৱশ্যে বিংশ শতিকাৰ মাজভাগৰ পৰা এচাম অসমীয়া নাট্যকাৰে অসমীয়া লোকনাট্যৰ উপাদান সংযুক্ত কৰি পৰম্পৰা নাট্যশৈলীৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰিছে। ইয়ে অসমীয়া নাটকক অধিক সু-সমৃদ্ধ কৰি তুলিছে। কাৰণ, লোকনাট্যৰ সৈতে সম্পৰ্ক নথকা নাটকত মাটিৰ গোন্ধ বিচাৰি পোৱাটো কঠিন হৈ পৰে। সম্প্ৰতি বহুকেইখন দেশত এনে ধৰণৰ নাট্য সম্পৰীক্ষা অব্যাহত আছে। দিল্লীত 'National School of drama' গঠন হোৱাৰ লগে লগে এনে পৰীক্ষা-নিৰীক্ষাই সমগ্ৰ ভাৰতবৰ্ষত গুৰুত্ব লাভ কৰা পৰিলক্ষিত হৈছে। অসমতো এনে পৰীক্ষা নিৰিক্ষা হৈ আছে। অৰুণ শৰ্মাৰ 'পুৰুষ', 'বুৰঞ্জীপাঠ' আনন্দমোহন ভাগৱতীৰ 'জতুগৃহ', ফনী তালুকদাৰৰ 'মোৰে মলুৱা'(বৰপেটাৰ নাওখেল), 'কুৰুৱাই পাৰে বাও' (লোকগীত, নাওখেল), 'মবাহাতী', (কামৰূপী কথিত ভাশাত লিখা), অখিল চক্ৰৱৰ্ত্তীৰ 'এজন ৰজা আছিল' (ভাওনাৰ আংগিক), যুগল দাসৰ 'বায়নৰ খোল' (অংকীয়া নাট ভাওনা), সতীশ ভট্টাচাৰ্যৰ 'মহাৰাজা' (ওজাপালিৰ আংগিক) আলি হাইদৰৰ 'ধুমুহা পখীৰ নীড়' (ভাওনাৰ আংগিক), 'যুগসন্ধিৰ কাব্য' (ওজাপালিৰ আংগিক) 'নিলাজ মানুহৰ দেশত' (ভাওনাৰ আংগিক), মহেন্দ্ৰ বৰঠাকুৰৰ 'সাৰাগুৰিৰ চাপৰি' (জিকিৰ গীত), মুনিন ভূঞাৰ 'হাতী আৰু ফান্দী' (হাতী মাউতৰ গীত), প্ৰমোদ দাসৰ 'হনুমান সাগৰ বান্ধা চাউ' (বৰপেটাৰ থিয় নাম), ড০ পৰমানন্দ ৰাজবংশীৰ 'নাঙল মাটি আৰু মানুহ' (দৰঙৰ খুলীয়া ভাউৰীয়াৰ আংগিক, গীত মাত), 'কমলা কুঁৱৰীৰ সাধু' (দৰঙৰ নাগাৰা নাম), 'চক্ৰবেহু' (দৰঙী খুলীয়া ভাউৰীয়া), 'তেজীমলা' ( কুশান গান আৰু বিভিন্ন লোক কলা), কৰুণা ডেকাৰ 'চং' (কামৰূপীয়া ঢুলীয়া), 'নিৰ্মম পৰ্ব' (নাগাৰা নাম), 'শুনা শুনা সভাসদ' (থিয় নাম ), 'লুইত কন্যা' (ওজাপালি), ৰফিকুল হুচেইনৰ 'কৌৰৱ পাণ্ডৱ আৰু দ্ৰৌপদী' (ওজাপালি), গুণাকৰ দেৱ গোস্বামীৰ 'জেবেঙা' (অংকীয়া নাট) আদি অসমীয়া নাট্য-সাহিত্যলৈ উল্লেখযোগ্য অৱদান। অৱশ্যে অন্য কেইগৰাকীমান নাট্যকাৰেও অসমৰ ঠাই বিশেষে এনেধৰণৰ পৰীক্ষা নিৰীক্ষাত অৱতীৰ্ণ হৈছে। এয়া অসমীয়া নাটকৰ শ্ৰীবৃদ্ধিৰ লক্ষণ।

প্ৰসঙ্গ পুথি ঃ

১) ড° সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া নাট্য সাহিত্য (১৯৯৩)

২) ড° নাৰায়ণ দাস, ড° পৰমানন্দ ৰাজবংশী সম্পাদিত ঃ অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ (১৯৯৪)

৩) ড° ধীৰেণ দাস সম্পাদিত ঃ গোৱালপৰীয়া লোক-সংস্কৃতি আৰু লোকগীত (১৯৯৪)

৪) শশী শৰ্মা সম্পাদিত ঃ অসমৰ লোক সাহিত্য (১৯৯৩)

৫) ড° নবীন চন্দ্ৰ শৰ্মা ঃ অসমীয়া লোকসংস্কৃতিৰ আভাষ (১৯৮৯)

৬) ড° পৰমানন্দ ৰাজবংশী সম্পাদিত ঃ অসমীয়া নাটক - পৰম্পৰা আৰু পৰিবৰ্তন (১৯৯৫)

৭) হোমেন বৰগোহাঞি সম্পাদিত ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (১৯৯৩)

৮) ফনী তালুকদাৰ সম্পাদিত ঃ অসমৰ পৰম্পৰা আৰু গতিধাৰা (১৯৯৮)

৯) ৰাম গোস্বামী ঃ অসমৰ লোকনাট্য (১৯৯১)

১০) কপিলা বাৎসায়ন ঃ Traditional Indian Theatre ৰ অসমীয়া ভাঙনি, পৰম্পৰাগত ভাৰতীয় নাট্য, নেচনেল বুক ট্ৰাষ্ট (১৯৯৬)

১১) ড° পৰমানন্দ ৰাজবংশী সম্পাদিত ঃ অসম সাহিত্য সভা পত্ৰিকা (১৯৯৩)

১২) ড° প্ৰহ্লাদ কুমাৰ বৰুৱা সম্পাদিত (মুখ্য) ঃ মিলনজ্যোতি, ৩য় ডিব্ৰুগড় গ্ৰন্থমেলা (১৯৯৯)

১৩) চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত ঃ গৰীয়সী, সপ্তম বছৰ, দশম সংখ্যা, জুলাই (২০০০)

১৪) ড° মহেশ্বৰ নেওগ সম্পাদিত ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা (১৯৯৬)

১৫) Devid Daiches : A Critical History of English Literature (1989) ❑❑

ড° পৰমানন্দ ৰাজবংশী মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদক, এজন সু-সাহিত্যিক তথা প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক

সাম্প্ৰতিক চিন্তা

# কাঠফুলাৰ খেতি ঃ এক লাভজনক ব্যৱসায়

শচীন চহৰীয়া

মানুহৰ খাদ্য তালিকাৰ এবিধ উপাদেয় আৰু পুষ্টিকৰ খাদ্য হিচাপে স্বীকৃতি লাভ কৰিছে কাঠফুলাই। এসময়ত বিষাক্ত খাদ্য বুলিয়েই আতংকৰ সৃষ্টি কৰা কাঠফুলা আজি বিশ্বজুৰি পৰিগণিত হৈছে এক জনপ্ৰিয় খাদ্যৰূপে। ফলত কাঠফুলাৰ খেতি আৰু এই খাদ্য সামগ্ৰীৰ ব্যৱসায় সম্ভাৱনা অতি প্ৰকট হৈ পৰিছে। দেশৰ বৰ্তমান বিভিন্ন ঠাইত গঢ় লৈ উঠা এই জনপ্ৰিয় কৃষি উদ্যোগে দেশৰ আৰ্থ সামাজিক দিশত গুৰুত্বপূৰ্ণ ভুমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। অসমৰ জলবায়ু উপযোগিতাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ খেতি আৰু ব্যৱসায়ৰ জৰিয়তে যুৱক চামৰ লগতে নতুন কৃষক বাইজ যথেষ্ট উপকৃত হোৱাৰ উদাহৰণ দেখা গৈছে আৰু ভৱিষ্যত কৰ্মসংস্থানৰ দিশত নতুন দিগন্তৰ আভাষ পোৱা গৈছে।

কাঠফুলাৰ ইতিহাস বহু নিযুত বছৰ পুৰণি। য'তে ত'তে ইয়াৰ আৱিৰ্ভাৱ হৈ কম সময়ৰ ভিতৰতে অদৃশ্য হৈ যোৱাৰ বাবেই পুৰণি কালত মানুহে কাঠফুলাক ভগৱানৰ খাদ্য বুলি ভাৱিছিল। সেইবাবেই পৃথিৱীৰ প্ৰায়বোৰ আদিম জাতিৰ মাজতে কাঠফুলাৰ প্ৰতি আকৰ্ষণ একেই।

১৬৫০ চনতেফ্ৰান্সত ডি বনেফেন নামৰ কৃষক এজনে পোন প্ৰথমে কাঠফুলাৰ প্ৰণালীবদ্ধ খেতি আৰম্ভ কৰিছিল আৰু ইয়াৰ পিছত ফ্ৰান্সত ইয়াৰ বাণিজ্যিক উৎপাদন সম্পৰ্কে কৃষক সকল সচেতন হয় আৰু ব্যৱসায়িক ভিত্তিত ইয়াৰ প্ৰচুৰ উৎপাদনত মনোনিবেশ কৰে। প্ৰকৃততে ১৯০০ চনতহে আমেৰিকাৰ বিজ্ঞানীসকলে কাঠফুলা উৎপাদনৰ নতুন কৌশল আৱিস্কাৰ কৰি বিশ্বত এই খেতি অধিক জনপ্ৰিয় কৰি তোলে। ভাৰতত ১৯৬২ চনৰ পৰাহে ইয়াৰ খেতি আৰম্ভ হয়।

আমাৰ দেশত খাদ্য হিচাপে কাঠফুলাৰ পৰিচয় একেবাৰে নতুন। দেশৰ কোনো কোনো অঞ্চলৰ জনজাতি গোষ্ঠিৰ মাজত খাদ্য হিচাপে কাঠফুলা প্ৰচলিত আছিল যদিও প্ৰণালীবদ্ধ খেতি কৰা হোৱা নাছিল। তেওঁলোকে বনৰ পৰা বনৰীয়া কাঠফুলাকেই সংগ্ৰহ কৰি খাদ্য হিচাপে গ্ৰহণ কৰিছিল ; ফলত ইয়াৰ বিষক্ৰিয়াৰ বাবে বহুলোকে প্ৰাণো হেৰুৱাইছিল। সেইবাবে জনসাধাৰণৰ মাজত কাঠফুলা এক বিষাক্ত খাদ্য হিচাপে গা কৰি উঠিছিল। এনে ধৰণৰ চিন্তাধাৰাই আমাৰ দেশত খাদ্য হিচাপে কাঠফুলাৰ ব্যৱহাৰ আৰু প্ৰণালীবদ্ধ কাঠফুলাৰ খেতি কৰাৰ দিশত প্ৰধান অন্তৰায় আছিল। বৰ্তমান মানুহৰ মনৰ পৰা এই ধাৰণাবোৰ আতৰিছে আৰু অতি সুস্বাদু আৰু পুষ্টিকৰ খাদ্য হিচাপে মানুহৰ খাদ্য তালিকাত স্থান লাভ কৰিছে। অসমতো ইয়াৰ খেতি জনপ্ৰিয় হৈছে। অসম কৃষি বিশ্ববিদ্যালয়কে ধৰি বৰ্তমান বহু চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠানত আয়োজন কৰা কাঠফুলা খেতিৰ প্ৰশিক্ষণত প্ৰশিক্ষাৰ্থীৰ আশাব্যঞ্জক সহাঁৰিয়ে ইয়াৰেই ইঙ্গিত দিয়ে। কাঠফুলাৰ বৰ্তমান দেশীয় বজাৰো যথেষ্ট উৎসাহজনক। হিমাচল প্ৰদেশ, দিল্লী আৰু দাৰ্জিলিংৰ বজাৰত শাক-পাচলিৰ সৈতে কাঠফুলা প্ৰচুৰ পৰিমাণে বিক্ৰী হয়। অসমৰ বজাৰত কাঠফুলা বৰ্তমান সহজলভ্য নহয়। ইয়াৰ বাবে অসমত হয়তো পৰ্য্যাপ্ত সচেতনতা গঢ়ি উঠা নাই। কাঠফুলা স্বাস্থ্যৰ বাবে অত্যাৱশ্যকীয় উপাদেয়। উচ্চ প্ৰটিনযুক্ত কাঠফুলাবোৰ অকল সুস্বাদুয়েই নহয় ৰক্তহীনতা, বহুমুত্ৰ, বেৰিবেৰি আদি বহুবোৰ ৰোগৰো ই মহৌষধ।

অসমৰ প্ৰতিখন ডাঙৰ ডাঙৰ হোটেল, ৰেষ্টোৰা, নাচিংহোম বা ডাঙৰ ডাঙৰ ক্লাৱবোৰত কাঠফুলাৰ প্ৰচুৰ চাহিদা আছে। কিন্তু চাহিদা অনুযায়ী যোগান কম। ডাঙৰ ডাঙৰ হোটেলবোৰে টেমাত অহা কাঠফুলাকেই ব্যৱহাৰ কৰে। অসমৰ বজাৰত কাঠফুলাৰ যোগান কম হোৱাৰ অন্য এক প্ৰধান কাৰণ হ'ল বৈজ্ঞানীক প্ৰশিক্ষণ আৰু বীজৰ অভাৱ। দেশৰ তথা আমাৰ ৰাজ্যৰ কৃষি বিভাগৰ জৰিয়তে কাঠফুলা বীজ উৎপাদন আৰু প্ৰশিক্ষণ কেন্দ্ৰ খুলি বহল আঁচনিৰ ব্যৱস্থা কৰিলে অসমৰ অৰ্থনীতিত এক পৰিৱৰ্ত্তন আনিব পৰা যাব বুলি নিশ্চয় আশা কৰিব পাৰি। কাঠফুলাৰ খেতি কৰিবৰ বাবে বহুতো মাটিৰ প্ৰয়োজন নাই। ইয়াক বিছনাৰ তলত বা গা-ধোৱা ঘৰতো কৰিব পাৰি। কাঠফুলা অতি আলফুলীয়া শস্য। ইয়াৰ ৰপ্তানিৰো প্ৰচুৰ চাহিদা আছে।

উত্তৰ পূৰ্বাঞ্চলত প্ৰটিন অভাৱগ্ৰস্ত মানুহৰ সংখ্যা মুঠ জনসংখ্যাৰ প্ৰায় ৪৫ শতাংশ। এই অঞ্চলৰ জনসাধাৰণৰ প্ৰটিনৰ মূল উৎস হ'ল ভাত আৰু দাইল জাতীয় খাদ্য। ভাৰতীয় স্বাস্থ্য গৱেষণা কেন্দ্ৰৰ গৱেষণা মতে এজন মানুহে প্ৰতি মাহে প্ৰায় ১৫০০ গ্ৰাম দাইল খাব লাগে। ইয়াৰ তুলনাত অসম বা উত্তৰ পূৰ্বাঞ্চলৰ লোকে প্ৰতি মাহে ৪৯০ গ্ৰামহে দাইল খায়। আনহাতে দাইলৰ উৎপাদন ক্ষেত্ৰ প্ৰতি বছৰে হ্ৰাস পাইছে। প্ৰটিনৰ এই অভাৱ পূৰণ কৰিব পাৰে কাঠফুলাই। কাঠফুলাৰ প্ৰায় ৭০-৮০ শতাংশই প্ৰটিনসমৃদ্ধ। তদুপৰি কাঠফুলাত প্ৰচুৰ পৰিমাণে ভিটামিন বি আৰু খনিজ পদাৰ্থও থাকে। আমিষ আৰু নিৰামিষ দুই শ্ৰেণীৰ লোকৰ বাবে এই খাদ্য গ্ৰহণীয় হোৱা বাবেই কাঠফুলাৰ বজাখনৰ সম্ভাৱনা অতি উজ্জ্বল।

অতি গুৰুত্বপূৰ্ণ বিষয় যে বিশ্বত বৰ্তমান প্ৰাপ্য প্ৰায় ৪০ হাজাৰ কাঠফুলা প্ৰজাতিৰ ভিতৰত মাত্ৰ ১০০ টা মান প্ৰজাতিহে খাদ্যৰ বাবে উপযোগী। বাকীবোৰ বিষাক্ত প্ৰজাতিৰ। বিষাক্ত কাঠফুলা খালে শৰীৰত বিষ ক্ৰিয়া আৰম্ভ হৈ বিভিন্ন ধৰণৰ ৰোগৰ সৃষ্টি হয়। আনহাতে কাঠফুলাত

থকা অতি বিষাক্ত পদাৰ্থ এট্ৰফিন (Atrophin)ৰ বাবে ইয়াৰ ব্যৱহাৰত প্ৰাণীৰ মৃত্যুও ঘটিব পাৰে। আকৌ বিষাক্ত কাঠফুলাৰ বিষক্ৰিয়াৰ ,ক্ষণসমূহ বহু পলমকৈ শৰীৰত দেখা যায় বাবে ইয়াৰ প্ৰতিষেধক ব্যৱস্থা লোৱাতো যথেষ্ট পলম হৈ যায়। এনেবোৰ কাৰণৰ বাবেই উপযুক্ত প্ৰশিক্ষণ আৰু গৱেষণাৰ দ্বাৰাহে কাঠফুলাৰ বীজ সংগ্ৰহ কৰি কেৱল প্ৰণালীবদ্ধ আৰু বিজ্ঞান সন্মত কাঠফুলাহে খোৱা উচিত। নিশ্চিতভাৱে চিনাক্ত কৰণ কৰাৰ পিছতহে কাঠফুলা খোৱা উচিত। বহুক্ষেত্ৰত খোৱা কাঠফুলা আৰু নোখোৱা কাঠফুলাৰ প্ৰজাতিৰ মাজত আকাৰ, বৰণ, গঠন আদিত বহুতো সাদৃশ্য আছে। সাধাৰণতে খোৱা কাঠফুলাৰ প্ৰায় ৭০ টা মান প্ৰজাতিৰহে খেতি কৰিব পৰা হয় বুলি বিজ্ঞানী সকলে চিনাক্ত কৰিছে। এনেবোৰ কাঠফুলা নিশ্চিন্ত মনে খাব পাৰি। ভাৰতবৰ্ষত ইয়াৰে মাত্ৰ ৪ প্ৰকাৰৰ কাঠফুলাহে উৎপাদিত হয়। এইকেইটা হ'ল বুটাম কাঠফুলা, অয়েষ্টাৰ কাঠফুলা, পেডিষ্ট কাঠফুলা, মিল্কী কাঠফুলা। ইয়াৰ ভিতৰত বুটাম কাঠফুলাৰ চাহিদা প্ৰচুৰ। আৰু উৎপাদনো লাভজনক। কৰ্ণাটক প্ৰদেশত এই বুটাম কাঠফুলাৰ সমবায় পদ্ধতিৰে উৎপাদন কৰি যথেষ্ট লাভবান হ'ব পাৰিছে। ভাৰতত অৱশ্যে কেৱল শীতকালতহে ইয়াৰ খেতি সম্ভৱ। আন সময়ত ইয়াৰ উৎপাদনৰ বাবে শীত-তাপ নিয়ন্ত্ৰনৰ প্ৰয়োজন।

অয়েষ্টাৰ প্ৰজাতিৰ কাঠফুলাৰ ক্ষেত্ৰত এনে সমস্যা নাই। জুলাইৰ পৰা মাৰ্চ পৰ্য্যন্ত ইয়াৰ খেতি কৰিব পাৰি। এইবিধ কাঠফুলা সতেজ আৰু শুকান দুই প্ৰকাৰেই বজাৰত চাহিদা আছে। অসমত ইয়াৰ খেতি কৰা হয় যদিও বৰ্তমান পেডিষ্ট কাঠফুলাই অধিক জনপ্ৰিয়তা লাভ কৰিছে। অসমৰ জলবায়ু আৰ কেঁচা সামগ্ৰী বিশেষকৈ ধানখেৰৰ সুবিধাই ইয়াৰ উৎপাদনত সহায়ক হৈছে।

ভাৰতত বৰ্তমান বিভিন্ন ঠাইত বিভিন্ন প্ৰতিষ্ঠানৰ জৰিয়তে কাঠফুলা খেতিৰ বৈজ্ঞানীক ভেটি স্থাপনত অৰিহণা যোগাইছে। অসমৰ যোৰহাট আঞ্চলিক গৱেষণাগাৰ শাখাত ১৯৭৮ চনৰ পৰাই কাঠফুলাৰ বীজ উৎপাদন আৰম্ভ হৈছে। কাঠফুলা খেতিৰ ক্ষেত্ৰত অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱদানো যথেষ্ট। গুৱাহাটীৰ বশিষ্ঠত সৰ্বোদয় নেতা হেমভাইৰ আশ্ৰমত কাঠফুলাৰ খেতিৰ প্ৰশিক্ষণ আৰু উৎপাদন কেন্দ্ৰ এটি গঢ়ি উঠাত যথেষ্ট সুবিধা হৈছে। বিশ্বৰ প্ৰায় ২৫ খন দেশে বাণিজ্যিক ভাৱে এই কৃষি কৰি আহিছে। ইয়াৰ ভিতৰত অন্যতম হ'ল - দক্ষিণ কোৰিয়া, থাইলেণ্ড, টাইৱান, ফিলিপাইনছ, হংকং, চিংগাপুৰ, মালয়চিয়া, চীন, গ্ৰেট বৃটেইন, আমেৰিকা আৰু ফ্ৰান্স। অসমত কাঠফুলা খেতি আৰু ইয়াৰ ব্যৱসায়ৰ সুবিধা সমুহ চমুকৈ আলোচনা কৰা হ'ল ঃ

অসমৰ জলবায়ু সেমেকা। সেইবাবে ইয়াৰ উষ্ণতা শীতকালি ১০° ছেণ্টিগ্ৰেডৰ পৰা গ্ৰীস্মকালি প্ৰায় ৩৫° ছেণ্টিগ্ৰেডলৈ হয়। এই উত্তাপ তিনিওবিধ কাঠফুলাৰ বাবে উপযোগী।

অসমৰ জলবায়ুত জলীয় বাস্পৰ পৰিমান ৭০ শতাংশৰ পৰা ৯০ শতাংশ প্ৰকৃতিগত ভাৱেই বিদ্যমান। কাঠফুলা খেতিৰ বাবে জলবায়ুত জলীয় বাষ্প থকাটো অতি আৱশ্যক।

অতি কম মূলধনেৰে কাঠফুলাৰ খেতি কৰি এমাহৰ ভিতৰতে উৎপাদন পাব পাৰি, যিটো অন্য কোনো খেতিতে সম্ভৱপৰ নহয়।

কাঠফুলা খোৱাত অভ্যস্ত হলে অসমত বহুবোৰ থলুৱা বজাৰ পোৱা যাব। জনসাধাৰণক কাঠফুলা খোৱাত অভ্যস্ত কৰা বাঞ্চনীয়।

কাঠফুলাক উচ্চ খাদ্যপ্ৰাণ যুক্ত আহাৰ হিচাপে আমিষ আৰু নিৰামিষভোজী সকলোৰেই গ্ৰহণীয়। গতিকে কাঠফুলাৰ চাহিদাউৎপাদনৰ সমানুপাত হ'ব।

কাঠফুলাৰ চাহিদা বিশ্বজুৰি আছে। সেইবাবেই অতিৰিক্ত কাঠফুলাখিনি শুকুৱাই ৰপ্তানিৰ ব্যৱস্থা কৰিব পাৰি। এবাৰ ভালকৈ শুকুৱালে কাঠফুলা প্ৰায় ছমাহমানলৈ সংৰক্ষণ কৰি ৰাখিব পাৰি।❑❑

**শচীন চহৰীয়া মঙলদৈ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰৱক্তা**

---

মানুহৰ গভীৰত্ব সাগৰৰ দ্বাৰা জোখা নহয়, জোখা হয় অভিজ্ঞতাৰ দ্বাৰাহে।

**- ৰাস্কিন**

যাৰ দুই চকু কুটিল তেওঁ অন্ধ নহয়, যি নিজৰ দোষ ঢাকি আনৰ দোষ খুঁচৰি ফুৰে তেওঁহে প্ৰকৃত অন্ধ।

**- মহাত্মা গান্ধী**

---

চিন্তা শিল্প

# টিক্-টিকনি আৰু নাই

ডঃ খলিলুৰ ৰহমান

"ঘড়ী কৰে টিক্ টিক্
সময় গৈছে উৰি ঠিক ঠিক ঠিক ..."

স্কুলীয়া কিতাপত এনে কবিতা বহুতেই পঢ়িছে। ঘড়ী যে টিক্ টিক্ কৰে সেই কথা সকলোৱে জানে। কিন্তু আজিকালি ঘড়ী এটা কাণত লগাই চাবছোন। টিক্ টিক্ কৰেনে ? নাই নকৰে ! কাৰণ ? আপুনি কব এয়া যে ইলেকট্ৰনিক ঘড়ী বা কোৱাৰ্টজ ঘড়ী। কেনেকৈ টিক্ টিক্ কৰিব ? কথাটো হয়। পিছে আগৰ মেকানিকেল অৰ্থাৎ যান্ত্ৰিক ঘড়ীয়েনো কিয় টিক্ টিকাইছিল আৰু আজিকালিৰ কোৱাৰ্টজ ঘড়ীৰনো কিয় টিক্ টিকনি নাই আৰু কোৱাৰ্টজটো কাচৰ নিচিনা এবিধ স্ফটিকাৰ বস্তুহে। ঘড়ীৰ লগত ইয়াৰনো সমন্ধ কি ? ৰব, ৰব, প্ৰশ্ন বহুতো হৈ গ'ল। লাহে লাহে এটা এটাকৈ উত্তৰৰ চেষ্টা কৰিলে ভাল হব নেকি ?

প্ৰথমতে আহোঁ যান্ত্ৰিক ঘড়ীৰ কথাত। এনে ঘড়ীৰ প্ৰাণকেন্দ্ৰ হৈছে সময় ৰাখিব পৰা কিবা এটা দুলি থকা বস্তুত। আগৰ দিনত দেৱাল ঘড়ীৰ এনে দুলি থকা বস্তুটো আছিল পেণ্ডুলাম বা দোলক। দৰাচলতে ইয়েই ঘড়ীৰ সময় ৰাখে। দোলকৰ দৈৰ্ঘ্য বেছি হলে ই লাহে লাহে দুলে আৰু চুটি হলে খৰকৈ দুলে। উপযুক্ত দৈৰ্ঘ্যৰ দোলক ব্যৱহাৰ কৰি যি কোনো সময়ৰ বাবে দুলা দোলক সাজিব পাৰি। পিছে ঘৰ্ষণ জনিত কাৰণত দুলি থকা দোলক এটাৰ দোলন লাহে লাহে কমি অৱশেষত বৈ যায়। এই দোলন বজাই ৰাখি ঘড়ীটো চলাবলৈ দোলকটোক সময়মতে সৰুকৈ ঠেলা এটা মাৰি থাকিলে ই দুলিয়েই থাকিব। দোলনাৰ কথা ভাৱক। তালে তালে অলপ অলপকৈ দুলি থাকিলে ই কেনেকৈ দুলি থাকে। ঘড়ীৰ দোলকক এনে ঠেলা মৰা হয় পকাই থোৱা স্প্ৰীং এটাৰ পৰা আৰু তালে তালে স্প্ৰীঙৰ এই ঠেলা মৰাৰ শব্দই ঘড়ীৰ টিক্ টিকনি। পিছত সৰু ঘড়ীবোৰত দোলকৰ স্থান লয় মিহি স্প্ৰীং এটাৰে আবদ্ধ ইপাক-সিপাক কৰিব পৰা এটা সৰু চকৰি ; যাক কয় "বেলেন্স হুইল"। চাবি দিয়া বেলেন্স হুইল থকা এনে ঘড়ী বজাৰৰ পৰা এতিয়াও লুপ্ত হৈ যোৱা নাই। কিন্তু এই যুগৰ ব্যস্ত মানুহে আৰু সদায় চাবি দি ঘড়ী চলাই থাকিবলৈ পচন্দ নকৰে। তেওঁলোকক লাগে এনে এটা ঘড়ী যি নিৰ্ভূল ভাৱে নিজে নিজে দীৰ্ঘকাল ধৰি চলি থাকিব আৰু আমাৰ সৌভাগ্য বিজ্ঞানে আজি আমাৰ হাতত তেনে ঘড়ী এটা তুলি দিছে। সেয়াই বৰ্তমানৰ ইলেকট্ৰনিক ঘড়ী বা কোৱাৰ্টজ ঘড়ী।

এতিয়া এই ইলেকট্ৰনিক ঘড়ী বা চলে কেনেকৈ ? আপুনি তৎক্ষাণাত জৱাব দিব - কিয় ? বেটাৰীৰ পৰা। হয় কিন্তু কিদৰে ? আহক, আমি ঘড়ীৰ ভিতৰলৈ আৰু অলপ সোমাওঁ। প্ৰথমতে এটা কথা মন কৰিব ইলেকট্ৰনিক কোৱাৰ্টজ ঘড়ীত পেণ্ডুলাম বা বেলেন্স হুইলৰ স্থান লৈছে কোৱাৰ্টজ স্ফটিকৰ সৰু এটা টুকুৰাই। কোৱাৰ্টজৰ নো কি গুণ আছে যাৰ বাবে ইয়াক দোলক হিচাপে ব্যৱহাৰ কৰা হৈছে ? ৰব, তেনেহলে উৰহীৰ ওৰ বিচাৰি আৰু কিছুদূৰ যাব লাগিব। মাদাম কুৰীৰ স্বামী পিয়েৰ কুৰীৰ নাম হয়তো বহুতেই জানে। সেই পিয়েৰ কুৰী আৰু তেওঁৰ ককায়েক জেকুইছ কুৰীয়ে পিজ বিদ্যুৎ ক্ৰিয়া বুলি এক পৰিঘটনা আৱিস্কাৰ কৰে। তেওঁলোকে আৱিস্কাৰ কৰে যে এটুকুৰা কোৱাৰ্টজ স্ফটিক যদি যান্ত্ৰিক ভাৱে বিকৃত কৰা হয় তেনেহলে ই বিদ্যুৎ উৎপন্ন কৰে। আনহাতে ইয়াত বিদ্যুৎ প্ৰয়োগ কৰিলে ই সংকুচিত বা প্ৰসাৰিত হয়। আৰু এটা কথা, দোলকৰ কম্পন যেনেদৰে ইয়াৰ দৈৰ্ঘৰ ওপৰত নিৰ্ভৰশীল কোনো গোটা বস্তুৰ কম্পন মূলতঃ ইয়াৰ আকাৰ আৰু আকৃতিৰ ওপৰত নিৰ্ভৰশীল। কথাটো অলপ বহলাই কলেই ভাল হব নেকি ? সৰু চামুচ এখন মজিয়াত পৰিলে যেনেকুৱা শব্দ হয়, আকাৰত ডাঙৰ চামুচ এখন পৰিলে শব্দটো কিছু বেলেগ ধৰণৰ হয়। ইয়াৰ কাৰণ হ'ল আঘাতৰ ফলত সৰু চামুচৰ পৰা উৎপন্ন হোৱা কম্পন আৰু ডাঙৰ চামুচৰ পৰা হোৱা কম্পন বেলেগ। ('আপুনি নিশ্চয় জানে যে শব্দ দৰাচলতে এই কম্পনে বায়ুত সৃষ্টি কৰা ঢৌহে মাত্ৰ)। বস্তুৰ আকাৰ যিমানে সৰু হয়, কোবালে তাৰ পৰা উৎপন্ন হোৱা কম্পন সিমানে বেছি হয়। নিজৰ আকাৰ আকৃতি ইত্যাদিৰ ওপৰত নিৰ্ভৰশীল। এই কম্পনকে কোৱা হয় বস্তুটোৰ স্বাভাৱিক কম্পনাংক। এতিয়া ইলেকট্ৰনিক ঘড়ীৰ বাবে এনে এটা কোৱাৰ্টজৰ টুকুৰা কাটি লোৱা হয় যাৰ স্বাভাৱিক কম্পনাংক আমি বিচৰা মতে হব। এতিয়া এই কোৱাৰ্টজ টুকুৰাৰ দুই পিঠিত বৈদ্যুতিক সংযোগ দি যদি উপযুক্ত কম্পনাংকৰ পৰিবৰ্ত্তনশীল বিদ্যুৎ (এয়া ইলেকট্ৰনিক বৰ্তনীত সহজেই উৎপন্ন কৰিব পাৰি) প্ৰয়োগ কৰা হয় - তেনেহলে টুকুৰাটো কঁপাবলৈ আৰু মৰিয়াই থকাৰ প্ৰয়োজন নাই ; পৰিবৰ্ত্তনশীল বিদ্যুতৰ বাবে তাৰ যি সংকোচন সম্প্ৰসাৰণ হব তাৰ বাবেই স্ফটিকৰ টুকুৰাটো তাৰ স্বাভাৱিক কম্পনাংকত কঁপিয়েই থাকিব। এই কম্পনৰ হাৰ যথেষ্ট স্থিৰ আৰু ইয়েই ইলেকট্ৰনিক ঘড়ীৰ দোলক। এই কম্পনৰ হাৰ যথেষ্ট উচ্চ। সাধাৰণতে চেকেণ্ডত ৩২,৭৬৮ বাৰ। এতিয়া এই উচ্চ কম্পনক আৰু কিছুমান বৈদ্যুতিক বৰ্তনীৰ সহায়েৰে সহজেই আধা, তাৰ আধা, তাৰো আধা এনেকৈ বহুবাৰ আধা কৰি চেকেণ্ডত এটা কম্পনলৈ পৰিবৰ্তন কৰি লোৱা হয়। চেকেণ্ডত এবাৰ হোৱা এই কম্পনক এতিয়া এটা বিশেষ ধৰণৰ সৰু বৈদ্যুতিক মটৰত (ইয়াক ষ্টেপ মটৰ বুলি কয়) প্ৰয়োগ কৰা হয়। মটৰটোত থকা সৰু চুম্বক এটা প্ৰতিটো বৈদ্যুতিক কম্পনৰ বাবে আধা পাক ঘূৰে আৰু ইয়াৰ লগত দাঁত থকা বিভিন্ন চকৰিৰ সংযোগত যথাক্ৰমে চেকেণ্ড, মিনিট আৰু ঘণ্টাৰ কাটা ঘূৰি থাকে। ঘড়ীৰ ভিতৰত বৈদ্যুতিক বৰ্তনী তথা ষ্টেপ মটৰটো চলাই থাকিবলৈ প্ৰয়োজনীয় বিদ্যুৎৰ যোগান ঘড়ীৰ ভিতৰত থকা অকনমাণি বেটাৰীটোৱেই দিয়ে। পিছে গোটেইখিনি কাৰ্য্যৰ বাবে ঘড়ীটোৰ সামান্য প্ৰৱাহৰহে প্ৰয়োজন হয় আৰু

সেই অকনমাণি বেটাৰীটোৱেই ঘড়ীটোক এবছৰ বা তাতকৈ বেছি সময় ধৰি চলাই থাকে আৰু আপুনি এই দীৰ্ঘ সময়জুৰি তাৰ ওপৰত নিশ্চিন্তে নিৰ্ভৰ কৰি চলিব পাৰে।

ওপৰৰ কথাখিনি কিন্তু কাটা বা ইলেকট্ৰনিক ঘড়ীৰ বাবে প্ৰযোজ্য ; এয়া হাত ঘড়ীয়েই হওঁক বা দেৱাল ঘড়ীয়েই হওঁক - উভয়ৰে কাৰ্য্য প্ৰণালী একে। পিছে আৰু এবিধ ইলেকট্ৰনিক ঘড়ী আপোনালোকে নিশ্চয় দেখিছে, যি বোৰৰ কাটা নাই। আখৰেৰে লিখি সময় দেখুওৱা হয়। এইবিধ ইলেকট্ৰনিক ঘড়ীক ডিজিটেল বা অঙ্কীয় ঘড়ী বুলি কোৱা হয়। এনে ঘড়ীত লৰচৰ কৰিব পৰা কোনো যন্ত্ৰাংশ নাই। পিছে ইয়াতো বৈদ্যুতিক বৰ্তনীৰ সহায়ৰে কঁপাই থকা কোৱাৰ্টজ স্ফটিক খণ্ডৰ পৰা চেকেণ্ডত এটা কম্পনৰ সৃষ্টি কৰা হয়। তাৰ পিছত আন কিছুমান বৈদ্যুতিক বৰ্তনীৰ সহায়েৰে এই কম্পনক একাদিক্ৰমে এক, দুই, তিনি আদি আখৰ হিচাপে দেখুওৱাৰ ব্যৱস্থা থাকে। দুখন কাচৰ টুকুৰাৰ মাজত ৰখা তৰল স্ফটিকৰ সহায়েৰে আখৰবোৰ দেখুওৱা হয়। ইয়াকে কয় L.C.D. বা Liquid Crystal Display. আকৌ চেকেণ্ডৰ কম্পনক ইলেকট্ৰনিক বৰ্তনীৰ সহায়েৰে বিভাজন কৰি মিনিট, ঘণ্টা, বাৰ, মাহ আদি উলিওৱাৰ ব্যৱস্থা থাকে। ডিজিটেল ঘড়ীত লৰচৰ কৰিব পৰা কোনো যন্ত্ৰাংশ নাই বাবে তাত কোনো শব্দই উৎপন্ন নহয়। পিছে কাটা থকা সলেকট্ৰনিক ঘড়ীত কিন্তু ষ্টেপ মটৰটো চেকেণ্ডে চেকেণ্ডে চিৰিক্ চিৰিক্‌কৈ চলাৰ ক্ষীণ শব্দ এটা কিছুমান ঘড়ীত শুনা যাবও পাৰে ; যান্ত্ৰিক ঘড়ীৰ নিচিনা টিক্ টিক্‌নি হলে নাই।

ইলেকট্ৰনিক ঘড়ী এটা চলাবলৈ যি ইলেকট্ৰনিক বৰ্তনীৰ আৱশ্যক সেয়াও কিন্তু সৰু সুৰা নহয়। শতাধিক ট্ৰেনজিষ্টৰ, ডায়'ড, ৰোধ আদিৰ আৱশ্যক। আধুনিক প্ৰযুক্তি বিদ্যাৰ সহায়ৰে এনে এটা জটিল আৰু বিশাল বৰ্তনী হাতী ভুক্কাত ভৰোৱাদি চিলিকনৰ কেই বৰ্গ মিলিমিটাৰ টুকুৰা এটাৰ ওপৰত আনুবীক্ষণিক স্তৰত সজা হয়। ইয়াকে I.C. বা Integrated Circuit বা সংক্ষেপে "Chip" বোলা হয়।

ইলেকট্ৰনিক ঘড়ী এটাই ৰখা সময় যান্ত্ৰিক ঘড়ীৰ তুলনাত বহুগুনে নিৰ্ভুল। সাধাৰণতে কোৱাৰ্টজ ঘড়ী এটাই মাহত হয়তো এক-দুই চেকেণ্ড মানহে ইফাল-সিফাল হব। দিনত এক চেকেণ্ডৰ এহেজাৰ ভাগৰ এভাগলৈকে সময়ৰ স্থিৰতা কোৱাৰ্টজ ঘড়ীয়ে ৰখা সম্ভৱ। স্থিৰতা বৰ বেছি বুলি ভাৱিছে ? তেনেহলে আণৱিক ঘড়ীৰ কথাত কি কব ? এনে ঘড়ীত দোলক হিচাপে কোৱাৰ্টজৰ স্ফটিকতকৈ বহুগুণ বেছি স্থিৰতা থকা অনু এটাৰ দোলনকে ব্যৱহাৰ কৰা হয়। চিজিয়াম অনুৰ কম্পনৰ ওপৰত ভিত্তি কৰি সজা পাৰমাণৱিক ঘড়ীৰ ত্ৰুটি চেকেণ্ডত এককোটি ভাগৰ এভাগতকৈয়ো কম। হাইড্ৰজেন মেজাৰ ঘড়ী, যি হাইড্ৰজেন পৰমাণুৰ বিকিৰণৰ ওপৰত নিৰ্ভৰকৈ সজা, সি আৰু নিৰ্ভুল। আমেৰিকাৰ ওৱাচিংটনৰ নেহেল ৰিছাৰ্চ লেবৰেটৰীত এনে এটা ঘড়ী বোলে ১,৭০০,০০০ বছৰত মাত্ৰ এক চেকেণ্ডহে ভুল হব পাৰে। তাত্বিকভাৱে গণনা কৰি পোৱা গৈছে যে শীতলীকৃত হাইড্ৰজেন ঘড়ীৰ ত্ৰিশ কোটি বছৰত মাত্ৰ এক চেকেণ্ডহে ত্ৰুটি হব পাৰে। পৃথিৱীৰ ঘূৰ্ণনৰ যি অতি সামান্য বঢ়া-টুটা হয় আনবিক ঘড়ীৰ সহায়েৰে ইয়াৰ পৰিমাণ জুখি আজিকালি প্ৰয়োজন হলেই পৃথিৱীৰ ঘড়ীবোৰত শুধৰণি প্ৰয়োগ কৰা হয়। পেৰিচত থকা আন্তৰ্জাতিক পৃথিৱী ঘূৰ্ণন বিভাগে ১৯৭২ চনৰে পৰা এই কাম এতিয়ালৈকে প্ৰায় একুৰিবাৰ কৰিছে।

সাধাৰণতে ব্যৱহৃত ঘড়ীতো আধুনিক প্ৰযুক্তি বিদ্যাই নতুন নতুন চমকপ্ৰদ সংযোজন কৰি আছে। ক্ষুদ্ৰ কেলকুলেটৰ, ডিজিটেল কেঁমেৰা, অভিনৱ মিউজিক প্লেয়াৰ, চেটেলাইত টেলিফোন ইত্যাদিও হাতত পিন্ধা ঘড়ীতেই এতিয়া পোৱাতো সম্ভৱ হৈছে। টিক্ টিক্‌াই থকা ঘড়ীৰ পৰা অতিয়া আমি বহুদূৰ আগবাঢ়িলো।

ডঃ খলিলুৰ ৰহমান মঙলদৈ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰৱক্তা

---

কেৱল খাই-বৈ জীয়াই থকাটোৱেই জীৱন নহয়, জ্ঞান আহৰণ কৰি মানসিক শক্তিৰ বিকাশ ঘটাব লাগে।

- চক্ৰেটিজ

তুমি আনৰ পৰা যেনে ব্যৱহাৰ আশা কৰা আনকো তেনে ব্যৱহাৰ কৰিবা।

- কণফুচিয়াছ

কালৰাত্ৰিৰ বুকুত যেনেকৈ প্ৰভাত লুকাই থাকে তেনেকৈ পদে পদে পৰাজয়ৰ পিছতো জয় নিশ্চিত। জীৱনৰ তাতেই সাৰ্থকতা।

ড° ভূপেন হাজৰিকা

চিন্তা শিল্প

# কবিতাত অলংকাৰ, প্ৰেম যৌন চিত্ৰ ইত্যাদি

দিব্য জ্যোতি বৰা

আদিৰে পৰা সাহিত্যত মানুহৰ প্ৰেম আৰু যৌনতাই অন্যতম স্থান দখল কৰি আহিছে। মানৱ জীৱনৰ সুখ-দুখ, কামনা-বাসনা আৰু স্বপ্ন বিষাদৰ বিভিন্ন চিত্ৰ দাঙি ধৰে যৌনতাই। প্ৰেম আৰু দুখানুভৱ সত্য সুন্দৰৰ মাজত জীৱন জিজ্ঞাসাৰ বিভিন্ন বৰ্ণিল অনুসংগ জড়িত হৈ আছে মানুহৰ জৈৱিক তাৰণাৰ মাজত। প্ৰচীন বৈদিক যুগৰ পৰা আৰম্ভ কৰি কুৰি শতিকাৰ আধুনিক যুগলৈকে কোনো দাৰ্শনিক, তাত্বিকেই মানুহৰ চিন্তা চেতনা আৰু সৌন্দৰ্য্যবোধৰ পৰা প্ৰেম আৰু যৌনতাক নিলগাই ৰাখিব পৰা নাই। বৈদিক যুগৰ 'মনুৰ' পৰা আৰম্ভ কৰি ফ্ৰয়েদ, কাৰ্লমাক্স, লেনিন, মহাত্মা গান্ধী আদি চিন্তাবিদ সকলে বিভিন্ন প্ৰসংগত জীৱনৰ মূল্যায়ন কৰিবলৈ গৈ প্ৰেম আৰু যৌনতাক গুৰুত্ব সহকাৰে বিবেচনা কৰি আহিছে, আৰু যৌনতা যে মানুহৰ জীৱন প্ৰণালীৰ পৰা অভিন্ন, সেই কথা তেওঁলোকে উনুকিয়াইছে। অৱশ্যে মানুহৰ ব্যক্তিগত বা সামাজিক জীৱনৰ যৌনতাতকৈ সাহিত্যৰ সতে যৌনতাৰ সম্পৰ্ক কিছু ভিন্ন। ব্যক্তি জীৱনৰ যৌনতা এক বাস্তৱ সত্য। ব্যক্তি আৰু সমাজ বিশেষে ইয়াৰ প্ৰকৃতি বেলেগ বেলেগ। ই মূলতঃ বৈষয়িক কিন্তু সাহিত্যত প্ৰেম আৰু যৌনতাৰ প্ৰসংগটো এটা অলংকাৰহে মাত্ৰ। সেয়ে ব্যক্তি জীৱনৰ যৌনতাক বহু সময়ত সাহিত্যই গ্ৰহণ নকৰে। এই গ্ৰহণ নকৰা যৌনতাই হ'ল অশ্লীলতা, যাৰ গ্ৰহণ যোগ্যতা আবেদন প্ৰকৰণৰ ওপৰত নিৰ্ভৰ কৰে।

প্ৰেম মানুহৰ চিৰন্তন অনুভূতি। যুগে যুগে মানুহৰ জীৱনলৈ প্ৰেমে আনিছে সৰ্বোত্তম কৰ্ম প্ৰেৰণা। প্ৰেম এক অনুভূতিয়েই নহয় ই এক জীৱন স্ৰোত। কিন্তু ব্যৰ্থ প্ৰেমৰ হা-হুমুনিয়াহেৰে পূৰ্ণ ৰোমান্তিক কাব্য সমূহত জীৱনৰ পৰা আতৰি দুখ বিলাসত মজ্জিত হৈ আত্ম প্ৰবঞ্চনাৰ যি পৰিণাম সৃষ্টি হয় তাৰ বিপৰীতে প্ৰেম (মানুহৰ) কবিতাৰ জীৱনৰ প্ৰতি এটি গভীৰ আকৰ্ষণ থকা মানৱীয় প্ৰেমৰ ৰূপ দেখা যায়। প্ৰেম, প্ৰেয়সী আৰু সোণালী শস্যভূমি কাব্য সমূহত একাকাৰ হৈ পৰিছে। প্ৰেমৰ সুৰভিৰ লগত যে যৌনতাৰ এক নিবিড় সম্পৰ্ক তাক আজিৰ কাব্য সমূহত একাকাৰ হৈ পৰিছে। অশ্লীলতা কাব্য সমূহত কোৱা হৈছে যে শিল্পত যি সৌন্দৰ্য্যৰ পৰিপন্থী সেয়াই হ'ল অশ্লীল। পৰিশীলিত মনৰ পাঠকৰ ৰসবোধত যিয়ে ব্যঘাত জন্মায় সেয়াই হ'ল অশ্লীল।

আধুনিক সাহিত্যতো 'অশ্লীল' বা অশ্লীলতাৰ এই কথা সমানেই প্ৰযোজ্য। সাহিত্যৰ উদ্দেশ্যই হ'ল মানুহৰ চিন্তা চেতনাক জাগ্ৰত কৰা, ৰুচিবোধক জাগ্ৰত কৰা, ৰুচিবোধক পৰিশীলিত কৰা। ভাষাক নতুন বৈশিষ্টৰে অলংকৃত ৰূপত ধৰি ৰখা আৰু জীৱনবোধক মহিমা মণ্ডিত কৰাটোও সাহিত্যৰ অন্যতম উদ্দেশ্য। এনে স্থলত সৌন্দৰ্য্য আৰু সুস্থ ৰুচিবোধৰ পৰিপন্থী অশ্লীলতাৰ প্ৰকাশে মানুহৰ চিন্তা চেতনাক বিকৃত কৰাটো স্বাভাৱিক। এনে অশ্লীল সাহিত্য যুগে যুগে ৰুচিশীল পাঠকৰ দ্বাৰা বৰ্জিত আৰু ঘৃণিত হৈ আহিছে।

সাহিত্য মানুহৰ বাস্তৱ জীৱনৰ হুবহু বৰ্ণনা। বহু ক্ষেত্ৰত এই বৰ্ণনা ইংগিত ধৰ্মীও হোৱা দেখা যায়। কিন্তু সেই বুলি সাহিত্য কেৱল বাস্তৱৰ যথাযথ বা আকুণ্ঠ বৰ্ণনাই নহয়, মানুহৰ বোধশক্তিক সমৃদ্ধিশালী কৰাটোও সাহিত্যৰ অন্যতম কৰ্তব্য। ইয়াৰ বাবে যদি অকল শৰীৰ বা শাৰিৰীক বিষয়ৰ বৰ্ণনাৰ প্ৰয়োজন হয় তেনেহ'লে সাহিত্যই তাক নিশ্চয় স্বীকাৰ কৰিব আৰু সেই সাহিত্য মাৰ্জিত ৰুচিৰ বিচাৰত উত্তীৰ্ণ হ'ব। কিন্তু এই জাতীয় শাৰিৰীক বৰ্ণনাই যেতিয়া সাহিত্যৰ মুখ্য বিষয় হৈ পৰে আৰু অপ্ৰাসংগিক ভাৱে গুৰুত্ব পায় তেতিয়া সৎ সাহিত্যিকৰ সুৰুচিৰ সীমা লংঘন কৰি ই হৈ পৰে অশ্লীল।

কবিতাৰ অনেক সমল কল্পনাময়ী হোৱা হেতুকে ই বাস্তৱতাক চেৰাই গৈ বহু সময়ত অতিৰঞ্জিত মাত্ৰা প্ৰদান কৰে। প্ৰচীন আৰু মধ্য যুগৰ কাব্যসমূহৰ কাহিনীধৰ্মী আৰু ৰূপ কল্প নিৰ্ভৰ হোৱা হেতুকে এইবোৰত নাৰী-পুৰুষৰ সম্পৰ্কই মূল ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰচীন বৈদিক সাহিত্যৰ পৰা আৰম্ভ কৰি মধ্যযুগৰ সাহিত্য আৰু ধৰ্মীয় কাহিনী নিৰ্ভৰ সাহিত্যতো মানুহৰ যৌন জীৱনৰ যথেষ্ট প্ৰাধান্য আছে। মহাকবি কালিদাসৰ 'কুমাৰ সম্ভৱ' কাব্যতো যৌন সৌন্দৰ্য্যবোধ প্ৰকত হৈ উঠিছে কিন্তু তাত যৌন কামনাৰ প্ৰকাশ ঘটা নাই। সেই হেতুকে এইবোৰ প্ৰাচীন কাব্যৰ কাহিনী যৌনতাৰে ভৰা যদিও এইবোৰ অশ্লীল বুলি বিবেচিত হোৱা নাই। প্ৰাচীন সংস্কৃত সাহিত্যৰ ওপৰত নিৰ্ভৰ কৰি শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে মধ্যযুগৰ অসমীয়া কবিতাক যথেষ্ট পৰিমাণে চহকী কৰিছে। শংকৰদেৱ আৰু মাধৱদেৱৰ ৰচনা সমূহৰ সৰহ সংখ্যকেই ৰূপান্তক অনুবাদ। সেয়ে প্ৰাচীন সাহিত্যৰ যৌন চৰিত্ৰ আৰু কাহিনী মধ্যযুগৰ অসমীয়া সাহিত্যই বৰ্জন কৰিব পৰা নাই।

শংকৰদেৱ সৃষ্ট বৈষ্ণৱ সাহিত্যত এনে যৌনধমী সমল বিচাৰি পোৱা যায়। শংকৰদেৱৰ হৰমোহন, ৰাসক্ৰীড়া, ৰুক্মিণী হৰণ কাব্য আদিত কাহিনীধৰ্মী যৌন জীৱনৰ অনেক অনুসংগই ভূমুকি মাৰিছে। শ্ৰীমন্ত শংকৰদেৱৰ 'কীৰ্ত্তন ঘোষা'ৰ 'হৰমোহন' খণ্ডত বৰ্ণিত কাহিনীৰ 'প্ৰথম কীৰ্ত্তন পদ'ত কোৱা হৈছে-

পৰীক্ষিত ৰাজাক কহন্ত মুনি শুকে।  
কহো কৃষ্ণ কথা শুনা পৰম উৎসুকে॥  
বিপৰীত স্ত্ৰী মায়া দেখি মাধৱৰ।  
শুনা যেনমতে কামাতুৰ ভৈলা হৰ॥

শংকৰদেৱৰ 'হৰমোহন' কাব্যত ওপৰোক্ত খণ্ড সমূহৰ যৌনতাৰ

বৰ্ণনা থাকিলেও শংকৰদেৱৰ শিৰৰ মোহিত অৱস্থাৰে ঈশ্বৰ ভক্তিৰ ৰূপ দেখুৱাবলৈ চেষ্টা কৰিছে আৰু কাহিনীটোত এক কৌতুহলোদ্দীপক পৰিবেশৰ সৃষ্টি কৰিছে। শংকৰদেৱে 'হৰমোহন' কাব্যত নাৰী ৰূপৰ চিত্ৰকল্প আঁকিবলৈ গৈ এঠাইত কৈছে-

তপ্ত সুবৰ্ণৰ সম-জ্বলে দেহা নিৰুপাম
ললিত বলিত হাত পাৱ।
চক্ষু কমল পাণি মুখে-মনোহৰ হাসি
সঘনে দৰশে কাম ভাৱ॥

শংকৰদেৱৰ উজ্বল নাৰী দেহাৰ তপত সোণৰ বৰণৰ আৰু চক্ষু যুবিক পদুমৰ লগত তুলনা কৰি নাৰীৰ মোহিনী ৰূপটিক আমাৰ লগত জীৱন্ত ছবিৰ দৰে দাঙি ধৰিবলৈ চেষ্টা কৰিছে। শংকৰদেৱৰ দৰে আন বৈষ্ণৱ কবি সকলেও তেওঁলোকৰ কবিতাত নাৰীক কেন্দ্ৰ কৰি প্ৰেম আৰু যৌনতাৰ ৰসোদ্দীপক বৰ্ণনা দাঙি ধৰিছে। কিন্তু কাহিনীৰ পৰিণতিত যৌনতাৰ কু- পৰিণামৰ বিষয়েও পাঠক শ্ৰোতাক সজাগ কৰি দিছে।

শংকৰদেৱৰ ৰচনাৰাজিৰ দৰে মাধৱদেৱৰ 'ৰাজসূয়' কাব্যত নাৰী ৰূপ বৰ্ণনাৰ অন্যতম উপাদান আছে। মাধৱদেৱৰ ৰচনাত ৰাধা চৰিত্ৰই বিশেষ ৰূপ পাইছে। ভগবান চৰণ বেদীত উৎসৰ্গিত নাৰী ৰূপেহে ৰাধা চৰিত্ৰই মাধৱদেৱৰ ৰচনা সমূহত পোণতে ভূমুকি মাৰিছিল। পৰৱৰ্তী যুগত এই ৰাধা চৰিত্ৰক কেনেকৈ বীভৎস যৌন বস্তুলৈ পৰিণত কৰা হৈছিল তাৰ পৰিচয় সেই যুগৰ মাধৱ দাস নামৰ এজন নিম্ন স্তৰৰ কবি শিল্পীৰ ৰচনাত পোৱা যায়। ৰাধাৰ সৈতে কৃষ্ণৰ বীভৎস যৌন ধেমালি আৰু দেৱতা সকলে স্বৰ্গলোকৰ পৰা এই যৌন ধেমালি উপভোগ কৰাৰ উল্লেখ, এইজনাৰ কাব্যত উল্লেখ আছে। মাধৱদেৱৰ 'ৰাজসূয়' কাব্যত আছে-

প্ৰিয়াৰ কণ্ঠত আলিংগিয়া বাহু মেলি।
কৰন্ত অনংগবস কৌতুহল কেলি॥
কৃষ্ণৰ আলিংগনে সন্তোষ মন যথ।
নিৰন্তৰে নাৰী পুৰিলন্ত মনোৰথ॥
কৃষ্ণৰ পৰশ ৰতি ৰংগ মিলে আতি।
কৃষ্ণৰ অধৰ মধু পিয়ে মুখ পাতি॥

শংকৰদেৱ আৰু মাধৱদেৱৰ আদিছোৱাৰ কিছুমান কবিতাত কামনা দীপ্ত প্ৰণয়ৰ প্ৰকাশ ঘটিছে। পিছৰ মুহূৰ্ত্ত ত তেওঁলোকে কামনা দীপ্ত প্ৰণয়ৰ পৰা মুক্তি লাভ কৰাৰ উদ্দেশ্যে মানুহৰ দৃষ্টি ভগবানৰ ৰহস্যবাদী প্ৰণয়ৰ প্ৰতি আকৰ্ষিত কৰিছিল, লগতে মানুহক অতিন্দ্ৰীয়বাদী সন্মোহনৰ প্ৰতি সজাগ কৰি আবেগ অনুৰাগক উচ্চপৰ্যায়ৰ প্ৰাধান্য আৰোপ কৰিছিল।

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা এগৰাকী বিশিষ্ট কবি। এওঁৰ কবিতাতো অনেক প্ৰেমৰ সুৰভি বিচাৰি পোৱা যায়। 'জোনাকী' কাকতৰ পাছত সম্পাদনা কৰা 'বাহী' এখন অন্যতম কাকত। কবিয়ে কৈছে যে প্ৰেমৰ মূৰ্ছনা থকা কবিতাবিলাক পঢ়িলে শ্যেলী, কীটচ্ আদি ইংৰাজ ৰোমাণ্টিক কবি সকলৰ কাব্যলৈ মনত পৰে। ৰোমাণ্টিক কবি সকলৰ চকুত সৌন্দৰ্য্যবোধৰ সকলো ধাৰণাই আহি ধৰা দিলে প্ৰিয়াৰ ৰূপত। যি প্ৰেমক আত্ম পৰিপূৰক বুলি কোৱা হয়, যি প্ৰেমে মানুহক দেৱতা কৰে সেই প্ৰেম লালসা নহয়। প্ৰকৃত প্ৰেমৰ পৰিতৃপ্তি বাসনাৰ পৰিতৃপ্তি নহয়। দেহৰ ৰহস্যৰ মাজত নিজকে এৰি দিয়া নহয় যদিও কবিতা ৰাজিত ৰিণিকি ৰিণিকি বাজি আছে। ৰোমাণ্টিক কবি সকলৰ আদৰ্শ, ইংৰাজ ৰোমাণ্টিক কবি গোষ্ঠী হলেও ভাৰতীয় আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত। বেজবৰুৱা ৰোমাণ্টিক কবি হলেও তেওঁৰ কবিতাত প্ৰেমৰ গভীৰতা মনকৰিবলগীয়া। 'প্ৰিয়তমাৰ সৌন্দৰ্য্য', 'ভ্ৰম' আৰু 'চুমা' আদি প্ৰেমৰ কবিতা হলেও সেই প্ৰেম সুগভীৰ, সেই প্ৰেম অচল- অটল।

কবিতাৰ ভাষাত এক সুমহান ৰূপ-

কোমল অন্তৰ প্ৰেমময় মন
কোমল জুৰ হৃদয়,
দিয়া য'ত দিনে ৰাতিয়ে মোৰ মন
অচল অটল ৰয়॥

ব্ৰহ্মাণ্ডৰ মাজত প্ৰেমৰ মহা শক্তিৰ কথা কবিয়ে উপলব্ধি কৰিব পাৰিছে। বিশ্বব্ৰহ্মাণ্ডৰ বস্তু সম্ভাৰৰ লগত যিটো বস্তুৰ যি অন্তৰনিহিত সম্বন্ধ ইয়াৰ মাজতো কবিয়ে উপলব্ধি কৰিব পাৰিছে প্ৰেমৰ মাহাত্ম্যৰ কথা।

মৰু বুৰে শিল পথে বিন্দুৰ পৰশে
প্ৰেম আখ্যা মহাশক্তি জগৎ প্ৰকাশে।

অম্বিকাগিৰি ৰায় চৌধুৰীকো এগৰাকী প্ৰেমৰ কবি আখ্যা দিব পাৰি। এওঁৰ কবিতাত প্ৰেম বহুধা বিভক্ত হ'লেও ভাৱৰ গভীৰতা, ভাষাৰ দীপ্ততা আৰু আবেগৰ অতিশয্য কবিতা ৰাজিৰ প্ৰাণ কেন্দ্ৰ। বহুধা হ'লেও ৰায় চৌধুৰীৰ দৰে স্তৰে স্তৰে প্ৰেমৰ গভীৰতা কবিতাৰ মাজত কেইজন কবিয়ে অক্ষুন্ন ৰাখিব পাৰিছে ? কবিৰ প্ৰেম যে নিভাজ অকৃত্ৰিম সেই বিষয়ে সন্দেহ কৰাৰ অৱকাশ নাই। অকৃত্ৰিম সুগভীৰ প্ৰেমেই কবিৰ কাব্য জীৱনৰ সাফল্যৰ অন্যতম কাৰণ। 'তুমি' অসমীয়া সাহিত্যৰ সৰ্বশ্ৰেষ্ঠ আধ্যাত্মিক কাব্য। ডেকা কালত কোনো নাৰী মূৰ্ত্তিৰ আকৰ্ষিত হোৱাটো নতুন কথা নহয়। কোনো জনৰ জীৱনত প্ৰেমৰ আগলি বতৰাই গোজ পুতি লৈ দাম্পত্য প্ৰণয়ত পৰিণত হয়। কোনো জনৰ 'হিয়া ভাঙি প্ৰিয়া গুছি যায়'।

"সকলো তুমিয়ে নাথ
জগতত দেখিছো যিমান।
লোৱা এই অশ্ৰু টুপি
ভেদি অহা মগধ পুৰাণ॥"

কবি দেৱকান্ত বৰুৱা দেৱকো এজন প্ৰেমৰ কবি বুলি আখ্যা দিব পাৰি। বৰুৱা দেৱৰ কবিতাত মানৱ প্ৰেমৰ উমান পোৱা যায়। সেয়ে মানবী প্ৰেমৰ মধুৰ আবেগেৰে ৰূপহী গাভৰুৰ সৌন্দৰ্য্যত প্ৰাণৰ অফুৰন্ত আবেগ অনুভূতিৰ সাৰ্থকতা লভিবলৈ গৈ কবিয়ে তিক্ততাও অনুভৱ নকৰা নহয়। তথাপি কবিয়ে প্ৰেমৰ অৱগাহনেৰে জীৱন সুন্দৰ আৰু ধন্য কৰিব বিচাৰে। কবিৰ যেন সততে উপলব্ধি হয় প্ৰেমেহে পূৰ্ণতা প্ৰদান কৰে জীৱনক। হয়তো অদম্য প্ৰেমাশক্তিৰ ফলত কবিৰ কলমেৰে নিঃসৰিত হৈছে এইদৰে-

'চকুৰ চিনাকি !
বন্ধু জোৱা মোৰ কলুষ কামনা,
বিষাদ গ্লানি

সুন্দৰ কৰা, ক্ষন্তেক মাথো
তোমাৰ প্ৰেমৰ জেউতি সানি ॥'

অসমীয়া কাব্য জগতৰ প্ৰতিভাবান মহিলা কবি গৰাকী হ'ল ডঃনিৰ্মল প্ৰভা বৰদলৈ। পঞ্চাশৰ ক্ৰান্তি কালতে এওঁ কবিতা লিখিবলৈ আৰম্ভ কৰিছিল। কবি সমালোচক হীৰেন্দ্ৰ নাথ দত্তই যোৱা পচিশ বছৰৰ অসমীয়া কবিতাত উল্লেখযোগ্য ৰচনা শীৰ্ষক প্ৰবন্ধত নিৰ্মল প্ৰভা বৰদলৈক গীতিধৰ্মী ও প্ৰেমৰ কবি হীৰেণ ভট্টাচাৰ্য্যৰ লগত ভালেখিনি মিল আছে বুলি উল্লেখ কৰিছে। শব্দ প্ৰয়োগ বৰদলৈৰ সংযত কোমল সুৰৰ গীতিধৰ্মী। সেয়ে 'মৰম' কবিতাটো-

'মৰম । প্ৰকাশৰ এক খেলা।
মুখেৰে নকবা। প্ৰেমত পৰিছো
দেখুৱাবা কেনেকৈ।

নিৰ্মল প্ৰভা বৰদলৈৰ কবিতাতপ্ৰেমৰ প্ৰাসংগিকতা যথেষ্ট বেছি। সূদূৰ প্ৰসাৰী জীৱন সংগ্ৰামত দীপ্ত সংকল্পৰ দীপ্তি বৰদলৈৰ কবিতাত কিমান কম তাক সঠিককৈ অনুভৱ কৰিব পাৰি।

কবি হীৰেণ ভট্টাচাৰ্য্য নিঃসন্দেহে এজন প্ৰেমৰ কবি। যদিও এওঁৰ কবিতাত প্ৰেমৰ সুৰভি পোৱা যায়, তাৰ উপৰিও সামাজিক চেতনা বিৰাজমান। কবি ভট্টাচাৰ্য্যৰ মতে প্ৰেম এক অনুভুতিয়েই নহয় ই এক জীৱনস্ৰোত। প্ৰেমৰ সুৰভিতে কবিতাৰ ভাষা উন্মনা হৈ যায়। ৰোমাণ্টিক প্ৰকাশভংগীৰে আলোড়িত যদিও আজিৰ কবিতাৰ প্ৰকাশভংগী অতি সংযত। সেয়ে কবিতাৰ ভাষাত-

"তুমিতো জানাই
এই কবিৰ আৰু একো নাই।
এটাই মাথো কামিজ
তাৰো ছিগো ছিগো চিলাই
প্ৰেম নিশ্চয় এনেকুৱাই
আৱৰণ খুলি হৃদয় জুৰায়॥"

নৈৰাশ্যৰ বিপৰীতে প্ৰেমে কবিৰ মনত জীৱনৰ প্ৰতি স্পৃহা বঢ়াইছে। প্ৰেয়সীৰ আঙুলিৰ জেতুকাৰ ৰোলে কবিৰ জীৱন স্পৃহা জাগ্ৰত কৰে। প্ৰেম আৰু মানৱীয়তাৰ কবি বুলি খ্যাত হীৰেণ ভট্টাচাৰ্য্যৰ কবিতাত প্ৰকাশ পাইছে অৱসাদ আৰু গতিহীনতাৰ বিপৰীতে উত্তাল ছন্দময় গতি, নৈৰাশ্যৰ বিপৰীতে আশাৰ মৃদু কলধ্বনিয়ে কবিতাত দিছে এটি বিশিষ্ট ৰূপ, যি ৰূপত মোহিত পাঠক সমাজে আজি ৰোমাণ্টিক পৰিবেশৰ মাজত থকা কবিতাত বিচাৰি পাইছে আধুনিক জীৱনবোধৰ স্বৰূপ।

সাহিত্য মানুহৰ জীৱন্ত অনুভূতি। সাহিত্যৰ জৰিয়তে মানুহে প্ৰকাশ কৰে নিজৰ ব্যক্তিগত ধ্যান ধাৰণাৰ হৃদয়স্পৰ্শী কাহিনী। কাব্যিক চেতনাক আকাশলংঘা বিশালতালৈ উত্তৰণ ঘটাই প্ৰচীন বৈদিক সাহিত্য আৰু বৈষ্ণৱ সাহিত্যই। সেয়ে দেখা যায় প্ৰাচীন বৈদিক সাহিত্য আৰু মধ্যযুগৰ বৈষ্ণৱ সাহিত্যৰ কাব্যিক সমলত অবাঞ্চিত ভাবে নাৰী ৰূপ নৰ-নাৰীৰ প্ৰেম যৌন সম্পৰ্ক আৰু যৌন বিলাসে অন্যতম স্থান লাভ কৰি আহিছে। ইয়াৰ অন্যতম কাৰণেই হৈছে প্ৰেম যৌনতাৰ মাজেৰে ঈশ্বৰৰ ৰূপ বন্দনা আৰু ভগবান প্ৰাপ্তিৰ বাটৰ সন্ধান কৰা। সেই হেতুকে প্ৰাচীন আৰু মধ্যযুগৰ কাব্য সাহিত্যত নাৰী আৰু ভগবানৰ সম্পৰ্কই মুখ্য স্থান পাইছে।

আধুনিক কবিতাত মুখ্যতঃ প্ৰেমৰ প্ৰাধান্য অতি বেছি। জোনাকী আৰু বাঁহীৰ দিনৰ পৰা বৰ্ত্তমান সময়লৈকে কবিতা সমূহত ৰোমাণ্টিক ভাবাদৰ্শেৰে ৰঞ্জিত হৈ আহিছে প্ৰেমৰ সুৰভিৰে।

গতিকে আমি ক'ব পাৰো যে প্ৰাচীন বৈদিক আৰু বৈষ্ণৱ যুগৰ কাব্য সাহিত্যত আৰু বৰ্ত্তমান যুগৰ যি কাব্য সাহিত্য তাত বহুল পৰিমাণে প্ৰেম আৰু যৌন গোন্ধ পোৱা যায়। তথাপিও কিছুমান কবিৰ কবিতাত শোষিত, নিষ্পেষিত জনৰ চিত্ৰ দাঙি ধৰা দেখা যায়। মুঠৰ ওপৰত ক'ব পাৰি অসমীয়া কবিতাৰ শেহতীয়া ধাৰাটো অতি উজ্বল আৰু প্ৰতিশ্ৰুতি পূৰ্ণ। শেষত নলিনীধৰ ভট্টাচাৰ্য্য দেৱৰ ভাষাত - " এতিয়া সাহিত্যৰ বিষয়বস্তু হ'ব লাগে মানুহ, যি লাঞ্চিত-বঞ্চিত, যাৰ উদাৰ হাত ঘামেৰে তিতি আছে- সেই মানুহ সংস্কৃতিৰ উৎস স্থল আজি বিপন্ন, তাত গীতৰ ধ্বনি নীৰৱ, তাৰ অধিবাসী মুক বধিৰ, অসতৰ্ক আৰু শোষিত। তেওঁলোকে জীৱনৰ ৰূপ দেখা নাই। কবি সকলেই তাক দেখুৱাব লাগিব।" ❑❑❑

(সংবাদ পত্ৰ আৰু নন্দ তালুকদাৰদেৱৰ
"কবি আৰু কবিতা" পুথিৰ পৰা সহায় লৈ।)

**দিব্যজ্যোতি বৰা স্নাতক তৃতীয় বৰ্ষৰ বিজ্ঞান শাখাৰ ছাত্ৰ তথা প্ৰাক্তন সাধাৰণ সম্পাদক**

সকলো আধ্যাত্মিক স্বাৰ্থৰ গুৰিতে আছে পাশৱিক জীৱন

চিন্তা শিল্প

# মানৱ জীৱনৰ ওপৰত সংগীতৰ প্ৰভাৱ

বীপামণি শৰ্মা

Man does not live by bread alone

মানৱ শৰীৰৰ বাবে আহাৰেই যথেষ্ট নহয়। সি মনৰ খোৰাকো বিচাৰে। মানৱ মনৰ প্ৰকৃত শক্তি আৰু আনন্দৰ উৎস হ'ল মানসিক অৱস্থা, চিন্তাশক্তি আৰু অনুভূতিসম্পন্ন দৃষ্টিভংগী। সেয়েহে তাৰ সৰ্বতোমুখী বিকাশৰ বাবে শাৰিৰীক পুষ্টিৰ লগে লগে মানসিক পুষ্টিৰো প্ৰয়োজন। এই কথাৰ সত্যতা উপলব্ধি কৰিব পাৰিছিল ভাৰতীয় চিন্তাবিদ সকলে হাজাৰ হাজাৰ বছৰ আগতেই।

সাহিত্য সংগীত কলাবিহীনঃ
সাক্ষাত্ পশুঃ পুচ্ছবিষাণহীনঃ
তৃণং ন খাদন্নপি জীৱমানঃ
তদ্ভাগধেয়ং পৰমং পশুনাম॥

এই কথাখিনিৰ কথাকে যেন প্ৰতিধ্বনিত হৈছে পিছৰ যুগৰ ইংৰাজ নাট্যকাৰ শ্বেক্সপিয়েৰৰ ৰচনাত-

The man that hath no music in himself,
nor is moved with concord of sweet sounds,
is fit for treasons,
stratagems and spoils,
..... ...... .... .... .... .....
Let not such man be trusted.

আমাৰ চিন্তাশক্তি আৰু অনুভূতি সমূহক বিকশিত কৰি তোলাৰ ক্ষেত্ৰত সাহিত্য সংগীত আদিয়ে যথেষ্ট অৰিহনা যোগাব পাৰে কেৱল সেয়ে নহয়, হৃদয়ৰ সুক্ষ্ম অনুভূতি বিলাকৰ আনন্দ আৰু পৰিতৃপ্তিয়ে মানুহৰ চিন্তাধাৰা, স্বভাৱ আৰু কৰ্ম শক্তিৰ মাজত এটা সমন্বয় সৃষ্টি কৰি মানৱ জীৱন সুখময় কৰি তোলাৰ লগতে এখন সুস্থ আৰু সবল সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি আগবঢ়াব পাৰে। মেক্সমুলাৰে কৈছে- " ভাষাৰ সৃষ্টিৰ আগেয়ে সংগীতৰ সৃষ্টি"। সংগীত জীৱন সুখ-দুখৰ লগৰী। শাৰঙ্গদেৱে সংগীত শব্দৰ পৰিভাষা তেওঁৰ গ্ৰন্থত এইদৰে দিছে -

'গীতং বাদ্যং তথা নৃত্যং ত্ৰয়ং সংগীত মুচ্যতে'।

অৰ্থাৎ গীত, বাদ্য আৰু নৃত্য এই তিনিও বিধ কলাকে একেলগে সংগীত বোলা হয়। গীত শব্দৰ লগত 'সম' উপসৰ্গৰ যোগ হৈ (সম্+গীত) 'সংগীত' শব্দৰ উৎপত্তি হৈছে। ভাৰতীয় পৰম্পৰা অনুসৰি কণ্ঠ-সংগীত অৰ্থাৎ গীতৰ স্থান প্ৰথমতে। পণ্ডিত সকলে কৈছে ৬৪ কলাৰ শ্ৰেষ্ঠতম কলাই হৈছে সংগীত। গীতক অনুকৰণ কৰে বাদ্যআৰু সেইবাবেই কণ্ঠ সংগীতৰ পিছতেই বাদ্য সংগীতৰ স্থান। নৃত্যৰ স্থান সবাটোকৈ শেষত কাৰণ গীত আৰু বাদ্যৰ বাহিৰে এইবিধ কলা প্ৰদৰ্শিত হব নোৱাৰে। এই সম্পৰ্কে শাৰঙ্গদেৱৰ 'সংগীত ৰত্নাকৰ' গ্ৰন্থৰ উদ্ধৃতি মনকৰিবলগীয়া-

নৃত্যং বাদ্যানুগং প্ৰোক্তং গীতানুবৃত্তি চ
অতৌ গীত প্ৰধানত্বদত্ৰা ৎদাবভিধীয়তে।

কিছুমানৰ মতে সংগীতৰ স্ৰষ্টা হ'ল ব্ৰহ্মা। সংগীতৰ লগত পৰম ব্ৰহ্মৰো ঘনিষ্ঠ সম্পৰ্ক আছে। ভাৰতীয় চিন্তাধাৰা অনুসৰি য'তে ত'তেই ভগবান বিদ্যমান। "মদ্ভক্তাঃ যত্ৰ গায়ন্তি নিষ্ঠামি তত্ৰ নাৰদ" গ্ৰীক দাৰ্শনিক এৰিষ্টটলৰ মতে সংগীত হ'ল মানৱৰ আধ্যাত্মিক উন্নতিৰ প্ৰধান মাধ্যম। বিথিউচৰ মতে সংগীতে দেহ আৰু মনৰ সংগতি আনি আত্মাৰ সৈতে পৰমাত্মাৰ মিলনৰ পথ সুগম কৰি তোলে। জকা এটাই ৰক্ত, মাংসৰে পৰিপুষ্ট হৈ যিদৰে নতুন জীৱন লাভ কৰে, সেইদৰে নিৰস সাহিত্য যেনে - নাটক, চিনেমা আদিকো সংগীতৰ প্ৰয়োগে অধিক লোকপ্ৰিয় কৰি তোলে। যুগৰ পৰিবৰ্ত্তনৰ লগে লগে মানুহৰ ৰুচি-অভিৰুচিও সলনি হৈছে। ফলত সংগীতো নানা ৰূপে বিকৃত হৈছে যদিও ই সম্পূৰ্ণ ভাবে বিলীন হৈ যোৱা নাই। সংগীতে মানুহৰ মনত যি দৰে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে, পৃথিৱীৰ আন কোনো শক্তিয়ে মানুহৰ অন্তৰাত্মাত এনেদৰে সাঁচ বহুৱাব নোৱাৰে। সংগীতেই ভাৰতৰ স্বাধীনতা আন্দোলনত সকলো ভাৰতীয়ৰ মনত দেশপ্ৰেমৰ বীজ ৰোপন কৰিছিল। অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামতো অসমৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ " তই কৰিব লাগিব অগ্নিস্নান", "জননীৰ সন্তান", "বিশ্ব বিজয় ন-জোৱান" আদি গীতে মানুহৰ মনত দেশপ্ৰেমৰ ভাৱ জগাই তুলি মাতৃভূমিৰ সন্মান ৰাখিবলৈ দুগুণ উৎসাহ মনত জন্মাইছিল। মানুহে সংগীতৰ জৰিয়তে মনৰ ভাৱ অতি সবল আৰু সুন্দৰ ভাৱে প্ৰকাশ্য কৰিব পাৰে। সংগীতৰ জৰিয়তে মানুহে মানুহৰ প্ৰতি থকা প্ৰেমৰ ভাৱ প্ৰকাশ্য কৰিব পাৰে। সংগীতেই মানুহৰ দুখ আৰু সুখৰ প্ৰকৃত লগৰী। সংগীত মানৱ জীৱনৰ এনে এক মাধ্যম যিয়ে হৃদয়ত থকা করুণ, অভিমান, প্ৰেম, বাৎসল্য, বিৰহ, বিৰক্তি, চাতুৰী, ৰুদ্ৰ আদি বিভিন্ন ভাৱ যথা সময়ত বাহ্যিক ভাৱে প্ৰকাশ কৰে আৰু আত্মাই সন্তুষ্টি লাভ কৰে। সংগীতে মানৱৰ মন, আত্মা নিৰ্মল আৰু পবিত্ৰ কৰি তোলে। সংগীতে মানুহক এই বিশাল সংসাৰখনত সংগ্ৰাম কৰি উন্নতিৰ পথেৰে আগুৱাই গৈ নিজ লক্ষ্যত উপনীত হোৱাত যথা পৰিমানে সহায় কৰে। সংগীতৰ জৰিয়তে মানুহৰ ...কৰা আত্মাই পৰম শক্তি আৰু সুখ লাভ কৰে। গ্ৰীক দাৰ্শনিক পিথাগোৰাচে সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ডৰ ঐক্য আৰু সংহতিৰ প্ৰতীক হিচাপে সংগীতক স্থান দি গৈছে। এদল বৈজ্ঞানীকৰ মতে মানুহে পশু-পক্ষীৰ মাত অনুকৰণ কৰাৰ ফলতে সংগীতৰ সৃষ্টি হৈছে। কিন্তু বিজ্ঞানীসকলৰ মতে সংগীত হ'ল মানৱ মনৰ

সুক্ষ্ম অনুভূতিৰ প্ৰকাশ। ভাৱনাৰ আতিশয্যত আমি হাঁহো বা কান্দো। এনে ধ্বণৰ বিভিন্ন আবেগ অনুভূতিৰ প্ৰকাশৰ লগে লগে আমাৰ কণ্ঠস্বৰো প্ৰসাৰিত হয়। কেতিয়াবা ওপৰলৈ উঠে আৰু কেতিয়াবা তললৈ নামে। এচাম বিজ্ঞানীৰ মতে কণ্ঠস্বৰৰ এই উঠা-নমাৰ পৰাই গানৰ সৃষ্টি হ'ল।

শ্ৰোতাৰ মনত আনন্দ দানৰ উপৰিও সংগীতৰ এটা ব্যৱহাৰিক দিশো নথকা নহয়। মানুহৰ মানসিক, দৈহিক, সামাজিক, ধাৰ্মিক আদি বিভিন্ন বিষয়ৰ উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত সংগীতৰ প্ৰয়োজনীয়তা আজিকালি সকলোৱে একেবাক্যে স্বীকাৰ কৰিছে। সেয়ে কোনো কোনো লোকে কৰলৈ বিচাৰে যে সংগীত হ'ল মানৱৰ কৰ্মবহুল দৈনন্দিন জীৱনৰ বিভিন্ন দিশ আৰু ভাৱধাৰাৰ সামঞ্জস্য সাধন কৰি প্ৰকাশ লাভ কৰা এটি সুকুমাৰ কলা। ❑❑


সহায় লোৱা গ্ৰন্থ

১) ৰাগ সংগীত - বীৰেন্দ্ৰ কুমাৰ ফুকন।

২) সংগীত - বিশাৰদ আৰু পুৰণি তথ্য




প্ৰকৃতিয়ে এপাহ খৰিকাজাই ফুলতকৈ মানুহৰ অধিক যত্ন লয় - তাৰ কোনো প্ৰমাণ প্ৰকৃতিত নাই। অতীতত হাজাৰ হাজাৰ প্ৰজাতি দ্ৰুত গতিৰে আৰু সমূলঞ্চে নিৰ্মূল হোৱাৰ দৰে আমিও এদিন নোহোৱা হৈ যাব পাৰো। প্ৰকৃতিয়ে কাৰো প্ৰতি একো পক্ষপাতিতা নেদেখুৱায়। প্ৰকৃতিৰ ভাৰসাম্য যেতিয়া বিপন্ন হয় তেতিয়া প্ৰকৃতিয়ে যি কোনো মূল্যৰ বিনিময়ত হেৰোৱা ভাৰসাম্য ৰক্ষাৰ বাবে নিজৰ পথ বিচাৰি লয়। মানুহ যদি সেই বিপন্নতাৰ কাৰণ, তেন্তে প্ৰকৃতিয়ে মানুহৰ ওপৰত ওভতাই আঘাট হানিব। এপাহ খৰিকাজাই ফুল, মাইকেল এঞ্জেলো, চেক্সপীয়েৰ বা মোজাৰ্ট - কাৰো প্ৰতি প্ৰকৃতিয়ে অনুকম্পা নেদেখুৱাব। আমি এক বিশাল শক্তিৰ অনুগ্ৰহত জীয়াই আছো। এই শক্তিৰ নাম জীৱনী শক্তি। আমি মাথোন জানো - জীৱ-জগতৰ অসংখ্য প্ৰজাতিবোৰৰ ভিতৰত মানুহকে ধৰি কোনো প্ৰজাতিৰ প্ৰতি প্ৰকৃতিয়ে বিশেষ আদৰ নেদেখুৱায়।

- ৰোমেইন গ্ৰে

[ Time - Life প্ৰকাশনৰ Vanishing Species নামৰ কিতাপৰ পাতনিৰ পৰা ]

সংগ্ৰাহক ঃ অশোক কুমাৰ নাথ

বীপামণি শৰ্মা সংস্কৃত বিভাগৰ প্ৰাক্তন ছাত্ৰী

সাধনাৰ বাট খুৰৰ আগৰ দৰে ধাৰ থকা

চিন্তা শিল্প

# ।। ভাৰতীয় মহাকাব্য ঃ ৰামায়ণ আৰু মহাভাৰতৰ উৎস ।।

শশীন শৰ্মা

মহাকাব্যৰ পাতনি কেতিয়া কোন কাল ছোৱাত, কেনেকুৱা পৰিবেশৰ মাজত আৰম্ভ হয় তাক ঠিবাংকৈ কোৱা যদিও সহজ নহয় তথাপি পণ্ডিত সকলে কৰ বিচাৰে যে মহাকাব্যৰ সূত্ৰপাত হয়প্ৰাচীন বৈদিক সাহিত্য সমূহতেই। বৃহৎ দেৱতাৰ ৰচক ঋষি শৌনকে ঋকবেদৰ মন্ত্ৰ বোৰক কেইবা শ্ৰেণীতো অৰ্ন্তভূক্ত কৰিছে যদিও তাৰ ভিতৰত সংবাদ সুক্ত, আখ্যান সুক্ত, দান স্তুতি, আৰু নাৰাশংসীয়েই লেখত লবলগীয়া। ঋকবেদৰ এই চাৰিপ্ৰকাৰৰ মন্ত্ৰ সমূহ আৰু অৰ্থৰ্ব বেদৰ কুন্তাপ সূত্ৰবোৰেই মহাকাব্যৰ বীজ স্বৰূপ। বিশেষকৈ সংবাদ সুক্তবোৰ পৰবৰ্তী কালৰ নাট্যকাব্যৰ আৰু আন আন মহাকাব্যৰ আদিৰূপ। মহাভাৰতখন ভালকৈ চালি-জাৰি চালে দেখা যায়, ই বাহ্যিক গঠনৰ ফালৰ পৰা নাটক আৰু ভিতৰত বৰ্ণিত বিষয় বস্তুৰ ফালৰ পৰা কাব্য। বৈদিক যুগৰ শেষৰ পিনে ৰচিত সুপনাখ্যান, কদ্ৰ আদি প্ৰাচীন কাহিনীৰ ওপৰত ভিত্তি কৰি ৰচিত আৰু ইয়েই মহাকাব্যৰ আদিৰূপ। বৈদিক যুগত সমাজৰ মাজত এনে কিছুমান ধাৰণা আছিল যে ইতিহাস, পুৰাণ আদি পাঠ কৰিলে দেৱতা সকল প্ৰশন্ন হয়। পুৰাণ সমূহ নকল কৰি দান কৰাজন মহা পূৰ্ণ্যবান হয় বুলি পুৰাণ সমূহত উল্লেখ আছে। সেইবাবেই সম্ভৱ ইতিহাস আৰু পুৰাণক পঞ্চম বেদ নামেৰে নামাকৰণ কৰা হৈছে। ইতিহাস আৰু পুৰাণৰ ভেটিয়েই ৰামায়ণ আৰু মহাভাৰতৰ সৃষ্টি।

" ৰসাত্মকং বাক্যং কাব্যম্ " ৰসাত্মক বাক্যই কাব্য। ৰস পূৰ্ণ বাক্য বুলিলে গদ্য আৰু পদ্য দুয়োটাই কাব্যৰ অন্তৰ্গত। দৃশ্য আৰু শ্ৰব্যভেদে কাব্য দৃশ্য আৰু শ্ৰব্য এই দুই শ্ৰেণীত বিভক্ত। শ্ৰব্য কাব্য আকৌ তিনিটা ভাগত বিভক্ত - পদ্য, গদ্য আৰু চম্পু। পদ্য কাব্য আকৌ তিনিটা শ্ৰেণীত বিভক্ত - মহাকাব্য, খণ্ডকাব্য আৰু মুক্তকাব্য। মহাকাব্য হবলৈ হলে পদ্যকাব্য সৰ্গবন্ধাত্মক হব লাগে। মহাকাব্যৰ সৰ্গ সমূহ বেছি দীঘল বা বেছি চুটিও হব নালাগে। সাধাৰণতে আঠৰ পৰা ত্ৰিশ সৰ্গলৈ থাকিব লাগে, অৱশ্যে ইয়াৰ ব্যতিক্ৰমো হোৱা দেখা যায়। প্ৰতি সৰ্গৰ শ্লোক সংখ্যা হব লাগে ত্ৰিশৰ পৰা দুশলৈকে। প্ৰতেক সৰ্গৰ শেষত দুটা বা তিনিটা স্তৱ বেলেগ ছন্দৰ হব পাৰে। ইয়াত এজন নায়কৰ চৰিত্ৰ বিশেষ ভাবে অংকিত হব লাগিব। তেওঁ দেৱতা, সৎবংশজাত বা ক্ষত্ৰিয় হব পাৰে। নায়কজন হব লাগিব বীৰ আৰু ধীৰোদাত্ত গুণ সম্পন্ন। কেতিয়াবা কেতিয়াবা একে ৰাজ বংশৰ বহুতো ৰজাৰ কথাও থাকিব পাৰে। ৰসবোৰৰ ভিতৰত শৃঙ্গাৰ, বীৰ, শান্ত ৰসৰ যিকোনো এবিধ ৰস মহাকাব্যত প্ৰধান আৰু আনবোৰ ৰস অঙ্গী হিচাপে ব্যৱহাৰ হব লাগিব। নাটকৰ সকলো সন্ধি মহাকাব্যত থাকিব লাগে। ধৰ্ম, অৰ্থ, মোক্ষ, কাম এই চতুৰ্বৰ্গ প্ৰাপ্তিৰ বৰ্ণনাৰ কথা প্ৰধান হব। মহাকাব্যৰ বিষয় বস্ত বিলাক হব লাগিব দুৰ্জ্জনৰ নিন্দা, সজ্জনৰ প্ৰশংসা, সন্ধ্যাকাল, সুৰ্যোদয়, ৰাতি প্ৰদোষ, দুপৰীয়া, মৃগয়া, পৰ্বত, ঋতু, বন, উপবন, সমুদ্ৰ, বিপলম্ভ, শৃঙ্গাৰ, মুনি, স্বৰ্গ, নগৰ, যজ্ঞ, যুদ্ধ, যাত্ৰা, বিবহ, মন্ত্ৰৰ উপদেশ, পুত্ৰজন্ম ইত্যাদিৰ বৰ্ণনা। সন্ধ্যাদি প্ৰকৃতিৰ বৰ্ণনা, সাঙ্গো-পাঙ্গ হব লাগিব, জলকেলি মধুপান আদি কাল আৰু স্থান ভেদে মানুহৰ ক্ৰিয়া, যাৰ দ্বাৰা বিনোদ হয় তাৰ বৰ্ণনা থাকিব লাগিব। এইদৰে ছন্দোময় শ্লোকেৰে যেতিয়া বিস্তৃত কাহিনী ঘাত-প্ৰতিঘাটৰ মাজেৰে পৰিণতিৰ ফালে আগবাঢ়ে তাকে মহাকাব্য বুলি আখ্যা দিব পাৰি। সৰস্বতী কণ্ঠা ভৰণৰ মতে -

"কাব্যং শাস্ত্ৰেতি হাসৌ চ কাব্য শাস্ত্ৰং তথৈৱ চ্ ।
কাব্যেতি হাসঃ শাস্তেতি হাসস্তদপি ষড় বিধম্ ।।"

অৰ্থাৎ কাব্যৰ হেতু ছয়বিধ- কাব্য, শাস্ত্ৰ, ইতিহাস, কাব্যশাস্ত্ৰ, কাব্যেতিহাস আৰু শাস্ত্ৰইতিহাস। মহাকাব্যৰ মূল কাহিনীৰ অগ্ৰগতিৰ লগত যি যি পৰিবেশৰ সৃষ্টি হয় তাৰ অনুকুলতহে ৰসৰ অভিব্যক্তি ঘটে। মহাকাব্যৰ নামাকৰণ কাহিনীৰ মূল তত্বৰ বা নায়কৰ নাম অনুসৰিও হব পাৰে।

**ৰামায়ণ** ঃ ব্ৰহ্মাৰ উপদেশ মতে দুবৃত্ত ৰত্নাকৰে আসুৰিক স্বভাৱ পৰিত্যাগ কৰি কঠোৰ তপস্যাত মগ্ন হৈ মহৰ্ষি উপাধিৰে মহিমা মণ্ডিত হৈ কাব্য কাননৰ অমূল্য গ্ৰন্থ ৰামায়ণ ৰচনা কৰে বুলি জনা যায়। ৰামায়ণ খন মূলতঃ সাতটা কাণ্ড আৰু পাচঁশ অধ্যায়ত বিভক্ত। ইয়াত সৰ্বমুঠ ২,৪০,০০০ টা শ্লোক আছে। ৰামায়ণে ভাৰতীয় জাতীয় জীৱনত যিদৰে প্ৰভাৱ বিস্তাৰ কৰিছে পৃথিৱীৰ আন কোনো গ্ৰন্থই কোনো জাতিৰ জাতীয় জীৱনত সিমান প্ৰভাৱ পেলাব পৰা নাই। সেয়ে ব্ৰহ্মাই বাল্মিকীক কৈছিল -

" যাবৎ স্থাস্যন্তি গিৰিয়ঃ সৰিতশ্চ মহীতলে।
তাবৎ ৰামায়ণ কথালোকেষু প্ৰচৰিস্যতি।।"

অৰ্থাৎ যিমান দিন পৃথিৱীত পৰ্বত সমূহ থাকিব আৰু নদী সমূহ বৈ থাকিব, সিমান দিন ৰামায়ণৰ কাহিনী পৃথিৱীত চলি থাকিব। খৃষ্টাব্দ একাদশ শতাব্দীৰ পৰবৰ্তী কালত এই ৰামায়ণ ভাৰতৰ প্ৰায় আটাইবোৰ প্ৰান্তীয় ভাষাতেই অনুবাদ হৈছে।

**ৰামায়ণৰ ৰচনা কাল** ঃ জনশ্ৰুতি মতে বেদৰ ৰচনাৰ পিছত ৰামায়ণ ৰচনা হয়, আৰু ইয়াৰ কলেৱৰ বৃদ্ধিৰ বাবেপ্ৰায় ৫০০ খ্ৰীঃ পূঃ লৈকে অনেক কথা যোগ দিয়া হয়। পণ্ডিত সকলে এক পৰম্পৰা মতে ৰাম আৰু বাল্মিকীক সমকালীন বুলি মানি লয়। কিছুমান পাশ্চাত্য পণ্ডিতে ইয়াৰ ৰচনা কাল ১৫০০ খ্ৰীঃ পূঃ বুলি কব খোজে। লোকমান্য তিলকৰ মতে ঋকবেদৰ দশম মণ্ডল ৪০০ খ্ৰীঃ পূঃ ৰ আগৰ। এই দৃষ্টিভংগীৰ ফালৰ পৰা ৰাম

কথাৰ অস্তিত্ব ৪০০ খ্রীঃ পূঃ তকৈও আগৰ। পাশ্চাত্য পণ্ডিত সকলৰ মতে ৰামায়ণৰ ৰচনা কাল - এ. শ্লেগল আৰু জে. গোৰেসিয়োৰ মতে ৰামায়ণৰ ৰচনাকাল ক্রমে ১১০০ খ্রীঃ পূঃ আৰু ১২০০ খ্রীঃ পূঃ। কিছুমান পণ্ডিতৰ প্ৰচলিত ৰামায়ণ মূল ৰামায়ণৰ পৰা ভিন্ন আৰু ইয়াৰ ৰচনা কাল ক্রমেও ৩০০ খ্রীঃ পূঃ। মেকোৱী চাহাবৰ মতে মূল ৰামায়ণৰ ৰচনা কাল ৫০০-৮০০ খ্রীঃ পূঃ। মেকডোনেল চাহাবৰ মতে ৰামায়ণৰ ৰচনা কাল ৫০০ খ্রীঃ পূঃ। কিছুমান পণ্ডিতৰ মতে বাল্মিকী ৰামৰ সমকালীন ত্রেতা যুগৰ। ত্রেতা যুগৰ সীমা ৮৬৭১০০ খ্রীঃ পূঃ। মহাভাৰত ৩১০০ খ্রীঃ পূঃ ত ৰচিত আৰু ৰামায়ণ ৰচনা তাতকৈ আগৰ, এই মতানুসাৰে বাল্মিকীৰ স্থিতি কাল লক্ষ কাল বছৰ আগৰ কিন্তু এইটো মত অতিৰঞ্জকপূর্ণ। মুঠতে ৰামায়ণৰ ৰচনা কাল ৫০০ খ্রীঃ পূঃ ৰ আগৰ বুলি থিৰাং কৰিব পাৰি।

**মহাভাৰত** ঃ মহাভাৰতৰ বক্তা সঞ্জয়। সঞ্জয়ে গোটেই মহাভাৰতখন ধৃতৰাষ্ট্ৰৰ আগত কৈছে। মহাভাৰতত ১৮ টা পৰ্ব আছে। মহাভাৰত এক নিৰ্দিষ্ট সময়ত ৰচিত হোৱা নাই। ই বিভিন্ন যুগত ৰচনা হৈ, পৰিবৰ্দ্ধিত হৈ থাকে আৰু কালান্তৰত আটাইবোৰ অংগ-প্ৰত্যংগ যোগ হৈ এক ৰূপত নিবন্ধ কৰা হয়। ইয়াৰ ৰূপ দিয়া সমদ্ধ ৰূপ একলাখ অনুষ্টুপ ছন্দত পোৱা যায়। সেইবাবেই ইয়াৰ নাম শতসাহস্ৰী সংহিতা। মেকডোনেল চাহাবৰ মতে মহাভাৰতৰ শ্লোক বিশ হাজাৰ আৰু বিভিন্ন যুগত ক্রমবৰ্দ্ধন হৈ বৰ্ত্তমান ৰূপলৈ আহিছে। বেবৰ আৰু মেকডোনেলৰ মতে বৈশম্পায়ন প্ৰোক্ত মহাভাৰতত কেৱল ৮৮০০ টা শ্লোক আছিল। শ্ৰীচিন্তামণি বিনায়ক বৈদ্যই গবেষণা কৰি এইটো সিদ্ধান্তত উপনীত হয় যে বৈশম্পায়ণে কোৱা গ্ৰন্থত ২৪ হাজাৰ শ্লোক আছিল আৰু পিছত উগ্ৰশ্ৰবাই পৌৰাণিক মনোৰঞ্জক কথাৰ ৭৬ হাজাৰ শ্লোক দি 'ভাৰতক' মহাভাৰত ৰূপ দিয়ে।

<u>মহাভাৰতৰ ৰচক আৰু বক্তা</u> ঃ যিহেতু মহাভাৰতৰ ৰচনা কাল এটা নহয়, গতিকে ইয়াৰ ৰচকো এজন নহয় বুলি সহজে মানি লব পাৰি। ই সময়ে সময়ে প্ৰাদুৰ্ভূত বিভিন্ন প্ৰতিভাৰ সামূহিক প্ৰয়াস। এই দৃষ্টিকোণৰ পৰা মহাভাৰত অধ্যয়ন কৰিবলৈ হলে ইয়াৰ সমন্ধে তিনিটা কথা জনাব দৰকাৰ - প্ৰথম কথা হ'ল মহাভাৰত এক সময়ত ৰচিত নহয়। দ্বিতীয়তে ইয়াৰ ৰচকো এজন নহয়। তৃতীয়তে ইয়াৰ অন্ত্যেষ্টি বহু শতাব্দীৰ পিছত হয়। ভাব-ভাষা আৰু বিষয়ৰ দৃষ্টিকোণৰ পৰা মহাভাৰতৰ তুলনাত্মক অধ্যয়ন কৰি জনা যায় ইয়াৰ কথা আৰু উপকথাত যথেষ্ট ব্যৱধান। কালক্রমৰ ফালৰ পৰাও বিষয় সামগ্ৰী ক্রমবদ্ধ নহয়, কাৰণ মহাভাৰতৰ কিছু আখ্যান অতি পুৰণি আৰু কিছুমান বহুত পিছৰ। সেইবাবে মহাভাৰতৰ প্ৰকৃত ৰচকৰ নাম আজিও অবিদিত। হপকিন্সে মহাভাৰতৰ এই প্ৰসংগৰ সমন্ধে কয় যে প্ৰকৃততে এই মহান গ্ৰন্থখনি এজন লেখকৰ নহয়। ব্যাস আচলতে লেখক নহয় সম্পাদকহে।

<u>ৰচনা কাল</u> ঃ মহাভাৰতৰ ৰচনা কাল সমন্ধে পণ্ডিত সকলৰ মত বেলেগ বেলেগ। কোনো এক নিৰ্দিষ্ট কালত ইয়াৰ সংকলন আৰম্ভ হৈ শেষ হৈ যোৱা নাই। সাধাৰণতে ইয়াৰ ৰচনা ১০০০ খ্রীঃ পূঃ ৰ পৰা ৪০০ খ্রীঃ লৈকে এই সুদীৰ্ঘ সময় ধৰা হয়।

১) গুপ্ত কালীন চেদি সংবৎ ১৯৭ ত (৫০২ বিক্রমীত) পোৱা এক শিলালিপিৰ পৰা জনা যায় মহাভাৰত একলাখ শ্লোকৰ সমষ্টি। গতিকে মহাভাৰতৰ ৰচনা কাল এই শিলালিপিতকৈ বহু আগৰ।

২) প্ৰায় বিক্রমী সংবৎ ৫৩৫ আৰু ৬৩৫ ত জাভা আৰু বালী দ্বীপত মহাভাৰতৰ অনুবাদ প্ৰাচীনতম কবি ভাষাত পোৱা গৈছে।

৩) অষ্টাধ্যায়ী ব্যাকৰণত পানিণিয়ে যুধিষ্ঠিৰ, ভীম, বিদুৰ আদি কুৰুক্ষেত্ৰ যুদ্ধৰ চৰিত্ৰ নায়ক সকলৰ তথা মহাভাৰত গ্ৰন্থৰ উল্লেখ ব্যাকৰণ সন্মত বুৎপত্তিৰ লগত কৰিছে। পানিণিৰ স্থিতি কাল খ্রীঃ পূঃ ৫ শতাব্দী।

৪) সংস্কৃত নাট্যকাৰ ভাসৰ প্ৰায়বোৰ নাটক মহাভাৰতৰ দ্বাৰা প্ৰভাৱান্বিত। ভাস কালিদাসতকৈ ৩০০-৪০০ খ্রীঃ পূঃ আগৰ। ইয়াৰ দ্বাৰা এইটো প্ৰতীয়মান হয় যে মহাভাৰতৰ অস্তিত্ব ভাসৰ আগৰ।

৫) জয় সকলৰ মতে মহাভাৰত ৰচনা কালৰ শেষ সীমা ৫০০ খ্রীষ্টাব্দ।

৬) শ্ৰীচিন্তামিণি বিনায়ক বৈদ্যৰ মতে মূল মহাভাৰতৰ ৰচনা কাল ৩৫০-৩২০ খ্রীঃ পূঃ ৰ ভিতৰত।

৭) শ্ৰীজয় চন্দ্ৰ বিদ্যালংকাৰৰ মতে মহাভাৰতৰ প্ৰথম সংস্কৰণ হয় ৫০০ খ্রীঃ পূঃ ত।

৮) কিছুমান পণ্ডিতৰ মতে মহাভাৰতৰ ৰচনা কাল ৫০০ খ্রীঃ পূঃ যদিও ইয়াৰ শেষ কাল প্ৰায় ৪০০-৫০০ খ্রীষ্টাব্দ।

এই দুয়োখন মহাকাব্যৰ ভিতৰত ৰচনা কাল আৰু ৰচকৰ সমন্ধে বহুতো মতভেদ পোৱা যায় যদিও ভাৰতীয় মহাকাব্যৰ প্ৰধান উৎস হ'ল এই ৰামায়ণ আৰু মহাভাৰত। ভাৰতীয় কাব্য কাননত এই মহাকাব্য অমৰ সৃষ্টি আৰু এই সৃষ্টি থাকিব যেতিয়ালৈকে পৃথিৱীত পৰ্বত সমূহ আৰু নদী সমূহ বৈ থাকিব, সিমান দিন পৃথিৱীত এই মহাকাব্যৰ প্ৰচলন অক্ষুন্ন থাকিব।

সহায়ক পুথি ঃ

1) A History of Sanskrit literature. - G. N. Sastri.
2) A History of Sanskrit literature. Voll.2 - A Macdonell.
3) A History of Clasical Sanskrit literature. - V Baradachari.
4) সংস্কৃত সাহিত্যৰ বুৰঞ্জী - হৰমোহন দেৱ গোস্বামী।
5) সংস্কৃত সাহিত্যৰ জিলিঙনি - কামাখ্যা চৰণ ভাগৱতী।

**শশীন শৰ্মা স্নাতক তৃতীয় বৰ্ষৰ সংস্কৃত বিভাগৰ ছাত্ৰ**

একমাত্ৰ পৰিশ্ৰমেহে সকলোকে জয় কৰিব পাৰে

চিন্তা শিল্প

# শান্তি, বিদ্রোহী আৰু ভাৰত (চিন্তন)

আব্দুল মান্নান

সমাজত যেতিয়া নানা সমস্যাৰ সৃষ্টি হব তেতিয়া মানুহে অশান্তিত ভোগে আৰু মৰুত মৰীচিকা বিচৰাৰ দৰে শান্তি বিচাৰি ফুৰে। তেতিয়াই শান্তি বোলা বস্তুটো কি উপলব্ধি কৰে। শান্তিৰ প্ৰাথমিক চৰ্ত হৈছে ন্যায় আৰু অধিকাৰৰ সুৰক্ষা। আৰ্থ সামাজিক, সমানতা, ৰাজনৈতিক মৰ্যাদা আৰু শিক্ষা সংস্কৃতিৰ সুৰক্ষা আৰু বিকাশেই হৈছে শান্তিৰ আধাৰ। আৰ্থ সামাজিক আৰু ৰাজনৈতিক সমস্যাসমূহ সমাধান নোহোৱাকৈ শান্তিৰ কথা কোৱাটো অৰ্থহীন। কেৱল হিংসা বন্ধ আৰু ৰাষ্ট্ৰীয় নিৰৱতা ৰাষ্ট্ৰীয় অখণ্ডতাই শান্তি নহয় ; শান্তি হ'ল জন ন্যায়ৰ সাৰত প্ৰতিষ্ঠিত এক সামাজিক অৱস্থা। জনসাধাৰণৰ অধিকাৰ আৰু ন্যায্য প্ৰাপ্যৰ বিনিময়ত শান্তি প্ৰতিষ্ঠা হব নোৱাৰে, তেনে শান্তি হব অস্থায়ী। তেতিয়া হলে জনসাধাৰণে তেনে শান্তিৰ বাবে বিভিন্ন ধৰণে সংঘৰ্ষ কৰিব লাগিব। শান্তিৰ নামত হাতত অস্ত্ৰ তুলি ললেই যে শান্তি হব তেনে নহয়। অস্ত্ৰ লোৱা সকলক চৰকাৰী বাহিনীৰ দ্বাৰা হত্যা কৰিলেই শান্তি নহব। বন্দুক লোৱা সকলক আহ্বান জনাব লাগিব যে তেওঁলোকৰ সমস্যা কি ? কি কাৰণত তেওঁলোকে এই কাৰ্য্য কৰিবলৈ পালে ? তেওঁলোকৰ অভাৱ কি ? ইত্যাদি ইত্যাদি সমস্যাবোৰ চালি জাৰি চাব লাগিব যাতে এই সমস্যাবোৰ কিঞ্চিত হলেও ক্ৰমে ক্ৰমে সমাধা কৰিব পাৰি। আমি জনসাধাৰণ চৰকাৰ আৰু চৰকাৰী লোক, বুদ্ধিজীৱি সাংবাদিক আদিলোকে শান্তিৰ কথাটো প্ৰত্যেকজন লোককে অবগত কৰিব পাৰো। এইটো আমাৰ সময় সাপেক্ষ পদক্ষেপ হব। এখন শোষণমুক্ত ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত সমাজ গঢ়ি তোলাৰ য'ত আমি বাস কৰো। তেতিয়া আমাৰ সময়োচিত কাম হব। যদি আমি এক শান্তিপূৰ্ণ ভৱিষ্যতৰ কথা চিন্তা কৰো নিজৰ উত্তৰাধিকাৰী সকলৰ বাবে এখন শান্তিৰ সমাজৰ কথা চিন্তা কৰো তেন্তে ইয়াৰ কোনো বিকল্প নাই।

ভাৰত এখন বহুগোষ্ঠিয় দেশ। ইয়াত পূৱৰ পৰা পশ্চিমলৈ আৰু উত্তৰৰ পৰা দক্ষিণলৈ বিভিন্ন সমস্যাৰ দ্বাৰা জৰ্জৰিত। শান্তিৰ বাতাবৰণ সৃষ্টি কৰিবলৈ বিভিন্ন ৰাজ্যই বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে আৰু কম বেছি পৰিমাণে ইয়াত সফলতা বিফলতা লাভ কৰিছে। উত্তৰ পূৰ্বাঞ্চল ৰাজ্যবোৰত সামাজিক, অৰ্থনৈতিক,ৰাজনৈতিক শিক্ষাৰ ক্ষেত্ৰত অনগ্ৰসৰতাই হ'ল অশান্তিৰ আচল কাৰণ। ভাৰতবৰ্ষ স্বাধীন হোৱাৰে পৰা এই অঞ্চলটোক মাহী আইৰ দৰে ব্যৱহাৰ কৰিছে। অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, মেঘালয়, ত্ৰিপুৰাত বিদ্ৰোহীৰ প্ৰকোপ তুঙ্গত আৰু এতিয়া অৰুণাচল প্ৰদেশত ইয়াৰ প্ৰসাৰণ হবলৈ ধৰিছে। বিদ্ৰোহীবোৰৰ আন্দোলন চৰমসীমা পালেহে চৰকাৰৰ টোপনি হৰণ হয় আৰু গুৰিতে ইয়াৰ মুহিমুৰ কৰিবলৈ ব্যৱস্থা নলয়। অসমত আলফা, এন ডি এফ বি, বি এল টি, বি টি এফ আৰু বহুটো উগ্ৰপন্থীৰ জন্ম হৈছে। প্ৰধানত আলফা আৰু এন ডি এফ বি অতি শক্তিশালী বিদ্ৰোহী সংগঠনে কেবাবছৰো ধৰি বিদ্ৰোহী কাৰ্যকলাপ চলাই আছে আৰু তেওঁলোকৰ কিছু অংশক ভুলাই চৰকাৰী লোকে নিজৰ কামকাজত ব্যৱহাৰ কৰিছে। এই চৰকাৰী মতপুষ্ট বিদ্ৰোহীয়ে ভাতৃঘাটী সংঘৰ্ষৰ সৃষ্টি কৰিছে। কিছু অংশই নিজ বন্ধু অথবা তেওঁলোকৰ বংশ চিধা নিধনত নামি পৰিছে। বহু বিদ্ৰোহীৰ ককায়েক, ভায়েকহঁতে অকালতে তিলতিলকৈ মৰণক সাৱতি লব লগা হৈছে। নিৰস্ত্ৰ বিদ্ৰোহীক অতি নিৰ্মম আৰু নিষ্ঠুৰ ভাৱে গুলিয়াই হত্যা কৰা হৈছে। বহুতো অতি প্ৰতিভাসম্পন্ন লোক এটা সামান্য গুলিত স্তব্ধ হৈ গৈছে আৰু ভৱিষ্যতে আৰু যাব। নগালেণ্ডত এন এচ চি এন বিদ্ৰোহী অৱশ্যে এতিয়া আলোচনাত। এইটো চৰকাৰৰ আৰু বিদ্ৰোহী সকলৰ বাবে শুভলক্ষণ। ত্ৰিপুৰাত এন এল এফ টি উগ্ৰপন্থী, মণিপুৰত কুকি নগা বিদ্ৰোহী, মেঘালয়ত "আচিক নেচনেল ভলণ্টিয়াৰ্চ ফৰ্চ" মিজোৰামত দুটা এটা ঘটনাৰ বাবে শান্তিময় হৈছে। পূৱ অৰুণাচলত বিদ্ৰোহীৰ প্ৰকোপ বাঢ়ি অহাটো এটা অৰুণাচল চৰকাৰৰ গুৰুতৰ সমস্যাৰ সৃষ্টি হৈছে। পূৰ্বাঞ্চলৰ সহজ সৰল জাতি জনজাতি উপজাতি বোৰৰ মাজত এই অৱস্থা কিয় হব পালে ? এই শান্তিপ্ৰিয় ৰাইজ আজি বিদ্ৰোহী চৰকাৰী বাহিনীৰ মাজত পৰি দুদোল্যমান পানীত হাঁহ নচৰা অৱস্থা হৈছে। চৰকাৰৰ অৱহেলা, হেয়জ্ঞান, উপলুণ্ঠা স্বভাৱৰ বাবে এই সংকট জনক অৱস্থাত পৰিণত হৈছে। পশ্চিমবংগত হোৱা নক্সালৰ বিদ্ৰোহ আৰু বৰ্তমান দুই ৰাজনৈতিক পাৰ্টী চি পি এম চি পি আই আৰু তৃণমূল কংগ্ৰেছৰ মাজত হোৱা দ্বন্দত কেবাশ লোকৰ প্ৰাণ বিসৰ্জন দিব লগা হৈছে। চিকিমত আশ্ৰয় লোৱা উগ্ৰপন্থীৰ কাৰ্যকলাপ বৃদ্ধি। বিহাৰত জমীনদাৰী ৰণবীৰ সেনা আৰু ভূমিহীন মাওবাদী নক্সাল সকলৰ পৰস্পৰ আক্ৰমত বহতো নিৰীহলোক অকালতে মৃত্যুক সাৱতি লব লগাত পৰিছে। বিহাৰৰ কেন্দ্ৰীয় ৰাজ্য চৰকাৰৰ মাজত পৰস্পৰৰ বিদ্বেষ স্বভাৱৰ বাবে পৰিস্থিতি বেলেগফালে ঢাল খাইছে। উৰিষ্যাটো জনজাতিয় লোক সকলৰ মাজত দ্বন্দ আৰু সামাজিক বৈষম্যই হৈছে বিদ্ৰোহৰ কাৰণ। মধ্যপ্ৰদেশত নক্সালসকলৰ প্ৰতি আক্ৰমন আৰু জনজাতীয় সকলৰ মাজত কাজিয়া। অন্ধ্ৰ, কৰ্ণাটক, তামিলনাডু ৰাজ্যত নক্সালৰ কাৰ্যকলাপে নৈৰাজ্য বিভৎস্য ৰূপ লৈছে। বীৰাপ্পান আৰু তেওঁৰ সহযোগী সকলেই সেই কেইখন ৰাজ্যত চমক সৃষ্টি কৰিছে। কেৰেলা সামান্য ৰূপত শান্তিপ্ৰিয় যদিও তাত কেইটামান মৌলবাদী সংগঠনে বিৰূপ ধাৰণ কৰিছে। মহাৰাষ্ট্ৰ ৰাজ্য আজি ডকাইত, চোৰ, উগ্ৰপন্থী, বন্দুক ধাৰী, বোমাধাৰী আদিৰে ভৰপুৰ। এই ৰাজ্যতে অপৰাধ জগতৰ বহু লোকৰ বাসস্থল হৈছে। গুজৰাটত জাতিগত সংঘৰ্ষ

সীমান্তয়েদি হোৱা বিদ্ৰোহীয়ে অতীততৰে পৰা জটিলতাৰ সৃষ্টি কৰি আহিছে। পাঞ্জাৱ ৰাজ্যত আশীৰ দশকত হোৱা বিদ্ৰোহ নাই যদিও সীমান্তয়েদি হোৱা উগ্ৰবাদে চৰকাৰৰ মূৰৰ কামোৰনি কিন্তু তাৰ বিদ্ৰোহ কঠোৰ হাতেৰে চৰকাৰে দমন কৰে। দিল্লী কেন্দ্ৰীয় ৰাজধানীত সদায় বোমা বিস্ফোৰণ ডকাইত ; আন ৰাজ্যৰ বা দেশৰ পৰা অহালোকে সদায় অপ্ৰীতিকৰ সৃষ্টি কৰিছে। অন্য ঠাইৰ পৰা হোৱা প্ৰৱজন এই ৰাজ্যৰ জটিল সমস্যা আৰু ওচৰীয়া ৰাজ্যৰ পৰা উগ্ৰবাদৰ পৰা হোৱা ভাবুকিও এটা বিশাল সমস্যা। হাৰিয়ানাটো পাঞ্জাৱ, জম্মু আৰু কাশ্মীৰৰ পৰা অহা উগ্ৰপন্থীৰ উন্ডগুলিয়ে চৰকাৰী কাৰ্যত বাধা দিছে। জম্মু কাশ্মীৰ আজি ভূ-স্বৰ্গৰ পৰা ভূ-নৰক পয়দা হৈছে। তথাকথিত বিদেশী ৰাষ্ট্ৰৰ প্ৰৰোচনাত বহুতো যুৱকে হাতত মাৰনাস্ত্ৰ লৈ অহৰহ ভাৱে ভাৰতৰ লগত যুদ্ধত লিপ্ত হৈছে। ওচৰ চুবুৰীয়া ৰাষ্ট্ৰ পাকিস্থানে পৰোক্ষভাৱে অঘোষিত যুদ্ধ চলাই গৈছে। বহুতো ভাৰতীয় বিদেশীলোকৰ মৃত্যু ঘটিছে। এই ৰাজ্যত আধা ডজনত কৈ উগ্ৰপন্থী হিজবুল মোজাহিদিন, লস্কৰ ই তৈয়িবা, আলবদৰ, জেইদ ই মহম্মদ, হৰকত উল আনচাৰ, তেহৰীক আৰু কনফাৰেন্স নামৰ সংগঠন বোৰ আছে। এই সংগঠনবোৰে বহুতো কাশ্মীৰি পণ্ডিত, উচ্চ পৰ্যায়ৰ সামৰিক বিষয়া, মন্ত্ৰী, বিধায়ক, শিক্ষাবিদ, বিদেশী পৰ্যটককে ধৰি বহুতো নিৰীহলোকক হত্যা কৰিছে। পাকিস্থান ভাৰতৰ চিৰবৈৰী হোৱা বাবে এই অৱস্থা বুলি সকলোৱে জ্ঞাত। দৈনিক ভাৰতীয় সেনা আৰু পাকিস্থানৰ গুলি বিনিময় হৈয়ে থাকে। পাকিস্থানৰ আই এছ আই চোৰাংচোৱা সন্থাই ভাৰতত এই অস্থিৰতাৰ সৃষ্টি কৰিছে। মুঠতে ভাৰতত কোনো এখন ৰাজ্যই সন্ত্ৰাসবাদ, নক্সালবাদ, গোষ্ঠিবাদ, ধৰ্মীয় ভেদাভেদ আৰু বিভিন্ন ধৰণৰ বাদানুবাদৰ পৰা মুক্ত নহয়। দুৰ্নীতি, ভ্ৰষ্টাচাৰ, অৰ্থনৈতিক অসমতা, সামাজিক বৈষম্য, আমোলাৰ গুণ্ডামি, ৰাষ্ট্ৰৰ সম্পদ ব্যক্তিগত কামত ব্যৱহৃত হোৱা ইত্যাদি অলেখ অপাৰ অসৎ কামৰ বাবে ভাৰতবৰ্ষত এই অশান্তিজনক পৰিস্থিতিৰ সৃষ্টি হৈছে। দুৰ্নীতিত ভাৰতবৰ্ষ ৰেংকিং তালিকাত বিশ্বৰ ১২(বাৰ) নম্বৰত। এইটো এটা পৰিতাপৰ কথা। ৰাজনৈতিক, উচ্চ পৰ্যায়ৰ চৰকাৰী বিষয়া, ৰাষ্ট্ৰৰ মূৰব্বী সকলৰ কেৱল লুণ্ঠন। তেওঁলোকৰ দেশৰ কামৰ প্ৰতি কোনো দায়বদ্ধতা নাই, ব্যক্তিগত কামত মচগুল হোৱাতো তেওঁলোকৰ নিয়মত পৰিণত হৈছে আৰু চৈধ্য পুৰুষলৈকে সিহঁতে ধন সম্পতি ঘটিছে। জনসাধাৰণৰ প্ৰতি তেওঁলোকৰ আশ্বাসৰ টোপোলাটোহে।

আজি ভাৰতবৰ্ষত চলা নিৰ্বিচাৰ হত্যা তাৎক্ষণিক ভাৱে বন্ধ কৰিব পাৰিনে ? হত্যা বন্ধ কৰিলেই শান্তি হবনে ? কিছুমানে কয় বিদ্ৰোহ দমন হ'লেহে শান্তি, এইটো সম্পূৰ্ণ শুদ্ধনে ? কেতিয়াও হব নোৱাৰে। যি পৰিৱেশত বিত্তৱান, বৃত্তহীন, ৰজা-প্ৰজা সকলোৱে নূন্যতম অভাৱখিনি পূৰ কৰিব পাৰে তেতিয়া দেশত শান্তি প্ৰতিষ্ঠা হব। উগ্ৰবাদ সৃষ্টিৰ অন্তৰালত থকা সমস্যাবোৰ সমাধান হ'লেহে দেশত শান্তি বিৰাজমান হব। ❑❑

ঈশ্বৰ মন্দিৰত নাই, অৰণ্যত নাই, গুহাত নাই। ঈশ্বৰ আছে মানুহৰ অন্তৰত, বিচাৰিব জানিলেই হ'ল।

- তুলসী দাস

পৃথিৱীৰ ভিতৰত আটাইতকৈ ঠগাব পৰা লোকজন হ'ল নিজেই।

- বলুৱাৰ লিটল

খঙৰ বশীভূত হৈ কাম কৰিব নাপায়। খং কৰি কৰা কামৰ বিষময় ফলৰ কথা চিন্তা কৰি খং দমন কৰিব লাগে।

- কণফুচিয়াচ

শিক্ষাই জ্ঞান, জ্ঞানেই শক্তি।

- চক্ৰেটিজ

দৰিদ্ৰতাই বিপ্লৱ আৰু দুষ্কাৰ্য্যৰ উৎস।

- এৰিষ্টটল

আব্দুল মান্নান স্নাতক তৃতীয় বৰ্ষৰ বিজ্ঞান শাখাৰ ছাত্ৰ

আত্মহনন হ'ল মৃত্যুৰ বিৰুদ্ধে বিদ্ৰোহ

চিন্তা শিল্প

# ব্যাস পাৰাৰ ব্যাস ওজা

কল্পজিৎ শৰ্মা

ওজা বুলি কলে সাধাৰণতে তিনি চাৰিজনমান সংগীতৰত একে লগ হৈ এক টান সুৰেৰে গোৱা দেৱ-দেৱীৰ আৰু পুথিৰ গীতক বুজা যায়। এই ওজা দুইধৰণৰ- শুকনান্নী বা বং গোৱা ওজা আৰু ব্যাস ওজা।

ব্যাস ওজা ক'ৰ পৰা জন্ম হৈছে তাক সঠিকৈ কোৱা টান। কথিত আছে যে ৰজা নৰনাৰায়ণে বৰ্ত্তমান কামৰূপ জিলাৰ ব্যাসকুছি নামৰ ঠাইৰ পৰা সৰ্বানন্দ নামৰ এজন বিদগ্ধ ব্যাস ওজা আনি বৰ্ত্তমান দৰং জিলাৰ পশ্চিম মঙ্গলদৈৰ ব্যাস পাৰা নামে ঠাইত ৰাখিছিল।

এই ঠাইত তেওঁৰ তিনিটা ল'ৰা আৰু এজনী ছোৱালী জন্ম হয়। ল'ৰা তিনিজন ক্ৰমে - ১) ৰৰব্যাস, ২) নগাব্যাস, ৩) সৰুব্যাস আৰু ছোৱালী জনী পাৰিজাতি ব্যাসিনী। ল'ৰা তিনিজনো বিদগ্ধ ব্যাস ওজা আছিল আৰু ছোৱালী জনী গোসানী সকলৰ পদ সেৱা আছিল। (সেই ছোৱালীজনীৰ নামেৰে এতিয়াও ব্যাস পাৰাত এটি বিখ্যাত মন্দিৰ সজা আছে)।

কালক্ৰমত এই ব্যাস পৰিয়ালৰ বংশ বৃদ্ধি হৈ এতিয়াৰ পশ্চিম মঙ্গলদৈৰ বৃহৎ ব্যাসপাৰা গাঁৱৰ সৃষ্টি হয় আৰু এই গাঁৱৰ ব্যাস গোৱা ওজাবোৰক ব্যাসৰ ব্যাস গোৱা ওজা বুলি কোৱা হয়। কথিত আছে যে এই গাঁৱৰ ব্যাস গোৱা ওজাবোৰহে প্ৰকৃত ব্যাস গোৱা ওজা।

শুকনান্নী পুথি খনৰ বাহিৰে বাকী সকলোবোৰ পুথি যেনে- ৰামায়ন, মহাভাৰত, গীতা, ভাগৱত, কীৰ্ত্তন, ভীম চৰিত, বকাসুৰ বধ, খটাসুৰ বধ, অদ্ভুত কাণ্ড বিৰাট পৰ্ব আদি পুথিবোৰ ব্যাস গোৱা ওজা সকলে গায়। এই সকলোবোৰ পুথি প্ৰত্যেকজন ওজাই গোৱাটো সম্ভৱ নহয়। মনত ৰখা আৰু গোৱাৰ সুবিধাৰ্থে ওজা সকলে এই পুথিবোৰ ভাগ কৰি এজনৰ ভাগত তিনিখন বা চাৰিখনকৈ ভগাই লয় আৰু যি জনৰ ভাগত যি পৰে তেওঁলোকে সেই পুথিবোৰৰহে পদবোৰ গায়।

ব্যাস ওজাসকলে তিৰোতাৰ দৰে সাজ-পোছাক ব্যৱহাৰ কৰে। পৰাক্ৰমী কোঁচ ৰজাসকলে যি সময়ত দূৰ্গা পূজা অনুষ্ঠিত কৰিছিল সেই দূৰ্গা দেৱীক সন্তুষ্ট কৰিবৰ মানসেৰে ওজা সকলক স্ত্ৰী সাজেৰে সুসজ্জিত কৰিছিল। এনে কৰিলে দেৱী তুষ্ট হয় বুলি বিশ্বাস আছিল। এনে ওজা সকলে তিৰোতা মানুহৰ দৰে মূৰত খোপা, হাতত খাৰু, কাণত সোণা, ডিঙিত মণি মালা, ভৰিত নূপুৰ আদি ব্যৱহাৰ কৰে।

ওপৰোক্ত পুথি বোৰৰ পদবোৰ গোৱাৰ আগতে ওজাসকলে পাতা গীত গায়। এইখিনি গোৱাৰ পিছত মূল পুথিৰ গীত গায়।

ওজা সকলে পুথিৰ পদবোৰৰ উপৰিও আৰু কেইবা প্ৰকাৰৰ মালছী, জাগাৰ আৰু বাহিৰা গীতো গায়।

আগতে অকল ব্যাসপাৰা গাঁৱৰ ভিতৰতহে ব্যাস গোৱা ওজা সীমাবদ্ধ আছিল। কিন্তু বৰ্ত্তমান এইবিধ কলা ধৰ্মীয় আচৰণৰ বাবে প্ৰয়োজনীয় হোৱাৰ বাবে ব্যাস পাৰাৰ বাহিৰতো এই ওজা পোৱা যায়। বাহিৰৰ ব্যাস ওজা সকলেও ব্যাসপাৰাৰ ব্যাস ওজা সকলৰ দৰেই পুথিৰ পদ আৰু বাহিৰা গীত গায়। কিন্তু ব্যাসপাৰাৰ ব্যাস ওজা সকলে বিশ্বাস কৰে আৰু তেওঁলোকে কৰ খোজে যে ব্যাসৰ ব্যাস ওজাসকলৰ বাহিৰে বাকী বাহিৰৰ ব্যাস ওজা সকলে মালছী আৰু জাগাৰ পদ গাব নোৱাৰে। যদি গায় তেওঁলোকক মহা বিপদে পায়। সেই বাবেই ব্যাসৰ ব্যাস ওজা সকলৰ বাহিৰে বাকী ব্যাস ওজা সকলে মালছী আৰু জাগাৰ পদ নাগায়।

ব্যাস ওজা সকলে দূৰ্গাৰ প্ৰতীক হাতত লৈ নৃত্য-গীত কৰে। এনে কৰিলে দেৱী তুষ্ট হয় বুলি বিশ্বাস আছে। ওজা সকলে দেৱীৰ আগত দশঅৱতাৰ মুদ্ৰা দৰ্শাই দেৱীক সন্তুষ্ট কৰে। তেওঁলোকে বৰ্ত্তমান প্ৰচলিত পাচঁ প্ৰকাৰৰ নাচ আৰু ছয় প্ৰকাৰৰ ৰাগিনীৰ দ্বাৰা পূজা সমৰ্পণ কৰে। এই পাচঁ প্ৰকাৰৰ নাচ হৈছে - ১) মলুৰ, ২) ধুপুনী, ৩) নটুৱা, ৪) হংসিনী আৰু ৫) পাৰা ঘূৰণী। ছয় প্ৰকাৰৰ ৰাগ হৈছে - ১) সাৰঙ্গ, ২) ৰবাৰী, ৩) কল্যাণ, ৪) ৰামগিৰী, ৫) মালৱী, আৰু ৬) ধনশ্ৰী।

ব্যাস ওজা সকলে গোৱা সকলো প্ৰকাৰৰ পদ আৰু গীতৰ সুৰ বেলেগ বেলেগ। অৰ্থাৎ পুথিৰ পদ এটা সুৰত গোৱা হয়। জাগাৰ এটা সুৰত গোৱা হয় আন গীত আন এটা সুৰত গোৱা হয়।

পদবোৰত ওপৰোক্ত পুথিৰ পদ গোৱা হয়। মালাছী আৰু জাগাৰত দেৱ-দেৱীৰ স্তুতি গোৱা হয়। বাহিৰা গীতত কিছুমান ভাল লগা ৰসিক গীত গোৱা হয়। যদিও মালাছী আৰু জাগাৰ দুয়োবিধতে দেৱ-দেৱীৰ স্তুতি কৰা হয় তাৰ ধৰণ বেলেগ বেলেগ।

পূৰ্বত ৰজা সকলেহে দুৰ্গা পূজা, জাগাৰ পূজা আদি কৰিছিল। ৰজা সকলৰ পিছত ব্যাস সকলেহে জাগাৰ পূজা কৰিব পাৰিছিল। বিশ্বাস আছিল যে এই পূজাবোৰত অকল ব্যাসৰ ব্যাস গোৱা ওজাইহে গীত পৰিবেশন কৰিব পাৰে। গতিকে এই ওজা আৰু ৰজা সকলৰ মাজত এটা ওতঃপ্ৰোত সমন্ধ আছিল। এতিয়াও কৰবাত জাগাৰ পূজা অনুষ্ঠিত কৰিলে এই ব্যাসৰ ব্যাস গোৱা ওজাসকলেহে তাত গীত পৰিবেশন কৰে। যিহেতু ব্যাসপাৰাত বাহিৰৰ ব্যাস গোৱা ওজাই মালছী আৰু জাগাৰ পদ গাব নোৱাৰে।

বিশ্বাস আছে যে জাগাৰ পদ সমূহ পূজা অবিহনে বাকী সময়ত গাব নাপায়। গতিকে এই জাগাৰ পদ ইয়াত উল্লেখ কৰিব পৰা নগ'ল। তলত মালছী আৰু বাহিৰা গীতৰ দুটা দুটা পংক্তি উল্লেখ কৰা হ'ল -

১) মালছী ঃ

(ক)

জন্মিলা দশভূজা
মহিত তলে পূজা ॥
অসুৰ বধৰ হেতু ॥
যিজনে কৰে পূজা
দুৰ্গাৰি চৰণে
সংসাৰ সাগৰৰ হেতু ॥

(খ)

কিনো দৈত্য অ' আই
অ' আই বধিলা অসুৰ
আবে হুয়া গৈলা ভাৱনা চুৰ
দুৰ্গাৰি হাতত জাইবি ক'ত দূৰ ॥

২) বাহিৰা গীত ঃ

(ক)

গুৰু যেৰ প্ৰভু যে
তুমিযে কি চেৰ মন মন মনা
অব ব দুনিয়া মালতী ঝণ্টাউল
কৰচক জনা ॥

(খ)

হাই মাৰী মাৰী
আত্চা গৌবাঙ্গেৰ ভোলা
নামকি বিৰাজ ভোলা
নাথকি জাংঘল মেৰী আত্চা ॥

শ্ৰীশৰৎ চন্দ্ৰ শৰ্মা আৰু শ্ৰীৰঞ্জিৎ ভট্টাচাৰ্য্য দেৱদ্বয়ৰ সহায় লৈ লিখা।

## জ্ঞানৰ সঁফুৰা

| | | |
|---|---|---|
| ১) | খং নকৰিবা | নিজৰেই সৰ্বনাশ হ'ব |
| ২) | অহংকাৰ নকৰিবা | পতন হব |
| ৩) | কাকো ঘৃণা নকৰিবা | নিজেই ঘৃণিত হ'বা |
| ৪) | মিছা কথা নকবা | অবিশ্বাসৰ পাত্ৰ হ'বা |
| ৫) | কাকো সন্দেহ নকৰিবা | অশান্তি হ'ব |
| ৬) | আত্ম গৌৰৱ নকৰিবা | মনোমালিন্য হ'ব |
| ৭) | কাৰো অন্তৰত আঘাট নিদিবা | ভগবানে কষ্ট পাব |
| ৮) | আশাত নাথাকিবা | নিৰাশ হ'বা |
| ৯) | অসৎ সঙ্গ নলবা | চৰিত্ৰ কলুষিত হ'ব |
| ১০) | সত্যৰ সদায় জয় | জানিবা নিশ্চয় |

সংগ্ৰাহক ঃ মৃদুল কুমাৰ হাজৰিকা

## বিভিন্ন দেশৰ জাতীয় প্ৰতীক

| | | |
|---|---|---|
| ১) | ইলেণ্ড | গোলাপ ফুল |
| ২) | চীন | নাৰ্চিচাছ ফুল |
| ৩) | ইৰাণ | গোলাপ ফুল |
| ৪) | জাপান | চন্দ্ৰমল্লিকা ফুল |
| ৫) | গ্ৰীচ | ভায়লেট ফুল |
| ৬) | ইটালী | শ্বেতপদ্ম |
| ৭) | ভাৰত | অশোকস্তম্ভ |
| ৮) | পাকিস্থান | অৰ্দ্ধচন্দ্ৰ |
| ৯) | ৰাছিয়া | কাচি হাতুৰী |
| ১০) | স্পেইন | ডালিম |
| ১১) | অষ্ট্ৰেলিয়া | কেঙ্গেৰু |

সংগ্ৰাহক ঃ মনোজ কুমাৰ ডেকা

কল্পজিৎ শৰ্মা স্নাতক তৃতীয় বৰ্ষৰ কলা শাখাৰ ছাত্ৰ

খং আৰু অসহিষ্ণুতা হৈছে জ্ঞান লাভৰ প্ৰধান শত্ৰু

চিন্তা শিল্প

# সহস্ৰাব্দত জনসংখ্যা আৰু ইয়াৰ প্ৰতিৰোধ ব্যৱস্থা

ইনামুল মজিদ

দেশ এখনৰ জনসংখ্যাক সেই দেশ খনৰ মানৱ সম্পদ বুলি কোৱা হয় যদিও ভাৰতবৰ্ষত দ্ৰুত গতিত বৃদ্ধি পোৱা জনসংখ্যাই নতুন সহস্ৰাব্দত এক বৃহৎ সামাজিক সমস্যাৰূপে থিয় দি উঠিছে। অপৰিকল্পিত আৰু অপ্ৰত্যাশিত ভাৱে উচ্চহাৰত জনসংখ্যা বৃদ্ধি হোৱাৰ বাবে দেশৰ অৰ্থনৈতিক পৰিকল্পনা আজি অৰ্থহীন হৈ পৰিছে। যোৱা কেইবছৰমানৰ তথ্য পাতি বিচাৰ কৰি চালে দেখা যায় যে ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধিৰ হাৰ বছৰি বাঢ়ি গৈ আছে। বৰ্তমান পৃথিৱীৰ মুঠ জনসংখ্যাৰ ১৬ ভাগেই হ'ল ভাৰতৰ লোক।

যোৱা ১১ মে' ২০০০ তাৰিখে নতুন দিল্লীৰ চফদৰজং চৰকাৰী চিকিৎসালয়ত অঞ্জনা অৰোৰা নামৰ মহিলা এগৰাকীয়ে 'আস্থা' নামৰ এটি কন্যা শিশু জন্ম দিয়াৰ লগে লগে ভাৰতৰ জনসংখ্যাই এশ কোটি জনসংখ্যাৰ সীমা অতিক্ৰম কৰে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ তৰফৰ পৰা প্ৰকাশ কৰা তথ্যানুসৰি ভাৰতবৰ্ষত প্ৰতিদিনে ৪২ হাজাৰ শিশুৰ জন্ম হয়। আকৌ প্ৰতি পাঁচমিনিটত প্ৰসূতি বিভাগত এগৰাকীকৈ মহিলাৰ মৃত্যু হয়। এই তথ্যত কোৱা হয় যে প্ৰতি এহেজাৰ জীৱিত শিশুৰ বিপৰীতে শিশু জন্ম সম্পৰ্কীয় সমস্যাৰ বাবে চাৰি গৰাকীকৈ মহিলাৰ মৃত্যু হোৱাটো তাৎপৰ্যপূৰ্ণ কথা। সেয়েহে জনসংখ্যা ৰোধ কৰাটো কেৱল আৰ্থিক বিকাশৰ বাবেই নহয়, মহিলা সকলক এক উচ্চমানৰ জীৱন-নিৰ্বাহৰ সুযোগ দিয়াৰ বাবেও সমানেই প্ৰয়োজন বুলি বিভাগৰ প্ৰতিবেদনত কোৱা হয়। এইখিনিতে উল্লেখনীয় যে, ১৯০১ চনত ভাৰতৰ জনসংখ্যা আছিল ২৩ কোটি ৮০ লাখ। ১৯৯১ চনত এই সংখ্যা বৃদ্ধি হৈ হয়গৈ ৮৪ কোটি ৬০ লাখ। ২০০০ চনত ই পুণৰ বৃদ্ধি হৈ হ'লগৈ ১০০ কোটি। ১৯০১ চনৰ পৰা পাছৰ ৫০ টা বছৰত ভাৰতত মুঠতে ১২ কোটি ২৭ লাখ জনসংখ্যা বৃদ্ধি পায়। তাৰ বিপৰীতে পাছৰ ৫০ টা বছৰত ৬৩ কোটি ৪০ লাখ জনসংখ্যা বৃদ্ধি পায়। এই বৃদ্ধি প্ৰথম ৫০ বছৰৰ বৃদ্ধিৰ তুলনাত দুগুণ। ই বৰ এটা শুভ লক্ষণ নহয়।

এতিয়া আহো জনসংখ্যা বৃদ্ধিৰ কাৰণ সম্পৰ্কে। পৰ্যবেক্ষণ কৰি পোৱা গৈছে যে চহৰ অঞ্চলতকৈ গাওঁ অঞ্চলত জনসংখ্যা বৃদ্ধিৰ হাৰ অধিক। চহৰ কিম্বা গাঁৱত জনসংখ্যা বৃদ্ধিৰ কাৰণ হিচাপে চালে দেখা যায় যে একমাত্ৰ ল'ৰা সন্তানৰ কামনাতে পৰিয়াল এটি ডাঙৰ হোৱা দেখা যায়। গাওঁ অঞ্চলৰ প্ৰায়ভাগ লোকেই দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। এওঁলোক সাধাৰণতে কৃষি কাৰ্যত জড়িত। গতিকে কৃষি ক্ষেত্ৰত কামৰ বাবে পুৰুষৰ অতিকে প্ৰয়োজন। সেয়েহে গাঁৱৰ প্ৰত্যেকটো পৰিয়ালে এজনতকৈ অধিক ল'ৰা সন্তানৰ আশা কৰে। ইয়াৰ উপৰিও ভৱিষ্যত উত্তৰাধিকাৰী হিচাপে প্ৰত্যেক পিতৃ-মাতৃয়ে ল'ৰা সন্তানক নিৰ্বাচন কৰি যাব বিচাৰে। এনেবোৰ ক্ষেত্ৰত ল'ৰা সন্তানৰ প্ৰয়োজন অনুভৱ কৰা কাৰণেই জনসংখ্যা অত্যাধিক মাত্ৰাত বৃদ্ধি পায়। আমাৰ দেশৰ সমস্যাবোৰৰ প্ৰকৃত কাৰণ বিচাৰিব গলে দেখা যায় যে ইয়াৰ মূলতে আছে জনসংখ্যা বৃদ্ধি। ৰাষ্ট্ৰসংঘৰ এক প্ৰতিবেদনত প্ৰকাশ যে ভাৰতত জনসংখ্যা প্ৰতিবছৰে ১.৫৫ কোটিকৈ বৃদ্ধি হৈ আছে আৰু যদি এনেদৰেই অনিয়ন্ত্ৰিত ভাৱে জনসংখ্যা বৃদ্ধি হৈ থাকে তেন্তে চীন দেশৰ জনসংখ্যাকো চেৰ পেলাই বৃহত্তম জনসংখ্যাৰ ৰাষ্ট্ৰ হিচাপে থিয় দিবলৈ ভাৰতক বৰ বেছি দিন নালাগিব। ২০৪৫ চনৰ ভিতৰতে এনে এটি ঘটনা প্ৰত্যক্ষ কৰিব লাগিব।

দেশৰ জনসংখ্যা এশ কোটি হোৱাৰ সময়ত ভাৰতৰ সন্মুখত যিটো প্ৰশ্ন অতি জ্বলন্ত ৰূপত ধৰা দিছে সি হৈছে - অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ সমস্যা। জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে ভাৰতত কৃষিভূমি হ্ৰাস পাই আহিছে। ফলত খাদ্য উৎপাদনৰ হাৰো কমি গৈছে। আনহাতে বৰ্দ্ধিত জনগণে গছ-গছনি কাটি বাসস্থানৰ ঠাই উলিয়াই লোৱাৰ ফলত বতৰৰ ভাৰসাম্য নষ্ট হোৱাত কেতিয়াবা প্ৰৱল বানপানী আনহাতে কেতিয়াবা ভীষন খৰাঙৰ সৃষ্টি হৈছে। শেহতীয়া ভাৱে ৰাজস্থান, অন্ধ্ৰপ্ৰদেশ আদিত দেখা দিয়া অভূতপূৰ্ব খৰাং ইয়াৰেই ফল। আনহাতে জনসংখ্যা বৃদ্ধিৰ লগে লগে বাসস্থানৰ ভূমিও হ্ৰাস পাই আহিছে। এটি চৰকাৰী সূত্ৰত প্ৰকাশ যে বৰ্তমান ভাৰতৰ প্ৰায় বিশ লাখ মানুহ গৃহহীন। এওঁলোকৰ পদপথ আৰু গছৰ তলেই আশ্ৰয়স্থল। ইয়াৰ উপৰিও নিবনুৱা সমস্যা, স্বাস্থ্য সমস্যা আদিয়ে ভয়ানক ৰূপ ধাৰণ কৰিছে। ভাৰতবৰ্ষৰ প্ৰত্যেকজন নাগৰিকে যদি সুখ, শান্তি, সমৃদ্ধিৰে ভৰা এখনি দেশ বিচাৰে, তেন্তে উচ্চহাৰত বৃদ্ধি পাই অহা জনসংখ্যা ৰোধ কৰিবই লাগিব। এই উদ্দেশ্যে ১৯৫২ চনতে ভাৰতত প্ৰথম বাৰৰ বাবে পৰিয়াল পৰিকল্পনা আঁচনি গ্ৰহণ কৰা হৈছিল যদিও ই সফলতা লভিব নোৱাৰিলে। এইবেলিও "ৰাষ্ট্ৰীয় জনসংখ্যা নীতি ২০০০" গ্ৰহণ কৰা হৈছে। এই নীতিৰ সাৰ্থক প্ৰয়োগ হ'লে ২০১০ চনত হ'ব লগা ১১৬.২ কোটি জনসংখ্যাক ১১০.৭ কোটিলৈ হ্ৰাস কৰিব পৰা যাব বুলি আশা কৰা হৈছে। এই জনসংখ্যা নীতিৰ আধাৰত পিতৃ-মাতৃ আৰু দুই শিশুৰ সৰু পৰিয়াল জনপ্ৰিয় কৰি তোলাৰ প্ৰচেষ্টাক অধিক শক্তিশালী কৰি তুলিব লাগিব। ' সৰু পৰিয়াল সুখী পৰিয়াল' - এই বাণী দেশৰ চুকে

কোণে প্রচাৰ কৰিব লাগিব। প্রচেষ্টা চলাব লাগিব যাতে তাক সর্বান্তঃকৰণে গ্রহণ কৰিবলৈ জনসাধাৰণ আগ্রহী হৈ উঠে। ৰাষ্ট্রীয় নীতিৰ অংশ হিচাপে পৰিয়াল পৰিকল্পনা আৰু সীমিত পৰিয়ালৰ সপক্ষে ব্যাপক প্রচাৰ কার্য চলাব লাগিব। বিশেষকৈ গাওঁ অঞ্চলত সন্তান ভগৱানৰ দান বুলি বা অশিক্ষিত লোক সকলক শিক্ষিত কৰি তোলাৰ বাবে চৰকাৰৰ যে কৰণীয় বহুত আছে সেই কথা তেওঁলোকে উপলব্ধি কৰিব লাগিব। বিভিন্ন ধর্মৰ বিজ্ঞ আৰু বিশিষ্ট লোক সকলৰ সহযোগত জনসংখ্যা নিয়ন্ত্রন সকলো শ্রেণীৰ লোকৰে গ্রহণযোগ্য কৰি তোলাৰ বাবে প্রচেষ্টা চলাব লাগিব। ইয়াৰ উপৰিও অদূৰদর্শী মাতৃত্ব পৰিত্যাগ কৰা, বিবাহৰ বয়স বঢ়াই দিয়া আদি ব্যৱস্থাৰ প্রতি বিশেষ মনোযোগ দিয়াৰ আৱশ্যক। এটা বা দুটা সন্তানতকৈ অধিক সন্তান নিষ্প্রয়োজন বুলি জনসাধাৰণৰ মনত প্রচাৰৰ জৰিয়তে বিশ্বাস জন্মাব লাগিব। বিনামূলীয়াকৈ জন্ম নিয়ন্ত্রনৰ ঔষধপাতি যোগান ধৰিব লাগিব। বিশেষকৈ গাওঁ অঞ্চলত প্রাধান্য দি দেশৰ সকলো ঠাইতে পৰিয়াল পৰিকল্পনাৰ ঔষধালয় স্থাপন কৰি সেইবোৰৰ যোগেদি জনসাধাৰণক এই বিষয়ে প্রশিক্ষণ দিব লাগিব। বন্ধ্যাকৰণ ব্যৱস্থা আৰু সুবিধা অধিক ব্যাপক কৰি তুলিব লাগিব। শিক্ষাৰ বহুল প্রচাৰ হ'ব লাগিব।

চৰকাৰে বর্ধিত জনসংখ্যা ৰোধ কৰিবলৈ দৃঢ় আঁচনি গ্রহন কৰিছে যদিও কমসময়ৰ ভিতৰত জনসংখ্যা বৃদ্ধি ৰোধ কৰিব পৰা নাযাব। জনসাধাৰণৰ পূর্ণ সহযোগ আৰু দীর্ঘকাল চেষ্টাৰ ফলতহে এই অবাঞ্চিত জনসংখ্যা বৃদ্ধি ৰোধ কৰিব পৰা যাব। ❑❑

ইনামুল মজিদ স্নাতক প্রথম বর্ষৰ কলা শাখাৰ ছাত্র

---

# ৰংমহলৰ পৰা নৱগ্রহলৈ

## ককা লক্ষ্যধৰ চৌধুৰীৰ জীৱনৰ কেইটামান

### উল্লেখযোগ্য বর্ষ

১৯১৫ চন জন্ম উত্তৰ গুৱাহাটীৰ ৰংমহলত।

১৯২৫ চন কটন কলেজিয়েট স্কুলত ভর্তি।

১৯৩৭ চন বিজ্ঞানৰ স্নাতক ডিগ্রী লাভ।

১৯৩৯ চন উত্তৰ গুৱাহাটী আউনীআটি কমলদেৱ হাইস্কুলত অঙ্কৰ শিক্ষক।

১৯৪২ চন শিক্ষকতা বাদ। স্বধীনতা আন্দোলনত আত্ম নিয়োগ।

১৯৪৯ চন বিবাহ

১৯৫২ চন সাধাৰণ নির্বাচনত লোক সভাৰ প্রার্থীৰূপে প্রতিদ্বন্দিতা কৰি পৰাজিত।

১৯৬৪ -৬৫ চন গুৱাহাটী পৌৰ সভাৰ নির্বাচনত সর্বপ্রথম অনা কংগ্রেছী সভাপতি নির্বাচিত।

১৯৬৭ চন কমলপুৰ বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভাৰ সদস্য নির্বাচিত।

১৯৭৫ চন গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ।

১৯৭৭ চন জালুকবাৰী সমষ্টিৰ পৰা অসম বিধান সভাৰ সদস্যৰূপে নির্বাচিত হৈ অসমৰ শিক্ষা আৰু সাংস্কৃতিক দপ্তৰৰ মন্ত্রীৰ দায়িত্বভাৰ গ্রহণ।

১৯৭৯ চন অসম সাহিত্য সভাৰ শুৱালকুছি অধিবেশনৰ অভ্যর্থনা সমিতিৰ সভাপতি।

১৯৮৪ চন অসম সাহিত্য সভাৰ বিহপুৰীয়া অধিবেশনৰ সাংস্কৃতিক সভাপতি।

১৯৮৮ চন অসম নাট্য সন্মিলনৰ নলবাৰী অধিবেশনত দুবছৰীয়া কার্যাকালৰ বাবে সভাপতি।

১৯৮৯ চন 'মানুহ বিচাৰি' গ্রন্থৰ যোগেদি ভাৰতীয় ভাষা পৰিষদৰ বঁটা লাভ।

১৯৯২ চন অসম সাহিত্য সভাৰ গোৱেশ্বৰ অধিবেশনৰ সভাপতি।

২০০০ চন ১৮ আগষ্টৰ পুৱা গুৱাহাটীৰ ইণ্টাৰনেশ্যনেল হস্পিতেলত মৃত্যু। গধুলি নৱগ্রহ শ্মশানত অন্ত্যেষ্টিক্রিয়া

সংগ্রাহক ঃ হিতেশ শর্মা

আলোচনা

# অটল বিহাৰী বাজপেয়ী আৰু তেওঁৰ ব্যক্তিত্ব

মানৱ জ্যোতি চহৰীয়া

গোৱালিয়ৰৰ 'সিন্ধে কী ছাওনি'ৰ কমলসিংহ বাগৰ ওচৰত পণ্ডিত কৃষ্ণ বিহাৰী বাজপেয়ীৰ নিজা আবাস। ১৯২৬ চনৰ ২৫ ডিচেম্বৰৰ দিনা অটল জীৰ জন্ম হয়।

চাওতে চাওতে শিশু অটল ডাঙৰ হৈ আহিল আৰু লাহে লাহে বিদ্যালয়লৈ যাব পৰা হ'ল। গোৰখী বিদ্যালয়ৰ পৰা মিডিল পৰীক্ষা পাচ কৰিছিল। তাৰ পিছত অটল আহি ভিক্টোৰীয়া কলেজিয়েট হাইস্কুলত ভৰ্ত্তি হয়। তাৰ পিছত ইণ্টাৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত ভিক্টোৰীয়া কলেজ গোৱালিয়ৰৰ পৰা উচ্চ শ্ৰেণীত হিন্দী সাহিত্য, সংস্কৃত সাহিত্য, ৰাজনীতি শাস্ত্ৰ আৰু ইংৰাজী বিষয় লৈ বি.এ. পৰীক্ষাত সৰ্বাধিক নম্বৰ পাই উত্তীৰ্ণ হৈছিল। অটল জীৰ পিতৃৰ নাম আছিল কৃষ্ণ বিহাৰী বাজপেয়ী আৰু মাতৃ কৃষ্ণা দেৱী। এই কৃষ্ণ বিহাৰী আৰু কৃষ্ণা দেৱীৰ মৰমৰ অটল বিহাৰী বাজপেয়ী এতিয়া বিশ্বৰ ভিতৰত সৰ্ববৃহৎ গনতান্ত্ৰিক দেশ ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী। ভাগ্যবান সেই পিতৃ-মাতৃ, মহান সেই পিতৃ-মাতৃ। বাজপেয়ীৰ পিতৃ এজন শিক্ষাগুৰু আছিল। অটলজীক লৈ চাৰিজন ভাই ককাই আছিল। অটলজী আটাইতকৈ সৰু আছিল। ডাঙৰ ককায়েক তিনিজন ক্ৰমে অৱধ বিহাৰী, সদা বিহাৰী আৰু প্ৰেম বিহাৰী বাজপেয়ী। স্কুল-কলেজত থকা কালত তৰ্ক প্ৰতিযোগিতাত সদায় প্ৰথম পুৰস্কাৰ পাইছিল। এনেকুৱা প্ৰতিযোগিতাৰ বাবে তেওঁৰ মন সদায় ব্যাকুল হৈ থাকে। এলাহাবাদ বিশ্ববিদ্যালয়ত এবাৰ ৰাষ্ট্ৰীয় স্তৰৰ বাদ-বিবাদ প্ৰতিযোগিতা আয়োজিত হৈছিল। ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বিদ্যাৰ্থী সকলে এই বাদ-বিবাদ প্ৰতিযোগিতাত ভাগ লবলৈ আহিছিল। কিন্তু দুৰ্ভাগ্য বশত অটলজী অহা বেলখন সময়তকৈ কিছু পলমকৈ চলাত তেওঁ তাত সময়মতে আহি উপস্থিত হব নোৱাৰাত, প্ৰতিযোগিতা প্ৰায় শেষ হও হও মাত্ৰ বিচাৰকে প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰালৈ সকলোৱে বাট চাই আছে তেনে অৱস্থাত অটল আহি প্ৰতিযোগিতা স্থলী উপস্থিত হয় আৰু তেওঁ সকলো নিৰীক্ষণ কৰি দেখিলে যে প্ৰতিযোগিতা শেষেই হৈছে। কিন্তু তেওঁ নিৰাশ নহৈ বিচাৰকৰ পৰা বিষয়টো জানি লৈ সেই বিষয়টোৰ ওপৰত বক্তব্য দিবলৈ অনুমতি বিচাৰিলে। কিন্তু অটলজীয়ে তেওঁৰ আগৰ ব্যক্তি সকলৰ মন্তব্য শুনা নাছিল। বিচাৰকে অটল জীক অনুমতি দিলে আৰু পিছত বিষয়লৈ অটল জীয়ে বক্তব্য দিবলৈ আৰম্ভ কৰিলে। অটলৰ বক্তব্য লৈ চাই বিচাৰকে নম্বৰ দিবলৈকে পাহৰি গ'ল আৰু তেওঁ এই বক্তব্য প্ৰতিযোগিতাত প্ৰথম হ'ল। অটল জীয়ে ছাত্ৰ জীৱনত যিমান বাদ-বিবাদ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল তাত সদায় প্ৰথম হৈছিল।

১৯৩৯ চনৰ পৰা অটলজীয়ে ৰাষ্ট্ৰীয় স্বয়ং সেৱক (RSS) সংঘৰ স্বয়ং সেৱক হয়। ১৯৪২ চনত সাংবাদিক আৰু সমাজ কৰ্মী হিচাপে তেওঁৰ কৰ্ম জীৱন আৰম্ভ কৰিছিল। তেওঁ ১৯৪২ চনত হোৱা 'ভাৰত ত্যগ' (Quit India) আন্দোলনত অংশ গ্ৰহণ কৰিছিল। তাৰ বাবে তেওঁ জেললৈও গৈছিল। তাৰ পিছত ভাৰত স্বাধীন হোৱাৰ পিছত তেওঁ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ ১৯৫০ চনত যুৱা সন্থাৰ সদস্য হয়। সংঘৰ বয়োজেষ্ঠ নেতা ডাঃ শ্যামা প্ৰসাদ মুখাৰ্জীৰ নেতৃত্বত 'ভাৰতীয় জনসংঘ' নামেৰে এটা নতুন দল গঠন কৰিলে। ইয়াৰ আগতে মাত্ৰ এটা ৰাজনৈতিক দল আছিল, ভাৰতবৰ্ষত কংগ্ৰেছ দলটো। অটল জী ভাৰতীয় জনসংঘৰ সংস্থাপক সদস্য হয়। স্বাধীন ভাৰতৰ প্ৰথম লোক সভাৰ নিৰ্বাচন হয় ১৯৫২ চনত। তাত ভাৰতীয় জনসংঘই প্ৰতিনিধিত্ব কৰে। স্বাধীন ভাৰতৰ দ্বিতীয়খন লোকসভাৰ বাবে নিৰ্বাচন হয় ১৯৫৭ চনত। এই নিৰ্বাচনত অটল জীয়ে বলৰাম পুৰৰ (বৰ্তমান উত্তৰ প্ৰদেশত) পৰা নিৰ্বাচন খেলি গোন প্ৰথম বাৰৰ বাবে লোকসভাৰ সদস্য হয়। ইয়াৰ লগে লগে বাজপেয়ী জী সংসদ সদস্য হিচাপে ৰাজনৈতিক জীৱনৰ আৰম্ভনী হয়। এনেদৰে প্ৰথমে ১৯৫৭ ৰ পৰা ক্ৰমে ১৯৬২ চনলৈ আৰু দ্বিতীয় বাৰ ১৯৬২ ৰ পৰা একেধাৰে বৰ্তমানলৈ লোকসভাৰ সদস্য। ১৯৫৭ চনৰ পৰা ১৯৭৭ চনলৈ 'ভাৰতীয় জনসংঘ' সংসদীয় দলৰ নেতা হিচাপে কাৰ্য নিৰ্বাহ কৰে। যেতিয়া বাজপেয়ী জী বিৰোধী পক্ষৰ নেতা আছিল তেতিয়া তেওঁৰ ভাষণ সচাঁকৈ বৰ মনোমোহা ভাষন আছিল। আজি সংসদত তেওঁ কি বিষয়লৈ ভাষণ দিব সেই বিষয়ে তেওঁ যোৱাকালিয়েই ভাষণ প্ৰস্তুত কৰি থয়। যেতিয়া সংসদত ভাষণ দিয়ে তেতিয়া সংসদত উপস্থিত থকা সকলো সদস্যৰে দৃষ্টি কেৱল বাজপেয়ীৰ ওপৰত, চাৰিওফালে স্তব্ধতা বিয়পি পৰে। সেই হিচাপে নিসন্দেহে তেওঁ এজন সৰ্বশ্ৰেষ্ঠ ব্যক্তি। অটল জীয়ে প্ৰথমে সংসদৰ বিৰোধী দলপতি হিচাপে আৰু এতিয়া ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী হিচাপে সদায় তেওঁ নিথকুৱা দুখীয়া কৃষকসকলৰ হৈ মাত মাতি আহিছে। তেওঁ কৃষক সকলৰ উন্নতি হোৱাটো বিচাৰিছে আৰু তাৰ লগতে দেশৰ নাগৰিক সকলক সম্পূৰ্ণ সুৰক্ষা প্ৰদান কৰাৰ সপক্ষে মত পোষন কৰে। তেওঁ ভৱিষ্যত প্ৰজন্মৰ শিক্ষা-দীক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। কাৰণ এই প্ৰজন্ম এটা সময়ত ভাৰতৰ নাগৰিক, যিয়ে ভাৰতক প্ৰথম বিশ্বৰ দেশবোৰৰ লগত স্থান দিব পাৰিব লাগিব। তাৰ বাবে তেওঁ ৰাষ্ট্ৰৰ প্ৰতিটো শিশুক শিক্ষা দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ ছাত্ৰ-ছাত্ৰী সকলক বিজ্ঞান শিক্ষা তথা বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনাইছিল আৰু এতিয়া প্ৰধান মন্ত্ৰী হিচাপে তেওঁ বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ উন্নতিৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিছে। কাৰণ বাজপেয়ী জীয়ে উপলব্ধি কৰিছে যে শিক্ষাইহে ৰাষ্ট্ৰক উন্নতিৰ শিখৰলৈ লৈ যাব পাৰে।

১৯৭৫ চনৰ জৰুৰী কালীন অৱস্থা বাহাল থাকোতে বাজপেয়ীজীক বাংগালোৰ জেলত বন্দী কৰি থোৱা হৈছিল। সময় বাগৰাৰ লগে লগে ভাৰতৰ পৰিস্থিতি কিছু উন্নতলৈ অহা পৰিলক্ষিত হয়। ভাৰতৰ আকাশৰ পৰা কাল মেঘে ক্ৰমে এন্ধাৰ আতৰাই গোহৰ বিয়পাই দিয়ে। ঠিক ইয়াৰ

লগে লগে জয় প্ৰকাশ নাৰায়ণৰ উপদেশ মতে 'জনতা পাৰ্টী' নামেৰে এটা নতুন দলৰ আবিৰ্ভাৱ হয় ভাৰতীয় ৰাজনীতিত। ভাৰতীয় জনসংঘও এই নতুন দলৰ লগত চামিল হয় আৰু ঠিক কিছুদিন পিছতেই ১৯৭৭ চনত দেশজুৰি নিৰ্বাচন অনুষ্ঠিত হয়। এই নিৰ্বাচনত কংগ্ৰেছ দলৰ পৰাজয় হৈছিল। গোটেই ভাৰতৰ মানুহে দেশত ৰাজনৈতিক পৰিৱৰ্তন বিচাৰিলে আৰু তাৰ পৰিণাম স্বৰূপে দেশত 'জনতা পাৰ্টী'ৰ চৰকাৰ প্ৰতিষ্ঠিত হৈছিল কেন্দ্ৰত। এই নতুন চৰকাৰখনৰ নেতা তথা প্ৰধান মন্ত্ৰী হয় মোৰাৰজী দেশাই। এই ১৯৭৭ চনৰ নিৰ্বাচনত অটল জীয়ে নতুন দিল্লী সংসদীয় সমষ্টিৰ পৰা নিৰ্বাচনত বিজয়ী হৈ এই নতুন চৰকাৰখনৰ বিদেশ মন্ত্ৰী (External Affairs Ministers) হিচাপে শপত লয়। এয়ে হ'ল অটল জীৰ সংসদীয় জীৱনত প্ৰথম কেন্দ্ৰীয় মন্ত্ৰী। এই দায়িত্ব লোৱাৰ পিছত যি দক্ষতাৰে নিজৰ কাম বিলাক কৰিলে সেই বাবে দেশ-বিদেশত বাজপেয়ী জীৰ খ্যাতি বিয়পিলে। ভাৰতৰ প্ৰতিবেশী চুবুৰীয়া ৰাষ্ট্ৰবোৰৰ লগত মৈত্ৰীক সম্বন্ধ মজবুত কৰাৰ কাৰণে সেই ৰাষ্ট্ৰবোৰলৈ মৈত্ৰী সম্বন্ধৰ প্ৰস্তাৱ লৈ যাত্ৰা কৰিছিল। ২৯ জুন ১৯৭৭ চন। সেইদিনা বিদেশ নীতিৰ বিষয়লৈ তেওঁ লোকসভাত কৈছিল 'মই বিদেশ নীতি বিষয়লৈ প্ৰথমবাৰৰ বাবে কৈছো মই ভাৰতবৰ্ষৰ লাখ লাখ ল'ৰা-ছোৱালীৰ পৰা শুভকামনা পাইছোঁ আৰু যি সকল ভাৰতীয় বিশ্বৰ বিভিন্ন দেশত আছে। যি সকলে তাৰ চৰকাৰৰ অধীনত নাইবা কোনো কোম্পানীৰ অধীনত কাম কৰি আছে তেওঁলোক যদিও এসাজ ভাত বা ৰুটিৰ কাৰণে বিদেশলৈ গৈছে, তেওঁলোকক আমি কেতিয়াওঁ পৰদেশী বুলি ভৱাটো উচিত নহয়। তেওঁলোকেও যেন নিজৰ মাতৃভূমিৰ সংস্কৃতি আৰু ধৰ্মৰ প্ৰতি থকা নিষ্ঠা স্বীকাৰ কৰিবলৈ কেতিয়াওঁ সংকোচ নকৰে।' বাজপেয়ী জী বিদেশ মন্ত্ৰী হৈ থকা কালত চীনলৈ চৰকাৰী যাত্ৰাত গৈছিল। তাত তেওঁক স্বাগতম জনাবলৈ তৎকালীন চীনা বিদেশ মন্ত্ৰী শ্ৰীহুআঙ্গ-হুৱাৰ ভাষণৰ উত্তৰত অটল জীয়ে এইদৰে কৈছিল যে চীন আৰু ভাৰতৰেই পণ্ডিত জৱাহৰলাল নেহেৰুৱে অনুভৱ কৰা দুখ, গভীৰ ক্লেশ আৰু ব্যক্তিগত আঘাত ভাৰতে কেতিয়াওঁ পাহৰিব নোৱাৰে। সেই সকলোবোৰ বাদ দি মই চীনৰ লগত চুবুৰীয়া দেশ হিচাপে মৈত্ৰীৰ সমন্ধ কৰিবলৈ আহিছো।

"মই বিদেশ নীতি বিষয়লৈ প্ৰথমবাৰৰ বাবে কৈছো মই ভাৰতবৰ্ষৰ লাখ লাখ ল'ৰা-ছোৱালীৰ পৰা শুভকামনা পাইছোঁ আৰু যি সকল ভাৰতীয় বিশ্বৰ বিভিন্ন দেশত আছে। যি সকলে তাৰ চৰকাৰৰ অধীনত নাইবা কোনো কোম্পানীৰ অধীনত কাম কৰি আছে তেওঁলোক যদিও এসাজ ভাত বা ৰুটিৰ কাৰণে বিদেশলৈ গৈছে, তেওঁলোকক আমি কেতিয়াওঁ পৰদেশী বুলি ভৱাটো উচিত নহয়। তেওঁলোকেও যেন নিজৰ মাতৃভূমিৰ সংস্কৃতি আৰু ধৰ্মৰ প্ৰতি থকা নিষ্ঠা স্বীকাৰ কৰিবলৈ কেতিয়াওঁ সংকোচ নকৰে।"

বিদেশ মন্ত্ৰী হৈ থকা অৱস্থাত বাজপেয়ী জীয়ে ৰাষ্ট্ৰসংঘৰ ৩২ তম অধিবেশনত যোগদান কৰা আৰু ভাষণ দিয়াৰ সুযোগ পাইছিল। এই অধিবেশনত ভাৰতৰ ৰাষ্ট্ৰ ভাষা হিন্দীত ভাষণ দিয়া অটল জীয়ে প্ৰথম বিদেশ মন্ত্ৰী। তাৰে দুদিন আগতে গান্ধী জয়ন্তী অনুষ্ঠানত তেওঁ ওৱাচিংটনৰ গান্ধী স্মাৰক কেন্দ্ৰতো ভাষণ দিয়ে হিন্দীত। এই সংযুক্ত ৰাষ্ট্ৰসংঘৰ এইবাৰ হৈ যোৱা অধিবেশনত ঠিক একে স্থানতে ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী হিচাপে ১২ ছেপ্তেম্বৰ ২০০০ তাৰিখে হিন্দীত ভাষণ দিয়া অটল জীয়ে হ'ল প্ৰথমজন প্ৰধান মন্ত্ৰী। অটল জীৰ হিন্দী ভাষাত ভাষণ দিয়াৰ অৰ্থ হ'ল হিন্দী হৈছে আমাৰ ৰাষ্ট্ৰীয় ভাষা। তেওঁ ভাবিছিল যি ৰাষ্ট্ৰভাষা এতিয়ালৈকে বিদেশত বোবা হৈ আছিল, তাৰ স্থাপক আৰু প্ৰতিষ্ঠাপক অটল জীক কৃতজ্ঞ ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় ভাষাই কেতিয়াওঁ পাহৰিব নোৱাৰে।

বাজপেয়ী বিদেশ মন্ত্ৰী হৈ থকা কালত পৃথিৱীৰ অনেক দেশলৈ যাত্ৰা কৰিছিল আৰু কূটনৈতিক সফলতাও লাভ কৰিছিল। তেওঁ ১৯৭৭ চনত কেন্দ্ৰত ক্ষমতাধিষ্ঠিত জনতা দলৰ চৰকাৰত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰীৰ দ্বায়িত্ব লৈ ১৯৮০ চনলৈকে বিশেষ সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰে।

সময় বাগৰাৰ লগে লগে মানুহৰ মনবো পৰিবৰ্তন হয়। পূৰ্বৰ জনসংঘৰ ঘটক সদস্যই অটল জী আৰু বৰ্তমানৰ কেন্দ্ৰীয় গৃহ মন্ত্ৰী লাল কৃষ্ণ আদৱানিৰ নেতৃত্বত 'ভাৰতীয় জনতা পাৰ্টী' দল গঠন হয় ১৯৮০ চনত। ১৯৮০ চনত গঠিত ভাৰতীয় জনতা পাৰ্টীৰ অন্যতম প্ৰতিষ্ঠাপক সদস্য আছিল বাজপেয়ী। তেওঁ ১৯৮০ চনৰ পৰা ১৯৮৬ চনলৈ ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি আৰু লগতে ভাৰতীয় জনতা পাৰ্টী সংসদীয় দলৰ গোটৰো নেতা হিচাপে কাৰ্যনিৰ্বাহ কৰে। ১৯৫৭ চনৰ পৰা সম্প্ৰতি ১৯৯৬ চনলৈ কেৱল ১৯৮৫ চনক বাদ দি অটল জী সংসদৰ কোনো নহয় কোনো এখন সদনৰ সদস্য হৈ আহিছিল। ১৯৮৬ চনত অটল জী ৰাজ্য সভাৰ সদস্য হিচাপে নিৰ্বাচিত হয়।

১৯৯৬ চন একাদশ লোকসভাৰ নিৰ্বাচনৰ দিন ওচৰ চাপি অহাৰ লগে লগে অটল জীয়ে উত্তৰ প্ৰদেশৰ লক্ষ্ণৌ আৰু গুজৰাটৰ গান্ধী নগৰ এই দুযোটা সমষ্টিৰ পৰা নামাঙ্কন পত্ৰ দাখিল কৰিলে। লক্ষ্ণৌ আৰু গান্ধী নগৰ দুটা সমষ্টিটেই অটল জী বহু ভোটত জয়ী হ'ল। এই নিৰ্বাচনত ভাৰতীয়

জনতা পাৰ্টীয়ে একক সংখ্যা গৰিষ্ঠ নাপালেও একাদশ লোকসভাত বৃহত্তম পাৰ্টী হিচাপে পৰিগণিত হ'ল। ভাজপা নেতা অটল জীক সংসদীয় দলৰ নেতা মনোনীত কৰা হ'ল। ইয়াৰ আগতেও তেৱেঁই সংসদীয় দলৰ নেতা আৰু লোকসভাৰ প্ৰতিপক্ষৰ নেতা আছিল। অটল জীক ভাজপা দলৰ নেতা মনোনীত কৰাৰ পিছত সমতা পাৰ্টীৰ জৰ্জ ফাৰ্ণানণ্ডেজ, নীতিশ কুমাৰ আৰু পাঞ্জাৱৰ আকালি দলৰ নেতা তথা বৰ্তমানৰ পাঞ্জাৱৰ মুখ্যমন্ত্ৰী আৰু আকালি দলৰ সভাপতি শ্ৰীপ্ৰকাশ সিং বাদল আদি নেতাই তেওঁলোকৰ দলৰ সমৰ্থন প্ৰকাশ কৰে বাজপেয়ী জীৰ নেতৃত্ব। ৰাষ্ট্ৰপতি শংকৰ দয়াল শৰ্মাই চৰকাৰ বনাবৰ বাবে সংসদৰ বৃহত্তৰ দল হিচাপে ভাৰতীয় জনতা পাৰ্টীৰ নেতা অটল জীক পত্ৰৰে ১৯৯৬ চনৰ ১৫ মে' তাৰিখে জনায়। অটল জীক চৰকাৰ বনাবলৈ জনোৱাৰ কৰাৰ পিছত ১৬ মে' ১১-৩০ মিনিটত অটল জীয়ে ভাৰতৰ একাদশ প্ৰধান মন্ত্ৰী হিচাপে ৰাষ্ট্ৰপতি ভৱনত শপত গ্ৰহণ কৰে। কিন্তু এইখন চৰকাৰৰ সংসদত সংখ্যা গৰিষ্ঠ নথকাৰ বাবে ৩১ মে'ত শক্তি পৰীক্ষাত পৰাজিত হয় আৰু বাজপেয়ীয়ে পদত্যাগ কৰে। এই চৰকাৰখন মাত্ৰ তেৰ দিনহে শাসনত থাকে। তাৰ পিছত কেন্দ্ৰত ৰাষ্ট্ৰীয় মৰ্চাৰ চৰকাৰ গঠিত হয় এচ.ডি দেৱেগৌড়াৰ নেতৃত্বত। দেৱেগৌড়া কিছুদিন থকাৰ পিছত গুজৰাল প্ৰধান মন্ত্ৰী হয়। কিন্তু গুজৰালৰ দিনত কংগ্ৰেছ দলে মৰ্চা চৰকাৰৰ লগত হোৱা মনোমালিন্যৰ ফলত মৰ্চা চৰকাৰৰ পৰা সমৰ্থন প্ৰত্যাহাৰ কৰে আৰু ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰৰ পতন ঘটে। ঠিক ইয়াৰ পিছে পিছে ৰাষ্ট্ৰপতিয়ে একাদশ লোকসভা ভংগ কৰি দিয়ে আৰু দ্বাদশ লোকসভাৰ বাবে অধিসূচনা জাৰি কৰে। এই দ্বাদশ লোকসভা নিৰ্বাচনৰ বাবে বাজপেয়ীয়ে লক্ষ্ণৌৰ পৰা নিৰ্বাচিত হৈছিল আৰু ১৪টা আঞ্চলিক আৰু ৰাষ্ট্ৰীয় দল লগ লাগি দ্বাদশ লোকসভাৰ বৃহত্তম মিত্ৰজোট হিচাপে বাজপেয়ীৰ নেতৃত্বত পৰৱৰ্তী চৰকাৰখন প্ৰতিষ্ঠিত হয় কেন্দ্ৰত। কিন্তু এইখন চৰকাৰো স্থায়ী চৰকাৰ নহ'ল পাচ বছৰৰ বাবে। এই মিত্ৰজোটৰ সহযোগী দল AIDMK দলৰ সভানেত্ৰী কুমাৰী জয়াললিতাৰ লগত হোৱা মনোমালিন্যৰ ফলত AIDMK দলে বাজপেয়ীৰ চৰকাৰৰ পৰা সমৰ্থন প্ৰত্যাহাৰ কৰাত বাজপেয়ী চৰকাৰক সংসদৰ মজিয়াত সংখ্যা গৰিষ্ঠ প্ৰমাণ কৰিবলৈ দিয়া হ'ল আৰু শেষত এটা ভোটৰ বিনিময়ত বাজপেয়ী চৰকাৰৰ পতন ঘটে। তেতিয়া কোনো দল বা মিত্ৰজোটে চৰকাৰ বনাবলৈ সমৰ্থ নোহোৱাত দ্বাদশ লোকসভা ভংগ কৰিবলৈ মহামতি ৰাষ্ট্ৰপতিক পৰামৰ্শ দিয়া হয় আৰু এই পৰামৰ্শ মতে ৰাষ্ট্ৰপতিয়ে দ্বাদশ লোকসভা ভংগ কৰি দিয়ে; যদিও পৰৱৰ্তী চৰকাৰ হোৱা পৰ্যন্ত বাজপেয়ীক তত্বাবধায়ক প্ৰধান মন্ত্ৰী হিচাপে চৰকাৰ চলাই যাবলৈ ৰাষ্ট্ৰপতিয়ে আদেশ দিয়ে। প্ৰধান মন্ত্ৰী হিচাপে দ্বিতীয় কাৰ্য কালতে বাজপেয়ীয়ে ঐতিহাসিক লাহোৰ বাছ যাত্ৰা কৰিছিল আৰু কাৰ্গিল যুদ্ধৰ সন্মুখিন হৈছিল। এই যুদ্ধৰ সময়ত বাজপেয়ী দেৱে অতি দক্ষতাৰে দায়িত্ব নিৰ্বাহ কৰিছিল। যুদ্ধৰ পিছত লাহে লাহে গোটেই ভাৰতবৰ্ষতে তেৰ মাহ লোকসভা গঠনৰ বাবে নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ হৈছিল। এই নিৰ্বাচনতো বাজপেয়ী দেৱে লক্ষ্ণৌৰ পৰা নিজৰ নামাঙ্কন পত্ৰ দাখিল কৰিছিল আৰু তিনি লাখৰো অধিক ভোটত বিজয়ী হৈছিল। এই ত্ৰয়োদশ লোকসভাৰ নিৰ্বাচনত 'ভাৰতীয় জনতা পাৰ্টী'ৰ নেতৃত্বত প্ৰায় ভালেকেইটা ৰাষ্ট্ৰীয় আৰু আঞ্চলিক দল লগ হৈ 'গণতান্ত্ৰিক মৰ্চা' নাম দি বাজপেয়ীক প্ৰধান মন্ত্ৰী প্ৰাৰ্থীত্ব হিচাপে মানি লৈ এক মহাজোট হৈ নিৰ্বাচনত নামি পৰে আৰু এই 'গণতান্ত্ৰিক মৰ্চা' জোটে নিৰ্বাচনত একক সংখ্যা গৰিষ্ঠতা লাভ কৰে আৰু অটল বিহাৰী বাজপেয়ীৰ নেতৃত্বত চৰকাৰ গঠন কৰে।

অটল জীৰ ৰাজনৈতিক ক্ষেত্ৰত যেনেকৈ এখন উৎকৃষ্ট স্থান আছে তেনেদৰে সাহিত্য জগততো তেওঁৰ এখন গুৰুত্বপূৰ্ণ স্থান আছে তেওঁ এজন কবি সাহিত্যিক আৰু লগতে এজন ভাল গীতিকাৰ। তেওঁ আগতে এজন সাংবাদিকো আছিল।

অটল জীয়ে সম্পাদনা কৰা পত্ৰিকা সমূহ ঃ ১) ৰাষ্ট্ৰধৰ্ম, ২) পাঞ্চজন্য আৰু ৩) বীৰ অৰ্জুন। বাজপেয়ী দেৱে লিখা গ্ৰন্থ সমূহ ঃ ১) লোকসভা মেন (Loksabha men), ২) কোৱাইদি কৰিৰাই কী কুণ্ডলীয়া (Quaidi Kavirai Ki Kundaliyan), ৩) ভাৰতৰ বৈদেশিক নীতিৰ নতুন দিশ (New dimension of Indian's foreign policy)। বাজপেয়ী এজন ৰাজনৈতিক, সামাজিক নেতা হিচাপে অস্পৃশ্যতা, বৰ্ণ বৈষম্য আৰু নাৰীৰ প্ৰতি কৰা সামাজিক দমন অন্যায় অত্যাচাৰৰ বিৰুদ্ধে সদায় সংসদত মাত মাতি আহিছে। অটল জী ৰাজনীতিৰ ক্ষেত্ৰত নিজৰ সিদ্ধান্ত, বিচাৰ, আদৰ্শ আৰু মান্যতাৰ প্ৰতি অটল। তেওঁক কোনো প্ৰলোভনে টলাব পৰা নাই। অটল জীৰ নিজৰ বুলি কবলৈ ঘৰ নাই। তেওঁৰ গোৱালিয়ৰৰ ঘৰটো গ্ৰন্থাগাৰ হিচাপে দান কৰে।

১৯৯২ চনৰ ২৫ জানুৱাৰী তাৰিখে অটলজীক "পদ্ম বিভূষন" সন্মান প্ৰদান কৰা হয়। ১৯৯৩ চনৰ ২০ এপ্ৰিলত কাণপুৰ বিশ্ববিদ্যালয়ে অটলজীক "ডী লিট" প্ৰদান কৰিলে। ১৯৯২ চনৰ ২৮ ছেপ্তেম্বৰত উত্তৰ প্ৰদেশ হিন্দী সংস্থাই অটলজীক "হিন্দী গৌৰৱ" সন্মানেৰে সন্মানিত কৰিলে আৰু লগতে ৫১ হাজাৰ টকা প্ৰদান কৰা হয়। ১৯৯৪ চনৰ ১ আগষ্টত বাজপেয়ীক তেওঁৰ সেৱাভাৱ, স্বাৰ্থ ত্যাগ আৰু সম্পনশীল সাৰ্বজনিক জীৱনৰ বাবে "লোকমান্য তিলক" সন্মান দিয়া হয়। ১৯৯৪ চনৰ ১৭ আগষ্টত সংসদৰ সৰ্বসন্মতি ক্ৰমে তেওঁক "সৰ্বশ্ৰেষ্ঠ সাংসদ" সন্মান প্ৰদান কৰা হয়। এনেদৰে অটলজীয়ে বিভিন্ন সময়ত বিভিন্ন সন্থা, প্ৰতিস্থান আদিৰ পৰা সন্মান পাই আহিছে।

অটলজী ভাৰতীয় সংস্কৃতিৰ পোষক। অটলজীৰ ব্যক্তিত্বও যিমানেই বৰ্ণনা কৰা সিমানেই ওলাই গৈ থাকে। এনেকুৱা সৰ্বগুণ সম্পন্ন কবি ৰাজনেতাক সশ্ৰদ্ধ প্ৰণাম।

"বন্দে মাতৰম্"

*( অটলজীৰ জীৱনী পুথি আৰু বাতৰি কাকতত পোৱা তথ্যৰ সহায় লৈ লিখা হৈছে।)*

**মানৱ জ্যোতি চহৰীয়া স্নাতক তৃতীয় বৰ্ষৰ কলা শাখাৰ ছাত্ৰ**

সাম্প্ৰতিক চিন্তা

# অসম আৰু অসমীয়াৰ দুৰৱস্থা

মধুস্মিতা শৰ্মা

"অ, মোৰ অসমী আই
অ, মোৰ চেনেহী আই
চাই লওঁ এবাৰ মুখনি তোমাৰ
হেঁপাহ মোৰ পলোৱা নাই।"

প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰা মহিমা মণ্ডিত সুজলা, সুফলা, শস্য, শ্যামলা মোৰেই জননী জন্মভূমি অৱস্থিত ভাৰতৰ উত্তৰ পুব কোণত। অতীতৰে পৰা গৌৰৱময় ঐতিহ্য বহন কৰা এই অসমী দিহ্ক্ষানয়নী ঐশ্বৰ্য্যৰে বিভূষিত। সোণেৰেই মিনা কৰোৱা অসমত কি নাছিল বা এতিয়াও কি নাই। যি দেশক জনা গৈছিল অসম যাদুৰ দেশ। কিন্তু অৱহেলিত জনতাৰ কৰলত হেৰাই গ'ল বহুতো অমূল্য সম্পদ, যাদুৰ দেশৰ মোহময়ী শক্তি।

আমি অসমীয়া দুখীয়া নহওঁ বুলিয়েই জানো শান্তনা লভিলে হ'ব। সকলো থাকিও আজি অসমত একো নাই। আজি অসমীয়াই নিজক নিচিনাৰ দোষতেই অসম ৰসাতল অভিমুখী। সেউজীয়া পাহাৰ, সোণালী ধানেৰে পৰিবেষ্ঠিত অসমী আই যে সৌন্দৰ্য্যৰেই অদ্বিতীয়া ৰাণী। যাৰ মাজেৰে বৈ গৈছে ধীৰ গম্ভীৰ গতিৰে মহাবাহু ব্ৰহ্মপুত্ৰ। সেয়ে কবিয়ে গাইছে-

"গিৰিমালা বেষ্টিত দুজ্যেয় দুৰ্গে
সগৰ্বে তুলি শিৰ কত যুগে যুগে
এ' অসমা নিৰুপমা জননী।"

কিন্তু হায় ! আজি অসমৰ মানুহে সৌন্দৰ্য্য উপভোগ কৰিব জনা নাই। তাৰোপৰি অসম বৰ্তমান বৰ অসম হৈ থকা নাই। ধবুৰীৰ পৰা আৰম্ভ কৰি শদিয়া পৰ্য্যন্ত যি ৰাজ্য খণ্ডৰ ওপৰত একালত ভগদত্ত নৃপতিৰ গজধ্বজা উৰিছিল, বৰ্তমান অসম উপত্যকা, ভূটান, ৰংপুৰ, কোচবিহাৰ, মৈমনসিংহৰ উত্তৰ পুব অংশ আদি যাৰ অন্তৰ্ভুক্ত আছিল বৰ অসম মানে তাকেই বুজোৱা হৈছিল। পিছে অসম ৰক্ষা কৰোতা আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ মৃত্যুৰ লগে লগে বৰ অসম ৰক্ষাৰ চেষ্টা যুগ যুগান্তৰলৈ অস্ত পৰিল। খ্ৰীষ্টিয় দ্বাদশ শতিকাৰ পৰাই আৰম্ভ হ'ল বৰ অসমৰ বিলৈ। সৰু-ডাঙৰ ৰজাৰ অৰ্বিভাৱ আৰু ভাৰতৰ পুব প্ৰান্তত আফগান আৰু পাঠান ক্ষমতাৰ বিস্তৃতি লাভেই আছিল অসমৰ পতনৰ কাৰণ। এতিয়া অসম সৰু হ'ল, কেৱল ভৌগলিক সীমাতেই নহয়, অসম পিছ পৰি গ'ল শিক্ষা, বেপাৰ-বাণিজ্য, কৃষি আদি সকলো ক্ষেত্ৰতে। ইয়াৰ প্ৰধান কাৰণ হিচাপে আমাৰ লক্ষ্য পৰে অসমীয়া মানুহৰ এলেহুৱা আৰু অচেতনতা। হায় হায়!! দুখীয়াৰ দুখ কাহানিও নুগুচে।

১৪৯৮ খ্ৰী.ত ভাস্ক-ডা-গামা নামে এজন পৰ্তুগীজ নাৱিকে আৱিষ্কাৰ কৰিলে আফ্ৰিকা মহাদেশৰ উত্তৰমাশা অন্তৰীপ অতিক্ৰম কৰি ভাৰতলৈ আহিব পৰা এটা নতুন জলপথ। পৰ্তুগীজ বণিকসকলৰ সাফল্য দেখিয়েই হলেণ্ড, ডেনমাৰ্ক, ইংলেণ্ড, ফ্ৰান্স প্ৰভৃতি দেশৰ বণিক সকলেও ভাৰতৰ লগত বাণিজ্যিক সম্পৰ্ক স্থাপনত উদ্যত হয়। ইংৰাজ বণিকসকলে ১৫৯৯ খ্ৰী.ত ইষ্ট ইণ্ডিয়া কোম্পানী নামেৰে বেপাৰী সংঘ স্থাপন কৰি ক্ৰমে প্ৰৱেশ কৰে ভাৰতত আৰু তাৰ পিছত অসমত। বেপাৰ কৰিবলৈ অহা এই ইংৰাজসকলে এনেকৈয়ে চেষ্টা কৰিলে শিপা মেলিবলৈ। ইংৰাজে অসমত কানিৰ প্ৰচলন কৰি এলাহৰ বীজ ৰোপন কৰিলে। এয়াই নহয়, ইংৰাজে কাঢ়ি লৈ গ'ল অসমৰ অফুৰন্ত সম্পদ। অসমৰেই কেঁচা মাল বস্তু নি অসমকেই বিক্ৰী কৰিলেহি, এসোপা ৰং-চঙীয়া বেলুন, ৰমক-জমক মণি। কিন্তু হায় ! ইংৰাজে বাৰুকৈয়ে দুখীয়া কৰি যায় আমাৰ দেশক।

অতি পুৰণি কালত ইংৰাজ সকলে যেতিয়া আন্ধাৰ ৰাতিৰ কোলাত অচেতন হৈ টোপনি গৈছিল, ভাৰতে তেতিয়া জ্ঞানৰ ৰ'দ-কাচলিত সজ চৰ্চা কৰিছিল। কিন্তু আজি সেই বৰ্বৰ ইংৰাজ সকল সৰ্বান্তঃকৰণে পৃথিৱীত অগ্ৰগনী হিচাপে পৰিগনিত। আনহাতে ভাৰতবাসী তথা অসমবাসী পূৰ্বৰে পৰা সভ্য হৈও বহুগুণে পিছপৰি থাকিল। ইয়াৰ মূলতে সময় অসচেতন আমিয়েই নহয় জানো ?

আজি অসমীয়া শিক্ষা-সংস্কৃতি, বেপাৰ-বাণিজ্যসকলো ক্ষেত্ৰতে তেনেই পিছপৰা। কাষৰীয়া দেশবোৰৰ তুলনাত ভাৰত যেনেকৈ পিছপৰি আছে অসমো তেনেকৈ চুবুৰীয়া ৰাজ্যবোৰৰ তুলনাত পিছ পৰি আছে। অসমত নিৰক্ষৰতাৰ হাৰেই সাক্ষৰতাৰ হাৰতকৈ বেছি। যি স্থলত অসমৰ কাষৰীয়া ৰাজ্যবোৰ পূৰ্ণদমে শিক্ষিত হৈ পৰিল ১৯৯১ চনৰ হিচাপ অনুযায়ী ৰাজ্যখনৰ সাক্ষৰতাৰ হাৰ শতকৰা ৫২.৯৮ ভাগ। অৱশ্যে এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় গড় সাক্ষৰতা হাৰতকৈ কিছু উন্নত। ৰাষ্ট্ৰীয় গড় সাক্ষৰতা ৫২.১১ ভাগ। তাৰোপৰি অসমীয়াৰ আপোন সংস্কৃতিৰ অপূৰ্ণ অস্তিত্ব প্ৰদুষিত হৈ পৰিছে। বৃটিছৰ দিনতে যোগাযোগৰ সুব্যৱস্থা হৈ পৰাত অসমলৈ প্ৰবেশ কৰিছে অনেক ভগনীয়া, বিভিন্ন জনগোষ্ঠিৰ লোক। যাৰ ফলত অসম অসমীয়াৰ হৈ নাথাকিল। অসম হৈ পৰিল বাৰেবৰণীয়া সংস্কৃতিৰ সংগমস্থল। আনকি অসমৰ সংস্কৃতিৰ সম্পদ পুৰণি অলিখিত ৰূপত থকা গৰখীয়া নাম, নিচুকনি গীত, নাওঁ খেলোৱা গীত, বাৰমাহী গীত, আইনাম, বিয়ানাম, বনগীত, বিহুগীত, দেহ বিচাৰৰ গীত, মন্ত্ৰ সাহিত্য আৰু ডাকৰ বচন আদি লিখিত ৰূপলৈ অহাৰ লগে লগে কিছুমান মুখৰ পৰা আতৰি পৰিল। তাৰোপৰি বিদেশীৰ আগমনে অৰ্থাৎ এটা সংস্কৃতিসম্পন্ন জাতি আন এটা সংস্কৃতিসম্পন্ন জাতিৰ লগত জাহ যোৱাৰ ব্যৱস্থা ঘটিল। আধুনিকতাৰ প্ৰভাৱ পৰিল। ই মূলৰ পৰা আতঁৰি গ'ল। কেৱল আতৰি যোৱাই নহয় ই লোপ পাব ধৰিলে অসমীয়া সংস্কৃতিৰ পৰা। আমাৰ জাতীয় উৎসৱ বিহুৰ বৰ্তমান অৱস্থা আকৌ আগৰ দৰেই হৈছে। যি সময়ত বেচ কিছু সংখ্যকে বিহুক হেয় পতিপন্ন কৰিছিল, আজিও জাতীয় উৎসৱ কিছু পৰিমাণে অৱহেলিত হৈছে। আগৰ দৰেই পথাৰৰ মাজৰ আহঁতৰ তলত বহি বিহু নৃত্য দিয়া যুগ

বৰ্তমান নাই। আজি কালি নচা হয় বিভিন্ন প্ৰতিযোগিতামূলক অনুষ্ঠানতহে। তাকো প্ৰদুষিত বেশেৰে। কিয়নো আজিৰ নাচনিৰ ওঠত বৰহমথুৰিৰ ৰং নাই, হাততো নাই জেতুকাৰ বোল। এইবোৰৰ সলনি আছে বজাৰত পোৱা কৃত্ৰিম ৰঙহে। তাৰোপৰি অসমীয়াৰ অতি আদৰৰ নাচনিৰ খোপা শুৱনি কৰা কপৌ ফুলৰ ঠাইত বৰ্তমান দেখা যায় কৃত্ৰি ম কপৌ ফুল। এই মৰহিব খোজা সংস্কৃতি ৰক্ষা কৰাৰ দায়িত্ব বৰ্তমান পুৰুষৰ নহয় জানো ? আৰু এই বৰ্তমান পুৰুষ আমিয়েইটো সাহিত্যই জাতিৰ দাপোনৰ দৰে সংস্কৃতিয়েও দাঙি ধৰে এটা জাতিৰ পৰিচয়। আমি অসমীয়া বুলি সগৌৰৱে পৰিচয় দাঙি ধৰাৰ আগতে কৰিব লাগিব সংস্কৃতিৰ উন্নতি। কিয়নো এটা সংস্কৃতিৰ পৰাই এটা জাতিৰ পৰিচয় পাব পাৰি। তাৰোপৰি সংস্কৃতিৰ মাজত জীয়াই থাকে একতা। অৱশ্যে সাহিত্যৰ উন্নতি অপৰিহাৰ্য্য।

সেইটো বাদেই, শাসন-শোষন আৰু দুৰ্নীতিৰ কবলত পৰা অসমীয়া খেতিয়কে দুবেলা দুমুঠি খাবলৈ নোপোৱা হ'ল। গোটেই ভাৰতকে জনা যায় পূৰ্ণদমে চলা ৰাজনীতিৰ দেশ বুলি। অসমো যিহেতু ইয়াৰেই অৰ্ন্তভুক্ত, সেয়ে অসমো সাৰি যাব পৰা নাই ৰাজনীতিৰ কৱলৰ পৰা। অসমত বৰ্তমান দুৰ্নীতিয়েই শিপা মেলি দিলে যি এতিয়া একোটা নীতি ৰূপেই পৰিগণিত হৈছে। সমাজত ভূল শাসন নীতিৰ ফলতেই দেখা দিছে ঘোৰ অশান্তিয়ে। অসমত জন্ম লোৱা বিভিন্ন ৰাজনৈতিক দলে গোটেই অসমখনকে পদুষিত কৰি পেলালে। তাৰোপৰি জন্ম হ'ল বিভিন্ন সংগঠন খণ্ডই খণ্ডই, চুবুৰীয়ে চুবুৰীয়ে। কোনোবা দেশদ্ৰোহী আন কোনোবা দেশপ্ৰেমী। হত্যা, লুণ্ঠনৰ প্ৰকোপ দিনে দিনে বাঢ়ি গ'ল। যি ৰাজ্যক আজি বাহিৰা ৰাজ্যই ভয় কৰা হ'ল উগ্ৰপন্থীৰ ৰাজ্য বুলি। নহয়নো কি ? এনে সময় আহি পৰে গধূলিৰ লগে লগে দৰ্জা ঘৰ মাৰি সোমাই থাকিব লগা হয় আপোন প্ৰাণৰ বাবে। শাসন যন্ত্ৰতো ধৰিলে ঘূণে। তাহানিৰ জোনাকীৰ দিনত চন্দ্ৰ কুমাৰ আগৰৱালাই কৈছিল পৰাধীন দেশৰ ৰাজনীতি বোলা কোনো কথা নাই। সঁচা কথা কবলৈ হ'লে অসম এতিয়াও পৰাধীনেই। কিয়নো কোনো সম্পদ আহৰণ অথবা কোনো উদ্যোগ স্থাপন কৰিবলৈ অসমে বিদেশী প্ৰযুক্তিবিদ্যা অথবা বিদেশী বিশেষজ্ঞ আহৰণৰ পৰা বিৰত থাকিব পৰা নাই এইক্ষণ পৰ্য্যন্ত। এই মাতৃভূমি অসম আৰু অসমীয়াক স্বাধীন কৰাৰ বাবে এটা দৃঢ় মন আৰু সুচাৰুৰূপে তথা প্ৰকৃত পথেৰে পৰিচালনা কৰিবলৈ সুস্থ পৰিপক্ক মগজুৰ শাসক বৰ্গৰ প্ৰয়োজন হোৱা নাই জানো ? এই অসমতে জন্ম লোৱা নাছিলনে গোপীনাথ বৰদলৈ, তৰুণ ৰাম ফুকন, মণিৰাম দেৱানৰ দৰে দেশপ্ৰেমী, লাচিতৰ দৰে বীৰ। যি দেশতকৈ মোমাই ডাঙৰ নহয় বুলি কেৱল নিজ মাতৃভূমিৰ কাৰণে শিৰচ্ছেদ কৰিছিল নিজ মোমায়েকক। দেশপ্ৰেমৰ এই বিৰল ছবি যুগ-যুগান্তৰলৈ অমৰ। কিন্তু বৰ্তমান এনে চৰিত্ৰৰ মানুহ বিচাৰি পোৱাই টান। যি কেইজন আছে তেওঁলোকক ভুৱা দেশপ্ৰেমিক বুলিলেও ভুল নহব। আজি অসম ৰসাতলে গ'ল। শাসন-শোষন, অজ্ঞানতা-অচেতনতাৰ বলি অসমীয়া তথা অসমত দৰিদ্ৰতাৰ সমস্যাও দিনে দিনে বাঢ়ি যাব ধৰিছে। লগতে প্ৰৱল ভাৱে বাঢ়িছে অসমৰ জনসংখ্যা। এয়াও অজ্ঞানতাৰেই বলি নহয় জানো ? পৃথিৱীৰ আন দেশৰ তুলনাত ভাৰতৰ জনসংখ্যা তেনেই বেছি।

এই জনসংখ্যাই এখন দেশৰ অৰ্থনৈতিক উন্নয়নৰ প্ৰতিবন্ধক। কিয়নো যেতিয়া জনসংখ্যা অত্যাধিক তেতিয়া জনমুৰি আয় ক্ৰমে কমি আহে আৰু অৰ্থনৈতিক অচলাৱস্থাই দেখা দিয়ে। কেতিয়াবা জনসংখ্যা বৃদ্ধিৰ বাবে অৰ্থনৈতিক উন্নয়ন হলেও জীৱন নিৰ্বাহৰ মান অলপো নাবাঢ়ে। জনসংখ্যাৰ লগে লগে বিভিন্ন সমস্যা জড়িত হৈ থাকে। তাৰ গিতৰত নিবনুৱা সমস্যাটো অন্যতম। ই নিবনুৱা তথা দৰিদ্ৰতা দূৰীকৰণৰ বাবে চৰকাৰে বিভিন্ন টা পৰিকল্পনা অৰ্ন্তভুক্ত কৰি আত্ম নিযুক্তিৰ প্ৰচেষ্টা চলাইছে। তাৰ ভিতৰত - IRDP, NREP, RLEGP, TRYSEM, DWCRA, JRY, NRY আদি।

বৰ্তমান ভাৰত তথা অসমৰ জনসংখ্যাৰ সমস্যাটো লাঘৱ কৰাৰ কাৰণে ভাৰত তথা অসমৰ জনসাধাৰণ আৰু চৰকাৰে যৎপৰোনাস্তি চেষ্টা চলাইছে আৰু বিভিন্ন আঁচনি হাতত লৈছে। বাতৰি কাকত, আলোচনী, ৰেডিঅ', টেলিভিচন, কথাছবি আদিৰ মাধ্যমেৰে জনসাধাৰণৰ মাজত পৰিয়াল পৰিকল্পনাৰ সকলো জাননী দাঙি ধৰে। পৰিয়াল নিয়ন্ত্ৰনৰ ব্যৱস্থা সমূহ গাওঁ, নগৰ সমূহলৈ যোগান ধৰা আৰু বন্ধ্যাকৰণৰ বাবে নগদ পুৰস্কাৰ দি উৎসাহ প্ৰদান কৰা আদিবোৰ ব্যৱস্থা চৰকাৰে হাতত লৈছে। তাৰোপৰি সকলোকে শিক্ষিত কৰাৰ চেষ্টা পূৰ্ণদমে চলি আছে।

পঞ্চম পাঁচবছৰীয়া পৰিকল্পনাৰ জৰিয়তে অসমৰ বিভিন্ন সমস্যা সমাধানৰ প্ৰচেষ্টা চলোৱা হয় যদিও অসমে অৰ্থনৈতিক ক্ষেত্ৰত সীমাবদ্ধতা আৰোপ কৰিবলগীয়া হৈছে। কিয়নো ভাৰতে অসমক ৯০% দান আৰু ১০% ঋণ হিচাপে অৰ্থ আগবঢ়ায়। তাৰোপৰি আন এটা সমস্যাও আছে। সময়মতে এই অৰ্থ খৰচ কৰিব নোৱাৰিলে এই অৰ্থ কেন্দ্ৰীয় চৰকাৰক ঘূৰাই দিব লগা হয়।

এইবোৰ অসমৰ সমস্যা নহয় জানো ? এইবোৰ সমাধান কৰিব লাগিব অসমৰ ৰাইজে। ইয়াৰ বাবে প্ৰয়োজন হব ৰাইজৰ একতা। জাতিভেদ নাইবা উচ্চ-নীচ ভাব আতৰাই সকলোকে দেশমাতৃৰ সন্তান বুলি ভাতৃপ্ৰেমত আবদ্ধ হৈ উদাৰ মনে কাম কৰিলেহে উন্নতি অৱশ্যাম্ভাৱী।

এইখনেই আমাৰ বৰ্তমান অসম আৰু অসমীয়া সমাজ। প্ৰত্যেকজন অসমীয়াই যদি এইখন মোৰ দেশ বুলি নিস্বাৰ্থ ভাৱে দেহে-কেহে খাটে নিশ্চয় ই সুষ্ঠ তথা শান্তিময় হ'ব। শেষত কামনা কৰিলো অসমীৰ সুউজ্জল ভৱিষ্যত।

" জয়তু অসমী নিৰুপমা জননী "

**মধুস্মিতা শৰ্মা মঙ্গলদৈ মহাবিদ্যালয়ৰ স্নাতক প্ৰথম বৰ্ষৰ কলা শাখাৰ ছাত্ৰী**

গোলাপৰ নাম মদাৰ ৰাখিলেও তাৰ সৌৰভ নেহেৰায়

সাক্ষাৎ প্ৰসঙ্গ

# মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা তথা বৰ্তমানৰ কেন্দ্ৰীয় জলসম্পদ দপ্তৰ উন্নয়নৰ ৰাজ্যিক মন্ত্ৰী মাননীয়া বিজয়া চক্ৰৱৰ্ত্তী বাইদেউৰ সৈতে এক অন্তৰংগ আলাপ

মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা, বৰ্তমান কেন্দ্ৰীয় জলসম্পদ দপ্তৰ উন্নয়নৰ ৰাজ্যিক মন্ত্ৰী মাননীয়া বিজয়া চক্ৰৱৰ্ত্তী বাইদেউৰ সৈতে এটি অন্তৰংগ আলাপৰ বাবে তেওঁৰ লগত যোগাযোগ কৰাত অতি আনন্দেৰে তেওঁ আমাক মাতি পঠালে। বহুখিনি ব্যস্ততাৰ মাজতো বাইদেৱে আমাৰ বাবে যথেষ্টখিনি বহুমূলীয়া সময় খৰছ কৰাত আমি মঙলদৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা তেখেতলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বাইদেউৰ সৈতে হোৱা আলাপৰ কিছু অংশ আমি পাঠকলৈ আগবঢ়ালোঁ।

সম্পাদক : মহাবিদ্যালয় এখনত আলোচনী এখনৰ প্ৰয়োজনীয়তা কিমান বুলি ভাৱে ?

বাইদেউ : মহাবিদ্যালয় এখনত আলোচনীৰ প্ৰয়োজনীয়তা অধিক। মহাবিদ্যালয়খনৰ বাহ্যিক, আভ্যন্তৰীণ সকলো দিশ আলোচনীখনে বাইজৰ আগত দাঙি ধৰে। আলোচনীখনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষকৰ মননশীলতাৰ ছবি স্পষ্টভাৱে দাঙি ধৰে। আলোচনীখনৰ গুণাগুণকে মহাবিদ্যালয়ৰ প্ৰকৃত বাতাবৰণৰ পৰিচায়ক বুলি গণ্য কৰা হয়।

সম্পাদক : আপোনাৰ জীৱনত মহাবিদ্যালয়ৰ কোনোবা আলোচনীৰ বিশেষ প্ৰভাৱ আছে নেকি ?

বাইদেউ : আছে। মঙলদৈ মহাবিদ্যালয়ত শিক্ষকতা কৰি থকা কালত আলোচনীৰ বিভিন্ন কামতো জড়িত আছিলো আৰু সেই আলোচনীয়েই আজিও মানস পটত দেখা দিয়ে। সুন্দৰভাৱে বিভিন্ন কাম কাজৰ মাজতো মই ছাত্ৰ সভাৰ লগত বিশেষভাৱে জড়িত আছিলো। খেল বিভাগৰ তত্বাবধায়িকা হৈ থাকোতে ফুটবল টিম লৈ গুৱাহাটীত পুৰস্কাৰো পাইছিলো। ফুটবলৰ ৰেফাৰী পৰ্য্যন্ত হৈছিলো। ছাত্ৰ-ছাত্ৰীৰ লগত এক বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি উঠিছিল।

সম্পাদক : অসমৰ বৰ্তমান শিক্ষানীতিৰ ওপৰত আপোনাৰ মতামত কি ?

বাইদেউ : বৰ্তমান শিক্ষানীতিৰ কেৰোণ আছে। আজিকালি শৈক্ষিক পৰিৱেশৰো অভাৱ। অত্যাধুনিক কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত পিছপৰি থকা আৰু ইংৰাজীত কথোপকথন উন্নত নোহোৱাৰ বাবে অসমীয়া ছাত্ৰ-ছাত্ৰী সৰ্বভাৰতীয় পৰীক্ষাত সফল হ'ব নোৱাৰে। প্ৰাথমিক শিক্ষাৰ পৰা উচ্চ শিক্ষালৈ পৰিৱৰ্ত্তন আনিব লাগিব।

সম্পাদক : বৰ্তমান সময়ত গা কৰি উঠা ইংৰাজী মাধ্যমৰ বিদ্যালয় সমূহৰ বিষয়ে আপুনি কি কয় ?

বাইদেউ : ইংৰাজী অথবা অসমীয়া মাধ্যম যিয়েই নহওঁক সফল হবলৈ অধ্যৱসায় আৰু আত্ম বিশ্বাস লাগিবই। অসমীয়া মাধ্যম অনুপযুক্ত বুলি কোনো কথা নাই।

সম্পাদক : এতিয়াৰ ৰাজনীতি আৰু অতীতৰ ৰাজনীতি ইয়াৰ ওপৰত আপোনাৰ মতামত কি ?

বাইদেউ : এতিয়াৰ ৰাজনীতি আৰু অতীতৰ ৰাজনীতিৰ মাজত মূলগত পাৰ্থক্য আছে। আগৰ ৰাজনীতিত সামাজিক দায়বদ্ধতা প্ৰতিফলিত হৈছিল। কিন্তু বৰ্তমানৰ ৰাজনীতিত জনবল, ধনবলে বেছি প্ৰভাৱ পেলোৱা বাবে নৈতিক অধঃপতন হোৱা দেখা গৈছে।

সম্পাদক : মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখনৰ ওপৰত আপোনাৰ মতামত কি ? মঙলদৈ মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীয়ে সাহিত্য-সংস্কৃতিৰ দিশত কেনেকুৱা ভূমিকা লোৱাতো উচিত বুলি ভাৱে ?

বাইদেউ ঃ মঙলদৈ মহাবিদ্যালয় আলোচনীখনৰ মান সদায় উন্নত। কৃতি লেখকৰ লিখনিয়ে ইয়াৰ জৰিয়তে অসমৰ সাহিত্য জগতত উন্নত পদক্ষেপ লোৱাত সফল হৈছে। ভৱিষ্যতেও যেন আলোচনীখনে ইয়াৰ স্বকীয়তা বজাই ৰাখে তাৰো কামনা কৰিলোঁ। যিহেতু আজিৰ ছাত্ৰ কাইলৈ দেশৰ ধৰণী, সেয়ে মহাবিদ্যালয়ৰ বহু প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীয়ে সাহিত্য-সংস্কৃতিৰ দিশত ইয়াৰ পৰাই অগ্ৰসৰ হৈ দেশৰ সাহিত্য-সংস্কৃতি চহকী কৰাত উন্নত ভূমিকা লোৱাটো উচিত।

সম্পাদক ঃ আপোনাৰ জীৱনত মঙলদৈ মহাবিদ্যালয়ৰ কিবা বিশেষ স্মৃতি আছে নেকি ?

বাইদেউ ঃ অতীত সদায় মধুৰ। শিক্ষকতাৰ সময়ৰ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল মোৰ মানস পটত হীৰা-মুকুতাৰ দৰে আজিও জিলিকি আছে। বিশাল হলটোত একেলগে তিনিটা ক্লাছ কৰিছিলো। কেতিয়াবা বাহিৰত বহিও ক্লাছ কৰিছিলো। মুঠতে এক আনন্দমুখৰ পৰিবেশ আছিল সেই সময়ত। কেণ্টিনৰ পৰা চাহ আনি খোৱা, ছাত্ৰ-ছাত্ৰীৰ লগত ধেমালি কৰা কথাবোৰ আজিও স্মৃতি হৈ মনৰ মনিকোঠাত জিলিকি আছে।

সম্পাদক ঃ নতুন প্ৰজন্ম বৰ্তমান কি পথেৰে আগবঢ়াতো উচিত বুলি ভাৱে ? এই ক্ষেত্ৰত মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীৰ কিবা ভূমিকা আছে নেকি ?

বাইদেউ ঃ চৰিত্ৰৰ একান্ত গুৰুত্ব আছে। ব্যক্তিগত চৰিত্ৰ, মনোবল, আত্মবিশ্বাস এই কেইটাৰ অভাৱ হ'লে সমাজত অবক্ষয় হয়। সেয়েহে নতুন প্ৰজন্মই এই কেইটা দিশত অধিক মনোযোগ দি আগবঢ়াতো উচিত। অতীতত শিক্ষক সকলক পূজা কৰা হৈছিল, সন্মান জনাইছিল। কিন্তু বৰ্তমান টকা-পইচা, গাড়ী-মটৰেৰে সু-সজ্জিত জনকহে পূজা কৰা, সন্মান কৰা দেখা যায়। এই ক্ষেত্ৰত আলোচনীৰ ভূমিকা আছে। আলোচনীৰ লিখনীয়ে ছাত্ৰ-ছাত্ৰীৰ মন পৰিৱৰ্তন কৰি সৎ পথত অগ্ৰসৰ হ'বলৈ প্ৰেৰণা দিব।

সম্পাদক ঃ আপোনাৰ ভৱিষ্যত পৰিকল্পনা কি ?

বাইদেউ ঃ মঙ্গলদৈলৈ ঘূৰি যোৱা।

সম্পাদক ঃ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ আপোনাৰ একান্ত ব্যক্তিগত ?

বাইদেউ ঃ সকলোলৈ মোৰ মৰম চেনেহ আছে আৰু তেওঁলোকে মহাপুৰুষৰ জীৱন আদৰ্শ আগত ৰাখি সৎ পথেৰে জীৱনৰ বাটত আগবাঢ়ক।

সম্পাদক ঃ অসমৰ বৰ্তমান পৰিবেশ বিনষ্ট হোৱাৰ বাবে দায়ী কোন বাৰু ?

বাইদেউ ঃ অসমৰ বৰ্তমান পৰিবেশৰ বাবে সকলোৱে নিজে নিজে দায়ী। নিজৰ সুস্থ-সবল পৰিবেশ নিজেই গঢ়িব লাগিব।

সম্পাদক ঃ নিবনুৱা সমস্যাৰ ওপৰত আপোনাৰ মতামত ?

বাইদেউ ঃ নিবনুৱা সমস্যা সমাধান হ'বলৈ প্ৰত্যেকেই স্ব-নিয়োজনত মনোযোগ দিব লাগিব। চাকৰিমূখী মনোভাৱ পৰিহাৰ কৰি বাণিজ্য অথবা কৃষি পামত মনোযোগ দিয়া উচিত। তেতিয়াহলে নিবনুৱা সমস্যাৰ সমাধান সম্ভৱ হ'ব।

সম্পাদক ঃ মহাবিদ্যালয় এখনত Uniform ৰ প্ৰয়োজনীয়তা কিমান বুলি ভাৱে ?

বাইদেউ ঃ মহাবিদ্যালয়তেই নহয়, সকলো ধৰণৰ শিক্ষাকেন্দ্ৰতে Uniform থকাটো বাঞ্চনীয়। Uniform য়ে ছাত্ৰ-ছাত্ৰীৰ মাজত ধনী-দুখীয়া, উচ্চ-নীচ মনোভাৱ পাহৰাই মৰমৰ এক অটুট বান্ধোন সৃষ্টি কৰাৰ লগতে একতাৰ ডোলেৰে সকলোকে বান্ধি ৰাখে।

সাক্ষাৎ গ্ৰহণ ঃ সম্পাদক

কথা শিল্প

# সেই মানুহজন

ড° বিজয় কুমাৰ শৰ্মা

সাধাৰণ পৰিচয়ত যি সকলে ব্যক্তিগৰাকীক লগ পাইছে তেখেত সকলে কব চুটি, চাপৰ আৰু গাঠলু আছিল সেই মানুহজন। যি সকলে ওচৰৰ মানুহ হিচাপে চিনাকি দিব, তেখেত সকলে কব - এজন জ্যোতিষী, সুন্দৰকৈ সুৰ লগাই পুথি পাঠ কৰিব পৰা পাঠক আৰু এজন বৈদ বুলি। আলহী অতিথিয়ে কব - তেখেত অতিথি পৰায়ণ ; কিন্তু কোনো দিনেই অকাৰণত আত্মীয়ৰ ঘৰলৈ অহা যোৱা নকৰা ব্যক্তি বুলি। যদি কোনোবাই ধন ধাৰে দিছে তেখেতে কব বৰ সৎ মানুহগৰাকী। কথা মতে লেনদেন। কিন্তু তেখেতৰ পৰিবাৰক সোধক মানুহজনীৰ মুখখন হৈ পৰিব শিল-বৰষুণ আনিব ধৰা মেঘমণ্ডলৰ দৰে। গাহৰ্স্থ্য জীৱনত কিয়জানো শান্তি দিব নোৱাৰা সেই ব্যক্তিগৰাকী কিন্তু চাৰিটা সন্তানৰ পিতৃ। বাহিৰৰ পৰা আমি দেখাত সিহঁতে কোনো দিনে পাকঘৰৰ টেমা বা চুঙা খালি হব দিয়া নাই। হঠাতে কোনোবা এজন তেখেতৰ ঘৰত ওলালে 'লালচাহ' অকন নোখোৱাকৈ আহিব পৰা নাই। দুপৰীয়া সময়ত ওলোৱা অভ্যাগতক দুপৰীয়া সাজ আহাৰ গ্ৰহণ কৰিবৰ বাবে জোৰ নকৰাকৈ থকা নাই। তথাপি যেন কিবা এটা নাই নাই। সেয়ে মানুহগৰাকী বাহিৰৰ পৰা দেখাত খঙাল। জেতুকা পাতৰ ৰঙা ৰঙটো ব্যৱহাৰ কৰিলেহে পোৱাৰ দৰে তেখেতৰ মনৰ ভিতৰত সোমাব পৰা জনে সেই ৰং দেখিছে, সেই ৰং ঘহিব পাৰিছে আৰু সেই ৰঙেৰে খেল খেলিছে। বয়সত তেখেত আৰু মই মিলিব পৰা বিধৰ নহয়। কি যোগ সূত্ৰত মই তে খেতৰ মনৰ ভিতৰত সোমাব পাৰিলো কব নোৱাৰো। তেখেতৰ মই পুত্ৰ, বন্ধু আৰু সময়ত পৰামৰ্শ দাতা হৈ পৰিলো। এইজনা ব্যক্তিক লগ পোৱাৰ পৰা 'দাদৌ' বুলি মাতিছো। তেখেতৰ বয়স যেতিয়া ষাঠি মোৰ বয়স চৈধ্য কি পোন্ধৰ।

দাদৌৰ বিষয়ে এই লেখনিৰে মই কিছু কবলৈ যত্ন কৰিম। সৰুৰে পৰা বিশিষ্ট লোকৰ জীৱনী কিছু পঢ়িছোঁ। তেখেত সকলৰ সামাজিক বৰগুণিৰ বিষয়ে জানিব পাৰিছোঁ। বহু সময়ত বহুজনক অনুকৰণ কৰিবলৈও যত্ন কৰিছো। তথাপি সেই প্ৰখ্যাত ব্যক্তি সকলৰ প্ৰকাশ নোপোৱা বহু কথা নজনা বাবে আৰু মানুহক বহু সময় উদঙাই চোৱাৰ হেঁপাহ থকাৰ বাবে এই গৰাকী অখ্যাত লোকৰ জীৱনৰাজিক অস্ত্ৰোপচাৰ কৰি বিখ্যাত হব পৰা তেখেতৰ বহুগুণৰ সন্ধান পালো। কেতেকী ফুল হাবিত ফুলি হাবিতেই লেবেলি যায়। গভীৰ বনৰ মাজত অনেক চিত্তচমৎকাৰী পুষ্পই সৌন্দৰ্য্য পান কাৰীৰ দৃষ্টিৰ পৰা আতৰত থাকি জয় পৰি যোৱাৰ দৰে আমাৰ দাদৌৰ গুণবোৰ প্ৰচাৰৰ অভাৱত প্ৰশংসিত নহল।

মানুহে অতীত কৰ্মৰ বাবে বহু সময়ত অনুশোচনা কৰে। গ্ৰাম্য জীৱনত বিশ্বাস আছে অতীতৰ পাপ কৰ্মৰ বাবে মানুহে লেলাট ভুঞ্জি মৰিব লগীয়া হয়। তেনে কোনো পাপ কৰ্ম দাদৌৱে কৰিছে নে নাই কৰা কোৱা নাই। কিন্তু এদিন কৈছিল শিয়ৰি উঠা এক কাহিনী। দাদৌৰ ঘৰত কোনো মানুহ সেইদিনা নাই। আঘোণ-পুহ মহীয়া ঠাণ্ডা। দাদৌৰ লগত প্ৰায় মেল মাৰি থাকো। কথা প্ৰসংগত সুধি পেলালো তেখেতে তিনিবাৰ বিয়া কৰাবলগীয়া কাহিনীৰ বিষয়ে। হুমুনিয়াহ ওলাই আহিল। লিচু গছৰ তলত ধৰা জুই নুমাবলৈ ধৰিছে। তাত ফু দি আছে। জুই নাই, ছাইবোৰহে উৰিবলৈ ধৰিলে। ঠাণ্ডাদিনত গাৰ পৰা নেৰা এনেকি বজাৰলৈও উৰি অহা কম্বলখনৰ মাটিত লাগি থকা অংশ অলপমান দাঙি লৈ 'খৰি দুডালমান লৈ আহো বহ' বুলি পীড়াৰ পৰা উঠি যাব ধৰোতেই 'মোৰ গাটো দেখো বেয়া লাগছি' বুলি বহি পৰিল। মই কাথিত থকা ডাঙৰ ঢাৰিখন আনি জুইৰ কাষতে পাৰি দিলো। কেইডাল মান খৰি আনি জুইকুৰা জ্বলালো। লাহে লাহে দাদৌৰ গাটো ভাল হ'ল। 'খাপা বাপৌ খাপা পুৰ্বৰ খাপাৰ বাবে মই স্কুলত বেছিকে নপঢ়ি বৈদেলী শিকিলো আৰু খাপা পলাবৰ বাবে এজন দুজনকৈ তিনিজন লোকক অভিচাৰ মন্ত্ৰৰ বলত সিপুৰীলৈ খেদালো। বিয়া কৰালো। চলি নবৰেই। এটা সময়ত প্ৰথমটো ঢুকাল। আনলু দ্বিতীয়টো। সেই একে বাদী। এটা এটাকে চাৰটা হ'ল আৰু মৰিল। পিছৰটো জন্ম দি মৰিল মাক। এইক কোনে চাবো বুলি আনলু থাকাটো। এটা এটাকে আঠটা চলি দুটা তিৰি মাৰি মই কি কল্লু কি কল্লু বুলি ভাৰি থাকোতে থেকেৰাবেৰীয়া বুৰা আহি কলা তোৰ মানহুমাৰা ঝোলঙা খান ওটেই দি। দিলো। কোনো মতে এই তিনটাৰ লগত আগৰটোইদি চাৰটা কৰি আছো বাপৌ। ইতা চিন্তা হৈছি ইহাঁতক কেংকে মানুহ সাজ্‌বা পাবো।' এয়া দাদৌৰ পৰিয়ালৰ কথা।

খাপা পুৰণকৰোতা ঘৰ দাদৌৰ বাবে চিৰশত্ৰু। চুবুৰীয়া হিচাপেও দাদৌৰ প্ৰতি দেখুওৱা তেখেতসকলৰ মনোভাৱেও দাদৌক আৰু কষ্ট কৰি তোলে। মোৰ দুয়ো ঘৰৰ লগতে ভাল আহ-যাহ। দুয়োঘৰৰে সকলো কথাৰ পেট লৈ দেখিলো ভুল বুজাবুজি হৈ থকাৰ আচলতে কোনো কাৰণ নাই। সকলো প্ৰাকৃতিক নিয়মৰ দ্বাৰাই পৰিচালিত হৈ আছে। চুবুৰীয়া ঘৰক যে মিছাতে দাদৌয়ে সন্দেহ কৰি আছে সেই ভাৰ দূৰ কৰিবৰ বাবে যত্ন কৰিলোঁ। তেতিয়া মই সপ্তম-অষ্টম শ্ৰেণীৰ ছাত্ৰ। লিচুৰ বতৰ। দাদৌৰ বৰঘৰৰ মূধচতেই এজোপা লিচু। পকি মোক খা মোক খা হৈ আছে। এদিন আবেলি দাদৌক কলো লিচু খাবলৈ নিদিয়ে নেকি ? দাদৌৱে কৈ উঠিল 'গোহাঁই গাভৰুক নেদাকে কেংকেনো খাবা দেওঁ।' সেইদিনা ৰাতিয়েই দাদৌহঁত শোৱাৰ পিছত উঠিলোগৈ লিচুগছত। গছত আমৰলি। লিচু চিঙিছো, খাইছো। হাফপেণ্টৰ পকেটত ভৰাইছো। আমৰলিয়ে কামুৰিলে ভৰিখন ডাঙি গছৰ ডালত জোকাৰিবলৈ যত্ন কৰো। গছত উঠে শব্দ। দাদৌ আৰু খুৰীয়ে ঘৰৰ ভিতৰত কোৱা কুই কৰিছে - 'উঠছোন, শুনচানে উঠ। লেচুগছত কোন্‌বা উঠছি।' খুৰীয়ে মাত দিলে কোনো উঠা নাই দে বাদুলী। হাই, হাই,চুহ্‌। কিছু সময় লিচু গছত তভক মাৰি থাকিলো। ইফালে আমৰলিৰ কামোৰ। আকৌ গছৰ পাতত চৰত্ চৰত্ শব্দ। 'হেই কোনবা উঠছিয়েই গাছত চাতিখৰ লগউচু।' দাদৌৰ মাত শুনি খুৰীৰ উঠিল খং - 'মান্নাই মাৰাটো। দোভাগ ৰাতিৰ লেগি লেচুৰ তলত বহি বহি বাগাৰ দিছো

আহি উঠিলে কোনবা। যা নিজে যা মই যাবা নবো।' - 'হেই খংনো কৰা কিয়া। বুৰাৰ লগ হকে বুলিয়ে তোক আনলু। সুখে দুখে দুটাৰে গৃহস্থী।' ইত্যাদি কথাবোৰ শুনি উঠিলি হাঁহি। মুখৰ ভিতৰত হেচি ৰাখিব নোৱাৰা খোক্ শব্দটি শুনিহে যেন খুৰী পতিয়ন গ'ল লিচু গছত মানুহ উঠিছে। দিয়াশলাই মাৰি চাকি জ্বলাই, উঠি লেম্প জ্বলোৱা, হাতত বেকী দা টোকন লৈ দুৱাৰৰ দাং খুলি ওলাই অহা সময়চোৱা বৰ দ্ৰুতগামী বুলি গা-গছেৰে নানামি কাঠ আলু বগাই যাবৰ বাবে লিচু গছেৰে থিয় কৰি থোৱা সাইত ধৰি নামি আহিব খোজোতেই গ'ল বাঁহ ভাঙি। পৰিলোহি মাটিত ধুপুচকৈ। লিচুৰ ওপৰত মানুহৰ আক্ৰমনৰ কথাত নিশ্চিত হৈ দাদৌয়ে ঘৰৰ ভিতৰতেই মাৰিলে খুৰীক একোৰ। লাগি পৰিল তয়া-ময়া বাকযুদ্ধ। 'মই কওঁ মানুহ্ তই ক বাদুলী। হেয়া চাউ ইতা, মানহু নে বাদুলী। খালি খালি তই মোৰ গৃৰস্থী শেষ কল্লি। মোৰ কথা নুশুনা। তোৰটোহে তোৰটো।' মই গছৰ পৰা নামি আন্ধাৰৰ মাজত বৈ থাকিলো। তেখেতৰ পূৰ্ব শত্ৰুৰ পৰিয়াল বাহিৰলৈ ওলাইছে। চাকিটো ঘৰৰ কাথিত। কাক তালীয় কথা। ঘৈনীয়েকক দাদৌৱে কৰ ধৰিলে গালিৰ সুৰত – 'সেয়া নহয়। লেচু চোৰ কৰি ঘৰ সুমৰা গেইছি। সেইয়া দেখ্ছা। পোহৰ দেখেই পৈয়াকক নিবা আইছি চাল্লি।' পিছদিনা ৰাতিপুৱাতে দাদৌৰ ঘৰ পালোগৈ। লেচু গছৰ তলৰ ফালে চাই কলো - 'দাদৌ লিচুবোৰ বাদুলীয়ে খাই শেষ কৰিব কিবাএটা কৰক।' 'বাদুলী নহয় বাপৌ, সেই কুকুৰৰ ঘৰে কালি ৰাতি লিচু মোখা পাৰি নি খালা। গাছতে ধৰ্বা পাল্লু হয়। আমাৰ দুটাৰ ঘৰৰ ভিতৰত কিবা ঘপ্লৌ-মপ্লৌ লাগি পৰিল। বাচা কোনোমতে গাছৰ পে নামি আহিল। আমিও ঘৰৰ পেৰে দলেই মাল্লু বেকী দা খান ফৰ্পটি। ভাগ্যে বাছিল। কুকুৰে মোক কামুৰবা এৰা নাই।' দাদৌৰ সন্দেহলৈ লক্ষ্য কৰি মোৰ অপৰাধী মনৰ বাবে মনতে অনুতাপ কৰিবলৈ ধৰিলো। কেনদৰে তেখেতৰ সন্দেহ ভঞ্জন কৰো।

দাদৌৰ ঘৰৰ বেৰ নাই বুলি কৰ পাৰি। ঘৰৰ কোণৰ বেৰৰ তলফালে ভঙা ঠাইত সৰু ঢাবি এখন দি ওচৰতে কল-কঠাল থয়। আঠিয়া কলেৰে তেখেতৰ ঘৰৰ কোণত ওখ দম হৈ থাকে। যৌৱনৰ দোকমোকালিৰ সময়চোৱাত কি খাওঁ কি খাওঁ লাগি থকা স্বভাৱটোৱে দাদৌৰ ঘৰৰ কোণৰ আঠিয়া কলৰ লগত মিতিৰ পাতিলো। দাদৌৰ ঘৰত মানুহ নথকাৰ সুযোগত গৈ ভঙাবেৰৰ কাষত খাপ লৈ থকা ঢাবিখন গুচাই আঠিয়া কলৰ আখি এটা উলিয়াই বাকলি গুচাই কলটো লৈ আখিটো পুনৰ নিৰ্দ্দিষ্ট ঠাইত থৈ কলটো খোৱাৰ যি আনন্দ আজিও ভাৱিলে এক অজান আনন্দত নাচিব মন যায়। দিন যোৱাৰ লগে লগে দাদৌৱে মন কৰিলে কোনোবাই কলৰ বাকলি গুচাই আখিটো থৈ মোক ঠাট্টা কৰিব বিচাৰিছে। মনে মনে চোৰ ধৰাৰ কথা চিন্তা কৰি এদিন বাহিৰৰ ফালে দুৱাৰৰ দাং লগাই দাদৌ বহি থাকিল কলৰ ওচৰত। দিনৰ দহ এঘাৰ বজাত ঘৰৰ মানুহ নোহোৱা সুযোগত দাদৌৰ ঘৰৰ ভগা বেৰৰ ওচৰ পালোগৈ। এজন এজনকৈ পৰিয়ালৰ নাম কৈ লাহে লাহে মাতিলো। নাই কোনো মানুহ থকাৰ উম ঘাম নাই। লাহেকৈ ঢাবিখন গুচাই হাতখন ভিতৰলৈ সোমাই কলৰ আখিত হাত দিছো মাত্ৰ, দাদৌৱে খাপ মৰি হাতে কলে ধৰিলে জপটিয়াই ঘৰৰ ভিতৰতে। দাদৌৱে টানে ঘৰৰ ভিতৰৰ ফালে আৰু মই ৰক্ষা পোৱাৰ আশাত বাহিৰৰ ফালে। অৱশেষত দাদৌৱে মাত দিলে - 'বাপৌ তোৰ ওপৰত মই মেল পাতিম, নহলি ঠিয়া হৈ থাক। মই এৰি দিলো।' ৰাজহুৱা মেল বহিব মোৰ ওপৰত। চোৰ বুলি সাব্যস্ত কৰিব। মই এজন স্কুলীয়া ছাত্ৰ। সমাজে মোক কি বুলিব। বিভিন্ন চিন্তাত পৰি ব্ৰজ পৰা মানুহৰ দৰে ঠিয় হৈ থাকিলো। দাদৌৱে ঘৰৰ ভিতৰৰ পৰা দুৱাৰৰ দাং খুলি ওলাই অহাৰ লগে লগে ভৰি দুখনত হাতেৰে খামোচ মাৰি ধৰিলো। দাদৌ মেল নাপাতিব। মোক আপুনি যি কৰিব দিয়ে তাকে কৰিম।' মোৰ মুখৰ ফালে কিছু সময় চাই থাকি ঘৰৰ ভিতৰলৈ সোমাই গৈ এক আখি কল আনি মোৰ আগত থলে। পীৰা এখন লৈ আহিল। মোক বহিব দিলে। দাদৌও পীৰা এখনত বহিল। 'মেল পাতবা নালগেই যেদি কল গিটা খা।' মই কি কৰিম কি নকৰিম কৈ এটা এটাকৈ দহটা আঠিয়া কল খাই পেলালো। কিছু সময় মোৰ মুখলৈ থৰ পৰি চাই থাকি হিয়া খুলি হাঁহি এটা মাৰি দাদৌৱে কলে - 'খাবি, তই কল খোৱা মানহু। যিমান মন যায় মোৰ ঘৰত কল খাবি।' দাদৌৰ হাতৰ পৰা সাৰিলো। কিন্তু দাদৌৰ বিচাৰৰ ৰায়ে মোক কি শিকালে কৰ নোৱাৰো, কিন্তু তেখেতলৈ শ্ৰদ্ধা মোৰ আৰু বাঢ়ি গ'ল। অজান আত্মাই লিচু চোৰৰ কাহিনীটো কৰৰ বাবে মোক মনৰ ভিতৰতে চাবুকেৰে কোবাই থাকিল।

আমাৰ ওচৰে পাজৰে উচ্চ শিক্ষা লোৱা লোক প্ৰায় নায়েই। দাদৌৰ ডাঙৰ ল'ৰা আমাতকৈ তিনি চাৰি বছৰে সৰু। একেখন হাইস্কুলত পঢ়ো। সিহঁতৰ সমনীয়া ল'ৰাৰ লগ লাগিব নিদি দাদৌৱে মোক গতালে তেখেতৰ ল'ৰাক। 'বাপৌ ইয়াক চাবি। একেবাৰে চেঙেলী। যাবে তাবে লগ লাগিলি অবাটে যাবো। কথাত কৰেই নহয় 'ভাল পো নষ্ট হৰেই নুসুধিলে বাপত, ভাল কাপোৰ নষ্ট হৰেই যদি লৰেই ঝাপত'। সি মোৰ লগত কথা বাৰ্ত্তা নাপাতেই। পাবা যদি তহঁতৰ লগত ফুৰেই মানহু কৰবা যত্ন কৰ। ক'লা আখৰ জানবা লাগেই। দুটা এটা ক'লা আখৰ জানো দেখি কিবা এক মুঠা পাওঁ নহয়। দিন কাল বেয়া হৈ আইছি। বহুত কথা ভালকে জানবা লাগা আছেই।' কীৰ্ত্তন, দশম, নামঘোষা, গীতা সুন্দৰ কণ্ঠেৰে মুখস্থ মাতিব পৰা দাদৌৱে শাস্ত্ৰ সমূহত পোৱা নাৰদৰ ঢেকী, সঞ্জয়ৰ দিব্যচক্ষু, কৌৰৱৰ জন্ম প্ৰক্ৰিয়া, জহ্নুমুণিৰ সন্তান ধাৰণ ক্ষমতা আদিৰ বৈজ্ঞানিক বাখ্যা জানিব বিচাৰে। তেখেতে নোৱাৰা কাম খিনি তেখেতৰ পুত্ৰই কৰক এই আশা দাদৌৰ মনত।

ল'ৰাৰ অতপালি। দাদৌৰ অশান্তি। ল'ৰাৰনো স্বভাৱৰ পৰিৱৰ্ত্তন হবনে ? সেয়ে শাসনৰ নামত ফলা খৰি, ঢেকী থোৱাৰ ফম্মুৰ্টি, বাঢ়নীৰ কোৰ আৰম্ভ হ'ল। বাধা দিয়ে খুৰীয়ে। ল'ৰাৰ শাস্তি পৰেগৈ ঘৈনীয়েকৰ গাত। মাৰ, কিল, গালি পাৰি উঠাৰ পিছত দাদৌ হৈ পৰে অশান্ত। পুত্ৰ স্নেহত হৈ পৰে অধীৰ। ওলাই যায় বজাৰলৈ। লৈ আহে মাছ, গাখীৰ। তেখেতৰ ঘৰত প্ৰায়ে মাছ আৰু গাখীৰ থাকিবই। ধেমালিতে যদি সোধো দাদৌ - 'ল'ৰাৰ মতি গতি কি হয় ঠিক নাই, ইমান খুৱাই লাভ কি ?' 'নাই বাপৌ কথাত কৈছি - হাতীক খুৱবা দি খুৱেবি বাঘৰ চখুইদি চাবি।' খোৱা-পিন্ধাৰ প্ৰতি সচেতন দৃষ্টি ৰাখি পুত্ৰক জ্ঞানৰ জখলাত আগলৈ নিয়াৰ প্ৰচেষ্টা। বিদ্যালয়ৰ চিনাকি শিক্ষক প্ৰায়ে তেখেতে ঘৰলৈ মাতে। 'আহিবচোন তাক দুই চাৰটা কথা কৰো আহি।'

ল'ৰা লাহে লাহে ডাঙৰ হৈ আহিল। পিতা-পুত্ৰৰ বাহ্যিক সমন্ধ যেন তেল-পানী। লাহে লাহে ল'ৰাই বয়সৰ গোন্ধ পালে। হ'ল চিনাকি এগৰাকী গাভৰুৰ লগত। দাদৌৱে গম পাই চিন্তাত পৰিল। 'হায় খাবো ইতা ই মোক, সেটু ঝিয়া আন্‌লি জাত-কুল গোটায়ে গে'ল।' আলোচনা আৰম্ভ হ'ল দুয়োৰে। এদিন ছোৱালীৰ মাকক দাদৌৱে ঘৰলৈ মাতি আনিলে। ৰহস্য ভেদ কৰা নাই। ল'ৰা আছে ঘৰতে। ছোৱালীৰ মাকক বহিব দি ল'ৰাক লাহেকৈ সুধিলে - 'মাক আইছি দিন বাৰ কৰো, দিয়া-থৱাৰ আলোচনা হক।' ল'ৰা পলাল। ছোৱালীৰ মাকক ঘৰতে থোৱা লিচু, লেতেকু দি কলে - 'লৈ যা ঝিয়া বতৰৰ ফল খাবি। নিজে নিবা বেয়া পাওঁ সেয়ে মাতি আনল্লু বেয়া নাপেবি।' ছোৱালীৰ মাকে আচল ৰহস্য গম নাপালে। ল'ৰাৰো মতি সলনি হ'ল। সি ক্লাছ টেইন পালে।

ঘৰৰ কাষতে থকা চাৰিচৌকাত পহৰা দিবৰ বাবে সাজি থোৱা চাঙখনত ৰাতিপুৱা ন বজা মানৰ পৰা ৰাতি ন-দহ বজালৈ ইজনৰ পিচত সিজনকৈ আহি তাচখেলা খেলে। দাদৌৰ ল'ৰাও। বহু কৈয়ো খেলাৰ পৰা তাক আতৰাব নোৱাৰি এদিন ৰাতি প্ৰায় দহ বজাত তাচখেলাৰ ওচৰত দাদৌ হাজিৰ। হাতত এডাল টোকন, এটা লেম্প আৰু এটা টিপতত এটিপত চাহ। খেলুৱৈৰ ওচৰত সেই খিনি থৈ কলে - ' চাহ খিনি খাবি, আন্ধাৰ ৰাতি সেয়ে লেম্পটো দিলো, ভয় লাগবা পাৰেই টোকনডাল লৈ যাবি। কিবা যোগাৱ লাগিলি খোৱৰ দিবি।' সেই দিনাৰ পৰা ল'ৰাৰেই নহয়, সকলোৰে পৰা তাচ খেলে বিদায় ললে বহুদিনলৈ। চাঙখন ভাঙিল। কোনেও নাসাজিলে।

দাদৌৰ মনটো মেঘবৰৰ দৰে। নিজৰ বহুতেই নাই। কোনোবাই কিবা বিচাৰিলে যেনেতেনে গোটাই দিব। বিপদৰ দিনত এবাৰ মাত দিব। দেশৰ দুৰ্য্যোগৰ দিনটো দাদৌৰ কথাই বহুতকে দিছে শক্তি, মনোবল। দাদৌৰ জীৱনৰ বহু কাহিনী। সৰু সৰু ঘটনাই অলেখ। কোনো দিনে কাকো ঠগোৱা নাই, কিন্তু আনে প্ৰবঞ্চনা কৰিছে বহুবাৰ। দাদৌৰ এটাই কথা - 'বাপৌ, আমাৰ নিচিনা পিছপৰা ঠাইৰ পেৰে চলি-পলিক পঢ়া-শুনা কৰি উলবা পাবাটোৰ ওপৰত জোৰ দি। পঢ়া-শুনা জানা মানুহ থাকা ঠাই এনেই পোহৰ হৈ থাকেই।'

অন্ন-বস্ত্ৰৰ বাবে সংগ্ৰাম কৰি নিজৰ লগতে আনৰ ল'ৰা-ছোৱালীক মানুহ কৰাৰ ক্ষেত্ৰতে মনতে আঁচনি লৈয়ো এই গৰাকী দাদৌ উচ্চ ৰক্তচাপ জনিত কাৰণত হঠাতে অসুস্থ হৈ চিকিৎসালয়ত থকা সময়ত ওচৰতে বহি মূৰটো পিতিকি দিয়াৰ চলেৰে চুবুৰীয়াৰ লগত থকা তেখেতৰ মনোভাৱ জানিব বিচৰাত তেখেতে কলে - 'বাপৌ, বাহিৰৰ ভাৱ আৰু ভিতৰৰ ভাৱ বেলেগ। কুৰু-পাণ্ডৱৰ ৰাজ্যৰ বাবে ঝুঝ লাগ্‌ছিল। দিনত ঝুঝ কৰেই, ৰাতি গোটেইগিলা একেলগে বহি গোলমাল কৰেই। মোৰো এয়া কুৰু-পাণ্ডৱৰ ঝুঝৰ নিচিনা। শত্ৰু ভাৱেও মানুহক আগবাঢ়ৱা শিখৱেই। পিছে সেটু আকো বুজি পাবা লাগবু। মই ৰাতি ৰাতি শত্ৰুৰ লগত মিত্ৰৰ নিচিনাকে নবৈভা পাৰো। কিয়া জানচা। মোৰ ইতাও ৰাতি হৱা নাই।'

মই লাহেকৈ লিচু চোৰ কৰা কাহিনীটো কলো। চুবুৰীয়া ঘৰে লিচু চোৰ কৰা নাছিল, মইহে খাইছিলো সেই লিচু। অকপট স্বীকাৰোক্তি শুনি অসুস্থ দেহেৰেও দাদৌৱে হাঁহি এটা মাৰিলে আৰু মোৰ হাত এখন খামুচি ধৰিলে। 'মই জানো বাপৌ চৰ জানো, সিহঁতক কবি ইমান দিনে ভাউৰীয়া ক'ল্লু। ৰাতি পুৱাল ভাউৰীয়া শেষ হ'ল। চোৱা মানহু ঘৰক গেল।' মই লাহে লাহে হাত এখন দাদৌৰ ভৰিৰ ফালে নি সেৱা এযা যাছিলোঁ।

'বাপৌ সকৰে পেৰে ডাঙৰ হ'লো সিহঁতে লোকক উপকাৰ কৰা দেখা নাপালো। উচ্চ কূলৰ হৈ মদ, ভাঙত মতি দেখিলো। দেখ্‌চা নহয় সিহাতৰ চলিৰ মতি গতি। মই বেয়া পাৱা কথা সেগিলায়ে। আমাৰ গিটাও সেনে হবা লাগিলি মোক নৰকৰ পেৰে উদ্ধাৰ কৰা কোন আছেই। শাস্ত্ৰত কৈছি -

অদাতা বংশ দোষেণ  
পিতৃ দোষেণ মূৰ্খতা  
উন্মাদনা মাতৃ দোষেণ  
আত্ম দোষণ দৰিদ্ৰতা

মোৰ চলি-পলি শিক্ষা নাপেলি জানালোকে মোক দোখ দিবু। সেধৰিয়ে সিহাতক মাৰো, গালি পাৰো। গাৱেলীয়া চলি নহয়। বোনেৰীয়া হাথীৰ নিচিনা। সিহাতক বৈইশ কৰ্‌বা লাগিলি মিত্‌ দাই দি ঘায়াবা লাগবু। বুজাক বুজেবি আকাৰে ইঙ্গিতে, নুবুজাক বুজেবি ধিৰিহা চাপৰে।' কথা কৈ কৈ মাজৰাতিৰ ফালে দাদৌ অৱশ হৈ পৰিল। মুখেৰে গৰগৰীয়া শব্দ একোটা ওলাবলৈ ধৰিলে। হস্পিটেলৰ ডাক্তৰ জন ডিউটি কৰি কৰি ভাত খাবলৈ গৈ আহি পোৱা নাই। আমাৰ মাজৰে কোনোবা ডাক্তৰৰ ঘৰৰ ফালে বেগাই গ'ল। দাদৌৱে আমাৰ অৱস্থা বুজিব পাৰি সেহাই সেহাই কলে - 'ডাক্তৰ নিমিত্ত মাত্ৰ, আমি নিয়তিৰ দাস, সকলো তেওঁৰ মতেই হয়।' উচ্চ শিক্ষাৰ বাবে গুৱাহাটীত পঢ়ি থকা তেখেতৰ ল'ৰাই দুপৰীয়া টেলিফোন যোগে দেউতাকৰ খবৰ পাই ঘৰ পালেহি ৰাতি দহ মান বজাত। তাৰ পৰা হস্পিটেললৈ আহি দেউতাকৰ মূৰত হাত থৈ মাত দিলে, 'পিতাই! তই দুখ নকৰিবি, মই মানুহ হম।' দাদৌৱে চকুহাল বহলকৈ মেলি দি একেথৰে ল'ৰাৰ মুখলৈ চাই থাকিল। লাহে লাহে সেই বহল হৈ সেমেকি থকা চকুজুৰি মুদ খাব ধৰিলে। ল'ৰাই চিঞৰি উঠিল - 'পিতাই তই মোক ভূল নুবুজিবি। তোৰ আশা মই পুৰণ কৰিম।'

ৰাতিয়েই ঘৰলৈ খবৰটো দিবলৈ আহিলো। দাদৌৰ চোতালত তেতিয়াও কেইবাজনো মানুহে কথা পাতি আছে। 'বৰ খং আছিলদেই মানুহটোৰ।' চুবুৰীয়া ঘৰৰ গিৰিহঁতেও খুৰীক শান্তনা দিছে - 'ভয় নকৰিবি আমি আছো। চৰ ঠিক হব।' মোক দেখি সকলোৱে মোৰ মুখৰ পিনে চালে। কি খবৰ ! কি খবৰ বেমাৰীৰ ! মই বাকৰুদ্ধ হৈ পৰিলো। কেনেকৈ কওঁ দাদৌ যে আৰু নাই। মই থৰ হৈ থকা দেখি দুই এজনে কথাটো অনুমান কৰিব পাৰিলে। দূৰৈত এটা চৰায়ে তেতিয়া চিঞৰি আছিল - 'বৌ কাকা ক'ত ; বৌ কাকা ক'ত।' ❑❑

ড°বিজয় কুমাৰ শৰ্ম মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক

কথা শিল্প

# খিড়িকী

মহাদেৱন বৰুৱা

কথাটো ইমান ডাঙৰ হবগৈ বুলি ৰবীন বৰুৱাই ভবাই নাছিল। তেওঁ ভাবিছিল যে ববাক কথাটো বুজাই কব আৰু লাগিলে খিড়িকীখনৰ ভঙা অংশটো মেৰামতিৰ বাবদ হোৱা খৰছৰ দায়িত্ব তেওঁ বহন কৰিব। বচ সিমানেই। কিন্তু সন্ধিয়া ঘৰলৈ ঘূৰি আহি প্ৰতিবেশী বৰানীৰ উশৃংখল গালি-গালজ শুনি তেওঁ স্তম্ভিত হ'ল। বৰানীৰ মুখৰ লেকাম চিঙা গালিবোৰ যে তেওঁলোকক উদ্দেশিয়ে পৰা হৈছে ; ৰবীন বৰুৱাৰ আৰু বুজিবলৈ বাকী নাথাকিল।

মহিলা সমিতিৰ সভানেত্ৰী সবিতা বৰা। অঞ্চলটোত সকলোৰে পৰিচিত বৰানী। সেই মিঠামুখীয়া ইমান মোলায়েম কথা কোৱা মানুহগৰাকীয়ে যে নিজৰ এই সামান্য ক্ষতিতে জাঙুৰ খাই উঠিব পাৰে ভাবিবই নোৱাৰি।

ঃ জনা বুজা মানুহ হৈ এনেকৈ আনৰ ক্ষতি কৰি পুলুকা মাৰি থাকিব নালাগে নহয় ; খেলা খেললে যদি ষ্টেডিয়ামলৈ নাযায় কিয় ?

বৰানীৰ কথা কেইটাই ৰবীন বৰুৱাক ঠৰহ ঠৰহকৈ বিন্ধিলে। ৰহাৰ পৰা ঘপহকৈ উঠি তেওঁ বৰানীহঁতৰ ঘৰলৈ যাব খোজোতেই পিছফালৰ পৰা বৌৱেক বন্দিতাই কলে - "নালাগে ভাইটি নাযাবা।ককায়েৰাই গৈ এবাৰ কৈ থৈ আহিছেই। বৰানীৰ মগজু ঠাণ্ডা নহয় মানে সকলো মিছা।"

অগত্যা কিবা এটা ভাবি ৰবীন বৰুৱা তভক মাৰি ৰ'ল আৰু একোবত কমত সোমাই দুৱাৰখন বন্ধ কৰি দিলে।

এই খেলাক লৈয়ে ককায়েক অৱনী বৰুৱাই এসময়ত ৰবীন বৰুৱাক গালি-গালাজ কৰিছিল। পুৰণি দিনৰ সেই বিষাদ মধুৰ স্মৃতিবোৰ ৰবীন বৰুৱাৰ মনত চিনেমা-ছবিৰ দৰে উদ্ভাষিত হবলৈ ধৰিলে। কলেজত পঢ়া বা তাৰো আগৰ যৌৱনৰ সেই প্ৰাণোচ্ছল দিনবোৰৰ স্মৃতিবোৰে মাজে মাজে তেওঁক উন্মনা কৰি তোলে। পৰীক্ষাৰ সময়তো যেতিয়া ৰবীনে খেলিবলৈ যায় ; তেতিয়া পঢ়াৰ প্ৰতি আওকান কৰা বুলি ককায়েকে ৰবীনক খং কৰিছিল। ৰবীনৰ এনে কাৰ্যত তেওঁ যে ক্ষুন্ন হৈছিল সেই কথা প্ৰমাণ কৰিবলৈ গধূলি ৰবীন ঘৰলৈ ঘূৰাৰ সময়ত বকিছিল। কিন্তু খেল পথাৰত ৰবীনে যেতিয়া বিপক্ষৰ সকলো খেলুৱৈকে বুৰ্বক বনাই মৌ-মাখিয়ে মুখত মৌ লৈ অকাই পকাই যোৱাৰ দৰে বল লৈ গৈ বিপক্ষৰ গ'ল প'ষ্টত প্ৰচণ্ড চৰ্ট লৈছিল ; তেতিয়া তেৰোঁ দৰ্শকৰ মাজত ৰোমাঞ্চিত হৈ উঠিছিল। উত্তেজনাত উশাহ চেপি বৈ থকা দৰ্শক সকলে তেতিয়াহে স্বস্তিৰ নিশ্বাস এৰিছিল ; যেতিয়া ৰবীনৰ ভৰিৰ পৰা যোৱা বলটোৱে গ'ল প'ষ্ট আৰু বাৰৰ সংযোগ স্থলীত উৎপত্তি হোৱা নব্বৈ ডিগ্ৰী কোণটোৰে সোমাই নেটত পাকঘূৰণি খাইছিল। দৰ্শকৰ উল্লাস ধ্বনিৰে গোটেই খেল নথাৰৰ চতুৰ্দিশৰ বতাহ উষ্ণ হৈ উঠিছিল। সতীৰ্থ সকলে জয়ৰ আনন্দত ৰবীনৰ গাত উবুৰি খাই পৰিছিল। কোনোটোৱে আকৌ তাক কান্ধত তুলি লৈ ফিল্ডখনত এপাক ঘূৰাইছিল। অনুৰাগী দৰ্শকৰ মুখত সেই সময়ত চন্দময় গতিত বৈ বৈ বাজিছিল মাথো এটা নাম - ৰবী - ৰবী - ৰবী .....। বয়োজ্যেষ্ঠ কোনোৱে মন্তব্য দিছিল - "এই ল'ৰাজনৰ ভৰিত যাদু আছে দেই।" ৰবীনৰ বাবে সেয়া আছিল নিৰ্মোহ স্বীকৃতি। সেইবোৰ এতিয়া কেৱল স্মৃতিকথা মাত্ৰ। একান্ত ব্যক্তিগত মুহূৰ্তবোৰত সেইবোৰ স্মৃতিয়ে তেওঁক আমনি কৰে। ৰক্ষা কৰিব নোৱাৰা এটা আদৰ্শই দুৰ্বল মুহূৰ্তবোৰত ৰবীন বৰুৱাক মাজে মাজে মধুৰ আঘাট দিয়ে।

এবাৰ ফুটবল খেলিবলৈ গৈ আঠুত পোৱা আঘাটৰ বাবে পোন্ধৰ দিন শৰ্য্যাশায়ী হোৱাৰ কথা এতিয়াও তেওঁৰ মনত আছে।

ঃ এতিয়া আহিছেনে কোনোবা সতীৰ্থ ; ডিঙিত জয়মাল্য দিবলৈ ?" নতুনকৈ বিয়া হৈ অহা বৌৱেক বন্দিতাই বিজ্ঞ বিচাৰকৰ দৰে ৰায় দিছিল - "তোমাৰ টিম ডুবি গলেও আৰু তুমি খেলিব নোৱাৰা। পৰীক্ষা আহিছে ; পঢ়িব লাগে।"

একেই অভিযোগ আছিল বিহাৰ। বৰং বিহাৰ অভিযোগ আছিল ইয়াতকৈয়ো চৰা।

ঃ এনেকৈ খেলি ফুৰিলেই কি তোমাৰ ভৱিষ্যত কেৰিয়াৰ বনি যাব ? এনেকৈ জানো আমাৰ সপোন বাস্তৱত পৰিণত হব ? বিহাৰ কথাৰ অৰ্থ ৰবীনে নুবুজা নহয়। সিও বুজি পাইছিল যে সামান্য সুবিধাৰে এই বিশাল সমস্যাক নেওঁচি কেৱল প্ৰতিভাৰ ফলত নামী-দামী খেলুৱৈ হোৱাটো হয়টো সম্ভৱ নহবগৈ। তথাপিও কিয় জানো তাৰ মনত এটা সপোনে বাহ লৈছিল খেলুৱৈ হোৱাৰ। আদৰ্শ খেলুৱৈ।

কোঠাটোৰ বতাহ খিনি ৰবীন বৰুৱাৰ অসহ্য লাগিছিল। বাহিৰলৈ ওলাই আহি তেওঁ ঘৰৰ সন্মুখৰ ফুলনিখনত দুবাৰমান পায়চাৰি কৰিলে। পৰিবেশটো অলপ নিজম পৰিছে। বৰানীও চাগে গালি পাৰি পাৰি কিছু ক্লান্ত হৈ পৰিছে। নতুবা নতুনকৈ কিবা গালি-গালজ মুখত আহে নেকি মনতে জুকিয়াইছে। কেৱল পাকঘৰৰ পৰা কাঁহি-বাতিৰ ঠুং-ঠাং শব্দ দুই এটা আহি আছে। বাৰান্দাৰ পৰা চকী এখন ডাঙি আনি তেওঁ ফুলনিৰ মাজত বহি ছিগাৰেট এটা জ্বলালে। ছিগাৰেটৰ ধোৱাৰ দৰে ভাৱনাবোৰো তেওঁৰ মনৰ গোপন তলীৰ পৰা কুণ্ডলী পকাই ওলাই আহিবলৈ ধৰিলে।

এবাৰ ক্ৰিকেট খেল এখনত কি হ'ল ; ৰবীন তেতিয়া কলেজৰ

ওপৰ শ্ৰেণীৰ ছাত্ৰ। টিমৰ নিৰ্ভৰযোগ্য খেলুৱৈ। তীব্ৰ বেগী ফুলটাচ বল এটা ফাইন লেগত পুল চৰ্ট খেলিবলৈ বেট ঘূৰাইছে। আশাকৰাতকৈ বলটো অলপ ওপৰেদি আহি পোনে পোনে ৰবীনৰ তল পেটত আঘাট কৰিলে। সকলোকে হতাশ কৰি সি ক্ৰিজ এৰিব লগা হ'ল আৰু লগে লগে হাস্পাতাল। দুদিন পিছত ফাইনেল খেল। ৰবীন নিশ্চিত হ'ল যে বৌৱেক আৰু বিছাই তাক এইবাৰ নিশ্চয় খেলিব নিদিয়ে। সিহঁতৰ দলৰ অঙ্কুৰ আহিল। অঙ্কুৰ সিহঁতৰ কেপ্টেইন। সকলোৰে শ্ৰদ্ধাৰ সতীৰ্থ। জেহিৰ চাবৰ ভাষাত অঙ্কুৰ কেপ্টেইন দি গ্ৰেট। সি কও নকওকৈ ৰবীনক কলে - "মই তোক জোৰ নকৰো। গা ভাল পালে পিছৰ খেল খেলিবা। এইবাৰলৈ আমি চেষ্টা কৰি চাওঁ। পিছে চাওঁ দিয়াছোন ডাক্তৰে ক্লিনিকেল নোটত কি লিখিলে ? মই চাবই নহ'ল নহয়।"

ৰবীনে খিড়িকীৰে পাকঘৰলৈ চালে। বৌৱেকে বিছাৰ লগত কিবা কথা পাতি আছে। সম্ভৱত অঙ্কুৰলৈ চাহ কৰিছে। অঙ্কুৰৰ ফালে চাই সি কলে - "মাৰ গুলি তোৰ ক্লিনিকেল নোট। ডাক্তৰৰ ওচৰলৈ গলেতো বেষ্ট লবলৈ কবই। ঠিক আছে বিষ ভাল পাইছোঁ। খেলিব পাৰিম।" একে উশাহতে কথাখিনি কৈ ৰবীনে অঙ্কুৰৰ মুখলৈ চালে। অঙ্কুৰে বহাৰ পৰা উঠি ঘপহকৈ ৰবীনৰ হাত দুখনত খামোচ মাৰি ধৰিলে ; যেন সি হেৰোৱা মাণিকহে বিচাৰি পালে।

ঃ "কি খবৰ কেপ্টেইন দি গ্ৰেট ? এইবাৰ নতুন ৰণকৌশল ৰচনাত ব্যস্ত নেকি ?" বন্দিতাৰ মাতত দুয়ো অপ্ৰস্তুত হৈ পৰিল। নিবিড় মিলন সম্ভাষণ মূহুৰ্ত্তত হাতে-লোটে ধৰা পৰি যোৱা প্ৰনয়ী যুগলৰ দৰে দুয়ো সংকুচিত হ'ল।

ঃ "নাই মানে বৌ ...." অঙ্কুৰে খোকোজা খালে।

ঃ "হব হব চাহ খোৱা" বুলি কৈ টিপয়খন টেবুলত থৈ বন্দিতা বিছনাখনৰ এমুৰে বহি ললে।

ঃ আচলতে কি জানা অঙ্কুৰ ; বন্দিতাই তেওঁৰ স্বাভাৰিক গম্ভীৰ কণ্ঠেৰে কবলৈ ধৰিলে "ই এনেকৈ খেলাটো দাদায়েৰাই বেয়া নাপায় যদিও পচণ্ড নকৰে। মই সদায় ফাকি দিব লাগে। এইবাৰৰ পৰা মই আৰু নোৱাৰো দেই কিন্তু। তেওঁ মোক সদায়ে কয়, তুমি তাক কৰাচোন পৰীক্ষা দি ঘৰৰ ফালে অলপ চাব লাগে। মই অকলে আৰু কিমান দিন টনা আজোৰা কৰিম।" শেষৰ ফালে বন্দিতাৰ মাতটো অলপ আদ্ৰ হৈ ওলাইছিল। কেইটামান মৌন মূহুৰ্ত্ত পাৰ হৈ গ'ল। ৰবীনে কবলৈ একো বিছাৰি নাপায় সুধিলে - "বিছা গ'লগৈ নেকি বৌ ?"

ঃ কিয় ? আহিব নহয় আকৌ। বন্দিতাৰ কথাষাৰত এটা ইংগিত মিহলি হ'ল। বহাদেই অঙ্কুৰ ভাত খাই যাবা বুলি কৈ বন্দিতাই বহাৰ পৰা উঠি পাকঘৰৰ ফালে খৰকৈ খোজ দিলে।

বিছাৰ কথা ওলালেই অঙ্কুৰ অলপ অপ্ৰস্তুত হয়। অঙ্কুৰক অপ্ৰস্তুত কৰি দি ৰবীনে হাঁহিবলৈ ধৰিলে। প্ৰথমতে ওপৰৰ ওঠটো বেকা কৰি নিশব্দে। পিছত গোটেই মুখ মেলি সশব্দে। ৰবীনৰ ওঠৰ পৰা এটা বেকা টো গালেৰে বিয়পী কানৰ কাষলৈ বাগৰি গ'ল। আচল কথাটো হ'ল এনেধৰণৰ - অঙ্কুৰে প্ৰথমতে বিছাক প্ৰেমৰ প্ৰস্তাৱ দিছিল। অঙ্কুৰৰ প্ৰস্তাৱত বিছা সমস্যাত পৰিল। দুদিনমান চিন্তা কৰাৰ পিছত তাই সিদ্ধান্তত উপনীত হ'ল যে তাই অঙ্কুৰক লগ ধৰি কথাটো কব। সেইমতে এদিন তাই অঙ্কুৰক লগ ধৰি কলে যে তাই ৰবীনকহে ভাল পায়। ইকান সিকানকৈ ৰবীনৰ কানটো কথাটো পৰিল। প্ৰথমতে সি বিশ্বাসেই কৰা নাছিল। পিছত এদিন চেগ বুজি সি বিছাক কথাটো সুধিলে। তাই ৰঙা-চিঙা পৰি কোনোমতে কলে - "হয় মই তোমাক ভাল পাওঁ।" কিছুদিনলৈকে অঙ্কুৰ ৰবীন আৰু বিছাৰ লগত সহজ হব পৰা নাছিল। সিহঁতৰ লগৰ মৃণালে এদিন কথাটো সহজ কৰি দিবৰ যত্ন কৰি কলে - "চা অঙ্কুৰ ! ৰবীনৰ ভাল লগা ছোৱালীজনী তোৰেই নহয় ; আন বহুতৰে ভাল লাগিব পাৰে, কিন্তু আচল কথাটো হ'ল তাইৰ কাক ভাল লাগে সেইটোহে। ৰবীনক তাইৰ ভাল লাগে ; আই মিন তাই ৰবীনৰ প্ৰেমত পৰিছে। বচ ইমানেই নহয় যানো ?"

শেষ হৈ আহিব ধৰা ছিগাৰেটটোত এটা দীঘলীয়া হোপা মাৰি টুকুৰাটো দূৰলৈ দলিয়াই দি ৰবীন বৰুৱা চকীখনত সম্পূৰ্ণ ভাৱে আওজি দিলে। নিৰবতাখিনি তেওঁৰ বেচ ভাল লাগিছিল। মহানগৰীৰ নাগৰিক জীৱনত এনে নিৰবতা আশা কৰা নাযায়। তেওঁ আকৌ এটা ছিগাৰেট জ্বলালে। আজি ভালেমান দিনৰ মূৰত ঘৰলৈ আহি আশকৰা নিৰবতা খিনি তেওঁ যেন উপভোগ কৰিব পৰা নাই। বৰানীয়েই যেন প্ৰত্যাশিত এই নিৰবতাক আঘাট কৰিছে। আচলতে বৰানীয়েই জানো এই নিৰবতা ভংগৰ বাবে দায়ী ? তেওঁ নিজকে প্ৰশ্ন কৰিলে। নিজৰ ক্ষতিততো সকলো মানুহেই জাঙুৰ খাই উঠে। আত্মস্বাৰ্থকতো সকলো মানুহেই সমৰ্থন কৰে। পৰিস্থিতিটোৰ বাবে তেওঁ কাকোৱেই পোনপটীয়া ভাৱে জগৰীয়া কৰিব নোৱাৰিলে। কিন্তু তেওঁৰ মানসিক অশান্তিৰ বাবে নিশ্চয়কৈ কিবা এটা কাৰণ আছে। শেষত তেওঁ স্বতঃসিদ্ধ যুক্তি নথকা স্বত্বেও আন্তৰিক ভাৱে বিশ্বাস কৰিলে যে বৰানীয়েই যেন তেওঁ আশা কৰা শান্তি আৰু নিৰবতাৰ শত্ৰু।

বহু দিনৰ পিছত যোৱা কালি অঙ্কুৰক তেওঁ লগ পালে। অঙ্কুৰৰ লগত কটোৱা কেইটামান মুহূৰ্ত্তৰ অন্তৰংগ সংগই তেওঁক অতীতৰ দিনবোৰলৈ আকৌ এবাৰ মনত পেলাই দিলে। অঙ্কুৰ ৰবীন বৰুৱাৰ বাবে কেৱল এজন বন্ধুই নহয় ; তেওঁৰ জীৱনৰ এটা বিশাল অধ্যায়ো। একেলগে শৈশৱ, কৈশোৰ আৰু যৌৱনৰ আদি পাঠ লোৱা কেপ্টেইন দি গ্ৰেট অঙ্কুৰ চলিহা ৰবীন বৰুৱাৰ জীৱনৰ এক অভ্ৰভেদি পৰিক্ৰমা। এতিয়াও কিবা কামত গুৱাহাটীলৈ আহিলে তেওঁ ৰবীন বৰুৱাৰ তাত থাকে। কৰ্ত্তব্যদায়ত দুয়ো দুয়োৰে পৰা দূৰত থাকে যদিও আন্তৰিকতা একেদৰেই আছে। এতিয়াও কেতিয়াবা লগ হলে দুয়ো একেলগে বিয়েৰ বাৰত বহে। প্ৰাণখুলি কথা পাতে।

বিছাৰ বিয়াৰ সময়ৰ কথাবোৰ ৰবীন বৰুৱাৰ মনলৈ আহিল। বিছাই বহুদিন আপেক্ষা কৰিছিল। সেয়া আছিল ৰবীনৰ চৰম ভাগ্য পৰীক্ষাৰ সময়। মাকৰ অস্বাভাৱিক অসুস্থতাই তাক বৰ বিপাঙত পেলাছিল। ইফালে টিম বাছনিৰ সময়। যিদিনা সি কলিকতাত অনুস্থিত সৰ্বভাৰতীয় ফুটবল বাছনি শিবিৰত যোগদান কৰাৰ বাবে আমন্ত্ৰনী পত্ৰ পালে ; সেই একেদিনাই পালে মাকৰ মৃত্যুৰ টেলিগ্ৰাম। জন্মদাত্ৰী মাতৃতকৈ খেলা ডাঙৰ হব নোৱাৰে।

লগে লগে স্তব্ধ হ'ল ৰবীনৰ স্প'টচ্ কেৰিয়াৰ। সেই দিনাৰ পৰা আৰু কোনো দিনে হাতত তুলি লোৱা নাই ক্ৰিকেট বেট, ভৰিৰে স্পৰ্শ কৰা নাই ফুটবল। ইয়াৰ লগে লগে বিছাৰ শেষ কথা - "মই আৰু নোৱাৰো। ঘৰৰ মানুহে আৰু নামানে। পাৰিলে তুমি মোক ক্ষমা কৰিবা। বিছা বিয়া হৈ........।" ৰবীন বৰুৱাই মনৰ মাজতে ভোৰভোৰালে। বহাৰ পৰা উঠি তেওঁ অস্থিৰ ভাৱে কিছু সময় পায়চাৰি কৰিবলৈ ধৰিলে। সকলো অতীত ভাৱনাক তেওঁৰ মনৰ পৰা জোকাৰি পেলাই আবেলি ঘটি যোৱা ঘটনাটো গুৰিৰ পৰা মনত পেলাবলৈ যত্ন কৰিলে।

আচলতে বলটো তেওঁ মাৰি পঠোৱা নাছিল। মাৰিছিল তেওঁৰ ভতিজা ল'ৰা ৰানাই। ওচৰৰে দুজনমান সৰু ল'ৰা গোটাই ৰানায়ে আয়োজন কৰিছিল খেল খনৰ । সিহঁতৰ উৎসাহ দেখি কি কুক্ষণত জানো তেওঁ হাতত তুলি লৈছিল বলটো। ৰবাৰ ঘৰৰ খিড়িকীখন ভাঙিবলৈয়ে যেন আয়োজন কৰা হৈছিল খেল খন। সেই সময়ত ৰবাৰ ঘৰত ৰখীয়া ল'ৰাটোৰ বাহিৰে কোনো নাছিল।

ৰবানীয়ে আকৌ বকিবলৈ আৰম্ভ কৰিলে। প্ৰদীপ ৰবা ফুৰি আহি ঘৰৰ বাৰান্দাত ভৰি দিয়েই বুজি পালে যে ঘৰত মহাভাৰত চলি আছে। ৰবাক দেখাৰ লগে লগেই তেওঁ কবলৈ ধৰিলে - " আপুনি সহ্য কৰিলেও মই কিন্তু নোৱাৰো দেই। আজি খিড়িকী ভাঙিছে, কাইলৈ ঘৰ ভাঙিব। আপুনি দেখিও সকলো নেদেখাৰ ভাও জুৰি থাকে।" কোনে কাৰ খিড়িকী ভাঙিলে ৰবাই প্ৰথমতে তৎ ধৰিবই পৰা নাছিল। পিছত গোটেই ঘটনাটো বুজ লৈ তেওঁ কলে - " তেওঁলোকে ভালকৰি দিম বুলি কৈছে যেতিয়া দিব নহয়। মিচা মিচি কিয় হুলস্থুল কৰিব লাগে ?" ৰবানী পিছে শেনৰ এজাত, তেওঁক এতিয়াই খিড়িকী ভাল কৰি দিব লাগে। ৰবাই বিৰক্ত হৈ কলে - "কি একেটা কথাতে লাগি আছাহে ? এই ৰাতিখন তেওঁলোকে তোমাক কেনেকৈ খিড়িকীখন ভাল কৰি দিব ? এৰাতি খিড়িকীৰ আইনা এখন নহলে একো নহয় দিয়া ; ঘৰ নোহোৱাকৈয়ে মানুহ আছে।" জ্বলা জুইত যেন ঘিউহে পৰিল। ৰবানীয়ে দুগুণ জোৰেৰে চিঞৰি চিঞৰি কবলৈ ধৰিলে - "বাকী থকা খিড়িকীকেইখনো ভাঙি লওক আৰু ৰাতিটো খিড়িকী ৰখীয়া হৈ বহি থাকক। অথচ কি চাবা সেই পেগুকনা যেন ল'ৰাৰ উৎপাত ! এতিয়াই লোকৰ খিড়িকী ভাঙিবলৈ শিকিলেই। ডাঙৰৰ পৰা আসৈ নাপালে ইমান সাহস কৰিব পাৰেনে ? গছ হিচাপেহে গুটি।" ৰবীন বৰুৱাৰ এইবাৰ সচাঁকৈয়ে ধৈৰ্য্যচ্যুতি ঘটিল। একেকোবে তেওঁ গৈ ৰবাৰ ঘৰৰ নঙলা খুলিলে। ৰবা-ৰবানী দুয়ো আগবাঢ়ি আহিল। ৰবীন বৰুৱাই যথাসম্ভৱ শান্ত স্বৰেৰে কলে - "চাওক, আপোনালোকৰ ভঙা খিড়িকী লাগিলে আমি নতুনকৈ সাজি দিম ; কিন্তু এনেকুৱা কথা কৈ আৰু এবাৰৰ বাবেও যেন সিহঁতৰ নিস্পাপ শিশুমনৰ খিড়িকীত আঘাট নকৰে।" প্ৰদীপ ৰবা আৰু দুখোজ আগবাঢ়ি আহি ৰবীন বৰুৱাৰ হাত দুখনত ধৰি অনুনয়ৰ সুৰত কলে - "বেয়া নাপাব বৰুৱা ; আমাৰ এওঁ আচলতে নিজৰ মনৰ খিড়িকী খুলি কোনোদিনে বাহিৰলৈ চোৱা নাই। ❑❑

প্ৰেম হ'ল শ্ৰদ্ধা আৰু প্ৰশংসাৰ পৰিণতি আৰু চৰিত্ৰৰ উৎকৰ্ষ ঘটাই ইয়াক বদগুণবোৰৰ পৰা মুক্ত কৰি বিশুদ্ধ কৰে। প্ৰকৃত প্ৰেমে বহুগুণে বুদ্ধিবো উৎকৰ্ষ ঘটাই। প্ৰেমৰ আবেগে সুপ্ত হৈ থকা বা নথকা বুলি ভৰা বহুতো সদগুণক পোহৰলৈ আনে। ই মানুহৰ আকাঙ্খা সমূহ উচ্চ কৰে, মনৰ প্ৰসাৰ ঘটাই আৰু মানসিক শক্তিবোৰ উদ্দীপিত কৰে।

- চেমুৱেল স্মাইলচ্

মৃত্যুৰ পৰা হাতসৰা টান নহয়, কিন্তু অপৰাধৰ পৰা পলাই সৰা টান। কাৰণ অপৰাধ মৃত্যুতকৈ বহু বেগী আৰু ই বেচি বেগেৰে আহি আমাৰ মাজত সোমাই পৰে।

- চক্ৰেটিচ

মহাদেৱন বৰুৱা মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ

ৰহস্য গল্প

# আত্মাৰ চিৎকাৰ

ৰূপজ্যোতি নাথ

(১)

তেতিয়া দিনৰ ঠিক এক বাজিছে। ব'দটো বৰ চোকা নহয় যদিও চাবিওফালে এক বেলেগ ধৰণৰ উত্তাপ বিৰাজ কৰিছে। গছৰ পাত লৰিব নোখোজা থম্‌থমীয়া পৰিবেশটো লক্ষ্য কৰিয়েই হয়তো মানুহবোৰ বাটে-পথে ওলাই অহা নাই। এৰা, এই গৰমৰ দিনকেইটা বৰ ভয়াবহ। তাতে জুলাই মাহৰ প্ৰচণ্ড গৰমত নিজৰ দেহটোক মিছায়ে কষ্ট দিবলৈ কাৰনো ইচ্ছা যায় ?

চহৰৰ পৰা কিছু নিলগত থকা কলেজ চকটোত জনপ্ৰাণী এটাও দেখিবলৈ নাই। গৰমৰ বন্ধ হ'বলৈ এতিয়াও এসপ্তাহ বাকী, গতিকে কলেজ বন্ধ হৈ আছে। ছাত্ৰ-ছাত্ৰীসকলৰ বাদে কলেজ চকটো ভীৰ কৰা মানুহ প্ৰায় কমেই। নেচনেল হাইওৱেটো কলেজখনৰ সন্মুখতে থকা বাবে সেই পথেৰে তীব্ৰ বেগেৰে পাৰ হৈ যোৱা দুই এখন যান-বাহনৰ বাদে অন্য একো চকুত নপৰে। কলেজখনৰ পৰা কিছু দুৰত থকা গাৰ্লচ হোষ্টেলখন তেনেই উকঙা, নিমাওমাও হৈ আছে। গৰমৰ বন্ধত প্ৰায়বোৰ ছাত্ৰীয়েই নিজৰ ঘৰলৈ গৈছে। অৱশ্যে দুই-এজনী ছাত্ৰী হোষ্টেলত এতিয়াও নথকা নহয়।

হঠাতে তীব্ৰ বেগেৰে অহা বাইক এখনৰ যান্ত্ৰিক আৰ্তনাদে হোষ্টেলৰ কম্পাউণ্ডতো কপাই তুলিলে। আধাখোলা গেটৰ মাজেৰে তীব্ৰ বেগেৰে বাইকখন হোষ্টেল কম্পাউণ্ডৰ ভিতৰলৈ সোমাই গৈ ওৱেইটিং ৰুমৰ সন্মুখত ৰৈ গ'ল। কৰচ্ .......... এটা ধাতৱ শব্দৰ পৰিসমাপ্তিৰ লগে লগে ক্ষন্তেকৰ বাবে কপি উঠা পৰিবেশটো পুনৰ নিস্তব্ধতাত বুৰ গ'ল। বাইকখনত দুজন আৰোহী। এজন পুৰুষ, পিন্ধনত কুৰ্তা-পাইজামা, মুখত দীঘলীয়া দাড়ি, চকুত এযোৰ পাতল চানগ্লাছ। আনজন মহিলা সমস্ত দেহ বোৰ্খাৰে আগুৰা। দেখিলেই অনুমান কৰিব পাৰি দুয়ো মুছলিম সম্প্ৰদায়ৰ দম্পত্তি। বাইকৰ পৰা নামি দুয়ো উদ্বিগ্নতাৰে ওৱেটিং ৰুমলৈ সোমাই গ'ল। ক্ষন্তেক পিছতে অলপ বয়সীয়াল চকীদাৰ এজন আহি তেওঁলোকৰ সন্মুখত ঠিয় হ'ল। দুচকুত অনুসন্ধিৎসু দৃষ্টিৰে আগন্তুক দুজনলৈ চাই চকীদাৰে সুধিলে-

ঃ আপোনালোকে কাৰোবাক লগ পাব বিছাৰিছে ?

চকীদাৰজনৰ প্ৰশ্নত দুয়ো অলপ যেন বিব্ৰত হ'ল। কুৰ্ত্তা পৰিহিত পুৰুষজনে এটা শুকান কাহ মাৰি নিজকে অলপ যেন প্ৰস্তুত কৰি ল'লে। তেওঁ গলগলীয়া কণ্ঠৰে ক'লে -

ঃ হোষ্টেলৰ চুপাৰ বাইদেউ আছেনে ?

ঃ তেখেত বৰ্ত্তমান নাই। কিয় ? চকীদাৰজনৰ চকুত এক প্ৰশ্নবোধক চাৱনি।

ঃ নাই নাই, জেবিনা মানে জেবিনা বেগম, আমাৰ ছোৱালী ..... হোষ্টেলতেই থাকে ...... তাইক লগ পাব লগা আছিল .......। কথাকেইষাৰ কওঁতে তেওঁৰ মাতটো সামান্য কপি উঠিল।

ঃ অ, জেবিনা, আপুনি হবলা তাইৰ পিতৃ ?

ঃ এৰা আৰু এয়া তাইৰ মাক। বোৰ্খা পৰিহিত মহিলাজনীৰ ফালে আঙুলিয়াই দি মানুহজনে ক'লে।

চকীদাৰজনে এবাৰ বোৰ্খা পৰিহিত মহিলাজনীৰ ফালে দৃষ্টি নিক্ষেপ কৰি সুধিলে -

ঃ আপোনালোকক দেখা মনত নপৰে। আগতে অহা নাছিল নেকি?

ঃ নাই, আগতে অহা নাছিলো। কিন্তু বহুদিন ধৰি আনকি বন্ধতো তাই ঘৰলৈ নোযোৱাত এবাৰ লগ কৰিব আহিলো। তাইক ক'ত লগ পাম বাৰু ?

ঃ অ, আপোনালোক বহক, মই তাইক মাতি দিছো।

চকীদাৰজন যাবলৈ উদ্যত হওঁতেই পুৰুষজনে পিছফালৰ পৰা মাত দিলে -

ঃ ববচোন, তাইক আমি ৰুমতেই লগ পাব নোৱাৰিমনে ?

চকীদাৰজনে ক্ষন্তেক কিবা এটা ভাবিলে তাৰ পিছত ক'লে - ৰুমত কাকো লগ পোৱাৰ নিয়ম নাই। তথাপিতো আপুনি ক'লে যেতিয়া তাইৰ মাক যাব পাৰে।

ঃ ধন্যবাদ তাইৰ ৰুম নম্বৰটো জানে নেকি ?

চকীদাৰজনে ক্ষন্তেক ভাবিলে তাৰ পিছত ক'লে - ৰুম নং ৪৫।

মহিলাজনী ধীৰে ধীৰে দুমহলীয়া হোষ্টেলৰ ফালে খোজ ল'লে। পুৰুষজনে কিছু সময় মহিলাজনী যোৱাৰ ফালে চাই ৰ'ল। তেওঁৰ ওঠত এটা স্মিত হাঁহি বিৰিঙি উঠিল। তেওঁ চকীদাৰজনৰ ফালে দৃষ্টি নিক্ষেপ কৰিলে। চকীদাৰজনৰ বয়স পঞ্চলিছৰ কম নহ'ব। চুলিৰ বেছিভাগত ৰূপালী ৰং লাগিছে। পিন্ধনত পায়জামা আৰু হাফচাৰ্ট এটা। নাকৰ তলৰ মোচকেইডাল তেনেই পাতল, কপিলা বৰণৰ। সেইকেইডাল নাৰাখিলেই হয়তো বেছি ভাল লাগিলহেঁতেন। ব্যক্তিজনে তেনেদৰে চাই থকাত চকীদাৰজন অলপ অপ্ৰস্তুত হৈ পৰিল। তাৰ কপালত বিন্দু বিন্দু ঘাম বিৰিঙি উঠিল হঠাতে।

ঃ উঃ বৰ গৰম পৰিছে দেই। কোঠাটোৰ অচল ফেনখনৰ ফালে দৃষ্টি নিক্ষেপ কৰি ব্যক্তিজনে ক'লে - এইখন চালু কৰি দিয়কচোন।

চকীদাৰজনে ফেনৰ চুইছটো অন্ কৰি দিলে। ফেনৰ বলিয়া বতাহত

ৰুমটোৰ পৰ্দাবোৰে নাচিব ধৰিলে, কোনো তাল-মান নোহোৱা নৃত্য। ব্যক্তিজনে এডাল চিগাৰেট উলিয়াই জ্বলাই ল'লে। ধোৱাবোৰ অলসভাৱে এৰি দি চকীদাৰজনক সুধিলে -

ঃ আপোনাৰ ঘৰ ক'ত ?

ঃ মাজুলীত। - চকীদাৰৰ চমু উত্তৰ।

ঃ ইয়াত থকা কিমান দিন হ'ল ?

ঃ প্ৰায় দহ বছৰ মানেই হ'ল।

ঃ আপোনাৰ ঘৰত কোন কোন আছে ?

- ব্যক্তিজনৰ এই প্ৰশ্নটোত চকীদাৰজন ক্ষন্তেক নীৰৱে ৰ'ল। তাৰ পিছত অলপ উদাসীনভাৱে ক'লে - কোনো নাই।

ঃ কোনো নাই মানে ? - ব্যক্তিজনে সামান্য কৌতুহলেৰে সুধিলে।

চকীদাৰজনে এটা বিষাদৰ হাঁহি মাৰিলে। তাৰ পিছত দুৰৰ খিৰিকীখনত দৃষ্টি নিবদ্ধ কৰি লাহে লাহে ক'লে - আছিল, এদিন সকলো আছিল, এজনী পত্নী আছিল, এজনী ছোৱালী আছিল কিন্তু আজি নাই। সকলো শেষ হৈ গ'ল।

ঃ কিয় ? কি হ'ল সিহঁতৰ ? - ব্যক্তিজনৰ কণ্ঠত উত্তেজনাৰ সুৰ ভাঁহি উঠিল।

ঃ এদিন নিশা সিহঁত দুয়ো হেৰাই থাকিল। বহুত বিচাৰিও নাপালো। তিনিদিন মান পিছত নদীত দুটা লাচ পাইছিল। কাপোৰ-কানি তেনেই চিন্ন-ভিন্ন, সমগ্ৰ দেহতেই কিছুমান বিভৎস আচোৰ .....। কোনোবা ঠাইত দেহৰ মঙহ অদৃশ্য হৈ গৈছিল। শিয়াল কুকুৰে মঙহ খোৱাৰ দৰে সিহঁত দুয়োকে কোনোবাই চোবাই শেষ কৰিলে ............ মাৰি পেলালে দুয়োকে ..... সকলো শেষ কৰি দিলে মোৰ .......। চকীদাৰজন হঠাতে কান্দোনত ভাগি পৰিল।

চকীদাৰৰ কথাত ব্যক্তিজন সামান্য বিচলিত হৈ পৰিল। এই পৃথিৱীত আৰু কতজনে যে দুখৰ অদম্য বোজা মূৰৰ ওপৰত জাপি লৈ জীয়াই আছে তাক কোনে জানে ? তথাকথিত সভ্য সমাজখনৰ মুখাপিন্ধা এচামৰ দৌৰাত্ম্যত কতজনৰ জীৱনৰ শলিতা নুমাই গৈছে, কতজনৰ দুখৰ তপত হুমুনিয়াহ কংক্ৰিটৰ জনঅৰণ্যত বাট বিচাৰি নাপাই ঘূৰ্মুতিয়াই ফুৰিছে তাৰ হিচাপ কোনোবাই ৰাখিছেনে বাৰু ? কিন্তু কিমান দিনলৈ চলিব এনে নিষ্ঠুৰতা ? কিমান দিনলৈ চলিব স্বজাতিৰ ওপৰত শোষণ, অত্যাচাৰ ? কিমান দিনলৈ চলিব লোমহৰ্ষক বৰ্বৰতা ??? আস্ .... তেওঁৰ মূৰটোত যেন একুৰা জুই জ্বলি উঠিল ভমককৈ .......।

দ্ৰুত গতিত চলি থকা ফেনখনৰ হো-হোৱনি আৰু চকীদাৰজনৰ উচুপনিৰ মাজতো যেন ৰুমটোত এক অসম্ভৱ নীৰৱতাই বিৰাজ কৰিলে। চকীদাৰজনক শান্তনা দিবলৈ ব্যক্তিজনে কোনো ভাষা বিচাৰি নাপালে। লাহে লাহে চকীদাৰজন শান্ত হ'ল। ব্যক্তিজনৰ সন্মুখত হঠাতে কান্দি দিয়াত সি যেন অলপ লজ্জিত হ'ল।

ঃ আপুনি অলপ বহক। মই বাৰু আহো। - হঠাতে চকীদাৰজন ৰুমৰ পৰা ওলাই গ'ল। ব্যক্তিজন ৰুমটোত তেনেই অকলশৰীয়া হৈ পৰিল। চকীদাৰজনৰ কাহিনীয়ে তেওঁৰ গোটেই সত্তাটোকেই যেন জোকাৰি থৈ গ'ল। মানুহ ইমান নিষ্ঠুৰ হ'ব পাৰেনে ?

কিন্তু লাভ কি ? এটা নিষ্ঠুৰতাই জন্ম দিয়ে আন এটা নিষ্ঠুৰতাৰ। মানুহৰ মনত জগাই তোলে প্ৰতিশোধৰ জ্বালা। এৰা প্ৰতিশোধৰ জ্বালা .....।

হঠাতে ফেনখনৰ গতিবেগ কমি আহিল। বোধহয় লাইন গ'ল। ব্যক্তিজনে ঘড়ীটো চাই ল'লে। বহুত সময় হ'ল মহিলাজনীৰ দেখা-দেখি নাই। কোঠাটোৰ বতাহবোৰ লাহে লাহে গৰম হ'ব ধৰিলে। ব্যক্তিজনৰ দেহটো গৰমত সামান্যভাৱে তিতি উঠিল। তেওঁ অলপ অধৈৰ্য অনুভৱ কৰিলে। ৰুমটোৰ পৰা ওলাই আহি তেওঁ ধীৰে ধীৰে হোষ্টেলৰ ফালে খোজ ল'লে। দুমহলীয়া বিল্ডিংটোৰ দ্বিতীয় চিৰিৰে ব্যক্তিজন সন্তৰ্পনে ওপৰ মহলালৈ উঠি গ'ল। ৰুম নং ৪৫ ৰ সন্মুখত তেওঁ কিছু সময় নিশব্দে থিয় হৈ ৰ'ল। ৰুমৰ ভিতৰত কোনো সাৰ-সুৰ নাই। তেওঁ এবাৰ তললৈ দৃষ্টি নিক্ষেপ কৰিলে। বোৰ্খা পৰিহিতা মহিলাজনী ইতিমধ্যে ওলাই গৈছে। ৰুমৰ দুৱাৰখন সন্তৰ্পনে খুলি তেওঁ ভিতৰলৈ লাহেকৈ সোমাই গ'ল। কিছুসময় পিছত তেওঁ ওলাই আহি খৰখোজেৰে তললৈ নামি গ'ল। হঠাতে বোৰ্খা পৰিহিতা মহিলাগৰাকীৰ মুখামুখি হোৱাত তেওঁ অলপ হতভম্ব হৈ পৰিল। তেওঁৰ কপালত বিন্দু বিন্দু ঘাম বিৰিঙি উঠিল।

ঃ আৰে তুমি আকৌ এইখিনি কেনেকৈ পালাহি ? - বোৰ্খা পৰিহিতাজনীৰ প্ৰশ্নত তেওঁ থত্মত্ খাই উঠিল।

ঃ নাই ....... মানে তোমাকে বিচাৰি আহিলো। ইমান দেৰি কৰিলা ........ বৰ অধৈৰ্য্য হৈ গৈছিলো। তুমি আকৌ ক'ত যোৱা ?

ঃ ৰবা মই তৎক্ষণাত আহিম। জেৰিণাৰ ৰুমতেই মোৰ পাৰ্চটো থাকি গ'ল ......।

বোৰ্খা পৰিহিতাজনী যাব উদ্যত হওতেই ব্যক্তিজনে তেওঁৰ হাত এখন থাপ মাৰি ধৰিলে।

ঃ বাদ দিয়ানা .......। ইমান অহা-যোৱা কৰিব নালাগে। কোনোবাই দেখিলে বেয়া হ'ব। জেৰিণাৰ পৰা পাৰ্চটো পিছত লৈ লবা।

ঃ বাৰু তেন্তে বলা। দুয়ো লবালবিকৈ তললৈ নামি আহিল। গাৰ্লচ হোষ্টেলৰ চৌহদটো কঁপাই পুনৰ বাইকখন তীব্ৰ গতিৰে ওলাই গ'ল।

(২)

সময় নিশা ন বাজিছে। পূৰ্ণিমাৰ জোনটোৰ মিঠা ৰূপালী আভাই গোটেই নিশাটোকেই মধুৰ কৰি তুলিছে। শান্ত মলয়া বতাহে দিনৰ গেলা গৰমৰ বেদনাবোৰ ধীৰে ধীৰে বিস্মৃতিৰ গৰ্ভত সমাধিস্থ কৰিছে। সচাই বিচিত্ৰ এই পৃথিৱী ... বিচিত্ৰ এই পৰিবেশ। এফালে দুখৰ মৰ্মস্পৰ্শী বেদনা আনফালে সুখৰ দুৰ্লভ অনুভূতি। কি যে বিচিত্ৰ এই সময় !

চেলিমৰ নিজৰ বিলাসবহুল এ.চি. ৰুমৰ ভিতৰত কম পোহৰৰ ডীম লাইটৰ নীলাভ পোহৰৰ তলত দুই পুৰণা বন্ধু চেলিম আৰু শ্বেখৰ। আজি কম দিনৰ মূৰত আচম্বিতে দুয়োৰে দেখা-দেখি হয়। তাৰেই আনন্দত আজি চেলিমৰ ঘৰত দুয়োৰে পাৰ্টি। চেলিম ঘৰখনৰ একমাত্ৰ সন্তান। ঐশ্বৰ্য্যশালী পিতৃৰ একমাত্ৰ সন্তান হিচাপে চেলিম সকলোৰেপৰাই অলপ বেলেগ ধৰণৰ। কিন্তু চেলিমৰ তুলনাত শ্বেখৰ তেনেই নিঃকিন। হ'লেও হাইস্কুলৰ পৰা দুয়ো ভাল বন্ধু আছিল। কিন্তু কলেজত পঢ়ি থকাৰ

সময়তে হঠাতে শ্বেখৰ নিৰুদ্দেশ হৈ গ'ল। কিন্তু আজি প্ৰায় সুদীৰ্ঘ দুটা বছৰৰ পিছত দুয়োৰে মিলন হয়। সৌভাগ্যক্ৰমে আজি চেলিমৰ ঘৰত কোনো নাই গতিকে এই সুবিধাতে দুয়ো বন্ধু মিলিত হৈছে তাৰ ঘৰত।

ঃ ঐ শ্বেখৰ, তই যে হঠাতে মোক একো নোকোৱাকৈ এনেদৰে অদৃশ্য হৈ গলি, কিয় এনেকুৱা কৰিছিলি বাৰু ? দুয়োটা গ্লাছতে হুইস্কি দুপেগ বনাই লৈ চেলিমে সুধিলে।

হাতৰ চিগাৰেটটোৰ এটা দীঘলীয়াকৈ টান মাৰি লৈ শ্বেখৰে কিছু সময় নিস্তব্ধ হৈ বহি ৰ'ল। কোঠাটোৰ মায়াবী নীলাভ পোহৰৰ মাজতো তাৰ মুখখন সামান্য বক্তিম হৈ উঠিল। ধোৱাবোৰ লাহে লাহে ওপৰলৈ এৰি দি সি ধীৰে ধীৰে ক'ব ধৰিলে -

ঃ সেইবোৰ বহুত কথা চেলিম। তোক সকলো কম বাৰু, কিন্তু অলপ পিছত। কি ঠিক হয়তো আজিৰ পিছত সুবিধা নাপাবও পাৰো।

ঃ হ'ব বাৰু, কোনো কথা নাই। আগতে অলপ নিচা লাগি লওঁক তেতিয়াহে কথাবোৰ শুনি বস পাম।

চিয়েৰ্ছ .......... দুটা গ্লাছৰ মৃদু খুন্দাত ভিতৰৰ পানীখিনি সামান্য কপি উঠিল। তৃষ্ণাতুৰৰ তৃষ্ণা নিবাৰণৰ কাৰণে পানীয়খিনি যেন হঠাতে উদ্বাউল হৈ উঠিল। নিজৰ পানীয়খিনি যেন হঠাতে উদ্বাউল হৈ উঠিল। নিজৰ পানীয়খিনি একে শোহাই গলাধঃকৰণ কৰি চেলিমে এটা চিগাৰেট জ্বলাই ল'লে। এটা শ্বেখৰৰ ফালে আগবঢ়াই দি ক'ব ধৰিলে -

ঃ তোক যে আজি হঠাতে এনেদৰে লগ পাই যাম কল্পনাই কৰিব পৰা নাছিলো ভাই। প্ৰথমতে মইতো তোক চিনিবই পৰা নাছিলো। আগতকৈ তই কিন্তু অলপ শকত হৈ গৈছা।

চেলিমৰ কথাত শ্বেখৰে এটা হাঁহি মাৰিলে। গিলাচত পানীয় ঢালি লৈ সি সুধিলে -

ঃ বেকিৰৰ কেনে খবৰ ঐ, তাৰ লগত এতিয়া তোৰ কেনে ?

ঃ বেকিৰৰ খবৰ কেনে হ'ব আৰু। সেই আগৰদৰেই উভওালি। মোৰ লগত তাৰ সম্বন্ধ আগৰদৰেই আছে। এতিয়া আকৌ মনে মনে তাৰ লগত নতুন সম্বন্ধ পাতিব ওলাইছো যেতিয়া তাৰ লগত বেয়া হ'ব পাৰি জানো ?

- চেলিমে সুৰাৰ গ্লাছত মৃদু চুমুক দি ক'লে।

ঃ মানে তই জেবিনাৰ কথা কৈছানে ?

ঃ এৰা জেবিণাৰ কথাই কৈছো। - চেলিমৰ ওঠত লাজকুৰীয়া হাঁহি। কিন্তু এটা কথা কি জানা শ্বেখৰ বেকিৰে আমাৰ সম্বন্ধ স্বীকাৰ কৰিব নোখোজে।

ঃ কিয় ? শ্বেখৰৰ দুচকুত আশ্বৰ্য্যৰ চাৱনি।

ঃ বেকিৰে মোৰ চৰিত্ৰৰ ভাল-বেয়া প্ৰতিটো দিশেই ভালদৰে জানে। মোৰ জীৱনৰ প্ৰতিটো অধ্যায়েই তাৰ সন্মুখত খোল খাই গৈছে। গতিকে তাৰ মৰমৰ একমাত্ৰ ভনীজনীক মোক দিবলৈ টান পাইছে। বন্ধুত্বৰ খাতিৰত মোক যদিও বেকিৰে কোনো কথা শুনোৱা নাই তথাপি মোৰ বাবেই জেবিণাই দুখ সহ্য কৰিবলগীয়া হয়। গতিকে তাইক লগ পাওঁতে বৰ সাৱধানে লগ কৰিব লাগে। জানা শ্বেখৰ তাইক মই খুউব ভাল পাওঁ। মোৰ বাবে তাই কষ্ট স্বীকাৰ কৰাটো মই কেতিয়াও নিবিচাৰো।

ইতিমধ্যে লাহে লাহে হুইস্কিৰ বটলটো খালি হৈ আহিব ধৰিলে। চেলিমে দুয়োটা গ্লাচত এপেগকৈ বনাই লৈ খালী বটলটো এচুকলৈ দলি মাৰি দিলে।

চনচ্ .......... পকাৰ মজিয়াত বটলটো পৰি এটা বিকৃত শব্দ কৰিলে। কাচ ভগাৰ শব্দ। চেলিমৰ কাৰ্য্য দেখি শ্বেখৰৰ হাঁহি উঠি গ'ল।

ঃ ঐ চেলিম তোৰ নিচা ধৰিলেই নেকি অ' ?

ঃ নিচা ? হিঃ হিঃ মোৰ নিচা ইমান সোনকালে নধৰে অ' শ্বেখৰ। চাওঁ সেই আলমীৰাৰ পৰা বটল এটা উলিয়াই আনছোন। - চেলিমৰ কথাবোৰ লাহে লাহে পাক খাই ওলাই আহিব ধৰিলে।

শ্বেখৰে হুইস্কিৰ বটল এটা উলিয়াই আনিলে। নিজৰ গ্লাছটোতকৈ চেলিমৰ গ্লাছটোত অলপ বেছিকৈ ঢালি দি লাহে লাহে ক'ব ধৰিলে -

ঃ তোৰটো লাইফৰ কথা আৰু বিশেষ ভাবিব নালাগে ভাই। টকা আছে, সম্পত্তি আছে, তাৰোপৰি মন পছন্দৰ ছোৱালী এজনীও আছে। কিন্তু আমাৰ কি হ'ব ভাই ?

ঃ আৰে শ্বেখৰ কিনো বাজে কথাবোৰ চিন্তা কৰি থাক ভাই ? তোৰতো টকা-পইচা নহ'লেও তই নিজে জীয়াই আছ। কেতিয়াবা কৰি লবি আকৌ। এই যে টকা-পইচা, ধন-সম্পত্তি কেইদিনৰনো ...... সকলো শেষ হৈ যাব। Money is not everything but certainly it is something ......... .

ঃ No Friend no, Money is everything in this time, without money one can't be a complete man. তই জন্ম পাওঁতেই সোনৰ চামুচ মুখত লৈ জন্ম পাইছ গতিকে টকাৰ অভাৱ কি তই বুজিব নোৱাৰ...। কিন্তু অভাৱ কাক কয় তই মোক নোসোধ কিয় ? আমাৰ দৰে মানুহবোৰে জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় নুন্যতম সামগ্ৰীখিনিৰ অভাৱ পূৰণ কৰিবলৈ এমুঠি টকাৰ পিছত কেনেদৰে বলিয়াৰ দৰে ঘূৰি ফুৰিবলগীয়া হয় সেয়া তই নাজান। আন নালাগে, মা-দেউতা অবিহনে ভনীজনী আৰু মই কিমান কষ্টৰে জীয়াই আছিলো সেয়া মইহে উপলব্ধি কৰিব পাৰো। তোৰ দৰে ল'ৰাই সেইবোৰ চিনেমা, উপন্যাসৰ কাহিনী বুলি উৰুৱাই দিব পাৰ কিন্তু মই ভালদৰে জানো যিদিনা তই সেই পৰিস্থিতিত পৰিবি সেইদিনা জীৱন কাক বোলে তই পাহৰি যাবি। অন্ততঃ আজিৰ পৰা দুটা বছৰ আগলৈ মই যি জীৱন অতিবাহিত কৰিছিলো সেয়া যেন জীৱন নহয় , মোৰ বাবে সেয়া মৃত্যুৰেই নতুন সংস্কাৰ আছিল।

প্ৰায় একে উশাহতে কথাখিনি কৈ শ্বেখৰ ক্ষন্তেক থমকি ৰ'ল। গিলাচ দুটাত ধীৰে ধীৰে পানীয় অলপ বাকি লৈ সি এবাৰ চেলিমৰ ফালে চালে। চেলিমৰ চকু দুটা ক্ৰমান্বয়ে সৰু হৈ আহিছিল।

ঃ কিন্তু শ্বেখৰ তই জানো মোক আগতে এনেবোৰ কথা কৈছিলি ? তই তোৰ ঘৰখন দেখুৱাবতো নিনিলিয়েই আনকি তোৰ ভনীজনীৰ লগতো মোক চিনাকি কৰি দিব নুখুজিলি। তেনেক্ষেত্ৰত মই কি কৰিব পাৰো শ্বেখৰ ?

ঃ চেলিম, তই মোৰ ঘৰলৈ যাব খুজিছিলি সঁচা কিন্তু ঘৰ বুলি

চাবিবেবেৰে আগুৰা সেই পঁজাটোলৈ তোক নিবলৈ মোৰ বৰ লাজ লাগিছিল। তোক এনেবোৰ কথা কোৱাৰ তেতিয়া অনুভৱ কৰা নাছিলো কিয়নো মই আনৰ পুতৌৰ পাত্ৰ কেতিয়াও হ'ব বিচৰা নাছিলো। আৰু ভনীজনীক চিনাকি কৰি দিব বিচাৰিছিলোৱেই, কিন্তু ....... ।

- অ ---ক--উ--ক--হ--ৰ--ৰ---

হঠাতে চেলিমে হৰহৰাই বমি কৰি দিলে। চেলিমৰ ফালে চাই শ্বেখৰৰ বিতৃষ্ণাত নাক কোচ খাই আহিল। ওঠেবে বৈ অহা বিজলুৱা পদাৰ্থৰে তাৰ টি চাৰ্টটো তেনেই লেতলেতীয়া হৈ গ'ল।

চালা মদ খাব জান.... হজম কৰিব নোৱাৰ .... শ্বেখৰে বিৰক্তিৰে ভোৰভোৰাই উঠিল। সি চেলিমক চকীখনৰ পৰা টানি নি কাষৰে বিছনাখনত শুৱাই দিলে। কাপোৰ এখনেৰে তাৰ মুখখন মচি দি পুনৰ চকীখনত বহি পৰিল। হঠাতে তাৰ মুৰত কিছুমান অসংলগ্ন চিন্তাই দোলা দি গ'ল। লগে লগে তাৰ দুচকুত ভাঁহি উঠিল চিন্ন-ভিন্ন কাপোৰেৰে দুটা অৰ্ধনগ্ন মৃতদেহ ...... দেহত বিভৎস আঁচোৰ ..... জলন্ত জুই একুৰা লৈ দৌৰি ফুৰা এজনী গাভৰু .... মৃত্যুকাতৰ আৰ্তনাদ কিছুমান ...... আস্..... তাৰ মুৰটো যেন ঘুৰি গ'ল ..... সি যেন বলিয়া হৈ যাব .... ।

ঃ শ্বেখ-ৰ চেলিমৰ মাতত তাৰ তন্ময়তা ভাঙি গ'ল। সি চেলিমৰ ওচৰলৈ উঠি গ'ল।

ঃ শ্বেখৰ -- হঠাতে মোৰ কি হৈ গ'ল ভাই ক'বই নোৱাৰো --- উস্ ! বৰ গৰম লাগিছে --- সি বিছনাখনৰ পৰা ঢলং-পলংকৈ মজিয়াখনলৈ নামি গ'ল। কিন্তু দুখোজ গৈয়েই ভৰি পাক খাই বাগৰি পৰিল।

ঃ চেলিম, তই এতিয়াও সুস্থ হোৱা নাই, কলৈ যাব খুজিছ আকৌ ? চাঁও উঠচোন - চেলিমক শ্বেখৰে মজিয়াৰ পৰা উঠাই দিয়ে।

ঃ শ্বেখ-ৰ, ব'লানা অলপ সময় চাঁদত বহোগৈ ; মোৰ বৰ গৰম লাগিছে।

চেলিমৰ সবল আবদাৰত শ্বেখৰে ক্ষন্তেক কিবা এটা ভাবিলে। সি চকী-মেজকেইখন ভালদৰে সজাই থৈ দিলে। আধা শেষ হোৱা মদৰ বটলটো আৰু গিলাচ এটাৰ লগতে চকী এখন হাতত লৈ শ্বেখৰে চেলিমক চাঁদৰ ওপৰলৈ লৈ গ'ল।

ঃ আস্ --- ইয়াত ই-মা-ন ভাল লাগিছে -- সঁচাই বহুত ভাল লাগিছে। ঐ শ্বে-খ-ৰ চাচোন জোনটোৰ ফালে ... কেনেকৈ হাঁহি আছে - -- মোৰ ফালে চাই -- চাল্লা , গিলি থবৰ মন যায় --- কেতিয়াবা --- ই--মা--মা --ন ধুনীয়া লাগে।

ঃ ঐ চুপ থাক --- চেলিমৰ কথাত শ্বেখৰ গৰজি উঠিল। সি চেলিমক জোৰ কৰি চকীখনত বহুৱাই দিলে।

ঃ তই কৈছ যেতিয়া মই বাৰু --চুপ থাকিম, জান শ্বে-খ-ৰ তোক মই ব-হু-ত-----

চেলিমে আৰু কিবা ক'ব বিচাৰিছিল যদিও শ্বেখৰৰ এটা পূৰ্ণহতীয়া চৰ তাৰ গালত পৰাৰ লগে লগেই সি নিশ্চুপ হৈ বহি ৰ'ল। হঠাতে সি ফেকুৰি উঠিল। কিছু সময় উচুপি থাকি চেলিম পুনৰ শান্তভাৱে বহি ৰ'ল। আকাশৰ জোনটোক তেতিয়া ক'লা ডাৱৰ এজাকে গ্ৰাস কৰিবলৈ প্ৰচণ্ড গতিত খেদি আহিছিল। শ্বেখৰে চেলিমলৈ চালে । সি নিৰ্বিকাৰভাৱে চকীখনত বহি আছে।

ঃ চেলিম, তই কেতিয়াবা মৃত্যুক দেখিছ ? - শ্বেখৰৰ অবাঞ্চিত প্ৰশ্নত চেলিম থত্‌মত্ খাই উঠিল। সি কিছু সময় শ্বেখৰৰ মুখলৈ চাই ৰ'ল।

ঃ হিঃ হিঃ মৃত্যু ..... তই পাগল হলি নে মই কিবা বেলেগ শুনিছো শ্বেখৰ ?

ঃ তই ঠিকেই শুনিছ চেলিম। মই মৃত্যুৰ কথা সুধিছো।

ঃ আ-বে, মই মৃত্যু দেখিবলৈ মৰিছো জানো ? মই নমৰাকৈয়ে আকৌ মৃত্যু --- হিঃ হিঃ - চেলিমে পুনৰ হাঁহি দিলে।

ঃ তই মৰা নাই সঁচা কিন্তু আনক মৰাও দেখা নাই নেকি ?

ঃ নাই দেখা। আৰু দেখিলেও কিনো ডাঙৰ কথা, মৃত্যুটো এটা শিল্প আছে। মানুহ জন্মিলে এদিন মৰিবই। - চেলিমৰ উত্তৰত শ্বেখৰ অলপ বিব্ৰত হ'ল। চেলিমে নিচাতেই কৈছে নে সঁচাই কৈছে সি ধৰিব নোৱাৰিলে।

ঃ চেলিম তই বোলে মৃত্যু দেখাই নাই কিন্তু কেনেকৈ গম পালি যে মৃত্যুটো শিল্প আছে ?

ঃ হিঃ হিঃ-- হাঃ -- হা--- চেলিমৰ হাঁহি যেন শেষেই নহ'ব। আ-বে মৃত্যু দেখা নাই সঁচা কিন্তু কিতাপত জানো তই পোৱা নাই -

মৃত্যুওটো এটা শিল্প, জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য---

ঃ সেই চব কিতাপৰ কথা চেলিম। কিন্তু মই যি মৃত্যু দেখিছো সেয়া অতি বিভৎস মৃত্যু , অতি ভয়াবহ। তাত শিল্প বোলা কিবা এটা যে আছে মই বিশ্বাস কৰিবলৈ টান পাওঁ। আস্ কি কৰুণ দৃশ্য , কি ভয়াবহ। জানা, দুচকুত সেই দৃশ্য ভাহি উঠিলে গাৰ নোম শিয়ৰি উঠে --- তেজ উত্তপ্ত হৈ আহে --- দেহত জলন্ত জুই একুৰা লৈ গাভৰু এজনীয়ে মোৰ সন্মুখতে মৃত্যু কাতৰ আৰ্তনাদ কৰি থাকিল কিন্তু মই একো কৰিব নোৱাৰিলো। মোৰ আগতেই জুইৰ লেলিহান শিখাই ছোৱালীজনীক এফালৰ পৰা গ্ৰাস কৰি গ'ল - এসময়ত যেতিয়া জুই নুমাই গ'ল তেতিয়া তাইৰ দেহটো চাই মই শিয়ৰি উঠিছিলো। কি ভয়াবহ আছিল সেই দৃশ্য। সমস্ত দেহ পুৰি ক'লা পৰি গৈছিল। গালৰ মঙহবোৰ উত্তপ্ত হৈ ফাটি গৈছিল -- -- চুলিবোৰ চাই হৈ গৈছিল ---- পোৰা মঙহৰ গোন্ধত গোটেই পৰিৱেশটো ভয়াবহ হৈ পৰিছিল। আস্ --- দুচকু ঢাকি হঠাতে শ্বেখৰ উচুপি উঠিল।

শ্বেখৰৰ কথা শুনি চেলিম কিছুসময় তভক মাৰি ৰ'ল। তাৰ পিছত হঠাতে সি হো-হোৱাই হাঁহি দিলে। চেলিমৰ হাঁহিত শ্বেখৰ চক্ খাই উঠিল।

ঃ চেলিম, ক'ণ্ট্ৰ'ল ইয়'ৰচেলফ্ ----- শ্বেখৰে আৰ্ত্তনাদ কৰি উঠিল। কিছুসময় দুয়ো নিশ্চুপ হৈ বহি ৰ'ল।

ঃ তই এটা মস্ত কাপুৰুষ। শ্বেখৰলৈ চাই হঠাতে চেলিমে কৈ উঠিল। শ্বেখৰে চেলিমলৈ ঘুৰি চালে। তোৰ সন্মুখতে এজনী গাভৰু জ্বলি শেষ হৈ গ'ল অথচ তই একো কৰিব নোৱাৰিলি !

চেলিমৰ কথাত শ্বেখৰ কিছু সময় তভক মাৰি ৰ'ল। তাৰ পিছত লাহে লাহে ক'ব ধৰিলে -

ঃ সেইবাবেইতো মই আজিও অনুতপ্ত চেলিম। কলেজৰ পৰা গৈ থকা অৱস্থাত পথাৰৰ মাজত আঁহত ডালৰ তলত যেতিয়া তাইক জ্বলি থকা দেখিছিলো মই হতবাক হৈ গৈছিলো। জোৰেৰে চিঞৰি দিবলৈও মই শক্তি হেৰুৱাই পেলাইছিলো। বিস্ফোৰিত নেত্ৰেৰে চাই ৰৈছিলো মাথো সেই অসহ্যকৰ দৃশ্যটো।

ঃ আৰে বাদ দিয়ানা সেইবোৰ ----- মোৰ শুনি কিবা ভাল লগা নাই। চেলিমে নিচাসক্ত স্বৰেৰে কৈ উঠিল।

ঃ নাই অ' চেলিম সেই দৃশ্য মই যিমানে পাহৰিব খোজো সিমানে মোৰ দুচকুত ভাহি উঠে। প্ৰতিটো মূহুৰ্ত্ততে সেই দৃশ্যটোৱে মোক খেদি ফুৰে আজিও। মই পাগল হৈ যাম চেলিম --- মই পাগল হৈ যাম ---। শ্বেখৰ পুনৰ উচুপি উঠিল। কিছুসময় পিছত সি শান্ত হ'ল। চেলিমলৈ চাই সি পুনৰ ক'লে -

ঃ সেই গাভৰুজনী কোন আছিল জাননে চেলিম ?

ঃ কোননো আছিল ? - চেলিমৰ কণ্ঠত কৌতুহল।

ঃ মোৰ ভনী মীৰা।

ঃ হো-ৱা-ট-- চেলিমৰ নিচা যেন ফাটি গ'ল। সি বিস্ফোৰিত নেত্ৰে শ্বেখৰৰ পিনে চাই ৰ'ল।

ঃ এৰা চেলিম তাই মোৰ ভনী আছিল। জান চেলিম, স্কুলৰ পৰা আহি থকা অৱস্থাত মোৰ কণমানি ভনী মীৰাজনীক কোনোবাই নিষ্ঠুৰভাৱে ধৰ্ষণ কৰিছিল। কোনোমতে চুচৰি-বাগৰি ঘৰ পোৱা মোৰ ভনীজনীয়ে তাইৰ অপবিত্ৰ দেহটো মোক দেখুৱাব বিচৰা নাছিল। তাই আত্মহত্যা কৰিছিল চেলিম। মোৰ সন্মুখতে তাই জ্বলি পুৰি শেষ হৈ গ'ল অথচ মই একো কৰিব নোৱাৰিলো --- আনকি তাইক চিনিবই নোৱাৰিলো। সেয়ে আজিও সেই দৃশ্য মোৰ দুচকুত ভাঁহি উঠিলে মোৰ তেজ গৰম হৈ আহে।

ঃ কিন্তু তই এইবোৰ মোক কিয় কোৱা নাছিলি শ্বেখৰ ?

চেলিমৰ কথাৰ কোনো উত্তৰ নিদি সি পুণৰ কৈ যাব ধৰিলে - তাই যদিও মৰি গৈছিল তথাপি মোৰ বাবে দুকলম লিখিবলৈ পাহৰা নাছিল। ধৰ্ষণকাৰী ল'ৰা দুজনৰ বিৱৰণ দি যোৱাৰ উপৰিও তাই মোৰ বাবে এৰি থৈ গৈছিল এটা পাৰ্চ। যাৰবাবে মই সহজেই ধৰ্ষণকাৰীক চিনিব পাৰিছিলো।

ঃ কিন্তু তই জানো সিহঁতক প্ৰতিশোধ লৈছিলি ?

ঃ ও--হো, লোৱা নাছিলো। কিয়নো ধৰ্ষণকাৰীক চিনিব পাৰি মই দ্বিতীয়বাৰৰ বাবে পাগল হৈ গৈছিলো। মোৰ বিবেকেও কাম নকৰা হৈ গৈছিল। সেয়ে মই তহঁতৰ ওচৰৰ পৰা চিৰদিনৰ বাবে আঁতৰি গৈছিলো। কিন্তু মই বিবেকৰ তীব্ৰ যান্ত্ৰনাত বেয়াকৈ দংশিত হৈছিলো। মোৰ ভনীজনীৰ আত্মাই বাৰে বাৰে যেন চিঞৰি চিঞৰি মোক কৈছিল - দাদা, তুমি জানো মোৰ ধৰ্ষণকাৰীক শাস্তি নিদিয়া ? যাৰ বাবে তুমি তোমাৰ মৰমৰ ভনীজনীক হেৰুৱালা সিহঁতৰ ওপৰত তুমি জানো প্ৰতিশোধ নোলোৱা ? সিহঁতক তুমি ধ্বংস কৰি দিয়া ----- ধ্বংস কৰি দিয়া সিহঁতক ---।

মই উভতি আহিলো চেলিম আৰু আহিয়েই প্ৰতিশোধ লোৱা আৰম্ভ কৰি দিলো। ইতিমধ্যে এজনক মই শাস্তি দিলো। সি মোৰ ভনীজনীক মোৰপৰা আঁতৰাই পঠিয়াই যি শাস্তি দিছে ময়ো তাক একেই শাস্তি বিহিছো। তাৰ ভনীজনীক নিশ্চুপ কৰি দিছো চিৰদিনৰ বাবে --- আঁতৰাই পঠিয়াইছো তাৰ পৰা বহু দুৰলৈ --- য'ৰ পৰা আৰু কোনো উভতি নাহে।

ঃ কি ? শ্বেখৰ তুমি হত্যা কৰিছা !!!

ঃ এৰা, মই হত্যা কৰিছো চেলিম।

ঃ মোৰ বিশ্বাস নহয় শ্বেখৰ। হত্যা আৰু তুমি --- ? চেলিমৰ চকুত এক অবিশ্বাসৰ চাৱনি।

ঃ বিশ্বাস হ'ব চেলিম যেতিয়া তোমাৰ সন্মুখতে মই দ্বিতীয়জন ধৰ্ষণকাৰীক হত্যা কৰিম। তাৰ হেৰোৱা পাৰ্চটো এতিয়াও মই সযতনে ৰাখি থৈছো। তুমি চাব খোজা নেকি চেলিম ? - শ্বেখৰে পকেটৰ পৰা পাৰ্চটো উলিয়াই চেলিমৰ হাতত দিলে।

পাৰ্চটো খুলি চাই চেলিম চমকি উঠিল। এইটো চোন তাৰেই পাৰ্চ। তাৰ মুৰটো চাৰিওফালে ঘুৰিব ধৰিলে। তাৰ অণ্ঠ-কণ্ঠ তেনেই শুকাই গ'ল। তাৰ তলৰ পৰা তিনি মহলীয়া বিল্ডিংটো যেন লাহে লাহে আঁতৰি যাব ধৰিছে। তাৰ দুচকুত ভাহি উঠিল এজনী সৰল কিশোৰীৰ মুখ। তাৰ কাণত ভাহি উঠিল এটা মৰণ কাতৰ আৰ্ত্তনাদ - দাদা-- মৰিলো ঐ--- আস্--- সেইজনীয়েই কি শ্বেখৰৰ ভনী আছিল --- কিন্তু বেকিৰ ? বেকিৰৰ ভনীক ই সঁচাই হত্যা কৰিলে নেকি ? শ্বেখৰৰ চকুৰ ফালে চাই চেলিম চমকি উঠিল। সেই দুটা চকু নহয় যেন জলন্ত দুকুৰা জুইহে। - শ্বেখৰ লাহে লাহে চেলিমৰ ফালে আগবাঢ়ি গ'ল।

ঃ নাই--- নাই--- শ্বেখৰ -- তই মোক নামাৰিবি। মই জনা নাছিলো সেইজনী তোৰ ভনী বুলি। - চেলিমে আৰ্তনাদ কৰি উঠিল।

ঃ মনত পেলা চেলিম, এদিন মোৰ ভনীজনীয়েও তহঁতৰ সন্মুখত হয়তো এনেদৰেই আৰ্ত্তনাদ কৰি উঠিছিল। কিন্তু তহঁতে জানো তাইক এৰি দিছিলি ? সেই কণমানি ছোৱালীজনীৰ কি দোষ আছিল চেলিম ? বেকিৰৰ লগত যিদিনা তাইক ধৰ্ষণ কৰিছিলি সিদিনা তোৰ দেহটো এবাৰলৈও কপি উঠা নাছিলনে ? তাইৰ কৰুণ কাতৰে তোক এবাৰলৈও বিচলিত কৰা নাছিলনে চেলিম ? তই বৰ নিষ্ঠুৰ চেলিম, তোৰ এই পৃথিৱীত থকাৰ কোনো অধিকাৰ নাই। বেকিৰৰ হিচাপ-নিকাচ ইতিমধ্যে হৈ গৈছে। তোৰ লগত কলেজ হোষ্টেললৈ ছদ্মবেশত যাঁওতে মোৰ বেছি সুবিধা হৈছিল চেলিম। তোৰ দৰে কাপুৰুষ জীয়াই থকা মহাপাপ। প্ৰেম কৰিছ অথচ ভয় কৰ। জেৰিণাৰ দদায়েকলৈ ভয় কৰি তই যদি মোক ছদ্মবেশত জেৰিণাৰ ওচৰলৈ নিনিলিহেতেনে তেতিয়া হয়তো তই আৰু দুদিন জীয়াই থাকিলিহেঁতেন। তই আচলতে বোৰ্খা পিন্ধাৰেই যোগ্য। জেৰিণাই ইতিমধ্যে তোলৈ চাগে অপেক্ষা কৰি আছে চেলিম। পাৰ যদি তই মোক মাফ কৰি দিবি। - শ্বেখৰ লাহে লাহে চেলিমৰ ফালে আগবাঢ়ি যাব ধৰিলে।

ঃ শ্বেখৰ -- নাই তই মোক মাফ কৰি দিয়ানা, প্লিজ -- মোক এৰি দিয়া --- চেলিম ক্ৰমে পিছুৱাই যাব ধৰিলে ----।

কিন্তু শ্বেখৰ নিৰ্বাক। সি যেন এটি হিংস্ৰ দানৱলৈ ৰূপান্তৰিত হৈছে। চেলিমৰ তেজ পি নোখোৱালৈ সি যেন শান্ত নহৱ।

শ্বেখৰ ক্ৰমাত আগুৱাই যাব ধৰিলে ---- চেলিমো ক্ৰমে পিচুৱাই যাব ধৰিলে---- সি এবাৰ পিছফালে ঘুৰি চালে --- আস্ সি তিনিমহলীয়া

বিল্ডিংটোৰ চাঁদখনৰ শেষ সীমাত উপনীত হৈছেহি। কেনেবাকৈ সি যদি তলত পৰেগৈ --- আস্ --- সি দুচকু মুদি দিলে। শ্বেখৰ চেলিমৰ পৰা দুহাতমান দূৰত হঠাতে বৈ গ'ল। তাৰ পিছত সি বাওঁভৰিখন আলাসতে এপাক ঘুৰাই সোঁভৰিখনেৰে ক্ষীপ্ৰ গতিৰে চেলিমৰ তলপেটলৈ লক্ষ্য কৰি এক শক্তিশালী ছাইড কিক্ মাৰিলে। আ----- হঠাতে এক মৰণকাতৰ আৰ্তনাদে চাৰিওদিশ কপাই তুলিলে।

শ্বেখৰে এবাৰ তিনিমহলীয়া বিল্ডিংটোৰ চাঁদৰ পৰা তললৈ দৃষ্টি নিক্ষেপ কৰিলে। ষ্ট্ৰিট লাইটৰ পোহৰত চেলিমৰ মৃতদেহটো জিলিকি উঠিল। শ্বেখৰৰ ওঠৰ ফাকত এটা অদ্ভুত হাঁহি বিৰিঙি উঠিল। তাৰ হাতত পিন্ধি থকা বডি কালাৰৰ পাতল গ্লভ্ছজোৰ খুলি ল'লে। ক'ৰ নোৱাৰাকৈয়ে তাৰ দুচকু সেমেকি উঠিল। আকাশত জোনটো তেতিয়া পশ্চিমলৈ হালিছিল।

(৩)

ট্ৰেইনখনৰ পৰা নামিয়েই শ্বেখৰে কাষৰে সৰু ৰেষ্টোৰাখনলৈ সোমাই গ'ল। তাৰ গাটো অৱশ লাগিছে। যোৱা নিশা ট্ৰেইনত ভালদৰে টোপনি নহ'ল। চাহকাপ হাতত তুলি লওঁতেই কাৰোবাৰ চিঞৰত সি চক্‌খাই উঠিল - গৰম নিউজ, গৰম নিউজ ----- প্ৰধান মন্ত্ৰীৰ পদত্যাগ ---- পুনৰ নিৰ্বাচন --- হোষ্টেলত ছোৱালীৰ হত্যাকাণ্ড -----। শ্বেখৰে দৌৰ মাৰি হ'কাৰটোৰ পৰা বাতৰি এখন কিনি ল'লে। চকীখনত ভালদৰে বহি লৈ সি বাতৰি কাকতখন মেলি ল'লে। সন্মুখৰ পৃষ্ঠাৰ তলফালে বৰ বৰ হৰফেৰে প্ৰকাশ পোৱা বাতৰিটোত সি চকু ফুৰাই গ'ল -

## গাৰ্লছ হোষ্টেলত লোমহৰ্ষক হত্যাকাণ্ড, প্ৰেমিকাৰ আত্মহত্যা

যোৱাকালি দিনৰ প্ৰায় দুই বজাত স্থানীয় গাৰ্লচ হোষ্টেলত এটা লোমহৰ্ষক হত্যাকাণ্ড সংঘটিত হয়। ঘটনাৰ বিৱৰণী মতে, দিনৰ প্ৰায় এক বজাত দুজন ছদ্মবেশধাৰী যুৱকে নিজকে জেৰিণা নামৰ ছোৱালীজনীৰ পিতৃ-মাতৃ বুলি পৰিচয় দি হোষ্টেলত প্ৰৱেশ কৰে। ইয়াৰে মহিলা বেশধাৰী, বোৰ্খা পৰিহিত পুৰুষজনে জেৰিণাৰ কমত প্ৰৱেশ কৰি তেওঁক অতি নিষ্ঠুৰভাৱে হত্যা কৰে। অৱশ্যে নিশা প্ৰায় নমান বজাতহে উক্ত হত্যাকাণ্ডটো ধৰা পৰে। আৰক্ষীয়ে তালাচী চলাই হত্যাস্থলীৰ পৰা এখন পাৰ্চ উদ্ধাৰ কৰে। উল্লেখযোগ্য যে এই পাৰ্চটো জেৰিণাৰ প্ৰেমিক চেলিম আলি নামৰ যুৱকজনৰ। এই হত্যাকাণ্ড তেঁওৰ দ্বাৰাই হোৱা বুলি আৰক্ষীয়ে দাবী কৰে। কিন্তু হত্যাৰ কাৰণ সম্বন্ধে আৰক্ষীয়ে এতিয়াও কোনো নিৰ্দিষ্ট সূংসূত্ৰ উলিয়াব পৰা নাই।

অতি চাঞ্চল্যকৰ কথা হ'ল যে চেলিমে নিজৰ প্ৰেমিকাক হত্যা কৰি বিবেক দংশনত নিচাগ্ৰস্ত হৈ নিজেও তিনিমহলীয়া ঘৰৰ পৰা জপিয়াই আত্মহত্যা কৰে। চেলিমৰ লগৰ ছদ্মবেশী যুৱকজনক এতিয়াও চিনাক্ত কৰিব পৰা নাই। আৰক্ষীয়ে ----

- ইয়াৰ পিছত কি লিখি থোৱা আছে তাক পঢ়ি চোৱাটো শ্বেখৰে অনুভৱ নকৰিলে। কাকতখন এচুকলৈ দলি মাৰি দি চেলিমে এটা চিগাৰেট জ্বলাই ল'লে। পূব আকাশৰ সূৰ্যটোৱে তেতিয়া পোহৰৰ খেলা আৰম্ভ কৰিছিল। সি এতিয়া মুক্ত। তাৰ অনুভৱ হ'ল সি যেন নতুন জীৱনৰ নতুন পুৱা এটাত ভৰি দিছে। সি ঘড়ীটো চাই ল'লে। পুৱা আঠ বাজিছে। আজি আৰু তাৰ অফিচলৈ যোৱা নহ'ব। সি কমলৈ গৈ এতিয়া শান্তিৰে এটা টোপনি মাৰিব। অজানিতে তাৰ চকুযুৰি মুদ খাই আহিল।

*(বিঃদ্রঃ - গল্পটিত উপস্থাপন কৰা বিভিন্ন চৰিত্ৰৰ লগতে পৰিবেশ সমূহ সম্পূৰ্ণ কাল্পনিক। ঘটনাৰ ৰস সৃষ্টি কৰোতে কোনোবাখিনি হয়তো বাস্তৱৰ লগত সংগতিবিহীন হৈ যাব পাৰে। তাৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে - লিখক।)*

যি মানুহ স্বাধীন আৰু বিবেকবান, তেওঁক ধ্বংস কৰি দিব পাৰি ; কিন্তু তেনে মানুহক কেতিয়াও দাস বা অৰ্দ্ধ ক্ৰীড়নকত পৰিণত কৰিব নোৱাৰি।

- আইনষ্টাইন

আপোনালোকে মোক "জীৱন শিল্পী" বুলি কয়। যদি প্ৰকৃততে "মই জীৱন শিল্পী" হওঁ সেয়া ভগৱানৰ কৰুণাত নহয়, জনতাৰ সৃজনী শক্তিতহে। শিল্পী হ'বলৈ হ'লে ঝঞ্চা-বিজয়ী আত্মাৰ অধিকাৰী হ'ব লাগিব। প্ৰশান্ত মহাসাগৰত ডুব মাৰি অসংখ্য শামুক বুটলিব পৰা দুঃসাহস আৰু দুৰ্বাৰ শক্তি থাকিলেহে আজি আৰ্টৰ মুক্তা লাভ কৰা সম্ভৱ।

- বিষ্ণু প্ৰসাদ ৰাভা

ৰূপজ্যোতি নাথ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ

কথা শিল্প

# গল্পৰ প্লট বিচাৰি

কস্তুৰী দেৱী

"হে'ৰা শুনিছা, ট্ৰেইনৰ সময় চেঞ্জ হৈছে। আজি আবেলি ছয় বজাত নহয় ; কাইলৈ পুৱা ছয় বজাতহে। পুৱা বাৰ ঘণ্টা লেট।" মনিৰ মুখখন লগে লগে গৰম তেলৰ পৰা উঠোৱা লুচিখনৰ দৰে হ'ল। "অ' মনি, তোৰ আকৌ কি হ'ল ; বাকছটো বন্ধ নকৰ কিয় ?" মাকে আলমাৰিৰ পৰা কাপোৰবোৰ উলিয়াই উলিয়াই ক'বলৈ ধৰিলে। "হ'ব দে, মাত্ৰ বাৰ ঘণ্টাহে" দেউতাকে বৰ মৰমেৰে ক'লে।

হয়, মনি মানে মনিকা ডেকা। প্ৰফুল্ল ডেকা আৰু শেৱালী ডেকাৰ একমাত্ৰ সন্তান। মনি সপ্তম শ্ৰেণীত পঢ়ি থাকোতেই এক মাত্ৰ মোমায়েক চেন্নাইত নিগাজীকৈ থাকিবলৈ লয়। আৰু এতিয়া পুৱা দহ বছৰৰ পাছত সিহঁত পূজাৰ বন্ধত মোমায়েকৰ ঘৰলৈ যাব ওলাইছে। আনন্দত মনিৰ গা সাত-আঠখন ; কিন্তু এতিয়া ট্ৰেইন বাৰ ঘণ্টা লেট মানে চেন্নাই পাওতে বাৰ ঘণ্টা লেট। উঃ একেবাৰে অসহনীয়। মনি যেন এক পাহাৰী নিজৰা। স্থিৰতা মনিৰ পক্ষে অসহনীয়।

মনিয়ে এই বছৰ মঙলদৈ কলেজৰ পৰা সু-খ্যাতিৰে দৰ্শন বিভাগত স্নাতক উপাধি লাভ কৰিছে। মনিহঁতৰ ঘৰ মঙলদৈত। নিজৰ গাড়ী থকাৰ বাবে পুৱা চাৰি বজাত ৰেল ষ্টেচন পোৱাকৈ যাব। মনিৰ কিন্তু ইচ্ছা আছিল ৰাতিটো ওৱেটিং ৰুমতে কটাই, ৰেলৰ উকি, ঝক-ঝক শব্দ এইবোৰৰ মাজৰ পৰা গল্পৰ প্লট সংগ্ৰহ কৰাৰ। পিচে মনৰ আশা মনতেই ৰ'ল। পিচদিনা পুৱা প্ৰায় ৩ঃ৪৫ বজাত মনিহঁত গুৱাহাটী পালেগৈ। পোহৰ তেতিয়াও হোৱা নাছিল যদিও হেল'জেন লাইটবোৰ জ্বলি থকাৰ বাবে ষ্টেচনত এক ৰহস্যময় পৰিবেশৰ সৃষ্টি হৈছিল। দিনটোক আদৰিবলৈ ষ্টেচনতো যেন সাজু হ'ল। প্লেটফৰ্মত শুই থকা ভিক্ষাৰী এটাই ফটা বস্তাখনৰ ওপৰতে বাগৰ সলাই ৰঙীন সপোন দেখিছে। এইবোৰৰ মাজত মনি যেন ক্ৰমে ক্ৰমে হেৰাই যাব ধৰিলে ; কিন্তু হঠাৎ এক নাৰীৰ কৰুণ বিননিয়ে মনিৰ ভাৱত যতি পেলালে।

এনকুৱেৰী কাউণ্টাৰৰ সন্মুখত বহি, সাজ পাৰত দক্ষিণ ভাৰতীয় যেন অনুমান হোৱা এজনী কম বয়সীয়া সুন্দৰী মহিলাই কান্দোনত গছৰ পাত সৰাইছে। ওচৰতে ঠিয় হৈ মানুহজনীক বুজনি দি আছে সুন্দৰ সুঠাম যুৱক এজনে। মনিয়ে স্থিৰ নেত্ৰে সেই যুৱকজনক লক্ষ্য কৰিলে। 'শান্তনু নহয় তো!' তাই ভাবিলে। শান্তনু ............. !

মনি যেন পাঁচবছৰ পিছুৱাই গ'ল। শান্তনু ........... ! শান্তনু সুব্ৰমণিয়ম ! তাই মেট্ৰিক পাছ কৰা বছৰতে সি ইংৰাজীত প্ৰথম শ্ৰেণী পাই ডিগ্ৰী পাচ কৰে। মনিৰ দেউতাক আৰু শান্তনুৰ দেউতাকে একেলগে তেজপুৰত চাকৰি কৰিছিল আৰু দুয়ো একেবছৰতে অগা-পিছাকৈ অৱসৰো পাইছিল। মনিৰ দেউতাক আছিল সেনা বিষয়া আৰু শান্তনুৰ দেউতাক আছিল বায়ু সেনা বিষয়া। চাকৰি সূত্ৰে দুয়োজনৰ মাজত গাঢ় বন্ধুত্ব গঢ়ি উঠিছিল। অৱসৰৰ পিচত মনিহঁত মঙলদৈৰ মূল ঘৰলৈ আৰু শান্তনুহঁত চেন্নাইৰ মূল ঘৰলৈ একেবাৰে গুচি যায়। তাৰ পিছত দুয়ো ঘৰৰ মাজত কেৱল চিঠি আৰু টেলিফোনৰ যোগাযোগ হে থাকি গ'ল। মনি আৰু শান্তনুৰ মাজতো এটা মিঠা সম্বন্ধ আছিল। এই পাচটা বছৰ চিঠি আৰু টেলিফোনতেই দুয়ো দুয়োকো লগ পাইছে, কথা পাতিছে।

মানুহজনী কিছু শান্ত হ'ল। যুৱকজন মনিহঁতৰ ফালে ঘুৰিলে। হয়, শান্তনুৱেই হয়। মনিৰ মন আনন্দত নাচি উঠিল। পুৱা পাঁচ বছৰৰ পিচত তাই শান্তনুক ইমান ওচৰৰ পৰা দেখিছে। শান্তনু একেই আছে। সেই টৌ খেলোৱা চুলি, গভীৰ তিৰবিৰাই থকা চকুহালৰ ওপৰত বৈ পৰা চেলাউৰি। ছয় ফুট ওখ, বহল বুকুৰ মিঠা বৰণীয়া শান্তনু এতিয়া অলপ শকতো হৈছে।

'মনি !!!' শান্তনুৰ মাতত আশ্চৰ্যৰ চিন স্পষ্ট। মনিয়ে মুখেৰে কোনো শব্দই উচ্চাৰণ কৰিব নোৱাৰিলে। তাই এবাৰ নিজকে চিকুটি চালে ; সপোন নহয় তো ! মাক-দেউতাক আৰু শান্তনুৱে কিবা-কিবি কথা পাতিলে। সকলো আচৰিত। এনেদৰে আজি পাচ বছৰৰ মূৰত য'ত এৰা এৰি হৈছিল তাতে আকৌ লগ পালে। এইবাৰ মনি কিছু সহজ হ'ল। তাই একপ্ৰকাৰ অতীতলৈ গুচি গৈছিল। ভালুক পুং, ফুটহিলচৰ পিক্‌নিক্ ; জীয়া ভৰলীৰ এংলিং ইত্যাদিৰ মাজত তাই হেৰাই গৈছিল। 'বুজিছ মনি, এই শান্তনু হেনো কিবা বিশেষ জৰুৰী কামত তিনিদিন হ'ল গুৱাহাটীতেই আছে। আৰু এতিয়া আমাৰ লগতে একেখন ট্ৰেইনেৰে চেন্নাইলৈ যাব।' দেউতাকে আৰ্মিৰ ষ্টাইলত কথাখিনি ক'লে। শান্তনু C.I.D. অফিচাৰ। 'এঃ বৰ জেমছ বণ্ড ডাল ওলাইছে ; তিনিদিন হ'ল গুৱাহাটীতেই আছে এটা ফোন কৰা নাই।' মনিয়ে ভোৰভোৰালে। 'ৰাজকুমাৰীয়ে যেন এইবাৰলৈ দাসক ক্ষমা দান কৰে।' শান্তনুৱে এক বিশেষ ভঙ্গিমাৰে হাতযোৰ কৰিলে। শান্তনুৰ কথাত সকলোৱে হাঁহি পেলালে। অসমত জন্ম হৈ পঢ়া-শুনা শেষ কৰা শান্তনুৰ মাতৃভাষা যে তামিল তাক নজনাই কেতিয়াও বিশ্বাস নকৰে।

মনিয়ে অনুভৱ কৰিলে শান্তনু যেন মনিৰ প্ৰতি সম্পূৰ্ণ উদাসীন। শান্তনুৰ ধ্যান-ধাৰণা যেন সেই মানুহজনীৰ ওপৰতেই নিহিত। শান্তনুৱে এনেদৰে মানুহজনীক গুৰুত্ব দিছে যেন মানুহজনী তাৰ নৱবিবাহিতা

কথা শিল্প

# শৰশয্যাত এখনি হিয়া

অৰূপ জ্যোতি মহন্ত

পাহাৰৰ দাঁতিকাষৰীয়া ঠাই। পাহাৰৰ দাঁতিত হোৱা বাবেই ফৰেষ্টখনত যথেষ্ট গছ-বন আছে । অৰণ্যে আছিল বুলি কোৱাটোহে উপযুক্ত হ'ব । চোৰাং বেপাৰীৰ প্ৰভাৱত পৰি বৰ্তমানে চাৰি ভাগৰ আঢ়ৈ ভাগ মানহে বৰ্তি আছে । তথাপিও বৰ্তমান সময়ৰ প্ৰদূষণ বোধ কৰাত ইয়ে যথেষ্ট ভূমিকা লৈছে । পৰিৱেশ প্ৰদূষণ বোধ কৰাৰ কথা চিন্তা কৰিহে চৰকাৰে শেহতীয়াকৈ ইয়াত গাৰ্ডৰ ব্যৱস্থা কৰিছে।

তেতিয়া সন্ধিয়াৰ চাৰি বাজি পঞ্চলিচ মিনিট মান হৈছিল। বিনোদে তাৰ কোৱাৰ্টাৰৰ দুৱাৰৰ তলাটো খুলি ল'লে। নৱেম্বৰ মাহ। অলপ অলপকৈ শীতটোও বাঢ়ি আহিছে। ভিতৰ সোমাই কোঠাৰ বাল্বৰ ছুইচটো অন্ কৰিলে। মিঙ্কী বাল্বৰ পোহৰত কোঠাতো গাখীৰতী হৈ পৰিল। খিৰিকী দুখনেৰে এজাক চেঁচা বতাহ সোমাই আহিছিল। বাইফলটো যথাস্থানত থৈ সি খিৰিকী দুখন বন্ধ কৰিলে। একাপ চাহৰ প্ৰয়োজন সি বাৰুকৈয়ে অনুভৱ কৰিছিল। কোঠাটোৰ গাতে লাগি থকা কিচ্ছেন ৰুমলৈ গৈ সি গেছটো জ্বলালে। চাহৰ কেটলিটো ষ্টভত উঠাই দি সি লক্ষ্য কৰিলে গাখীৰখিনিও আছে। আনদিনা দুপৰীয়া আহোতে সি গাখীৰখিনি খায়। এবাৰ সি ভাবিলে গাখীৰখিনিকে খোৱা যাওক নেকি। পিছে চাহৰ ৰাগী বুলিও কথা এটা আছে নহয়। সেয়ে সি চাহকণকে বনালে। ফৰেষ্ট কোৱাৰ্টাৰবোৰৰ পৰা এক ফাৰ্লং মান আঁতৰত থকা গাওঁখনৰে ল'ৰা এজনে সদায় দুপৰীয়া তাক গাখীৰ দি যায়হি। নেপালী ল'ৰা। ল'ৰাটোৰ নাম কৃষ্ণবাহাদুৰ। পিছে বিনোদে তাক কাঞ্চা বুলিয়ে মাতে। কাৰণ 'কাঞ্চা' শব্দটো নেপালী সকলৰ লগত প্ৰায় পৰম্পৰাগতভাৱেই লাগি আহিছে। চাহকাপ টেবুলত থৈ সি বিছনাত বহি ললে। এক বিশাল আগ্ৰহেৰে সি কাপটোত শোহা মাৰিলে। চাহকাপ শেষ কৰি বাহিৰলৈ যাবলৈ সি চেণ্ডেলযোৰ পিন্ধিৰ খোজোতেই তাৰ লক্ষ্যত পৰিল এখন চিঠি। হয়, চিঠি এখন। প্ৰথমতে সি অলপ আচৰিত হৈছিল যদিও পিছ মুহূৰ্ত্ততে কথাটো সহজভাৱে ললে । হয়তো দুপৰীয়া সি নথকাত পিয়নে বা আন কোনোবাই খিৰিকীৰে টেবুলত থৈ গৈছিল আৰু বতাহে তলত পেলাইছিল। চিঠিখন তুলি লৈ খামটোত থকা পখিলাৰ ছবিতে সি বুজি পালে এইখন কাৰোবাৰ শুভবিবাহৰ চিঠি নিশ্চয়। চিঠিখন খোলাৰ লগে লগে আন এটুকুৰা কাগজ তাৰ পৰা ওলাই আহিল। কাগজ টুকুৰাত মাথো লিখা আছিল 'বিনোদ দা, সন্ধিয়াৰ আগতে যেনে-তেনে আহিব, নহ'লে মোৰ জীৱনটোৱেই অৰ্থহীন হৈ ৰ'ব।' বচ, ইমানেই। মূল পত্ৰখন পঢ়িব লৈ সি যেন নিজকে নিজে ক'ব নোৱাৰাকৈয়ে দুৰ্বল আৰু নিঃসংগ অনুভৱ কৰিলে। তাৰ মন আকাশত ভাহি উঠিল এখনি ছবি। দেৱী। দেৱী যেন সঁচাকৈয়ে সৰগৰ দেৱী। তাৰ বেদনা, প্ৰতিশ্ৰুতি আৰু প্ৰেৰণাৰ প্ৰতীক দেৱী। বিজুলী-বাতিবোৰ হঠাৎ নুমাই থাকিল। সকলোবোৰ অন্ধকাৰ হৈ পৰিল। সি পুনৰ বিছনাত বহি পৰিল। লাহে-লাহে ভৰি দুখন তুলি দীঘল কৰি দি গাৰুটোত মূৰটো থৈ ব্লেঙ্কেটখন টানি ল'লে। তাৰ কল্পনা প্ৰৱণ মনটো অতীতলৈ উৰা মাৰিলে। অতীতৰ বেদনা মধুৰ সোনালী দিনবোৰলৈ । সেই সুমধুৰ অতীতলৈ। কাৰণ অতীত সদায়ে মধুৰ।

তেতিয়া বিনোদ আছিল স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ। ঘৰুৱা অৱস্থা সিমান এটা ভাল নহয়। কষ্ট কৰি ঘৰৰ মানুহে তাক পঢ়ুৱাইছিল। কলেজত পঢ়ি থকা অৱস্থাতে সি এজনী ছোৱালীৰ প্ৰেমত অন্ধ হৈ গৈছিল। হিয়া উজাৰি সি ভাল পাইছিল তাইক। নাম আছিল তাইৰ দেৱী। হয়। দেৱীশ্ৰী হাজৰিকা। সচাকৈয়ে এটি মিঠা নাম। নামটো যিমান ধুনীয়া তাতকৈও অধিক ধুনীয়া আছিল দেৱীশ্ৰী হাজৰিকা। তাইৰ ধুনীয়া চকুযুৰি আৰু কথা ক'লে বা হাঁহিলে উঠা গালৰ ডিম্পলটোৱে তাইক অধিক ধুনীয়া আৰু আকৰ্ষণীয় কৰি তুলিছিল। আকৌ যেতিয়া গোলাপী ৰঙৰ মেখেলা চাদৰযোৰ পিন্ধি চকুত আইলাইনাৰ লগাব তেতিয়াতো তাইক কেনেকুৱা দেখি কোৱাৰ বাবে অভিধানখন ভালকৈ চাব লাগিব। চহৰৰ বিখ্যাত চকু বিশেষজ্ঞ ডাঃ দীনেশ হাজৰিকাৰ দ্বিতীয় তথা কণিষ্ঠ কন্যা আছিল দেৱী। প্ৰকাশ কৰিব নোৱাৰাৰ বেদনাত চট্ফটাইছিল বিনোদে।

ইয়াতেই আৰম্ভণি হৈছিল আন এক কাহিনীৰ। বিনোদে ক্যাৰাটে খেলিছিল। এক কথাত বিনোদ আছিল কলেজখনৰ ক্যাৰাটে প্ৰতিযোগিতাৰ একচ্ছত্ৰী সম্ৰাট। সি পঢ়িবলৈ আৰম্ভ কৰাৰে পৰা প্ৰত্যেক বাৰে সি চেম্পিয়ণ হৈছে। এইবাৰো যে চেম্পিয়ণ হ'ব সেইটোত সকলো নিশ্চিত। ক্যাৰাটে প্ৰতিযোগিতাৰ প্ৰতি দৰ্শকসকলৰ এটা বিশেষ আকৰ্ষণ আছে। ল'ৰা-ছোৱালীবোৰৰ বাবে ই হ'ল সবাতোকৈ আকৰ্ষণৰ খেল। আগৰবাৰ ক্যাৰাটে প্ৰতিযোগিতা চাবৰ বাবে আন ছাত্ৰ-ছাত্ৰীৰ সৈতে উপস্থিত আছিল দেৱী। ছেমি ফাইনেলত আন এজন শক্তিশালী প্ৰতিযোগী ৰকিব কিকতে কৰ্টৰ ভিতৰতে বাগৰি পৰিছিল বিনোদ। লগৰ ল'ৰা-ছোৱালীৰ উৎসাহ পাই

অৱশ্যে দ্বিতীয় ৰাউণ্ডতে সি ৰকিক ধৰাশায়ী কৰিছিল আৰু অৰ্জন কৰিছিল 'চেম্পিয়ণ অৱ দ্যা ইয়েৰ' (Champion of the year) পুৰস্কাৰ। ক'ব নোৱাৰাকৈয়ে দেৱীও আকৰ্ষিত হৈছিল শক্তিশালী তথা সুঠাম দেহী বিনোদৰ প্ৰতি। প্ৰায় এবছৰ তেনেদৰেই অপ্ৰকাশৰ মাজেৰে পাৰ হৈছিল দুয়োৰে দিনবোৰ। পিছৰ বছৰ আকৌ ক্যাৰাটে প্ৰতিযোগিতাৰ দিন চাপি আহিছিল। প্ৰতিযোগিতাৰ কেইদিনমান আগতে ৰকিয়ে দেৱীক প্ৰেমৰ প্ৰস্তাৱ দিছিল আৰু দেৱীয়েও তাক হাঁহিমুখে সহাৰি দিছিল কাৰণ ৰকি আছিল তাইৰ মৰম ভিক্ষা কৰা প্ৰথমজন পুৰুষ। ইয়াৰ উপৰিও আন কোনেও তাইক তেনে প্ৰস্তাৱ আগবঢ়োৱা নাছিল আনকি বিনোদেও।

সেইদিনা আছিল কলেজত ক্যাৰাটে প্ৰতিযোগিতা। বিনোদে ভাবিছিল সেইদিনা সি দেৱীক তাৰ অন্তৰৰ কথা প্ৰকাশ কৰিব আৰু তাইৰ পৰা মৰমৰ সহাৰি লৈ এক নতুন উৎসাহেৰে খেল খেলিব। কিন্তু সি বিমুখ হৈছিল। ৰকি তাৰ ক্যাৰাটে প্ৰতিযোগিতাৰেই নহয় প্ৰেমৰো প্ৰতিদ্বন্দী হৈছিল। সি বুজিছিল ভুল তাৰ নিজৰেই। দেৱীয়ে তাক তাইক বেয়া নাপাবলৈ কৈছিল। বিনোদৰ সমগ্ৰ আশা, উৎসাহ ধূলিসাৎ হৈছিল পলকতে। প্ৰতিযোগীৰ তালিকাৰ পৰা সি তাৰ নামটো বাতিল কৰি দিছিল। আচৰিতভাৱেই দৰ্শকৰ সংখ্যাও হৈছিলগৈ তেনেই তাকৰ। বিনোদৰ অনুপস্থিতিত ৰকি সেইবছৰ চেম্পিয়ণ হৈছিল।

সেই ঘটনাৰ পিছৰ পৰাই কলেজ বাদ দিয়াৰ দৰেই হৈছিল বিনোদৰ। ঘৰৰ মানুহে বুজা নাছিল তাৰ কলেজলৈ নোযোৱাৰ কাৰণ; কিয় তাৰ এই অনিহা। এইদৰেই পাৰ হৈছিল প্ৰায় আঠমাহ। এদিনাখন দৈনিক বাতৰি কাকত এখনত এটি বিজ্ঞাপন পাই সি আবেদন কৰিছিল এটি পদৰ বাবে। বিজ্ঞাপনটো আছিল এনেধৰণৰ - 'ফৰেষ্ট গাৰ্ড পদৰ বাবে উপযুক্ত প্ৰাৰ্থী বিছৰা হৈছে।' হয়তো ভাগ্য জীৱনত প্ৰথমবাৰৰ বাবে তাৰ প্ৰতি সুপ্ৰসন্ন আছিল। বিশেষ কোনো কষ্ট নকৰাকৈ সি চাকৰিটো পাইছিল। এই ক্ষেত্ৰত তাৰ আন এটা প্লাছ পইণ্ট আছিল মাৰ্চিয়েল আৰ্টৰ চাৰ্টিফিকেটকেইখন।

হঠাৎ বিজুলী বাতিবোৰ জ্বলি উঠাত সি বাস্তৱলৈ ঘুৰি আহিল। এতিয়া চাগে দেৱী তাইৰ সপোনৰ কোঁৱৰৰ সৈতে হোমৰ গুৰিত। সি যদি দুদিন আগতেও চিঠিখন পালেহেতেন সি নিশ্চয় গ'লহেতেন। কিন্তু এতিয়া সি অপাৰগ। দেৱীয়ে চাগে তাক বৰ বেয়া পাব। অন্তৰত চাগে বৰকৈ আঘাট পাব। কাৰণ সিয়েইতো কৈছিল -'দেৱী তুমি মোক ভাল পোৱা বা নোপোৱা, কিন্তু মই তোমাৰ ছবি হৃদয়ত লৈ ফুৰিম। তুমি এই পৃথিৱীৰ য'তেই নাথাকা মই তোমাৰ সুখ-শান্তি কামনা কৰো।'

ভাত বাঙ্কিবলৈ তাৰ আৰু মন নগ'ল। পাকঘৰলৈ গৈ গাখীৰখিনিকে নিশাৰ আহাৰ হিচাপে গ্ৰহণ কৰিলে। বহু সময়লৈ তাৰ টোপনি অহা নাছিল। বিছনাতে ধৰফৰাই আছিল। সোঁৱৰণীয়ে আহি তাক বাৰে বাৰে আমনি দিছিল। " বচোৱা বচোৱা "এক নাৰী কণ্ঠৰ চিঞৰত সি বিচনাৰ পৰা ধহমহকৈ উঠি বাহিৰলৈ ওলাই আহিল। টৰ্চটো মাৰি সি চাৰিওফালে চালে। নাই, ক'তো একো নাই। বিনোদৰ বাহিৰে ফৰেষ্টৰ কোৱাৰ্টাৰত কোনো নাথাকে। ঘৰ ওচৰত হোৱা বাবে বাকীবোৰ ঘৰৰ পৰাই অহা-যোৱা কৰে। "বচোৱা " পুনৰ একেই চিঞৰ সিমূৰৰ কোৱাৰ্টাৰৰ ভিতৰত শুনা যেন পালে। পলম নকৰি সি তালৈ গ'ল। বাহিৰত এখন ৰঙা মাৰুতি ভান ৰখাই থোৱা আছে। ভিতৰত কাৰোবাৰ কান্দোনৰ শব্দ সি স্পষ্টভাৱে শুনা পাইছিল। ভিতৰৰ পৰা দুৱাৰ বন্ধ কৰা আছিল। বিনোদে দৰ্জাখনতে এনেকুৱা শক্তিশালী ফ্লাইং কিক এটা মাৰিলে যে দৰ্জাখন দুফাল হৈ গ'ল। ভিতৰত মমৰ ক্ষীণ পোহৰত মানুহ কেইজন দেখি বিনোদৰ সপোনৰ দৰে লাগিছিল। এয়াচোন কইনাৰ সাজত দেৱী আৰু এয়া ৰকি লগৰ তিনিজন ল'ৰাৰে সৈতে ..........। ৰকিৰ বন্ধু কেইজন তৎমূহুৰ্ততে বিনোদৰ ওপৰত জপিয়াই পৰিল কিন্তু বিনোদে এনেকুৱা কিক দুটা শোধালে তিনিওজন চিটিকি পৰিল। পৰাৰ পৰা উঠাৰ আগতেই বিনোদে তিনিওজনকে তাৰ হাতৰ প্ৰচণ্ড ঘোচাৰে ধৰাশায়ী কৰিলে। তাৰ পিছত ৰকিক কোঠাৰ বেৰত তাৰ মূৰটো থেতেলীয়াবলৈ ধৰিলে। ভাৰসাম্য ৰক্ষা কৰিব নোৱাৰি ৰকি বাগৰি পৰিল। দ্বিতীয়বাৰ উঠাৰ শক্তি তাৰ নাছিল।

"মোক ক্ষমা কৰা বিনোদ দা" - দেৱীৰ কান্দোনত সি ঘুৰি চালে। 'এয়া মোৰ নিজৰ ভুলৰ ফল। ঘৰৰ কথা মতে মই আন এজন ল'ৰাৰ লগত বিয়াত বহিব লৈছিলো। ৰকিয়ে ইমান নীচ মনৰ মই সপোনতো ভাবিব পৰা নাছিলো। হঠাৎ বিয়াতলীত ৰকিয়ে মৰাণাস্ত্ৰৰ ভয় দেখুৱাই মোক অপহৰণ কৰি লৈ আহিছিল। মোৰ লগত সি বলপূৰ্বকভাৱে বিয়া পাতিব খুজিছিল।' - কান্দি কান্দি কথাখিনি কৈছিল দেৱীয়ে।

বিনোদে বুজি পাইছিল তালৈ চিঠি দিয়াতো আছিল ৰকিৰে কাম। কাৰণ ৰকিয়ে জানিছিল যে বিনোদ ইয়াতে থাকে। বিনোদক কৌশলেৰে ইয়াৰ পৰা পঠাব পাৰিলে সি সম্পূৰ্ণ নিৰাপদ হয়।

'তুমি চিন্তা নকৰিবা দেৱী। তুমি বিয়া হবাই। এই বিয়া কোনেও বন্ধ কৰিব নোৱাৰে। অন্ততঃ মই থকালৈকে।' থোকা-থুকি মাতৰে বিনোদে কথাখিনি কৈ দেৱীক ৰকিৰ গাড়ীখনত উঠাই লৈ দেৱীৰ ঘৰলৈ বুলি গতি কৰিলে। ❑❑

অৰূপজ্যোতি মহন্ত স্নাতক দ্বিতীয় বৰ্ষৰ কলা শাখাৰ ছাত্ৰ

বিশ্বাসৰ ফল প্ৰেম, প্ৰেমৰ ফল সেৱা, সেৱাৰ ফল শান্তি

কথা শিল্প

# সপোনৰ শিহৰণ

হেমলতা দেৱী

ৰাতিপুৱা শুই উঠিয়েই ঘড়ীটো দেখি মায়া উচপ খাই উঠিল। আৰে, এয়া কি ? এতিয়া দেখোন সাত বাজিবই। ৯ বজাৰ পৰা ক্লাছ আছে। তাতে তাই আজি কলেজলৈ প্ৰথম যাব। তাইৰ বান্ধৱী ৰাখী মামাকৰ ঘৰৰ পৰা অহাই নাই। সেয়ে তায়ো ক্লাছ হৈ থকা বুলি জানিও ইমানদিন কলেজলৈ যোৱা নাই। এইফালে সিহঁতে নতুনকৈ এইখন চহৰলৈ আহিছে। কলেজখন সিহঁতৰ ঘৰৰপৰা অলপ দূৰ হয় বাবেই তাই কলেজলৈ যোৱা নাই। তথাপি সেইদিনা মাকে অলপ বুজনি দিয়াত আজি কলেজলৈ যাবলৈ ওলাইছে।

লৰালৰিকৈ মুখ-হাত ধুই তাই অলপ সময় এনেয়ে 'ইকনমিক্স'ৰ কিতাপখন পঢ়ি গা ধুবলৈ বাথৰুমলৈ গ'ল। গা ধুই আহি তাই কলেজলৈ যাবৰ সাজু হ'ল।

ঃ মা, অ' মা, ভাত হ'লনে ?হ'ল যদি সোনকালে দিয়া।

ঃ কেতিয়াবাই বাঢ়ি থৈছো, নাহ কিয় ?

ঃ অকলে যাব পাৰিবিনে ? ৰবি, ময়েই থৈ আহো।

ককায়েক ৰুবুলে নিজৰ ৰুমৰ পৰা ওলাই আহি ক'লে।

কলেজৰ গেটত স্কুটাৰৰ পৰা নামিয়েই মায়াই তাইৰ স্কুলৰে বান্ধৱী বৰ্ণালীক দেখি মাত লগালে, 'অই মনি ৰবিছোন'।

ঃযাওঁতে অকলে যাব পাৰিবিনে ?

ঃ পাৰিম ....... ।

স্কুলীয়া দিনৰে বান্ধৱী বৰ্ণালীক পাই মায়াৰ বৰ ভাল লাগিল। কলেজত অকলে থাকিব লাগিব বুলি তাই বৰ চিন্তা কৰি আছিল। বৰ্ণালীয়ে তাইক তাইৰ বান্ধৱীকেইজনীৰ সৈতেও চিনাকী কৰি দিলে। লগৰ লগত ক্লাছ কৰি, কথাপাতি থাকোতে থাকোতে তিনি বাজিল। কলেজৰ ল'ৰা-ছোৱালীবোৰ লাহে লাহে কমিবলৈ ধৰিলে। বৰ্ণালীহঁতেও ঘৰলৈ যাবলৈ ওলাল। মায়া, বৰ্ণালীহঁত গেটৰ ওচৰলৈ আহিল। বৰ্ণালী তাইৰ বান্ধৱীজনীৰ সৈতে ঘৰলৈ যাবলৈ ওলাল। মায়াও অইন এটা দিশত নিজৰ ঘৰলৈ যাবলৈ ওলাল।

সেইদিনা বতৰটো বৰ ভাল আছিল। সিমান ৰ'দো নাছিল , সেয়ে কিছুদুৰ খোজকাঢ়ি গৈ পিছত এখন ৰিক্সা লোৱাতোকে ভাল হ'ব বুলি মায়াই বিবেচনা কৰিলে। তাই লাহে লাহে ঘৰলৈ বুলি খোজ কাঢ়িবলৈ ধৰিলে। কিছুদুৰ যোৱাৰ অন্তত তাই অনুভৱ কৰিলে যে হঠাৎ যেন বতৰটো পৰিবৰ্ত্তন হ'বলৈ আৰম্ভ কৰিছে। তাই ওপৰলৈ চায় দেখে যে আকাশখন লাহে লাহে ক'লা ডাৱৰে আগুৰি ধৰিছে। চাৰিওফালে অন্ধকাৰৰ দৰে হৈ পৰিছে যেন অলপ পিছত পূৰ্ণগ্ৰাস সূৰ্যগ্ৰহণহে হ'ব। শান্ত হৈ থকা গছ বনবোৰো যেন কোনো অদৃশ্য ধুমুহাৰ প্ৰকোপত যখিনীৰ দৰে নাচিব লাগিছে। প্ৰকৃতিৰ এনে অদ্ভুত ৰূপ দেখি মায়া স্বাভাৱিকতে আচৰিত হ'ল। হঠাৎ প্ৰকৃতিৰ এই অস্বাভাৱিক পৰিবৰ্ত্তন দেখি তাই অতিশয় ভীতিগ্ৰস্ত হ'ল। তাই চাৰিওফালে চাবলৈ ধৰিলে। নাই, ৰিক্সা, চাইকেল, গাড়ী একো নাই। ৰাষ্টাত দুই এজন গৈ থকা মানুহৰ বাহিৰে আন একো নাই। তাতে সেই মানুহকেইজনো ইমান আপোন পাহৰা হৈ গৈ আছিল যেন লক্ষ্য স্থানৰ বাহিৰে তেওঁলোকৰ মন দিবলগীয়া আন একো নাই।

অচিনাকী চহৰখনৰ এই অচিনাকী ৰাষ্টাটোত মায়াৰ নিজকে বৰ অকলশৰীয়া যেন লাগিল। তাইক অকনমান সহায় কৰিবৰ বাবেও ৰাষ্টাত কোনো নাই। আশ্চৰ্য আৰু বিস্ময়ত তাই কি কৰিব একো ভাবি নাপালে। মাক-দেউতাক আৰু একমাত্ৰ দাদাক ৰুবুলৰ কথা মনত পৰাত তাইৰ কান্দি দিবৰ মন গ'ল। এইবোৰ ভাবি থাকোতেই ইতিমধ্যে ধম্ ধম্কৈ বৰষুণ দিবলৈ আৰম্ভ কৰিলে। ৰাষ্টাত ক'তো এটাও প্ৰানী দেখিবলৈ নোপোৱা হ'ল। তাই কৰবাত আশ্ৰয় লবৰ বাবে চাৰিওফালে চাবলৈ ধৰিলে। কিন্তু ক'তো এটাও সৰু ঘৰ নেদেখিলে। চাৰিওফালে কেৱল ডাঙৰ ডাঙৰ বিল্ডিংবোৰ, মাজে মাজে সৰু সৰু আসাম টাইপৰ দুই এটা ঘৰ থাকিলেও সেইবোৰ ৰাষ্টাৰ পৰা বহু ভিতৰত। তিতি তিতি লাহে লাহে খোজকাঢ়ি গৈ থাকোতে হঠাৎ তাই কিছু দুৰত এটা সৰু হাফ্ ৱাল ঘৰ দেখিবলৈ পালে। তাই প্ৰায় দৌৰাৰ নিচিনাকৈ ৰাষ্টাৰ পৰা ঘৰটোলৈ গ'ল। কিছু পৰ বাৰাণ্ডাত থাকি তাই ঘৰৰ কথা ভাবিবলৈ ধৰিলে।

ঘৰটোৰ কাষৰ বেৰবোৰ গছ-লতাৰে পৰিপূৰ্ণ। সন্মুখৰ খালী ঠাইখিনিতো বনবোৰ জংগলৰ ৰূপ লৈছে। ঘৰটো দেখিলে এনে লাগে যেন বহুদিন ঘৰটোলৈ মানুহ অহা-যোৱা হোৱা নাই। মায়াই হঠাৎ হৈ

যোৱা প্ৰকৃতিব এই পৰিৱৰ্ত্তনৰ কথা ভাবি আচবিত আৰু শংকিত হ'ল। ঘৰটোৰ বাহিৰৰ ৰূপ দেখিও তাই আচবিত হ'ল। মানুহে বসবাস কৰা ঘৰ এটাৰ সন্মুখখিনি জানো এনেকুৱা হ'ব পাৰে ? ঘৰটোত কোনোবা থাকে নে নাই ? যদি থাকে তেন্তে তেওঁলোক কেনেকুৱা মানুহ হ'ব পাৰে ? এইবোৰ ভাবি ভাবি ঠিয় হৈ থাকোতেই হঠাৎ পিছফালে এটা শব্দ হ'ল। ঘুৰি চাই দেখে যে বগা শাৰী পৰিহিতা এগৰাকী আদবয়সীয়া মহিলাই দৰজাখন খুলি তাইৰ ফালেই চাই বৈ আছে। মায়াই মহিলাগৰাকীলৈ চোৱাত তেওঁ তাইক ভিতৰলৈ আহিবলৈ ইংগিত দি নিজে ততাতৈয়াকৈ ভিতৰলৈ সোমাই গ'ল। তিতি থকা চূৰ্ণীখন মোহাৰি বেগটো কান্ধৰ পৰা হাতত নমাই লৈ তাই সংকোচেৰে ভিতৰলৈ সোমাই গ'ল। বগা শাৰী পৰিহিতা মহিলা গৰাকীয়ে তাইক বহিবলৈ কৈ নিজে ভিতৰলৈ সোমাই গ'ল।

ঘৰটোৰ অৱস্থা দেখি তাই আগতকৈও বেছি আচৰিত হ'ল। ঘৰটোৰ ভিতৰৰ বেৰবোৰ ধূলি বালি, মকৰা জালেৰে ভৰি আছে। ভিতৰত থকা বস্তুৰ ভিতৰত এখন সৰু টেবুল, দুখনমান আওপুৰণি চকী আৰু এটা সৰু আধাভগা আলমীৰা। সেইবোৰো ধূলি-বালিৰে ভৰপূৰ। ঘৰটোৰ এখন বেৰত এজনী মানুহ আৰু দুটা সৰু সৰু ল'ৰাৰ বন্ধোৱা ফটো এখন আৰি থোৱা আছে, তাৰেও গ্লাছখন নাই, কেৱল ফটোখনহে আছে।

ঘৰটোৰ অৱস্থা দেখি মায়া আশ্চৰ্য আৰু বিস্ময়ত শংকিত হৈ পৰিল। এনেকুৱা ঘৰটো মানুহ থাকিব পাৰেনে ? ঘৰটো দেখিলে অনুমান হয় যেন বহু বছৰ ধৰি ঘৰটোত কোনো থকা নাই। নহ'লেনো এনে লেতেৰা ঘৰ এটাত মানুহ থাকিব পাৰেনে ? মানুহজনী ভিতৰলৈ যোৱা বহু পৰা হ'ল, এতিয়াও অহাই নাই। মায়াই চকীখনৰ পৰা ধূলিখিনি হাতেৰে জোকাৰি বহি পৰিল। বহুদেৰী হ'ল কলেজৰ পৰা অহা, মাকহঁতে কিজানি ঘৰত চিন্তা কৰি আছে। অলপ অলপ ঠাণ্ডাও লাগিছে। বৰষুণ কমাই নাই যদিও বতাহতো অলপ কমিছে। বৰষুণ অলপ কমিলেই খোজকাঢ়ি হ'লেও ঘৰলৈ যাব পাৰিব। অচিনাকী এই অদ্ভূত পৰিবেশত থাকি তাইৰ ভয় লাগিছে যদিও তাই একো উপায় বিছাৰি পোৱা নাই। ঘৰটোত অন্ততঃ বৰষুণত তিতিবলগীয়া হোৱা নাই। ঘৰটো যেনেকুৱা হ'লেও তাই এই বিপদৰ সময়ত আশ্ৰয় ল'ব পাৰিছে। তাকে ভাবি তাই ধৈৰ্য ধৰি শান্ত হৈ বহি থাকিল।

ঘৰটোত দেখা মহিলাগৰাকীৰ কথা ভাবি মায়া আচৰিত হ'ল। কোন এই মহিলা গৰাকী ? তেতিয়াই তাইক বহিবলৈ দি এতিয়াও দেখা দেখি নাই। ইমান দেৰী ভিতৰত কি কৰিছে ? আন কোনো নাই নেকি ঘৰটোত ? হয়তো মহিলা গৰাকীৰ স্বামী অফিচলৈ আৰু ল'ৰা-ছোৱালী স্কুললৈ গৈছে। সিহঁতেও বোধহয় তাইৰ দৰে কৰবাত আশ্ৰয় লৈছেগৈ। কিন্তু মহিলাগৰাকীয়ে ভিতৰত ইমান দেৰি কি কৰিছে ?

ভাবি থাকোতেই হাতত এটা গিলাছ লৈ পূৰ্বৰ বগা শাৰী পৰিহিতা মহিলা গৰাকী তাইৰ সন্মূখত উপস্থিত হ'ল। হাতত লৈ থকা গিলাছটো তাইক দি ইংগিতেৰে গিলাছটোত থকা পানীয়খিনি তাইক খাবলৈ ক'লে। গিলাছটো লৈ মায়াই একো নাভাবি তৎক্ষনাত পানীয়খিনি পেলালে। কেইমুহূৰ্তমান পিছতেই তাই সন্মুখলৈ চায় উচপ খাই উঠিল। এয়া কি ? এইমাত্ৰ তাইৰ সন্মুখত থিয় হৈ থকা মহিলা গৰাকীৰ ৰূপটো সলনি হৈ এজনী ডাইনীৰ আকৃতি লৈছে। তেওঁৰ মুখখন বিকৃত হৈ পৰিছে, নখবোৰ দীঘল হৈ পৰিছে। ভয় আৰু আতংকত মায়াই চিঞৰিবলৈ ধৰিলে।

মাইনা, অ' মাইনা, কি হ'ল ? চিঞৰিছ কিয় ? সপোন দেখিছিলি নেকি ? মাকে তেনেকৈ কোৱাত তেতিয়াহে মায়াই বুজিব পাৰিলে যে ইমানপৰে তাই সপোনহে দেখি আছিল । ❑❑

কবিতাৰ সৃষ্টি জ্ঞানে নকৰে। কবিতা সৃষ্টি কৰে কল্পনা, উপলব্ধি আৰু প্ৰতিভাই। কাল আৰু স্থানৰ প্ৰভাৱৰ পৰা কবিতা মুক্ত নহয়। কবিতাৰ জ্ঞাপন শক্তি অগতানুগতিক আৰু সহজ। কবিতাই সত্যক সুন্দৰ কৰি তোলে আৰু সুন্দৰক কৰে সত্য।

- ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

চুমাতকৈ চিঠিয়ে প্ৰেমিক-প্ৰেমিকাৰ মিলন গাঢ় কৰে।

- জন ডন

যাৰ অন্তৰ সচাঁকৈয়ে স্বচ্ছ তেওঁ বাহিৰত অস্বচ্ছ হ'ব নোৱাৰে।

- মহাত্মা গান্ধী

হেমলতা দেৱী স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী

কথা শিল্প

# জীৱন গঢ়াৰ সন্ধিক্ষণত

বিনীতা কলিতা

হাচিনাৰ ৰুমৰ পৰা অহা এক অনামী পাৰফিউমৰ গোন্ধে মোৰ গোটেই ৰুমটো আমোলমোলাই তুলিলে। মই বুজি উঠিলো হাচিনা চাগে কৰবালৈ যাব ওলাইছে। হঠাৎ জোতাৰ খট্ খট্ শব্দত মই সচকিত হৈ পৰিলো। দুৱাৰখন খুলি চাবলৈ মন গ'ল যদিও কিবা এক অলসতাই মোৰ হাতখন সংকুচিত কৰি পেলালে। এই সময়ত হাচিনাৰ ৰুমলৈ কোন আহে সেই বিষয়ে মই নিশ্চিত। ভিতৰত হোৱা কথা-বতৰাৰ পৰাই গম পালো সেয়া হাচিনাৰ অফিচৰ পিয়ন ৰমেন। হাচিনাই এটা বিজ্ঞাপন কোম্পানীত কাম কৰে। চাকৰিৰ নামত ঘুৰি ফুৰাই একপ্ৰকাৰ তাইৰ কাম। কেতিয়াবা ভাবি আচৰিত লাগে এই গধূলিৰ পৰা ৰাতি এঘাৰ-বাৰ বজালৈকে ইহঁতৰনো কি কাম থাকে অফিচৰ নামত। তাৰোপৰি এই ৰমেনে হাচিনাক সদায় নিব অহাৰ কাৰণেই বা কি ?

ঃ শুভ্ৰা বাইদেউ, মই যাও দেই, আপুনি থাকিব। আজি কিন্তু ভাত বেছিকৈ নবনাব। মোৰ আহি পাওতে বাৰ বাজি যাব পাৰে।

জোতা-চেণ্ডেলৰ শব্দ তুলি সিহঁত গুচি যাব ধৰিছে। ফিৰফিৰীয়া পাতল নীলা ৰঙৰ শাৰীখনেৰে অপূৰ্ব লাগিছে হাচিনাক। সচাঁকৈয়ে হাচিনাজনী যে ইমান ধুনীয়া। আৰু ৰমেনোতো কম ধুনীয়া নহয়। দুয়ো যেন কোনোবা সপোনপুৰীৰ ৰাজকুমাৰ-ৰাজকুমাৰীহে। লাইট নজ্বলোৱাকৈ যে পৰি ৰ'লো বিছনাখনত হাচিনাৰ কথাকে ভাবি। হাচিনাক বাৰু মই ক'ত লগ পাইছিলো! কেতিয়া ?

ডাঙৰ ভণ্টী উৰ্মিক বিয়া দিবলৈ ওলোৱাত বৰ্তমানে সমাজত যৌতুকৰ নামত ঘটি থকা ভয়াবহ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি যথেষ্ট খৰচ কৰিবলগীয়া হৈছিল। ফলস্বৰূপে দেউতাৰ অতি হেঁপাহৰ মৰমৰ তিনিবিঘা মাটিৰ এবিঘা বিক্ৰী কৰিব লগীয়া হৈছিল। বিয়াৰ পিছত ঘৰখনত যেতিয়া সাংঘাটিক অৰ্থ সংকটে দেখা দিছিল, তেতিয়া মোৰ চাকৰি বিছৰাৰ তীব্ৰতা আৰু বেছি হৈ পৰিছিল। বি.এ. পাছ কৰি উঠি ঘৰৰ অসমৰ্থতাৰ বাবে এম.এ. ও পঢ়িব নোৱাৰিলো। বহুদিন মন্ত্ৰীৰ ওচৰলৈ গৈ, বহুতো ইণ্টাৰভিউ দিয়ো যেতিয়া একো এটা কৰিব নোৱাৰিলো, তেতিয়া মই প্ৰায় হতাশেই হৈ পৰিছিলো, ধিক্কাৰ দিছিলো বৰ্তমানৰ শিক্ষাব্যৱস্থাক। কিন্তু ভাগ্যক্ৰমে এটা চাকৰি পালো। অনাথ আশ্ৰমৰ শিক্ষয়িত্ৰীৰ।

চাকৰিত জইন কৰি যেতিয়া মই মোৰ নতুন ভাড়াঘৰত প্ৰৱেশ কৰিছিলো তাতেই প্ৰথমবাৰৰ বাবে লগ পাইছিলো হাচিনাক - হাচিনা বেগমক। প্ৰথম দিনাই তাইৰ পৰা পোৱা উৎকৃষ্ট ব্যৱহাৰে মোক হাচিনাৰ একেবাৰে ওচৰ চপাই নিছিল। কিন্তু লাহে লাহে হাচিনাৰ উশৃংখলতাবোৰ মোৰ একেবাৰে ভাল নলগা হ'ল। মোৰ একত্ৰিশ বছৰীয়া জীৱন কালছোৱাতেই সংসাৰৰ ভয়াবহ দুৰ্যোগৰ সন্মুখীন হৈ প্ৰতিটো অভাৱ পূৰণ কৰিব লাগিছিল। সেয়ে হয়তো মই প্ৰয়োজনতকৈ অধিক গম্ভীৰ হৈ পৰিছিলো। সেই গম্ভীৰতাত আৰু হেঁচা প্ৰয়োগ কৰিছিল যেতিয়া মই অনাথ আশ্ৰমৰ সেই দুৰ্ভগীয়া ল'ৰা-ছোৱালীবোৰৰ মাজত সোমাই পৰিলো। জীৱনৰ প্ৰকৃত উদ্দেশ্য মই যেন সেই ল'ৰা-ছোৱালীবোৰৰ মাজতহে আৱিষ্কাৰ কৰিছো। সেই ল'ৰা-ছোৱালীবোৰৰ যিবোৰে অকালতে মাক-দেউতাকৰ মৰমৰ পৰা বঞ্চিত হয় নাইবা কোনোবা অপৰিপক্ক প্ৰাণ-চঞ্চল যুৱক-যুৱতীয়ে জন্ম দিয়ে একো একোটা চিৰ দুৰ্ভগীয়া শিশুৰ, সিহঁতৰ অদমনীয় যৌৱনৰ সাক্ষী ৰূপে, নিক্ষেপ কৰে কোনো নৰ্দমা নাইবা ৰাষ্টাৰ দাঁতিত। সিহঁতবোৰৰ মাজত মই বিছাৰি পাঁও জীৱনৰ এক সুকীয়া অৰ্থ। সেয়ে হয়তো হাচিনাৰ চঞ্চলতাখিনিয়ে মোক বিৰক্ত কৰি তোলে কেতিয়াবা।

স্কুলৰ পৰা আহি সামান্য জিৰণিৰ কাৰণে যেতিয়া চকুহাল মুদি বিছনাত পৰো সেই সময়ত মই হাচিনাৰ ৰুমৰ পৰা শুনিবলৈ পাঁও হাচিনাৰ যৌৱনোচ্ছল হাঁহিৰ খিলখিলনি, কোনোবা পুৰুষ কণ্ঠৰ আব্দাৰ ভৰা কথা-বতৰা। ভীষণ খং উঠে হাচিনাৰ ওপৰত। এইদৰে পুৰুষ ভুলোৱাই তাইৰ কাম নেকি ? অৱশ্যে এয়া সম্ভৱতঃ তাইৰ দোষ নহয়, এয়া তাইৰ বয়সৰ দোষ। উনৈশ-বিশ বছৰীয়া হাচিনাৰ ৰূপৰ জুইত চগা পোকৰ দৰে জাঁহ যোৱা দিনৰ পোহৰত পুৰুষত্বৰ দম্ভ দেখুৱাই ফুৰা পুৰুষবোৰৰ প্ৰতি মোৰ পুতৌ হয়। কেতিয়াবা হাচিনাৰ ওপৰত মোৰ সাংঘাতিক ক্ষোভ হয়। তাইতো মোৰ ভনীৰ নিচিনাই। চাকৰিৰ নামত তাই নিজক কিয় বিক্ৰী কৰে এই মানুহবোৰৰ ওচৰত।

সেইদিনা মই সোনকালেই স্কুলৰ পৰা আহিছিলো। দুৱাৰখন বন্ধ কৰি শুম বুলি ভাবিছিলোহে... দুৱাৰত উপৰ্যুপৰি পৰা টোকৰত দুৱাৰখন খুলি দি মই বিস্মিত হৈ পৰিলো।

ঃ বাইদেউ, বাইদেউ আপুনি বাৰু মোক অলপ দয়া কৰিবনে ? মই যে বৰ অসহায় হৈ পৰিছো।

ঃ হাচিনা, এয়া তুমি কি কৈছা, আহাচোন আগেয়ে ভিতৰলৈ।

আউল-বাউল চুলিৰে অসংযত হাচিনাক একপ্ৰকাৰ টানি আনিয়েই বিছনাত বহুৱাই দিলো। মুখ হাত ধুবলৈ বুলি তাইক বাথৰুমলৈ পঠিয়াই মই তাইৰ বাবে চাহ কৰাত লাগিলো। চাহ খোৱাৰ পিছত অলপ প্ৰকৃতিস্থ

যেন দেখি মই তাইক সুধিলো -

ঃ হাচিনা, মোৰ ভণ্টিজনী, কোৱাচোন কি হ'ল আজি তোমাৰ।

সুধিবহে পালো তাই হুকহুকাই কান্দি উঠিল মোৰ ভবি দুখনত সাৱতি ধৰি। কি কৰিম, কি নকৰিম ভাবি একো উৱাদিহ নোপোৱা হ'লো। তাইৰ চুলিখিনিত আঙুলি বুলাই লাহে লাহে সুধিলো সেই একে কথাকেই। থোকাথুকি মাতেৰে তাই কৈ গ'ল -

ঃ ক'ম বাইদেউ, আজি মই আপোনাক সকলো ক'ম। মোৰ জীৱনৰ বিষয়ে, মোৰ জীৱিকাৰ বিষয়ে, শুনিলে আপুনি মোক ঘিণ কৰিব, অভিশাপ দিব মোৰ কুকৰ্মৰ বাবে। আচলতে মই বেয়া ছোৱালী নাছিলো বাইদেউ, ময়ো সপোন দেখিছিলো এটা সুস্থ জীৱন গঢ়াৰ। মা-দেউতা আৰু দাদাৰে আমাৰ এখন পৰিপূৰ্ণ ঘৰ আছিল। সমাজত জাকত জিলিকা নহ'লেও আমাৰ ঘৰখন পৰিমৰা বিধৰো নাছিল। কিন্তু নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস ! দাদাৰ দিনক দিনে বাঢ়ি অহা উশৃংখলতাবোৰে মা-দেউতা আৰু মোৰ স্বাভাৱিক জীৱনত বাধাৰ দৰে হৈছিল। এটা সময়ত ঘণ্টাৰ পিছত ঘণ্টা ধৰি মদ খাবলৈ ধৰা দাদাই এপদ এপদ কৈ ঘৰৰ সকলো বস্তু বিক্ৰী কৰি গোটেই ঘৰখনকেই দূৰ্বল কৰি পেলালে। এই সম্পৰ্কত মাত মতাৰ পৰিণতিত দাদাৰ আঘাটত দেউতাই দৃষ্টি শক্তি হেৰুৱালে। তেতিয়া মই দশম শ্ৰেণীত আছিলো।

ইমানখিনি কোৱাৰ পিছত হাচিনা কিছু সময় ব'ল। হয়তো কোনখিনিৰ পৰা আকৌ আৰম্ভ কৰিব জুকিয়াই ল'লে। তাইৰ সজল চকুযুৰিলৈ চাই মই নিজকে বৰ দূৰ্বল অনুভৱ কৰিব ধৰিলো। কি ক'ব বিচাৰিছে বাৰু এই আকুলসনা সজল চকু দুটিয়ে .......।

এটা দীঘল হুমুনিয়াহ কাঢ়ি তাই আকৌ আৰম্ভ কৰিলে -

ঃ হঠাৎ এদিন জানিব পাৰিলো দাদাৰ সমগ্ৰ দেহজুৰি বাহ বান্ধিছে এক ভয়ানক বেমাৰে। দাদাৰ কেন্সাৰ হ'ল। যিজন দাদাৰ বাবে এটা সময়ত মোৰ ঘৃণাত নাক কোঁচ খাইছিল, বিতৃষ্ণাৰে মন ভৰি পৰিছিল, সেই দাদাৰ প্ৰতি মোৰ সহানুভূতি হৈছিল, এক অবুজ বেদনাই মোৰ হৃদয়খন জ্বলা-কলা কৰি মাৰিছিল। অসুখৰ কথা জনাৰ পিছত সি মদ খাবলৈ বাদ দিছিল সঁচা কিন্তু সেয়া যে বহুত পলম হৈ গৈছিল। দাদা সুস্থ নহয় বুলি জানিও দাদাক বচাবলৈ আপ্ৰাণ চেষ্টা কৰিছিলো। আনৰ ওচৰত সহায়ৰ হাত পাতিছিলো। কিন্তু বাইদেউ, কি ঘৃণনীয়, কি নিৰ্লজ ! সহায়ৰ বিনিময়ত সকলোৱে বিচাৰে মোৰ ফুলকুমলীয়া দেহৰ পৰশ। ব্যৰ্থ হৈ ঘুৰি আহো। ভাবিছিলো দৰকাৰ হ'লে দাদা শেষ হৈ যাওক তথাপি মই নোৱাৰো, সেইদৰে টকা আনিব মই নোৱাৰো।

হাতত থকা ৰুমালেৰে তাই তাইৰ চকুপানীখিনি মচি ল'লে। অজানিতে ওলাই অহা চকুপানীখিনিয়ে মোৰো দুগাল তিয়াই পেলালে। হাচিনাই আলফুলে মচি দিলে চকুপানীখিনি। এটা শেতা হাঁহিৰে তাই কৈ গ'ল -

ঃ দাদা এদিন সচাঁকৈয়ে টুকাই থাকিল। সেইদিনা কি হৈছিল জানে বাইদেউ, দাদাৰ মৃতদেহৰ ওপৰত অন্ধ দেউতাই বিচাৰি ফুৰিছিল দাদাৰ মুখখন। যেতিয়া বিচাৰি পাইছিল উপৰ্য্যুপৰি চুমাৰে ভৰাই তুলিছিল তাৰ মুখমণ্ডল। যাৰ আঘাটত এদিন দেউতাই সেউজ সুন্দৰ পৃথিৱীখন প্ৰত্যক্ষ কৰাৰ পৰা বঞ্চিত হৈছিল সেই দেউতাই সেইদিনা পুত্ৰ শোকত অন্ধ চকুৰে চকুপানী বোৱাইছিল। পুত্ৰৰ প্ৰতি পিতৃৰ কি মোহ ! সেই দৃশ্য মোৰ বাবে একেবাৰে অসহনীয় হৈ পৰিছিল। দাদাৰ শোক কিছু পাতলাৰ পিছত মই যেতিয়া আৱিষ্কাৰ কৰিলো ৰুগীয়া আৰু অন্ধ মা-দেউতাৰ লগতে ঘৰখনৰ শোচনীয় অৱস্থাৰ কথা তেতিয়া মই বিভ্ৰান্তৰ দৰে চাকৰি বিচাৰি ঘুৰি ফুৰিছিলো। আৰু শেষত ৰমেনৰ পৰাই এই বিজ্ঞাপন কোম্পানীৰ সন্ধান পালো। ৰমেন মোৰ জীৱনৰ প্ৰথম প্ৰেম। কিন্তু বাইদেউ এই কোম্পানীলৈ আহি মই মোৰ যৌৱনৰ বিজ্ঞাপনহে দিব লগীয়া হ'লো। সযতনে সাঁচি ৰখা কৌমাৰ্য্যক বিসৰ্জন দিবলগীয়া হ'লো। যাৰ মৰমৰ ছত্ৰছায়াত থাকি মই কল্পনা কৰিছিলো এখন সুন্দৰ সুখৰ সংসাৰৰ, সেই ৰমেনে এতিয়া মোক আগবঢ়াই দিলে সেই বলিশাললৈ। পিতৃসম মানুহৰ সৈতে মই নাচিব লগীয়া হয়। হাঁহিৰে সকলোৰে ওচৰত সুখৰ অভিনয় কৰি যাও প্ৰতিদিনে। ৰমেনে আঁতৰৰ পৰা অসহায় দৃষ্টিৰে চাই ৰয়। নহ'লে যে আমাৰ চাকৰি নাথাকিব। এইদৰে বিগত দিনবোৰত মই বহুতো শিশু হত্যাৰ দৰে পাপ কাম কৰিলো। আৰু নোৱাৰো বাইদেউ। মই মাতৃ হ'ব খোজো, মাতৃত্বৰ গৌৰৱ বিচাৰো। সেয়ে কোম্পানীৰ ব্ৰাঞ্চ মেনেজাৰ অৰুনাভ কাকতিৰ ভাবুকিকো নেওচা দি দৌৰি আহিছো আপোনাৰ ওচৰলৈ। আপোনাৰ বাহিৰে এতিয়া আৰু মোক আন কোনেও সহায় কৰিব নোৱাৰে। মোৰ চাকৰিৰ কৰ্তব্যত মইতো অৰুনাভ কাকতিক ফাঁকি দিবই লাগিব। সেয়ে মোৰ আহিব লগীয়া শিশুটিক আপোনাৰ হাতত তুলি দিম। আপোনাৰ অনাথ আশ্ৰমত থাকি সি ডাঙৰ হওঁক। যিদিনাই মই এই বিষাক্ত জীৱনটোৰ পৰা মুক্তি পাম সেইদিনাই মই তাক লৈ আনিম, তাৰ প্ৰকৃত মাকৰ ওচৰলৈ।

ইমানবোৰ কোৱাৰ পিছত হয়তো তাই ভাগৰি পৰিছিল। চকুৰ পতাতো সম্ভৱতঃ টোপনিয়ে আমনি কৰিছিল। মৰমেৰে মই তাইক মোৰ বুকুৰ মাজলৈ টানি আনিলো। এক বিশ্বাস্য নিৰাপত্তাত তাইৰ টোপনি আহিল। মোৰ অনুভৱ হ'ল এয়া যেন হাচিনা নহয়, মোৰ ভণ্টী কিংকিনীহে। তীব্ৰ অৱসাদত মোৰো চকুলৈ নামি আহিল সুমধুৰ টোপনি। সপোনতে দেখিলো হাচিনাৰ কোলাত এটা দেৱশিশুৰ কলকলনি। মই লৈ গৈছো স্বৰ্গপুৰী সদৃশ অনাথ আশ্ৰমলৈ। আনন্দত মুখৰিত হৈ পৰিছে সমগ্ৰ আশ্ৰম। সৰু সৰু অনাথ ল'ৰা-ছোৱালীবোৰে সিহঁতৰ সংসাৰত আৰু এজনৰ আগমনত কিৰিলি পাৰিছে। সচাঁকৈয়ে কি সুখ সিহঁতৰ। ❑❑

**বিনীতা কলিতা স্নাতক প্ৰথম বৰ্ষৰ কলা শাখাৰ ছাত্ৰী**

আঁঠুকাঢ়ি থকা ভদ্ৰলোক এজনতকৈ নিজৰ ভৰিৰ ওপৰত থিয় হৈ থকা চহা খেতিয়ক এজন বেছি ডাঙৰ

একাঙ্কিকা ব্যঙ্গ নাটক ঃ

পৰেশ কুমাৰ বড়া

চৰিত্ৰসমূহ ঃ ল'ৰা তিনিজন।
পোছাক ঃ গেঞ্জী-চুৰিয়া।

( এখন নাঙল। তিনিজন ব্যক্তিয়ে নাঙলখন আচৰ্য্যজনক বস্তু বুলি ভাবি আগুৰি থাকিব।)

১ম ব্যক্তি ঃ ঐ ভাইহঁত, এইখন কি ?

২য় ব্যক্তি ঃ এইটো এটা বস্তু।

৩য় ব্যক্তি ঃ এইটো এটা বেলেগ বস্তু।

১ম ব্যক্তি ঃ ক'ত পালি ?

২য় ব্যক্তি ঃ ওপৰৰ পৰা পৰিল।

৩য় ব্যক্তি ঃ নহয়। আমেৰিকাৰ পৰা আনিছো। Made in USA.

১ম ব্যক্তি ঃ এঃ নহয়। Made in Assam.

২য় ব্যক্তি ঃ অসমত বনোৱা ?

১ম ব্যক্তি ঃ অ, অসমত।

৩য় ব্যক্তি ঃ বাৰু কেনেকৈ জানিলি অসমত বনোৱা বুলি ?

১ম ব্যক্তি ঃ কৈছো ৰ। এয়া দেখা নাই ই অসমান। এইফালে বেকা। এইফালে জোঙা। এইফালে ধেনুভিৰীয়া। আৰু এইডাল (ঈহ-মাৰি) দীঘল। এইবিলাক অসমান। গতিকে No objection please। ই অসমত বনোৱা।

২য় ব্যক্তি ঃ অ। হ'ব পাৰে দেই। অসমত বনোৱা।

৩য় ব্যক্তি ঃ অ। অসমতেই বনোৱা।

১ম ব্যক্তি ঃ এইখিনি ৰজা। (মুঠিৰ ফালে ) এইখিনি প্ৰজা (ঈহ-মাৰি)। এইখিনি অস্ত্ৰ (ফালটো )।

২য় ব্যক্তি ঃ ৰজাই কি কৰে ?

১ম ব্যক্তি ঃ ৰজাই দেখুৱাই দিয়ে। নিৰ্দেশ দিয়ে। এই প্ৰজাবোৰক পিঠিত উঠি নচুৱাই থাকে। আৰু এই অস্ত্ৰবোৰক ৰজাই যেনি-তেনি ব্যৱহাৰ কৰাব পাৰে।

৩য় ব্যক্তি ঃ প্ৰজাই কি কৰে ?

১ম ব্যক্তি ঃ প্ৰজাই গাধৰ কাম কৰে। ৰজাক পিঠিত উঠাই লৈ ফুৰে। ৰজাৰ নিৰ্দেশমতে প্ৰজাই যেনি-তেনি যাব লাগে। ৰজাই যিমানেই বোজা নিদিয়ক কিয় তাক বিনা প্ৰতিবাদে কঢ়িয়াব লাগিব।

২য় + ৩য় ব্যক্তি ঃ আৰু অস্ত্ৰই ?

১ম ব্যক্তি ঃ অস্ত্ৰই । ই আঘাট কৰে। জখম কৰে। প্ৰজাৰ নেগুৰত ধৰি ধৰি প্ৰজাৰেই ভাত খাই ৰজাৰ আঙুলিৰ ঠাঁৱে ঠাঁৱে ই আঘাট কৰি ফুৰে। ই বিধৱাৰ স্ৰষ্টা, পুত্ৰহাৰাৰ স্ৰষ্টা, পিতৃহাৰাৰ স্ৰষ্টা। ই ৰক্তবন্যাৰ জন্মদাতা।

২য় ব্যক্তি ঃ কি আচৰিত !

৩য় ব্যক্তি ঃ কি ভয়ঙ্কৰ !

১ম ব্যক্তি ঃ অ। ৰজাৰ মুঠিত থকা কিছুমান অপ্ৰতিৰোধ্য শক্তিয়ে ইহঁতক পৰিচালনা কৰে। কাক খতম কৰিব লাগিব কাক জখম কৰিব লাগিব সেয়া এই অস্ত্ৰই জানে।

২য় ব্যক্তি ঃ প্ৰজাই কি এইবোৰ চাই থাকে ?

৩য় ব্যক্তি ঃ অ। প্ৰজাই এইবোৰ চাই থাকে। নীৰৱে চাই থকাৰ বিনে ইহঁতৰ অন্য উপায় নাস্তি। ইহঁতে ৰজাকো টানি লৈ ফুৰাব লাগে। অস্ত্ৰকো পোহপাল দিব লাগে। প্ৰত্যুত্তৰত দুয়োটাৰে লাঠি-গোৰ।

২য় ব্যক্তি ঃ প্ৰজাই ৰজাৰ কোৰ খাই খাই ৰজাক টানি লৈ ফুৰাব

লাগে। অস্ত্ৰই প্ৰজাৰ পিঠিত উঠি প্ৰজাকেই আঘাট কৰি ফুৰে। কি মোক্ষম আঘাট! কি দুখ ! এই প্ৰজাগণৰ ! কি নিৰ্মম বাস্তৱ এয়া! এইয়াই নেকি সত্য! (স্বগতোক্তি)

১ম ব্যক্তি ঃ অ' বাস্তৱেই একমাত্ৰ সত্য। নিৰ্মম হলেও ই সত্য। অ' এই বস্তুটোৰ (নাঙল খনৰ) নাম 'অসমেই হ'ব চাগে'।

২য় ব্যক্তি ঃ ইয়াৰ নাম অসম ?

৩য় ব্যক্তি ঃ বহু যুক্তিপূৰ্ণ তথ্যৰ পিছত প্ৰতিপন্ন হ'ল ইয়াৰ নাম 'অসম'।

(আটায়ে নাঙলখনত ধৰি কান্দে। নেপথ্যত 'অসম সঙ্গীত' বাজি উঠে।)

আটায়ে ঃ (কান্দি) আই অসমী তোৰ এনে অৱস্থা!

২য় ব্যক্তি ঃ এইটো মই নিম।

৩য় ব্যক্তি ঃ নহয় মই নিম।

১ম ব্যক্তি ঃ নহয় মই নিম।

(টনা আজোৰা লাগে।)

২য় ব্যক্তি ঃ (হঠাৎ) ৰ !

৩য় ব্যক্তি ঃ যোগ্যতা লাগিব। (স্বগতোক্তি)

১ম ব্যক্তি ঃ এই বস্তুটো নিবলৈ হ'লে যোগ্যতা লাগিব। (স্বগতোক্তি)

২য় ব্যক্তি ঃ এই নাঙলখন নিবলৈ হ'লে কি যোগ্যতা লাগিব ?

১ম + ৩য় ব্যক্তি ঃ ইউনিভাৰচিটি পাছ কৰিব লাগিব।

Ref-51/17956

শালকাঠৰ নাওঁ পানীত অলপ ঠেলি দিলেই সি নিজৰ ভিতৰৰ শক্তিৰে আগবাঢ়ি যায়। কাৰণ তাৰ মূলতে আত্মশক্তি আছে। কিন্তু মদাৰ কাঠৰ নাওঁৰ সেই শক্তি মূলতে নাই বাবে ঠেলি দিলেও সি আগবাঢ়িব নোৱাৰে।

- অম্বিকাগিৰি ৰায় চৌধুৰী

কলমেৰে লিখা অসত্যবোৰেৰে তেজেৰে লিখা সত্যক ঢাকিব নোৱাৰি, তেজৰ ঋণ তেজেৰেই পৰিশোধ কৰিব লাগিব। নহ'লে যিমানেই পলম হ'ব সিমানেই সুদৰ পৰিমাণ বাঢ়ি যাব।

- লুচন

যি সকলে স্বাধীনতা ভাল পাওঁ বুলি কয় অথচ আন্দোলন বা বিক্ষোভৰ বিৰোধিতা কৰে, তেওঁলোক হ'ল বিজুলী ঢেৰেকণি নোহোৱাকৈ বৰষুণ বিচৰা মানুহ। তেওঁলোকে সাগৰ বিচাৰে কিন্তু সাগৰৰ জলৰাশিৰ গৰ্জন নিবিচাৰে।

- ফ্ৰেড্‌ৰিক ডগ্‌লাচ

পৰেশ কুমাৰ বড়া স্নাতক দ্বিতীয় বৰ্ষৰ কলা শাখাৰ ছাত্ৰ

শব্দ শিল্প

# " মোক সাগৰিকা বুলি মাতিবা "

মৃদুস্মিতা শৰ্মা
*স্নাতক ৩য় বৰ্ষ*

সুখৰ সংজ্ঞা
মোৰ বাবে এতিয়া
দুৰ্বোধ্য কবিতা।
কি অমানিশা - কি পূৰ্ণিমা
দিবা স্বপ্নৰ আবেশতো মই,
বিচাৰি ফুৰো
তামস ৰাতিৰ মমতা।

কেতিয়াবা এজোপা বাধাচূড়া হওঁ হওঁ লাগে,
কুলি কেতেকীয়ে বিনালে ;
ডালবোৰ বহলাই মেলি দি,
এসাগৰ ....... দুসাগৰ........
নাই, তাতোকৈ বহু বেছি,
সামৰি লম
কাঢ়ি আজুৰি আনি,
ৰাতিৰ বাঁহীৰ সুৰত উঠলা
কেইবা সাগৰো বেদনা ;
মানুহবোৰে তেতিয়া মোক
" বেদনাৰ সাগৰ " বুলি জানিব,
তোমালোকে মোক
" সাগৰিকা " বুলি মাতিবা।



# ...প্ৰত্যাশাৰ স্নিগ্ধতা

জয়ন্ত কুমাৰ নাথ
*স্নাতক ২য় বৰ্ষ (বিজ্ঞান)*

নিশাৰ পাপৰিৰ সতে ময়ো কথা পাতো,
সিহঁতৰ প্ৰান্তিক সুষমাত
দূৰৱিয়েও কয়,
ময়ো তহঁতৰে সংগী,
হয়তো কাবোবাৰ ..... ।

তবাৰ তিৰ্‌বিৰণিত, জোনাকৰ সতে,
আলিংগন কৰে ........., গুপুতে ........., 
আৰু সপোনৰ নিচুকণি গীত গাই
সকলোৱে শুনে, নিহপাল দিয়ে,
নিসংগতায়ো পাখি মেলে।

নিৰন্ধ্ৰ পথৰ একাঁজলি শুভ্ৰবৃষ্টি
আৰু কেঁচা তেজৰ পোহৰ,
এটি মিঠা হাঁহিৰ শব্দৰ কচৰৎ
গছকত বিলীন হয়
নিশব্দে, নীৰৱে, ........।

নিষ্পাপ জলকণায়ো
এন্ধাৰৰ সতে লুকাভাকু খেলে,
শুই পৰে শ্যামলীৰ শীতল কোলাত,
ভাগৰত লালকাল,
এটি বৃথা সপোনৰ জন্ম,
নজগাবা ....................
মোক ....... তাক ......... সকলোকে।

শব্দ শিল্প



# নদীবোৰ যেতিয়া গাভৰু হয়

মুকুট শৰ্মা

মই নদীটোৰ পাৰত নীৰৱে বহিছিলো।
তাইৰ লাজতে ওফন্দি উঠা ঢৌ বোৰ চাই,
মাটিৰ চপৰাবোৰ দলিয়াইছিলো।
পিছদিনা জালখন লৈ আকৌ গৈছো।
তাৰ পাছৰে পৰা আৰু মই বহুদিন যোৱা নাছিলো
নদীটোৰ নাম "জীয়া জুই" ৰাখিলো॥
মোৰ সৈতে তাই এতিয়া সখিয়তী পাতিছে।
প্ৰতিটো গধূলিতে দুয়ো মনৰ কথা পাতো।
তাই যে মাছ, কাছ পানীৰে সদ্য যৌৱন প্ৰাপ্ত
লহৰে লহৰে নাচি-বাগি মোক তাকে কয়।
তাইৰ ঢৌবোৰ ধৰি ৰাখিবলৈ মোৰ মন যায়
সেয়ে তাইৰ বুকুত এদিন মই নামি পৰিলো।
এতিয়া মই জীয়া জুইত সাতুৰিছো।
বাৰিষাৰ আশ্ৰয়হীনা জীৱ-জন্তুৰ দৰে,
কক্‌বকাই তাইৰ পানী খাইছো।
অবিৰাম গতিত সাতুৰি ভাগৰি পৰিলো।
ওলোটা দিশেৰে "জীয়া জুই"ত বতাহ বলিছে
কুঁৱলীৰ আৱত গধূলি মই হেৰাই গলো॥



# অনামিকাৰ প্ৰিয়া এতিয়া কাৰ্গিলত

আকাশ কলিতা (ৰাজ)
স্নাতক ৩য় বৰ্ষ

কাৰ্গিললৈ পঠাইছিলোঁ
মোৰ প্ৰিয় জনক
ৰঙা ফুলৰ গামোছা এখন দি
বিহুত হেনো সি
আহিব নোৱাৰে
সীমান্তত যে যুদ্ধ লাগিছে,
তাৰ ছুটি নাই।
সি দিয়া ৰঙা ব্লাউজটো
মই এতিয়াওঁ সাচি ৰাখিছোঁ
মৰমতে পিন্ধা নাই
মই যে অনামিকা সেই বাবে।
অহাবাৰ সি আহিব
আহিয়েই
সমাজৰ ভয়ৰ পৰা মুক্ত কৰি
নিজৰ কৰিব
মোক।
তাৰ কেঞা আঙুলিৰ
তেজলগা, মোৰ কপালৰ ফোটতো,
এতিয়াওঁ চাগে জিলিকি আছে
তাৰ বগা গেঞ্জীটোৰ বুকুত।
প্ৰতিদিনেই পঢ়ো খবৰ কাগজ,
বাট চাওঁ পদূলিত -----
এতিয়া যে সি কাৰ্গিলত ॥

শব্দ শিল্প

# যদি আপোন মনে বজোৱা তোমাৰ চিফুং বাঁহীটি ---

নিতু কুমাৰ কলিতা
*স্নাতক ৩য় বৰ্ষ (কলা)*

হেজাৰ বাধা নেওঁচি
মই পুণৰ আহিম
তোমাৰ কাষলে
যদি আপোন মনে বজোৱা
চিফুং বাঁহীটি।
অৰ্ধদগ্ধ মোৰ হৃদয়খনে
পুনৰ হাঁহি উঠিব
তোমাৰ বাঁহীৰ
সুমধুৰ সুৰত।
চাৰিওঁফালৰ হৰ্টঙা যান-বাহনৰ
কৰ্কশ শব্দই
বধিৰ কৰি পেলাইছে মোক,
চাৰিওঁফালৰ দূষিত ধোঁৱাই
অন্ধ কৰি পেলাইছে
মোৰ দুটি নয়ন।
মৰুভূমিৰ দৰে শুকান
মোৰ হৃদয়খনে
পুনৰ প্ৰাণ পাই উঠিব
মুক্ত হব বেদনাৰে বধিৰ
মোৰ শ্ৰৱণেন্দ্ৰিয়,
ৰুগ্ন চেতনাত পুনৰ
সূৰ্য্যোদয় হব
আতৰি যাব
অমানিশাৰ এন্ধাৰ
যদি আপোন মনে বজোৱা
তোমাৰ চিফুং বাঁহীটি ------ ।




# অদ্ভূত অলৌকিক

দিগন্ত শৰ্মা (জিন্টু)
স্নাতক প্ৰথম বৰ্ষ (কলা)

এটি অচিনাকি দ্বীপত এজন মানুহ আছিল
সাজত ক'লা কাপোৰ পৰিহিত
নহয়। উলংগ বেশে বিভূষিত
মানুহজন সুস্থ-সবল নিৰ্ভীক,
ওহোঁ - ভীৰু আছিল।
আত্মীয় কোনোবা আছিলনে তেওঁৰ (?)
নিশ্চয় ; আত্মাজয়ৰ বাবে
এখন হৃদয়
আৰু এক মহৎ ব্যক্তিত্বৰ
অভাৱ নাছিল।
দ্বীপটো কিজানিবা নিৰ্জন আছিল
এনেকৈ অকলশৰে
অতিক্ৰমি আহিছিল
একুৰি এটা বছৰ ......... ।
নিঃসংগ মানুহজনে এখন ফুলনি সাজি
ব'দ-কাচিয়লিত বহিছিল
তাত ফুলিছিল বহু ফুল
হৃদয় ৰঙৰ ......... ।
প্ৰেমিক চৰাই এটিয়ে এদিন
এপাহ ফুল চুমিছিল !
স্বপ্নৰ বানত এদিন দোভাগ ৰাতি
নিঃসংগ মানুহজনে নাও বালে
পাৰ পাওঁ পাওঁ হৈছিল - নাপালে
আকৌ আহিছিল এজাক ধুমুহা
বিচূৰ্ণ কৰিছিল জুপুৰি
সেই অভিশপ্ত নিশা
বঠা হেৰাই মানুহজন
নিৰাশ হৈছিল ......... ।
এবাৰত এপাহ ফুল
নৈৰ ঢৌত মিলিত হ'ল
সূৰ্য্য নামি আহিব সেই নদীয়েদি
ফুলপাহ সম্ভৱতঃ দৃশ্যমান হব।
মানুহজন আহিছে
অলপ পিছত সূৰ্য্যাস্ত হব
আকৌ নামিব ভয়ানক নিশা
গ্ৰাস কৰিব দিবালোক
মানুহজন আকৌ আহিব
এক অদ্ভূত অলৌকিক দৃশ্য !!

শব্দ শিল্প

# অনুভৱৰ পৃথিৱীত কবিতাৰ মেলা

মালবিকা নাথ
*স্নাতক ৩য় বৰ্ষ*

দলংখনৰ সিটো পাৰে
মোৰ অনুভৱৰ পৃথিৱী ;
কাব্যিক ছন্দৰ সমাহাৰেৰে
তাত মই কবিতাৰ মেলা পাতো,
ৰামধেনুৰ তুলিকা ডালেৰে
কবিতা মেলাৰ ---
তোৰণ বোলাও,
মোৰ অনুভৱৰ পৃথিৱীৰ
সৰু সৰু ভাৱবোৰে
সেই কবিতা মেলাত
নীৰৱ পাঠক ৰূপে
বহি থাকে ;
সেই কবিতা মেলাত,
যেতিয়া কল্পনাৰ শতদল ফুলে
তেতিয়া,
মোৰ শব্দৰ ক্ৰিয়দাংশবোৰ
সিঁচৰিত হৈ পৰে
যত্ৰঃ তত্ৰঃ সৰ্বত্ৰঃ।

# সময়ৰ জালিয়াতত ...

মিন্টু বৰুৱা
*স্নাতক প্ৰথম বৰ্ষ (কলা)*

কেঁকুবিবোৰ পাৰ হৈ গৈছিল হেলাৰঙে
কোনো বাধা নোহোৱাকৈ এটাৰ পিছত এটা .........
অবিৰত অকুতোভয় সেই জলধি

ৰূপান্তৰৰ দৰে আৰ্ত
আৰু অধিক বলিয়ালি
মুখত বানচিঙা শব্দ
হো-হোৱাই বতাহ জাকৰ দৰে আহি
উৰুৱাই নিব সমূলঞ্চে
আমি সময়ৰ জালিয়াতত জব্দ

তুমি বিনে মই নাই
মই বিনে তুমি নাই
তুমি তোমাৰ পিনে
মই মোৰ পিনে

জালিয়াতবোৰ লৈ যাওঁ পিঠিত বোজা বান্ধি
আমিবোৰ এটা গাধ
সময়ৰ হীন পৰিহাসত
একাকাৰ সমস্ত

আৰ্তনাদত টেঁটুফলা গীতবোৰ
যাক আমি লৈছো
আমাৰ কৰ্ণ কুহৰত বোকোচা বান্ধি
সেয়েই আমাৰ পৰবৰ্ত্তী
জিঘাংসাৰ উপগাথা
ঘোৰ দৈন্যা আমাৰ
শেষ পন্থা .......... ।

শব্দ শিল্প

# এযুৰি চকু এজাক ধুমুহা

পুনম নাথ
*স্নাতক প্ৰথম বৰ্ষ (কলা)*

এযুৰি চকু দেখিছিলো
বেদনা সিক্ত
জ্বলি জ্বলি শেষ হ'ব ধৰা
মম বাতিৰ দৰেই গভীৰ উজ্বল
মোক কিবা কব খোজে......

মোৰ মানৱী সত্বাটোৱে
আৰ্তনাদ কৰিছিল
বুকুখনি জ্বলিছিল
মম বাতিৰ তীব্ৰ শিখাত
গভীৰ চকুহালে বাৰে বাৰে
মোক কব খোজে নীৰৱে......
বেদনাত চটফটাইছিল
মোৰ আলফুলীয়া
হি - য়া - খ - নি
অৱশেষত এটুকুৰা শুভ্ৰ কাগজত
পাইছিলো !!
এখন তেজৰ চিঠি
কান্দি কান্দি উন্মাদ হৈছিলো
কাৰণ !!!
মোৰ হৃদয় টুকুৰা কাৰোবাক
অৰ্পণ কৰিছিলো
এটি শব্দৰ বাবে !!!

# সাৰথি

অজিত কুমাৰ বৰুৱা
*স্নাতক ১ম বৰ্ষ (কলা)*

নীৰৱ মই এতিয়া,
শান্ত এতিয়া সীমান্ত,
আজি বন্দুক-বাৰুদৰ গোন্ধ
লৱলৈ মোৰ ঘ্ৰাণ শক্তি
হেৰাই গ'ল।
হেৰাই গ'ল কোনোবা দিনাই
দেহটিত, বগা বগা বৰফবোৰৰ
ওচৰৰ পৰা ....
কাঢ়ি নিলে শত্ৰু সেনাই
মোৰ অমৰ বেশ।
উত্তাল যেতিয়া ৰণচণ্ডী ভাৰত,
পোৱা নাছিলো তোমাৰ মৰমৰ এখনি চিঠি।
মূৰ্চ্ছিত হৈছিলো মই,
তোমাৰ নীৰৱতা দেখি।
এতিয়া ভয় খাব লগাতো একো নাই ....
কোনোবা দিনাই
সীমান্ত শান্ত কৰি থৈ
গুছি গ'লো ইন্দ্ৰ পুৰীলৈ।
তুমিতো তেতিয়া প্ৰেৰণা দিবলৈ
কাষতো নাছিলা।
চিঠিৰ ভাষাবোৰ নপঠালা।
হুমুনিয়াহবোৰ লৈ গ'লো
লগত .....

শব্দ শিল্প



# পৰিহাস

মঞ্জুলা শৰ্মা
*স্নাতক প্ৰথম বৰ্ষ (কলা)*

শ্বহীদৰ নামবোৰ হেনো আজি-কালি হেৰায়েই
কেতিয়াবা চিৰ প্ৰৱাহমান সময়ৰ সোঁতত,
নাইবা,
উৱলি যোৱা চৰকাৰী ফাইলত।
মোৰ স্বামীও শ্বহীদ আছিল।
তেখেতৰ নাম থকা ফাইলবোৰো হেনো
কাহানিবাই উৱলি গ'ল।
যোৱা বছৰ নিৰ্বাচনৰ সময়তে,
আধাৰশিলা স্থাপন কৰিছিল হেনো তেখেতৰ নামত
এতিয়া তাত মদৰ দোকান।
মোৰ ভগা পঁজাৰ পৰা
তেখেতৰ একমাত্ৰ ফটোখন আনিছিল
শ্ৰদ্ধাঞ্জলি জনাবলৈ,
পুষ্পমাল্যডাল লেৰেলি শুকাই গ'ল।
ভাবিছিলো এইবাৰ শ্বহীদ পেঞ্চনটো হব ;
বিকলাংগ ল'ৰাটোৰ কিবা এটা হ'ব,
নাই একোয়েই নহ'ল।
প্ৰমাণ বিছাৰিছিল সিহঁতে
মইযে শ্বহীদ পত্নী তাৰেই ;
তেখেতক বিছাৰি ব'গা বঙালে
ডবলা-ডবল কৰা মোৰ পিঠিখনৰ দাগবোৰ
যিবোৰ এতিয়া শোতোৱা ছালৰ মাজত লুকাল,
নাইবা মোৰ বিকলাংগ ল'ৰাটো,
এটাও নহয় হেনো প্ৰমাণ,
নাই, পেঞ্চনটো এইবাৰো নহ'ল।



# মৃত্যুৰ সপোন

নিৰঞ্জন বড়া
*স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)*

প্ৰব্ৰজনকাৰী তিৰোতাগৰাকীয়ে
নৈ খনৰ কাষতে বাহ বান্ধিছিল।
নৈ খনৰ কাষতে কুঁৰা এটা খান্দি
তাৰ পৰা -----
চাউল পানী আৰু মদ উলিয়াইছিল।
তাই ইয়াৰ আগতে ''মৃত্যু''ৰ সপোন ৰচিছিল।
পানী আৰু মদ পাই তাই এতিয়া
কেইটামান কেঁচুৰাৰ সপোন দেখে।
লাহে লাহে নৈখন আতৰি গ'ল
পানীৰ সোঁত বদলাৰ বাবে।
কুঁৰাটোৰ পৰা এতিয়া
পানী আৰু সুৰা নোলায়।
তাই এতিয়া -------
পুনৰ ''মৃত্যুৰ সপোন'' ৰচে।

শব্দ শিল্প

# এখন নক্সা

দ্বীপজ্যোতি কলিতা
*স্নাতক ১ম বর্ষ*

মই এখন নক্সা আঁকিছো,
কিহৰ মই নাজানোঁ
হয়তো প্ৰেমৰ,
নহ'লে প্ৰতাৰণাৰ।
হয়টো এইখন হতাশাৰ প্ৰতিচ্ছবি।
কিয় এই হতাশা ?
দুঃখ শোক বা বেদনাৰ
নহয়, এয়া প্ৰতাৰণাৰ।
তোমাৰ বাবে গোটাই থৈছোঁ
এই নক্সাখনি
তুমি আহি চাবা
এই হতাশাৰ প্ৰতিচ্ছবি।
তোমাৰ বাবে গোটাই থৈছোঁ
এখন নীলা আকাশ,
এটা কুহুমবুলীয়া বেলি,
এটা স্বপ্নীল বাতি।
সেই পাহাৰটোত আঁকিছিলো
এই নক্সাখনি,
কুঞ্চিত তোমাৰ হাতৰ মুদ্ৰাত
অশ্ৰুসন্তৰা দুটি প্ৰাণী।
হয়, এইখন প্ৰেমৰ ছবি
নহয়, এইখন প্ৰতাৰণাৰ
উলংগ এখন প্ৰতিচ্ছবি।

# কবিতা

হেমলতা ডেকা
*স্নাতক প্ৰথম বৰ্ষ*

মনে সজা ভঙা পৰ্জাত
হৃদয়ৰ অশ্ৰুজলেৰে লিখা
কবিতা মোৰ .....

কবিতা মোৰ বয়সৰ অনুভূতি
কবিতা মোৰ সময়ৰ আহ্বান
কবিতা মোৰ অশ্ৰুসিক্ত হৃদয়ৰ
বেদনা সিক্ত ভাৱনাৰ খোৰাক।

কবিতা মোৰ জন্মসূত্ৰে লৈ অহা বেদনাৰ উৎস।
সময়ৰ এক নিষ্ঠুৰ আহ্বানত
বেদনাই যেতিয়া পাৰ ভাগি যায়
তেতিয়াই জন্ম হয় ....
মোৰ কবিতা।

কবিতা মোৰ জীৱনৰ লগৰী
অশ্ৰুসিক্ত নয়নৰ জ্যোতি
দুৰ্বলা তৰুণীৰ প্ৰেৰণাৰ মূৰ্ত্তি
সেয়ে লিখা কবিতা মোৰ ......
জীৱনৰ চিৰ প্ৰৱাহমান শক্তি।

শব্দ শিল্প




# নির্বোধ যাতনা

ঈশান প্ৰতীম বৰুৱা

তাইৰ বুকুৰ ভিতৰখন
জুমি জুমি চালো আৰু স্পৰ্শ কৰিলো
বুজি পালো ভিতৰখন প্ৰচণ্ড উষ্ণ
ভিতৰতে সকলো জ্বলি পুৰি আগ্নেয় শিলত
পৰিণত হৈ পৰিছে
আৰু ক্ষোভ, হতাশা কিম্বা প্ৰতিশোধত
দুচকুৰে জুই হৈ অশ্ৰু ওলাইছে
মই একো ধৰিব নোৱাৰিলো
মাথোঁ সুধিলো
কি হৈছে তোমাৰ ? কিবা যাতনা !!
তাই একো নামাতিলে
নীৰৱে মাথো হাত-মুঠি মেলি দেখুৱালে
তলসবা এপাহি মদাৰ ॥

# ০০০ অপেক্ষা ০০০

প্ৰণামিকা চহৰীয়া
*স্নাতক ৩য় বৰ্ষ (কলা)*

অপেক্ষাৰ দিন প্ৰতিদিন
তুমিয়েই মোৰ সাধনা
শ্যামলী সজলা নয়না,
পাহাৰেৰে বৈ অহা
তুমি মোৰ মৰমৰ ভৰপূৰ নদী ॥
তোমাৰ বাটত শিলৰ পৰশ
ঢালিছে প্ৰকৃতিয়ে আজি
হৃদয়ত মোৰ ভৰি পৰিছে
তোমাৰ অন্তৰৰ অনুভূতি ।
চকুত তোমাৰ হাঁহি-কান্দোনৰ নাচোন
আলফুলীয়া তোমাৰ হাত
তুমিয়েই মোৰ সাধনা ॥
সুখ দুখৰ সমভাগী হবলৈ
কোনোৱেই যে নাই মোৰ
সন্ধিয়া হ'লেই তোমাৰ কথা ভাবি
ভাগি পৰে মোৰ হৃদয়খনি
তথাপি মই তোমাৰ অপেক্ষাত ॥

শব্দ শিল্প

# ঃ নতুন দিনৰ প্ৰতিশ্ৰুতিৰে ঃ



লাচিত বৰুৱা
*স্নাতক প্ৰথম বৰ্ষ (কলা)*

লুইতৰ বুকুভেদি
বৈ আহে
দেওলগা বতাহৰ গোন্ধ।
ঈশ্বৰ প্ৰদত্ত সুবিধাবাদৰ
ধ্বংসৰ মাজেদি
অমানুহৰ ভিতৰৰ মানুহটোক
জগাই তুলি
মই মানৱতাক আদৰো।
মোৰ ৰুদ্ধ আবেগত
নৱযুগৰ হিল্লোল ।



# প্ৰেমৰ কৱিতা

ঋতুৰাজ
*প্ৰাক্তন ছাত্ৰ*

প্ৰেম লৈ নেখেলিবা
নেখেলিবা হৃদয় লৈ
হৃদয় প্ৰেমৰ ঘৰ।
হৃদয় ভঙাৰ অধিকাৰ
নাই তোমাৰ
কাৰণ, ইটো নহয় "চিজন ফ্লাৱাৰ"।



# বেহা

পঙ্কজ চমুৱা
*উঃ মাঃ ২য় বৰ্ষ*

আজি এসপ্তাহ হ'ল
মই এটি ব্যৱসায় খুলিছো
মৰমৰ ভালপোৱাৰ বেহা।
এৰা মোৰ দোকানত
এতিয়া !
সস্তাতে পায়
মৰম, ভালপোৱা॥
মুহূৰ্ত্তৰ বাবে সকলো
পাহৰিব ধৰা কপৌযুবিৰ
পৰা মই মৰম
চুৰ কৰি আনো॥
এতিয়া,
সস্তাতে দিব পাৰো মই
মৰম ভালপোৱা।
ৰাজপথৰ বেশ্যাবোৰ
মোৰ নিতৌ গ্ৰাহক !
ষোল্ল বছৰীয়া জনীক
মই সোধো,
তুমি কি কৰা মৰমেৰে ?
দাদা, পেটটোৰ বাবে
সকলো মৰম মই
বেছি দিলো।
এতিয়া কি কৰিবা মৰমেৰে ?
গ্ৰাহকক সন্তুষ্ট কৰিবলৈ,
তাইৰ সলজ্জ উত্তৰ।
মৰম লাগে মৰম ?
এতিয়া
ইয়াত সস্তাতে মৰম পায়।

শব্দ শিল্প

# সিদ্ধান্তৰ জুপুৰিত

হিতেশ কুমাৰ ডেকা

বিচ্ছুৰিত হোৱাৰ অমাৰ্জিত বিশৃংখল
হাতত কমণ্ডলু গাত নামাৱলী
দুৰ্বলতাৰ পূঞ্জীভূত আনন্দৰ উপাদান
গদ্য-পদ্য পঞ্চভূতো ভাৱত বিলীন॥
জোনাক জগৰীয়া হয় কেতিয়াবা
ফেঁচাৰ উকলিত সকিয়নী
মলয়াও কেতিয়াবা হয় নিস্তেজ
নান্দনিক গতি শ্লাইড প্ৰতিচ্ছবিৰ॥
ভৌতিক ধাৰণাৰ অবিশ্বাস্য হেতু
পদূলিত বৈ আছে ক্লেশ . . .
সিদ্ধান্তৰ জুপুৰিত আৰু এবাতি
যদিও সেয়া চঞ্চলতাৰ বেশ॥



# প্ৰত্যাহ্বান

চাৰু কলিতা
*স্নাতক ২য় বৰ্ষ (কলা)*

সমুখত বাধাৰ প্ৰাচীৰ দেখি
যদি থমকি ৰোৱা,
তেন্তে তুমি কিহৰ বিপ্লৱী ?
বিপ্লৱৰ নামত নাসানিবা কালিমা
যদি নাই তোমাৰ অন্তৰত
চিতাগ্নি জ্বলোৱাৰ শক্তি ॥
তুমিয়েই ৰক্ষা কৰিব লাগিব
আমাৰ জাতিৰ বিপন্ন হ'ব ধৰা অস্তিত্ব
দেখুৱাব লাগিব অসমীৰ সন্তানৰ বাহুবলৰ বীৰত্ব ॥
যদি নোৱাৰা
তেন্তে অৱদমিত কৰা
তোমাৰ অন্তৰত দেখা দিয়া
বিপ্লৱীৰ ক্ষন্তেকীয়া ছন্দহীন নৃত্য ॥

শব্দ শিল্প

# এলান্ধু

জিতুমনি ডেকা
*স্নাতক ১ম বৰ্ষ*

সৌ সিদিনা
৪২ৰ সত্য, অহিংসা আৰু
মিত্ৰতাৰ নিবিড় মিলন,
৮০ৰ পিছত
সকলো দিন কেৱল
হিংসা, সন্ত্ৰাস, অপহৰণ, লুণ্ঠন
আৰু শোষণ নিপীড়নৰ।
এৰা সঁচাই,
এই মাত্ৰ মই উমান পালো
দেখিলো সকলোৰে হাতে হাতে
এ.কে. ৪৭, বন্দুক বাৰুদ,
এতিয়া চৌদিশে মাথোঁ
এক বিভীষিকাময় চাইক্লন।

# প্ৰতীক্ষা

হেমন্ত চহৰীয়া
*স্নাতক ২য় বৰ্ষ (বিজ্ঞান)*

এনেকৈয়ে দিনবোৰ আহে আৰু যায় ;
আমিবোৰক মাথোঁ কন্দুৱাই।
কেইদিনমানৰ আপোন
পাছলৈ সেয়া মাথোঁ সপোন ;
বিচাৰিলেও নাপাও মনৰ দাপোণ।
এনেকৈয়ে দিনবোৰ আহে আৰু যায় ;
আমিবোৰৰ হিয়া জ্বলাই।
তথাপিও আমিবোৰ বন্দী ;
লোভত, মায়াত আৰু আশাত।
আমি মাথোঁ মহাযুদ্ধৰ পৰাজিত নায়ক
আমাৰ নাই সুখ-দুখৰ কোনো অনুভূতি ;
ব্যৰ্থতাৰ বহ্নি নুমাবলৈ মাৰো কৰুণ হাঁহি।
তথাপিও আমি জীয়াই আছো .......
আহি থকা নতুন দিনৰ প্ৰতীক্ষাত।

শব্দ শিল্প

# কেন্দ্ৰ নোহোৱা এটা বৃত্ত



অনামিকা চহৰীয়া
*স্নাতক ৩য় বৰ্ষ*

কেন্দ্ৰ নোহোৱা এটা বৃত্ত
অৰ্থাৎ শূণ্য ;
বিশেষণত শূণ্যতা
পানীপোতাৰ পানীৰ ব'দ জিলমিলনিত
জীৱনলৈ বগুৱা বাই আহিব খোজা
সেউজীয়াত
মেঘনাৰ জলৰাশিত
হয়তো সকলোতে
বানে কাঢ়ি নিয়া কপিত মাটিৰ
শূণ্যতা খিনি
নৱজাতকৰ পেটৰ শূণ্যতাখিনি
উজাই উজাই
বসুমতীৰ আপাদমস্তক কাঢ়ি লয়।
জংকীৰ চিঞৰৰ শূণ্যতাত
লীন হয় শত শত তটিনীৰ শূণ্যতা
উকা কপালৰ শূণ্যতাখিনিত
কেন্দ্ৰ ক'ত দিম কেন্দ্ৰ .....
হয় কেন্দ্ৰ নোহোৱা এটা বৃত্ত
শূণ্য শূণ্য।

# তুমি আৰু মই

হেমন্ত কুমাৰ বৰুৱা
*স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)*

তুমি সৌন্দৰ্য্য !
--- ৰঙীণ গীতবোৰ গাই যোৱা
মিৰাকলৰ দৰে।
কাৰণ ! তুমি নুবুজাৰ দৰে বুজা ।।
মই উপাসক ;
বীভৎস মন্ত্ৰ গোৱা
কঙ্কালৰ দৰে !
কাৰণ ! ------
মই বুজাৰ দৰে নুবুজো
সেয়ে ! তোমাক "তুমি" বোলো
লগতে আৰু বহুতো ....... ।
তুমি বিভীষিকা !
মাথো ফান্দীৰ তৰোৱালৰ
চকুযুৰি তোমাৰ হয় বাবে !
তুমি স্বচ্চ !
কাৰণ ! তোমাৰ মনত তৰা জিলিকে !
মই তেজ।
---- ফান্দীৰ তৰোৱাল
মই সিক্ত কৰো ।
মই চকু -------
কাৰণ ; স্বচ্ছতা মোৰ উপলব্ধি ।
সেয়ে তুমি আৰু মই আঁতৰে আঁতৰে
কিন্তু ; মই তোমাৰ কাষে কাষে ।



শব্দ শিল্প

# জলাশয়ত এটা চৰাইৰ গান

দ্বীপেন ডেকা

পাহাৰখনৰ নামনিতেই আছে সোণোৱালী নৈ খন
তাত এটা চৰায়ে সদায় গা ধুবলৈ আহে
পানী যুঁৱলিত বহি
নিজৰ প্ৰতিবিম্ব চাই
গীত গাই থাকোতেই
পানীৰ পকনীয়াত তাইৰ সুৰৰ লহৰ থমকি বয়।
তাইৰ সেউজীয়া সপোন ডেউকাত বান্ধি
ৰঙতে নাচি বাগি উৰিব খোজোতেই
বাৰে বাৰে হাম্-খুৰি খাই পৰে।





# ৰ'দৰ অপেক্ষাত

জ্যোতিষ নাথ
*স্নাতক দ্বিতীয় বাৰ্ষিক*

যোৱা ৰাতি এজাক বৰষুণ হৈছিল,
কোমল পাতবোৰত এটা সোঁ-সোৱনি উঠিছিল।
এতিয়া পিছে ;
তৰাবোৰৰ টোপনি ভাগিল,
কেতেকীজনীয়েও সাৰ পালে।
অলপ পিছত ;
সেই বাটেৰেই সূৰ্য্যটো নামি আহিব।
ভগ্ন হৃদয় তন্ত্ৰীৰ খিড়িকীখন
খুলি দিছো
বৈ পৰিব ৰ'দ,
উৰি আহিব ৰ'দৰ চিঠি।
ভাহি উঠিব ৰ'দৰ কবিতা
অপেক্ষাৰত মই কবি।

**হীৰেন ভট্টাচাৰ্য্যৰ চৰণ কমলত।**

শব্দ শিল্প

# হৃদয়ৰ মাজত চিতাৰ এক চেমেতা-চেমেতি গোন্ধ



দ্বীপ কিশোৰ শইকীয়া

হৃদয়ৰ মাজত চিতাৰ এক চেমেতা-চেমেতি গোন্ধ
দাবানলত গঢ়ি উঠা প্ৰতিহিংসাৰ
গোন্ধত বিয়পিছিল তাৰ আৱেগৰ স্মৃতি
সকলোৱে গোন্ধত নাক কোঁচাইছিল
অতীতৰ স্মৃতি ৰোমন্থন কৰি সি সকলোৰে ফালে চাই হাঁহিছিল
দেখা পাইছিল সেই স্মৃতিত তাৰ প্ৰেয়সীক
এক ভয়ংকৰ চিৎকাৰেৰে সি প্ৰতিবাদ কৰিব বিচাৰিছিল
লাহে লাহে গোন্ধ ওলাইছিল হৃদয়ৰ মাজত জ্বলা চিতাৰ
সকলোৱে নাক কোঁচাইছিল গোন্ধত
হৃদয়ৰ মাজত চিতাৰ এক চেমেতা-চেমেতি গোন্ধ .....

# মোৰ প্ৰেম

কমৰুদ্দিন জান্নাত
স্নাতক প্ৰথম বৰ্ষ



জোনাকী প্ৰেম মোৰ
ৰূপালী ৰং
তাকে দেখি তহঁতৰ
উঠে নেকি খং ?
ৰহস্যময়ী মৰমবোৰ
নিৰাকাৰ হিয়া
চাই চাই বাৰে বাৰে কিয়
আমনি কৰ ?



# এটা অপাৰ্থিৱ অস্তিত্ব

গৌতম ঠাকুৰীয়া

সপোন গলা বতৰ
দিঠকতো নাইচোন তুমি,
হাবাথুৰি খাই বিচাৰিছো তোমাক
আকাশৰ ইটো বিন্দুৰ পৰা
সিটো বিন্দুলৈ,
পথাৰৰ সিটো কোণৰ পৰা
ইটো কোণলৈ,
টুকুৰা টুকুৰি তোমাৰ ছবি
চকুত ওপঙে
তুমি মোৰ বাবে কেতিয়াবা কুঁৱলী
আৰু কেতিয়াবা নিয়ৰ।
তোমাক বিচাৰি ফুৰো মই,
প্ৰত্যেকখন 'এনচাইক্লপেডিয়া'ৰ ইটো পৃষ্ঠাৰ পৰা
সিটো পৃষ্ঠা চলাথ কৰিও নাপাও,
তোমাৰ অস্তিত্ব বিচাৰি ফুৰো মই
সময়ৰ পাহে পাহে
স্মৃতিৰ আঁহে আঁহে,
তুমি মোৰ বাবে
অভিধানতো বিচাৰি নোপোৱা এটা শব্দ,
নতুবা
এটা অপাৰ্থিৱ অস্তিত্ব।

শব্দ শিল্প



# সপোন

ত্ৰিলোচন নাথ
*স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)*

তই কৃষ্ণচূড়া হৈ ফুলি থাক
বং বিলাই বঞ্চিত কৰ
হৃদয়ৰ মণিকোঠ ।
তই ফুলি থাক নাঙলৰ
সীবলুৰ কঠিন ফাকত
সিহঁতে সিচঁক তাত
মন্ত্ৰপুত বীজ ।
জনকৰ নাঙলৰ ফালত
মুক্তিৰ বাবে
সিহঁতে হামবাও কাঢ়ক,
খবাং বতৰ অথবা বিশাল বন্যা
শান্তি অথবা মুক্তিৰ
বতৰা নেওচি সিহঁত থিয় হওক
সিহঁতে চিঞৰি গগন ফালক
" মোক সত্য দিয়া
বঞ্চনা নকৰা সত্য ।"

# তুমি এবাৰ আহিবাছোন



কমলজ্যোতি শৰ্মা (মুন)

নেলাগে বেখা,
(তুমি) যাব ওলোৱা
তোমাৰ চিনাকি চহৰৰ
ঠিকনা মোক ---- !
তুমি গুছি যাবা মোৰ পৰা
যদিও যাচিবলৈ
উদগ্ৰীব,
তোমাৰ হৃদয়ত মোৰ শীতল
ব - তা - হ !!
তুমিটো চকুপানীৰ আঁচলত
ডুবি থকা দুখৰ ভাগৰ
অনুভৱ নকৰা !
(তুমিটো) অপেক্ষাৰ বসন্তত
কঁপা ওঠৰ ভাষা নুবুজা
কি - মা - ন আছে আখৈ ফুটা
শব্দ ০ ০ ০ ০ ০
কেতিয়াবা উশাহৰ অনুৰণনত ৰোমন্থন কৰিবাছোন
নিসংগতা ----- !!
তোমাৰ চিনাকি চহৰলৈ গুছি যোৱাৰ আগেয়ে
এবাৰ আহিলে মেছলৈ,
(মনত আছে নিশ্চয় - ঠিকনা "চন্দ্ৰালয়")
সেউজীয়া গীটাৰৰ সুৰত
খুলি দেখুৱাম তোমাকেই
(মোৰ) বেদনাৰ কামিজটো।
তোমালৈ মোৰ শেষ অনুৰোধ,
বৰ্তমানৰ বিচ্ছিন্ন পৰত
তুমি গুছি গ'লে
ৰ'দালিৰ ৰ'দ একাজলি
ছতিয়াই যাবা
পদূলিত ----- !!!

শব্দ শিল্প

# অৰুণিমা ! তুমি কেনে আছা ?

চন্দন কলিতা
*স্নাতক ২য় বৰ্ষ*

অৰুণিমা ! তুমি ভালে আছানে ?
যদিও মই যুঁজি আছো তোমাৰ স্মৃতিৰ সতে
এতিয়াও তুমি মোৰ হিয়াৰ মাজত ।
পাহৰিব পৰা নাই, তোমাৰ
নিশ্বাসত কঁপা মোৰ বুকুৰ হুমুনিয়াহবোৰ।
অৰুণিমা ! এতিয়াও কঢ়িয়াই আনে তোমাৰ খবৰ
গধূলি ঘৰমুৰা হোৰা বগলীজাকে
বাতিপুৱাৰ মলয়াতো শুনিব পাওঁ
তোমাৰ হাঁহিৰ খলকনি।
দীঘলী পুখুৰীৰ বেংবোৰে কয়
তোমাৰ প্ৰিয় ৰঙৰ শাৰীখনৰ কথা
আৰু জোনাকে কয়, " জলপৰী"ত তুমি
কেইবাৰ দিছিলা চাহৰ চুমুক।
অৰুণিমা ! তুমি এতিয়া ব্যস্ত
তোমাৰ নতুন জীৱনত তোমাৰ সংসাৰক লৈ
তুমি এতিয়া ভালপোৱা তোমাৰ স্বামীক
যিদৰে ভাল পাইছিলা মোক
কিন্তু মই জানো
তুমি হাঁহিৰ ঢাকনিৰে ঢাকি থোৱা
তোমাৰ দুখবোৰ।
তুমি এতিয়া এজনী দায়িত্বশীলা মহিলা
তোমাৰ খোজৰ পদুম পাহত এতিয়া বিচাৰি নাপাওঁ
কলেজীয়া দিনৰ কৃষ্ণচূড়াৰ ৰংবোৰ
তোমাৰ কলিজাৰ ৰং এতিয়া ৰঙা নহয়
তুমি এতিয়া বেগত কঢ়িয়াই নুফুৰা
চিঠিৰ জাপবোৰ
তোমাৰ বেগত বিচাৰি পাওঁ দোকানৰ শ্লিপ
তুমি এতিয়াও শাৰী পিন্ধা, কিন্তু
ওৰণি লোৱা দীঘলকৈ, আৰু
ফোট লোৱা দুটা -- এটা চুলিৰ সতে
ঠিক মোৰ কলিজাৰ দৰে ৰঙা।
তোমাৰ "জেন"ৰ ধোৱাবোৰে কৈ যায়
তুমি উজাগৰী ৰাতিবোৰত আগৰ দৰে
কবিতা নপঢ়া,
তুমি এতিয়া পঢ়া ৰন্ধন প্ৰণালীৰ কিতাপ।
অৰুণিমা, যিজন হৃদয়ৰ পৰা
আতৰি যায়
তাক দূৰে দূৰে শুভেচ্ছা জনোৱাই মঙ্গল।
তুমি সুখত থাকা।



# বেইৰগুৰি উদুলি-মুদুলি

গৌতম বৰুৱা
*স্নাতক ৩য় বৰ্ষ*

বেইৰগুৰি উদুলি মুদুলি
অ' মোৰ প্ৰাচীন ৰাতিৰ প্ৰেয়সী
বেইৰগুৰি উদুলি মুদুলি।
সেন্দূৰী আমটোৰ দৰেই গোন্ধাইছিল
তেতিয়া তই।
মাহ হালধিৰে তই আৰু অলপ ৰংৰঙীয়া
হৈছিলি।
জোনটোও ঢলি পৰিছিল তোৰ আচলত।
কাহানিও নেদেখা বস্তুটোৰ দৰে তোক
জুমি চাইছিল বাৰীৰ চুকৰ কচুপাতবোৰে।
আৰু, তৰাগছবোৰেও বিলাইছিল কৃষ্ণ গোঁসাইৰ
কথা সোঁৰৰি।
আয়তীৰ উৰুলিত যেতিয়া লাহে লাহে বাগৰ
সলাবলৈ আৰম্ভ কৰিছিল তোৰ আদিম
সপোনবোৰে, তেতিয়া অ' মোৰ প্ৰাচীন
ৰাতিৰ প্ৰেয়সী তেতিয়া
তই হই পৰিছিলি কিষাণ গড়ৰ বাধা
জনীৰ দৰেই।

( মোৰ প্ৰেয়সীৰ হাতত অৰ্পণ )

শব্দ শিল্প

# ব্যৰ্থতাৰ প্ৰতিদান

স্বপ্না দেৱী
স্নাতক ২য় বৰ্ষ

মোৰ টেবুলত থকা আধা আঁকা ছবিখন
চিৰিক চমকাকৈ জ্বলি থকা মমডাল
সিহঁতবেই সহযাত্ৰী মই,
মোৰ পৰা তুমি কি বিচাৰিছা ?
প্ৰেম ভালপোৱা নে ঘৃণা অথবা বিতৃষ্ণা ?
মোৰ হৃদয়ৰ কোনাত আছে মাথো দুখৰ টোপোলা
আৰু এটি কৰুণ ইতিহাস ঘৃণা বিতৃষ্ণাৰে ভৰা
জীৱন যুদ্ধত আজি মই সৰ্বহাৰা
সেঁ লেতেৰা আবৰ্জনাৰ দমটোৰ দুৰ্গন্ধবোৰ
আৰু তোমাৰ বিলাতী সুগন্ধী পাৰফিউমটোৰ
দুয়োটাৰ মাজত এক জীৱন পাৰ্থক্য
মোৰ বাবে আজি দুৰ্গন্ধবোৰেই প্ৰিয়
প্ৰেমাসিক্ত অশ্ৰুজলবোৰে মোৰ দুগালত চুমা আঁকিছে
তোমাৰ ওঁঠযুৰিৰ উত্তপ্ত পৰশে সিহঁতক ৰোধিব নোৱাৰে।
যদি তুমি সঁচাকৈয়ে বিচৰা শেষ উপহাৰ
দিম মই এমুঠি এন্ধাৰ তোমাৰ চুলিত ছটিয়াই
আৰু এমুঠি শুভ্ৰ জোনাক তোমাৰ মুখমণ্ডল উজলাই।



# মোৰ দুঃস্বপ্ন

দীপঙ্ক কুমাৰ বৰা
স্নাতক ৩য় বৰ্ষ (কলা)

মোৰ বৰ ভয় লাগে
সেই ভদ্ৰ মুখা পিন্ধা ল'ৰাজনলৈ
তাৰ দুষ্ট স্বভাৱবোৰ যেন
এখন পৰিষ্কাৰ বগা কাপোৰৰ আঁৰত
চোৰা সি কেনেকৈ তাইলৈ চাই আছে
মোৰ ভাব হয় সি যেন
তাইক কাণে কাণে কিবা কব খুজিছে
তাইৰ সেই পৱিত্ৰ দেহটো
যেন নিমিষতে অপৱিত্ৰ হৈ পৰিছে
তাইৰ তেজৰ শিৰাই শিৰাই যেন
তাৰ সেই বিষবোৰ প্ৰৱাহমান হৈছে
তাই যেন খন্তেকতে ঢলি পৰিব
এই জগতৰ পৰা তাই বিদায় মাগিব
মোৰ বৰ ভয় লাগে
সেই মুখা পিন্ধা ল'ৰাজনলৈ।

শব্দ শিল্প

# এটি সন্ধিয়াত

চৈয়দা জেচমিন মেৰী
*উঃ মাঃ (কলা)*

মোৰ সৰু গোমা আকাশত
পোহৰ বিচাৰি নাপাই
তেওঁ আতৰি গৈছিল
জোনটিৰ ওচৰলৈ -----
পোহৰ বিচাৰি ;
০০০০০০০০০
মই বৈ থাকিলো
বহু পৰলৈ .......
সময় হলে উভতিব বুলি।
গতিশীল সময়ৰ ডেউকাত
ধৈৰ্য্যবোৰ বান্ধি দিলো,
আৰু ঘৰলৈ বুলি খোজ পেলালো ;



# অপেক্ষা

বিনাংক নাথ
*স্নাতক ২য় বৰ্ষ (কলা)*

এতিয়া গভীৰ ৰাতি
ক'তো কোনো সাৰি শব্দ নাই
মাথো কেইটিমান
জোনাকী পৰুৱাই উৰি
ফুৰিছে জিল্‌মিলাই ।
ইমান জক্‌মক্‌কৈ পৰিছে জোনাক
মোৰ হৃদয় জুৰি
কোনে জানো কাঢ়িলে
মোৰ এই গভীৰ নিদ্ৰা
মাথো উজাগৰে আছো বৈ ॥

# বেদনা

প্ৰণৱ জ্যোতি শৰ্মা
*উঃ মাঃ প্ৰথম বৰ্ষ*

বুকুৰ ভিতৰত উমি উমি থকা
বেদনাৰ জুইকুৰা
দপ্‌দপাই জ্বলি গ'ল।
দগ্ধ হ'ল
হৃদয় নামৰ এক ;
অনুভূতিৰ থলী।
তুমি জানো অনুভৱ কৰিছা
আধাপোৰা হৃদয়ৰ চট্‌ফটনি ?

শব্দ শিল্প

# অনুভূতি

নিবেদিতা চহৰীয়া
*স্নাতক ১ম বৰ্ষ (কলা)*

হৃদয় এখন মৰুভূমি
এখনৰ তেজবোৰ শুকাই গৈছে
আনখনৰ পানী
প্ৰেমৰ ঘূৰ্ণীয়ে উৰুৱাই নিছে
মোৰ ৰক্ত কণিকাবোৰ, সেয়ে
হৃদয়খন আজি অনুভূতিহীন
আৱেগহীন এক শিলাখণ্ড ।
মৰুত কাঁইটীয়া ফুল গজিলেও
এই হৃদয় আজি বন্ধ্যা
তাত আৰু কোনো কালেই নগজে
প্ৰেমৰ এপাহ ৰজনীগন্ধা ॥

# হৃদয়



কাজল হক
*স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)*

তোমাৰ
কঠুঁৱা
হৃদয়ত
কেতিয়া
ফুলিব
এপাহ
ৰক্তজবা ;
মই
কেতিয়া
বুটলিম
নিয়ৰ
সনা
আৱেগত ?

# আশা

বিনীতা কলিতা
*স্নাতক ২য় বৰ্ষ (কলা)*

শীঘ্ৰেই আগুৰি ধৰে
বিষন্নতাই,
নিমিষতে অনুভৱ কৰো
বিৰাট নিসংগতা
আৰু নিসংগতা

দৈনন্দিন জীৱনত
তথাপিও মই
হাঁহি-কান্দি
গাই-নাচি
জীৱনৰ কঠিনতাখিনিক
সহজভাৱেই কৰো পাৰ,

মোৰ আশা,
উজ্জ্বল ভৱিষ্যত গঢ়াৰ।
নিৰাশাৰে ভৰা এই জীৱন ;
আশা মাথো মৰীচিকা
ক্লান্ত পথিক মই।

সহস্ৰ প্ৰয়াসেৰে
তৃষ্ণা দূৰ কৰাৰ
বিফলতাকে সংগী কৰি লৈ
সফলতাৰ সন্ধানত
দূৰ-দিগন্তলৈ আগবাঢ়িছো
নী - ৰ - ৱে
অকলে ॥

বিঃ দ্ৰঃ - পিতৃদেৱতাৰ স্মৃতিত

শব্দ শিল্প

# বিৰহানল

নিৰঞ্জন দাস
*স্নাতক ২য় বৰ্ষ (কলা)*

হৃদয়ৰ অযুত প্ৰেম
একান্তচিত্তে নিবেদিছিলো
জীৱনৰ অৰ্থ সন্ধানত ;
ফলস্বৰূপে হৃদয় ধ্বংসাৱশেষত
পৰিণত হ'ল
বসন্ত আতৰি গ'ল,
ফাগুনৰ বা-ছাটিয়েও দেহ-মন
শাত পেলাব নোৱাৰি ক্লান্ত হ'ল।
অৰ্থৰ ভঁৰাল নাই
এখন হৃদয় আছে
আছিল আন্তৰিকতা ;
হৃদয়েৰে ক্ৰয় কৰা দুৰ্লভ প্ৰেম
যিহেতু সাম্প্ৰতিক অৰ্থৰ বেহা ;
উপসংহাৰত কঙাল উপাধি পালো।
প্ৰেম শব্দটি হৃদয়ৰ পৰা
উপলুঙা কৰি আঁতৰি গ'ল
অযাচিতে এবুকু শ্বাসৰুদ্ধবিৰহানল
উপহাৰ স্বৰূপে যাচি গ'ল।
তথাপিও চালুকীয়া শিশুৰ দৰে
খোজকাঢ়ি আগুৱাই যাম
গন্তব্য স্থানলৈ
ক্ষত-বিক্ষত হৃদয়খন লৈ।

# এটা দুখৰ গাঁতত



পঙ্কজ কুমাৰ শৰ্মা
*স্নাতক ৩য় বৰ্ষ*

আজি মোৰ বৰ বিষ
এবোজা দুখৰ মেটমৰা ভাৰ,
শেলুক বোটল্যা শৈশৱ,
আইতাৰে ধেমালি কৰা ল'ৰালি
বগৰী বোটলা দুপৰীয়াবোৰ
উভতি নহাৰ দুখত
প্ৰত্যেকটি উদাস আবেলিতে
অস্তাচলৰ সূৰুযৰ সেঁওতাৰে
নামি আহে দুখ
য'ত অনুভৱ হয় বিষ।
হজম কৰি উঠি প্ৰতিখিনি বিষ
ঢাপলি মেলো যদিও
বিচাৰি চাবলৈ মোৰ
হেৰুওৱা শেৱালি পুৱাৰ সপোনটি
তোমাৰ বৈ পৰা চুলিৰ মাজত
বান্ধি থোৱা থাকে
তোমাৰ চুলি
তোমাৰ অহৈতুক বিমুখতাৰে
অনুভূত দুখৰ তীব্ৰতৰ হয় বিষ
সেইবাবে বিষময় জীৱনটোৰ বাবে
মই আজিকালি বাস কৰো
এটা দুখৰ গাঁতত ॥

(মোৰ কণমানি জনীৰ হাতত)

শব্দ শিল্প

# এতিয়া মই অপেক্ষাৰ মৰিশালিত



দ্বীপেন কলিতা

তোমাক,
(মই) সদায়ে দেখো,
প্ৰতিটো মধুৰ সন্ধিয়াত
বিষাদেৰে ঢাকি ৰখা চকুযুৰিৰে
তথাপিতো
তোমাক মই কৰ বিচাৰো
হৃদয়ৰ কথাবোৰ
দেখুৱাব খোজো শৰতৰ
নীলা আকাশখন
আৰু ০ ০ ০ ০ ০
বহুতো
তুমিতো আহিছিলা
যৌৱনৰ প্ৰথম বেলাত
বহাগৰ বৰদৈছিলা হৈ
কিন্তু তুমি
এতিয়া বাৰিষাৰ গোমা
আকাশ ০ ০ ০ ০ ০
(মই) তোমাক পোহৰাব খোজো
অতীতত যিদৰে আছিলা
আহিবানে মোৰ বাৰু হৃদয়লৈ
মোৰ উৰলিব খোজা কামিজটো
পুনঃ ঠন ধৰি উঠাবলে
অপেক্ষাৰে বৈ গ'লো
তোমাৰ উত্তৰলে।



# বকুলৰ কথা

মাণিক চন্দ্ৰ চহৰীয়া

বৈ পৰা চুলিটাৰিত কোচনি লোৱা
বকুলে কি কলে জানা ?
মৰমক নেওঁচা দিব নোৱাৰি মই
আজি দেৱলীয়া
দুঃখ নাই !
ডালিম গুটি দাঁতৰ বেষ্টনিত
বেজাৰ নাই
মৰম সনা গধূলি সময়ত যেতিয়া
পৰি ৰওঁ পদূলিত স্নেহাসিক্ত
পদুমী খোজৰ পৰশলৈ
লিহিৰি ভৰিৰ স্পৰ্শত মোৰ
প্ৰাণৰ দলিচাৰ বুকু এহাত
এমুঠন ফুলি উঠে,
হিল্লোলিত বুকুৰ কোমল আঁচলত
পুৱাৰ সুবাসত মৰম দিবলৈ
ইমান মন যায়,
হেঁপাহ মোৰ অত্যুগ্ৰ
প্ৰেমাসিক্ত ক্ষণৰ।

শব্দ শিল্প



# জান

ভাস্কৰজ্যোতি শৰ্মা
*স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)*

দিন বাগৰিল ৰাতি বাগৰিল
তোমাৰ মোৰ ল'ৰালিৰ স্মৃতিবোৰ যেন,
আকৌ মনলৈ উভতিল !
সেয়া আছিল প্ৰথম দিনা,
যেতিয়া মই তোমাক প্ৰথম
চাইছিলো, খিৰিকীৰে জুমি ।
আইতাৰ ঘৰত বহি আছিলা তুমি, চোতালত পীৰা পাৰি
দেখিছিলো গোলাপ কলিটো যেন কুমলীয়া মুখখনি
তুমিয়েই আছিলা মোৰ প্ৰথম প্ৰেম
মোৰ " জান " !
তোমাৰ লগতেই সাজিব ধৰিলো সপোনৰ বালিঘৰ
তোমাৰ লগতেই লৰি ধাপৰি খেলিলো লুকা-ভাকু
আৰু তোমাৰ লগতেই খেলিলো দৰা কইনাৰ খেল
এতিয়া চিনাকি হৈয়ো অচিনাকি হলোহি আমি
কিয়নো আমি দুয়ো যৌৱনত দিলোহি ভৰি !
এতিয়া তুমি নহলে মই হাঁহিব পাহৰি যাওঁ,
নোৱাৰো উশাহ লব, জীয়াই থাকিবও নোৱাৰো
তোমাৰ স্মৃতিবোৰতেই এনেকৈ মই ডুবি থাকো
যেনেকৈ থাকে ফুলৰ মালাতে সূতা
ডাৱৰ-বিজুলী, চন্দন-তুলসী
এনেকুৱা আমাৰ প্ৰেম
লব লাগিব জনম আমি বহু বহু বাৰ !
তুমিয়েই আছিলা মোৰ প্ৰথম প্ৰেম
মোৰ " জান " !

# তোমাৰ প্ৰথম চিঠি

মনোজ কুমাৰ নাথ (মুন)
*প্ৰাক্তন ছাত্ৰ*

সাগৰৰ কোবাল সোঁতত
উত্তাল ঢৌৰ মাজেৰে যায় শব্দবোৰ,
মোৰ হৃদয় স্পৰ্শীলৈ
তোমাৰ হাতৰ পৰশে,
শব্দবোৰ যেন সজাই থোৱা
তোমাৰ হৃদয় কাননত
তোমাৰ নীলা খামৰ সেউজীয়া তুলিকা
য'ত আঁকিছা সিও কিন্তু ৰঙা কাগজ।
বৰ করুণ হৃদয় বিদাৰক
মোৰ চকুলো বাগৰে দুফালে দুধাৰি
তোমাৰ প্ৰথম চিঠি।
হে মোৰ প্ৰেয়সী
যেতিয়াই লিখো তোমালৈ বুলি
তেতিয়াই উদ্ভাসিত হয় আবেগ ভৰা দুচকু
মৰম ভৰা সাগৰৰ বুকু।
তোমাৰ প্ৰতিটো শব্দই
উদ্ভাসিত কৰে মনত বসন্তৰ জোৱাৰ।
তোমাৰ ওঁঠযুৰিত নাচে
তোমাৰ বেদনাভৰা শব্দবোৰ
তোমাৰ চিঠিত বাজি উঠে
সংগীতৰ ৰাগিনী
তোমাৰ চিঠিত বিচাৰি পাওঁ
করুণ ছন্দবোৰ
তোমাৰ চিঠিৰ মাজত দেখো
মনালিছাৰ হাঁহি
তুমিয়েইটো মোৰ জীৱনৰ কামনা
তুমিয়েইটো মোৰ জীৱনৰ সাধনা
তোমাৰ প্ৰথম চিঠিয়ে মোৰ
প্ৰেৰণাৰ জোনাক।

শব্দ শিল্প

# অনাহূত

বিজু কুমাৰ শৰ্মা
*স্নাতক ২য় বৰ্ষ (বিজ্ঞান)*



মোৰ মন বাগিচাৰ,
নীৰৱতাৰ সাক্ষী হৈ থকা,
সেউজীয়া গছজোপাৰ গুৰিত,
পুতি থৈ আহো,
ভাত কেবেলাৰ গুটিৰ দৰে,
উচ্ছাকাংখাবোৰ।
পোখা দিব লতা হৈ বগাব
ফুলবোৰ ফল হব।
অনাহূত ভাৱে আহি সময়ে
মহতিয়ায়
উচ্ছাকাংখাবোৰ।
অভ্যস্ততাৰ অখণ্ডতাত
উপলব্ধিৰ
সন্যাস।

# হৃদয় আৰু প্ৰেম

মধুমিতা দেৱী
*স্নাতক ৩য় বৰ্ষ (কলা)*

হৃদয় কি ?
এখন উকা কাগজ।
য'ত লিখা হয়
তেজ মঙহৰ কাহিনী।
লিপিবদ্ধ হয় ইয়াত
সহস্ৰজনৰ হা-হুতাশ।
লিখা হয় অনেক জনৰ
মৰম চেনেহ
আৰু
আশা নিৰাশা
পোৱা নোপোৱাৰ হিচাপ।
প্ৰেম মানে কি ?
হয়তো বা এক প্ৰতাৰণা !
য'ত কৰা হয় দৰ দাম
মৰমৰ।
প্ৰেমে প্ৰতাৰণা কৰে,
সহস্ৰজনৰ হৃদয়ৰ
কোমল অনুভূতিক
আৰু
যৌৱনৰ ব'দ কাঁচলিক।

শব্দ শিল্প

# ৰুদ্ধ দুৱাৰ খুলি

জিতুকণ ভট্টাচাৰ্য্য
*প্ৰাক্তন ছাত্ৰ*



তোমাৰ প্ৰেমৰ আহ্বানত
পাহৰি পেলালো মোৰ
জীৱন ইতিহাস,
য'ত গঠা আছে জীৱনৰ
তিতা-কেঁহা ব্যথা ভৰা
তিক্ততাৰ অৱসাদ,
তোমাবেই পৰশত মই
অজ্ঞাতে আত্মহাৰা হ'লো
স্থান-কাল পাহৰি পেলালো ॥
স্বজনৰ কথা কিয়
এবাৰো নপৰে মনত
নিছিগে তোমাৰ মোৰ প্ৰেম এনাজৰী ;
বাহিৰৰ পৃথিৱীখন
চাবলৈ মন যায় মোৰ
কিন্তু হায় ! যাবতো নোৱাৰো
ৰুদ্ধ দুৱাৰ খুলি
প্ৰেমৰ শিকলি চিঙি
কেনেকৈ যাওঁ মই বাৰু ?

# তুমি

বিপুল শৰ্মা
*স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)*

গভীৰ নিশা ৰচা সপোন
স্মৃতিৰ পৰশত সকলোবোৰ আঁতৰিল
মাথোঁ থাকিল হৃদয়ত এবুকু মৰম
তুমি মোৰ সকলো লৈ গ'লা
এৰিলা মাথোঁ এক সীমাহীন দোমোজা
মনৰ বিবেক কাহানিবাই ধ্বংসস্তুপ হ'ল
জীৱনলৈ থাকিল মাথোঁ এমুঠি কল্পনা
মোৰ এই অশান্ত প্ৰাণত দিবনে কোনোবাই
প্ৰকৃত প্ৰেমৰ বতৰা।
তোমাৰ প্ৰেমে যে মোক বাৰে বাৰে
প্ৰবঞ্চনা কৰে,
দৃষ্টিহীনতাৰ দৰে সমস্ত কল্পনা বিষন্নতাৰে
জৰ্জৰিত হৈ আছে
মোৰ মানস সত্ত্বা।

শব্দ শিল্প



# মধুৰ যন্ত্ৰণা

ইন্দ্ৰাণী পাঠক
*স্নাতক প্ৰথম বৰ্ষ (কলা)*

তোমাক পাইছো, অথচ
পাব নোৱাৰো
এই পোৱা
পাই হেৰুওৱা
হেৰাই আকৌ পোৱা
এয়াই যে নিয়ম সঁচা।
প্ৰাপ্তিৰ আনন্দাশ্রু
অশ্রু বিষাদৰ
বৈছে যে একে
দুটি নয়নৰ
মিলন বাটত
পাহৰিলো
দহি দহি শেষ কৰা
অপেক্ষাৰ দুখ।
বিদায়ৰ অন্তত
চকুলো টুকি লভিছো
সুঁৱৰি স্মৃতিৰ সুখ।
তুমি বিহীন বৰ্তমানটো
আকুল প্ৰতীক্ষা
মিলনৰ অনুভৱ, কি যে
এক মধুৰ যন্ত্ৰণা।

# উকা হৃদয়ৰ চিত্ৰ

মদন মোহন বড়া
*স্নাতক ৩য় বৰ্ষ (কলা)*

যেতিয়াই ভাৱো,
তাইৰ কথা মোৰ
দুচকুৰে বৈ আহে
অশ্রু।
কিন্তু সেই চকুলো
কিহৰ, সুখৰ নে দুখৰ।
মই তাইক বহুত ভালপাওঁ
কিন্তু মই নাজানো মোৰ সেই
ভালপোৱা বন্ধুত্বৰ নে !
আচলতে, মই তাইক
বিশ্বাস কৰো, আৰু
এই বিশ্বাসৰ মাজেৰে আমি
যিমানেই আগুৱাব বিচাৰো
সিমানেই তাইৰ লগত ছাঁৰ দৰে
লাগি থকা কিছুমানে
মোক খেদি ফুৰে ॥
আৰু কেতিয়াবা
ভাৱ হয় তাইৰ অনুৰোধতেই যেন
সিহঁতে -------
মোৰ বাবে তাই
এটা গোলাপ ॥।
আৰু সিহঁতবোৰ একো
একোডাল কাইট,
কেতিয়াবা মন যায়
গোলাপৰ লগত
লাগি থকা কাইটবোৰ
ভাঙি চিঙি চুবমাৰ কৰি দিম
কিন্তু মই নোৱাৰো
কাৰণ, মোতকৈ সেই কাইটবোৰ
তাইৰ বেছি আত্মীয় ॥।

ভিন্ন শিল্প

সৈনিকৰ চিঠি ঃ

# যুদ্ধক্ষেত্ৰৰ পৰা তোমালৈ

শিশিৰ কুমাৰ ডেকা

"জানো সঠিক তেজৰ সমুদ্ৰত আছে প্ৰেমৰ দ্বীপ
উপমা-অপচয় নকৰো প্ৰেম নিৰ্জনতাৰেই প্ৰতীক।"
-হীৰেণ ভট্টাচাৰ্য্য

মৰমৰ,

প্ৰথমে দূৰণিৰ পৰা পঠোৱা মোৰ অকৃত্ৰিম মৰমবোৰ গ্ৰহন কৰিবা। তোমাৰ লগতে ঘৰৰ আটাইকে যাতে ভগৱানে কুশলে ৰাখিছে তাকেই কামনা কৰিলো। মোৰনো কি জনাম, সকলো গতানুগতিক ভাৱেই আছে। ওপৰৱালাৰ বজ্ৰকঠোৰ নিৰ্দেশ আৰু বন্দুক-কামানৰ শব্দ তথা ধোঁৱাই সততেই আচন্ন কৰি ৰখা মোৰ এই বৰ্তমান জীৱন। তথাপিও নমৰি জীয়াই আছো- তোমাৰ মৰমবোৰ হৃদয়ত কঢ়িয়াই লৈ।

এতিয়া নিশা ১০ বাজি ৩৫ মিনিট। আমাৰ গ্ৰুপটোৰ বৰ্তমান জিৰণীৰ সময়। এই যুদ্ধ-কালীন পৰিস্থিতিত আবেগ-অনুভূতি, আমাৰ দৰে সৈনিকসকলৰ পক্ষে নীতিবিৰুদ্ধ। এতিয়া আমাৰ একমাত্ৰ কৰ্তব্য হ'ল -মাতৃ ভূমি ৰক্ষাৰ্থে শত্ৰুৰ সৈতে যুঁজি যোৱাতো। তথাপিতো এই আজৰিৰ সময়খিনিতেই বহুতো ভাৱনাই আহি লগ দিয়েহি। যাৰ ফলশ্ৰুতিত আজি এয়া নীতিবিৰুদ্ধ হ'লেও, সৰু মনৰ পোহৰত তোমালৈ লিখি আছো।

ইয়াত বৰ্তমান প্ৰচণ্ড শীত। চাৰিওফালে বৰফে আগুৰি আছে। তথাপিতো প্ৰত্যেকজন সৈনিকেই নিজৰ নিজৰ কৰ্তব্য নিষ্ঠাৰে পালন কৰি গৈছে। তুমি ভাবাচোন দেশমাতৃৰ প্ৰতি এওঁলোক কিমান দায়বদ্ধ। প্ৰয়োজন হ'লে নিজৰ জীৱনকো আহুতি দিবলৈ এওঁলোক দৃঢ় প্ৰতিজ্ঞ। অ' অকনমান ৰবাদেই, মমডাল নুমাই দিছো। বাহিৰত পহৰাদাৰ কেইজনৰ বুটৰ মাত শুনিবলৈ পাইছো। বোধহঃ কেপ্তেইন আহিছে।

আমাক চাই কেপ্তেইন গ'লগৈ। এতিয়া মমডাল আকৌ জ্বলাই লৈছো। লিখিবলৈ। তোমাৰ বাৰু মনত আছেনে? যোৱা বিহুৰ সময়ত, তুমি আৰু মইযে বহু দেৰিলৈকে বহি আছিলো আমাৰ সন্মুখৰ নৈ খনৰ পাৰৰ কেঁকুৰিটোৰ আঁহত জোপাৰ তলত। বিহাৰ মেখেলা আৰু চাদৰ যোৰেৰে সেইদিনা তোমাক সঁচাকৈয়ে বৰ ধুনীয়াজনী লাগিছিল। হাতত অনা বিহুৱানখন দি যেতিয়া মোৰ পৰা আশীৰ্বাদ বিচাৰিছিলা তেতিয়া অজানিতেই তোমাক আকোৱালি লৈছিলো মোৰ দুবাহুৰ মাজত। কিমান মধুৰ, কিমান মাদকতা পূৰ্ণ আছিল সেই ক্ষণ। জীৱনৰ প্ৰতিটো পলেই যদি ঠিক তেনেকুৱাই হ'লহেতেন ..........

আচলতে কি জানা পাহী তুমি মনত ৰাখিবা প্ৰকৃত প্ৰেম-ভালপোৱাৰ কেতিয়াও মৃত্যু নাই। সততা আৰু সাহসৰ সংমিশ্ৰনেৰে প্ৰেমৰ পূৰ্ণতা আনিব পাৰি। দুখন হৃদয়ৰ পবিত্ৰভাৱে গঢ়লৈ উঠা আমাৰ এই প্ৰেম বাস্তৱ জীৱনৰ যিকোনো শক্তিশালী ধুমুহাতকৈ অধিক শক্তিশালী।

আমনি লাগিছে নেকি বাৰু তোমাৰ। লাগিলেও অকনমান ধৈৰ্য্য ধৰা। পুনৰ এনেদৰে লিখিবলৈ পাম নে নেপাম কোৱাতো কঠিন।

অ' বিহুৰ সময়ত ঘৰলৈ আহোতে মাই কি কৈছিল জানা? "পোনা, এইবাৰ আহিলে অলপ দীঘলীয়াকৈ চুটি লৈ আহিবা। মোৰো বৰ কষ্ট হয়। পাৰিলে বোৱাৰী এজনীক ঘৰ সুমুৱাৰ লাগিব। এই পাহীক তোৰ কেনে লাগে অ'? বেচেৰী বৰ লখিমী ছোৱালী।" সেইদিনাখন মোৰ যে কেনেকুৱা লাগিছিল জানা পাহী- তাক মই ভাষাৰে বুজাব নোৱাৰিম। ঘৰৰ পৰা আহিয়েই তোমাৰ বাবে এটা আঙুঠি বনাই থৈছো। কিন্তু ইয়াৰ পৰা উলটি যাব পাৰিম জানো পাহী.....।

আজি হয়তো আৰু টোপনী যোৱাতো নহ'ব। আৰু কিছু সময় পিছতেই হয়তো আমাৰ গ্ৰুপটোৰ Duty পৰিব। পাহৰিবলৈ নোৱাৰিলেও হয়তো পাহৰিবলৈ বাধ্য হ'ব লাগিব নিজস্বঃ আবেগ অনুভূতিবোৰ। কি ঠিক হয়তো এই মুহূৰ্তত তোমালৈ লিখি থকা তোমাৰ আপোনজনক শত্ৰু পক্ষৰ কাৰোবাৰ উন্মুক্ত বুলেটে চিৰদিনলৈ শুৱাই দিব পাৰে বৰফৰ শুকুলা বক্ষত। এনেদৰেই ইয়াত হেৰাই গৈছে বহুতৰ আপোনজন। বহুতৰ বুকুৰ অতৃপ্ত বাসনা। কিন্তু মনত ৰাখিবা পাহী-মিলন নহ'লেও আমাৰ এই পৱিত্ৰ প্ৰেমৰ স্মৃতি মোৰ মনত মৃত্যুৰ অন্তিম ক্ষনলৈ সজীৱ হৈ থাকিব। হিয়াৰ শুভ্ৰতা, প্ৰনয়ৰ পবিত্ৰতা আৰু মনৰ একাগ্ৰতা আৰু সাধনাৰ দ্বাৰাহে প্ৰকৃত প্ৰেমৰ সৃষ্টি হয়। মই কিজানি বহুত গভীৰলৈ সোমাই পৰিলো নহয় পাহী। আচলতে কি জানা? যন্ত্ৰৰ দৰে কৰ্তব্য পালন কৰি কৰি এই অকমান আজৰি সময়তেই হৃদয়ৰ সমস্ত আবেগ অনুভূতিবোৰ স্বতঃ স্ফুত ভাবে ওলাই আহিব খোজে -বাধাহীন নৈৰ দৰে। তোমালৈ লিখা আজিৰ এই চিঠিখনো তাৰেই ফলশ্ৰুতি মাথোন।

সদৌশেষত তোমালৈ পুনৰ একাঁজলি সঁচা মৰম পঠাই শুভকামনাৰে এৰিছোদেই। চুমা থাকিল।

ইতিত
তোমাৰ জ্যোতি

পুঃ পুঃ লিখিবলৈ বহুতো থাকি গ'ল। মম টুকুৰাইয়ো তাৰ অস্তিত্ব বজাই ৰাখিবলৈ প্ৰানপ্ৰনে চেষ্টা কৰি আছে। হয়তো কিছুসময় পিছতেই সি নুমাই যাব। কি কৰিবা পাহী, এয়া যে সময়ৰেই আহ্বান। মৰমেৰে। ইতি-

কৃতজ্ঞতাঃ লিখনিটোত অনুপ্ৰেৰণা যোগোৱাৰ বাবে বন্ধু অসীম আৰু ধীৰাজৰ ওচৰত বিশেষভাৱে কৃতজ্ঞ। লিখক- ❑❑

শিশিৰ কুমাৰ ডেকা স্নাতক তৃতীয় বৰ্ষৰ বিজ্ঞান শাখাৰ ছাত্ৰ

ভিন্ন শিল্প

# ৰ'দ বিচৰা কবি হীৰেন ভট্টাচাৰ্য্য

অলিক ভৰদ্বাজ

প্ৰতিটো যুগৰ অভ্যন্তৰত যেতিয়া বন্ধ্যাত্বই দেখা দিয়ে তেতিয়াই আৰম্ভ হয় "সুমথিৰা সুৰুয়"ৰ সন্ধান। সমস্যা জৰ্জৰ মানৱ সমাজ সততে হিংসা দ্বেষ, ভেদা-ভেদ, চোৰ-চাতুৰী, হত্যা-লুণ্ঠন আদি এশ -এবুৰি সমস্যাৰে ভৰপুৰ। (সমাজৰ বিকাশৰ সুনিদিষ্ট গতিধাৰাত এক নিৰুদিষ্ট ভূমিকা পালনৰ মাজেদিয়েই এখন সমাজত এজন ব্যক্তিৰ স্থান নিৰ্ধাৰিত হয়) পাপৰ লতাকুঞ্জৰ পৰা পৃথিৱীখনক মুক্ত কৰি এখন বত্ন গৰ্ভা, সুষমামণ্ডিত সেউজীয়া পৃথিৱী গঢ়িবলৈ এচাম লোকে অহৰহ চেষ্টা কৰি আহিছে। 'প্ৰানময়তাৰ স্বৰলিপিৰে' সমাজ গঢ়িবলৈ চেষ্টা কৰা সেইচামৰ ভিতৰত কবি হীৰেণ ভট্টাচাৰ্য্য এজন।

"শইচ পথাৰ মানুহ" (জানুৱাৰী ১৯৯১) নামৰ কাব্য সংকলনখনিৰ বাবে ১৯৯২ চনত সাহিত্য একাডেমী বঁটা পোৱা কবি হীৰেণ ভট্টাচাৰ্য্য আমাৰ মাজত পৰিচিত "হীৰু দা" নামেৰে। পৃথিৱীলৈ 'প্ৰেমৰ বানী' কঢ়িয়াই অনা এই কাব্য গ্ৰন্থখন অসমীয়া কাব্য জগতত এক অভিনৱ সংযোজন। গ্ৰন্থখনিৰ মূল বক্তব্য মানৱতাবাদ। কবিয়ে হৃদয়ৰ পূৰ্ণ বিকাশ বিচাৰে। সম অধিকাৰেৰে সমভাৱে, সমবেদনা-মৈত্ৰীৰে গঢ়া এখন সমাজ তেওঁ কামনা কৰে। ব্যৰ্থতাৰ আন্ধাৰে কবি হ'বলৈ শিকোৱা (তেওঁৰ ভাষাৰেই "তেজৰ আখৰেৰে) কবিজনাৰ "শইচৰ পথাৰ মানুহ", বৌদ্ৰকামনা", "তোমাৰ বাঁহী", "মোৰ দেশ", "মোৰ প্ৰেমৰ কবিতা", "জোনাকী মন", "সুগন্ধি পখিলা" আদি কাব্যগ্ৰন্থৰ প্ৰতিটো কবিতাৰ ছন্দে ছন্দে জয়গান গাইছে প্ৰেমৰ ৰ'দৰ। সম মৰ্যদা সমস্বত্বেৰে হৃদয়তন্ত্ৰী ঝংকিত কবি "থোপা থুপি অঘৰী আশা" জীৱন্ত কৰাৰ একক বিৰল প্ৰতিশ্ৰুতি আছে প্ৰতিটো কবিতাত।

'স্পৰ্শকাতৰ সত্বা' কবিতাৰ দুই এটা স্তৱক দাঙি ধৰা হ'ল -

"শয্যৰতী মোৰ শইচচই সঁচা
মোৰ আন কোনো গান / কবিতা নাই
তোমাৰ সেউজীয়া আচল ধৰি
মোৰ চাই হৈ যোৱা গানৰ সিপাৰে
হেন্দোলি উঠিছে ভাৱৰ।"
(শইচ্চই সঁচা, তুমি শইচৰেই চানেকি)

"আইজনীৰ মাকৰ ল'বা এটা হ'লে
বৰ ভাল হয় এচমান
খেতিয়কৰ ল'ৰাৰ হাত বোলে বৰ পোন।" (লখিমী)

"কাৰ ইমান গৰজ যে
মোক ৰ'দ আনি দিব।" (বৌদ্ৰ কামনা)

"মই সুধিছিলো
দেৱতাৰ মন্দিৰৰ বাট কেনি?
তাই আগবঢ়াই দিলে
চকুলোৰে সেমেকা হাতখনি।" (সুগন্ধি পখিলা)

হীৰুদাই জেপত আধালিখা কবিতা কঢ়িয়াই লৈ ফুৰে এদিন - এমাহ- এবছৰ পৰ্যন্ত। তেওঁ কয় "যি কোনো মুহূৰ্তত আহি যাব পাৰে মোৰ আবেগ।" শেষ কৰিব পাৰিম আধালিখা কবিতাটো। সুগন্ধি পখিলাৰ "কবিজনাৰ ঘাই বৈশিষ্ট্য তেখেতৰ সহজাত কথন শিল্প। নিজক কবি হীৰেণ ভট্টাচাৰ্য্য হিচাপে চিনাকি দিয়াতকৈ নিজকে কৈ ভাল পায় যে "হীৰেণ ভট্টাচাৰ্য্য নামৰ মানুহজনে কেতিয়াবা কেতিয়াবা কবিতা লিখে।"

"ইমান সহজতে বিচলিত হ'লে
তোমাৰ বাৰু কেনেকৈ চলে?
লিলুৱা আন্ধাৰে মোক এনে বুলি ক'লে।
কবি মই নাছিলো কোনোকালে।
ব্যৰ্থতাৰ আন্ধাৰে মোক মাথোঁ
সত্যক সহজে ল'বলৈ শিকালে।
কবি মই নাছিলো কোনো কালে। (তেজৰ আখৰেৰে)

হীৰুদাৰ কবিতাৰ প্ৰতিটো স্তৱক মানৱ প্ৰেম, আৰু হৃদয়ৰ শ্বাশ্বত এক সাঁকো। অসমীয়া কাব্যজগতত মাইলৰ খুটিস্বৰূপে ভট্টাচাৰ্য্যৰ কবিতা একপ্ৰকাৰ শিল্পলৈকে পৰিণত হৈছে বুলি কলেও অতুক্তি কৰা নহয় যেন লাগে। এনেকুৱা কথাঁও কোৱা হয় যে কেনেবাকৈ যদি তেওঁৰ কবিতা বিলাক হেৰোয়ো যায় তেন্তে তাক সহজে মানুহৰ মুখৰ পৰাই বোটলা সম্ভৱ হৈ আছে।

"তুমিটো জানাই
এই কবিৰ আৰু একো নাই-
এটাই মাথো কামিজ। তাৰো ছিগো ছিগো চিলাই
প্ৰেম নিশ্চয় এনেকুৱাই
যি আৱৰণ খুলি হৃদয় জুৰায়।" (ভোগালী)

"মৃত্যুওটো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা
এক নিৰ্লোভ ভাস্কৰ্য।"

"প্ৰেমৰ সুগন্ধ হৃদয়ত মাথো
পাব পাৰি।" (দিয়া-নিয়া)

শব্দৰ দল মহা কবিজনাৰ দুই এটি কবিতাত প্ৰতিবাদী কণ্ঠ প্ৰতিধ্বনিত হোৱা দেখা যায়।

"কমবেড, বুকুখন বিষাইছে
বন্দুকটো উম দি বুকুতে থাকক,
আতৰাই নিনিবা।
লাগিলে তৰ্জনী আঙুলিটো ট্ৰিগাৰতে থোৱা বন্দুকৰ নলীৰে জ্বলক
অবিৰাম বিজুলী।"

"মুখত জোলোকা জোলোকে তেজ
সূৰ্য্যটো ওলমি আছে
আকাশত ফচীৰ কাঠ।"

"কাব্যপ্ৰান" এই কবি গৰাকী আমাৰ অতিকে আপোন "হীৰুদাই" ক'ৰবাত হেৰাই পেলাইছে বহু আধা লিখা কবিতাৰ টুকুৰা অনিচ্ছাকৃতভাবেই। মন গলেই গুৱাহাটীৰ অলিয়ে-গলিয়ে ঘুৰি ফুৰা এই কবিজনাই শতায়ু লাভ কৰক। চহকী কৰক অসমীয়া কাব্য সাহিত্যৰ ভৰাঁল। এয়ে কামনা। শেষত কবিৰ ভাষাৰেই-

"খিৰিকীখন খুলি দিয়া
আনন্দ বৈ পৰক
দুখৰ মাজেৰে উৰি আহক
ৰ'দৰ চিঠি।" ❑❑

**অলিক ভৰদ্বাজ স্নাতক দ্বিতীয় বৰ্ষৰ বিজ্ঞান শাখাৰ ছাত্ৰ**

---

# এটি প্ৰেমৰ কবিতা

অনিল কলিতা
*স্নাতক ৩য় বৰ্ষ*

এতিয়া নিৰুদ্দেশৰ তালিকাত
মোৰ হিয়া
বতাহত ভাহিছে বতৰা
খাৱন-শোৱন সকলো হৰণ
অপহৰণ মোৰ সমগ্ৰ সত্বাৰ
তাকেই ; তাকেই হেনো
প্ৰয়োজন তোমাৰ
এতিয়া মোৰ দৈনিক শ্বাস-প্ৰশ্বাসত
শুনো নীৰৱ আততায়ীৰ ভাবুকি
অপহৰণৰ দিনত
প্ৰতি পলতে মই
লুকাই থাকো
তোমাৰ অৰণ্যৰ
গহণ প্ৰান্তত
মোৰ অস্তিত্ব এতিয়া তোমাৰ হাতত
কাৰণ, মই যে এতিয়া
অপহৃত
বুকু ভঙা কয়দী
এজন আততায়ীৰ ওচৰত।

ভিন্ন শিল্প

# সময়, ৰহস্যৰ অন্য এক নাম

মুনীন্দ্ৰ শৰ্মা

''সকলোৱে কয় সময় সময়
নুবুজো একোকে ভেদ
অনন্ত কালৰ অখণ্ড সত্তা
হ'ব কি পাৰেনে ছেদ''।

-মফিজুদ্দিন আহমেদ হাজৰিকা

সময়ৰ ৰহস্যময়তাৰ বিষয়ে ইয়াতকৈ সৰল ব্যাখ্যা কি হ'ব পাৰে? ৰহস্য আৰু অনুসন্ধিৎসাৰ আকৰ হ'ল সময় । সময় কি বুলি সুধিলে কি উত্তৰ দিব পৰা যাব বাৰু ? সাধাৰণ জ্ঞান বা বুদ্ধিমত্তাৰে সময়ৰ প্ৰকৃত তথা নিৰ্ভুল সংজ্ঞা দিয়াটো সহজ নহয় । আইনষ্টাইন, ষ্টিফেন হকিং আদিৰ দৰে বিজ্ঞানীয়েও সময়ৰ সংজ্ঞা সম্পূৰ্ণ শুদ্ধভাৱে দিব পৰা নাই ।

সময় বুলি ক'লেই ভাৰতীয় হিচাপ অনুসৰি আমি দণ্ড, প্ৰহৰ আদি বুজিম । কিন্তু সময়ক ভাৰতীয় হিচাপ অনুসৰি তলত দিয়া ধৰণে ভাগ কৰিব পাৰি কলা, অনুপল, বিপল, পল,দণ্ড, প্ৰহৰ আদি ।

আনহাতে ইংৰাজী পদ্ধতিত আমি সময় বুলি কলেই মিনিট, ছেকেণ্ড আদিৰ কথা কম। প্ৰশ্ন হ'ল- এক ছেকেণ্ড মানে কি ? অতি সাধাৰণ ভাৱে ক'বলৈ গলে দুটা ক্ৰমাগত সূৰ্যোদয়ৰ মাজৰ ব্যৱধানৰ ৮৬৪০০ ভাগৰ এভাগ হ'ল এক ছেকেণ্ড। থিক তেনেদৰে এক ছেকেণ্ডক আকৌ ক্ৰমে মাইক্ৰ, নেন, পিক, ফেমট ছেকেণ্ডত ভাগ কৰিব পাৰি । এক ফেমট' ছেকেণ্ড হ'ল এক ছেকেণ্ডৰ ১০৫ ভাগৰ এভাগ। কিমান হ'ব বাৰু এই সময় ?

সময়ৰ আৰম্ভণি কেতিয়া হৈছিল ? "A Brief History of Time" নামৰ গ্ৰন্থ খনত ষ্টিফেন হকিঙে লিখিছে যে বিশ্বজগতৰ সৃষ্টিৰ মুহূৰ্তৰ পৰাই সময়ৰ আৰম্ভণি । তেখেতৰ মতে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি হৈছিল 'মহানিনাদৰ' (Big Bang) ফলত । অৰ্থাৎ মহানিনাদৰ মুহূৰ্তৰ পৰাই সময়ৰ আৰম্ভ হ'ল । কিন্তু এই খিনিতে মনত প্ৰশ্ন উদয় হয় মহানিনাদৰ আগতে সময়বোৰ বৈ আছিল নেকি ? নে সময় নাছিলেই ?

আইনষ্টাইনৰ আপেক্ষিকতাবাদ অনুসৰি সময়ৰ ব্যৱধান কোনো বস্তু আৰু নিৰীক্ষকৰ আপেক্ষিক গতিৰ ওপৰত নিৰ্ভৰশীল। ''সময়ৰ সম্প্ৰসাৰণ'' পৰিঘটনা মতে আকৌ গতিশীল ঘড়ী লাহে লাহে চলে। অৰ্থাৎ সময়ক চৰম মানত প্ৰকাশ কৰিব নোৱাৰি ।

সময় চিৰ প্ৰবাহমান । এজন বিখ্যাত পণ্ডিতে কৈছিল- মানুহে খৰচ কৰিব পৰা আটাইতকৈ মূল্যৱান বস্তুটোৱেই হ'ল সময় । কবি টি.এছ.ইলিয়তৰ ভাষাত -

"Time present and time past
Are both per haps present in time future
And time future contained in time past
If all time is eternally present
All time is unredeemable".

সময়ৰ মূল্য কিমান তাক কোৱাৰ প্ৰয়োজন নাই । মহৎ লোকে কিভাৱে সময়ক ব্যৱহাৰ কৰিছিল তাৰ সুন্দৰ উদাহৰণ হ'ল কবি লংফেলো। 'ইনফাৰণো' নামৰ গ্ৰন্থখন তেওঁ লিখি উলিয়াইছিল কফি উতলাওতে লগা সময় খিনিত ।

সময়ৰ প্ৰবাহমান ধাৰাত আমি অহৰহ উটি ভাহি গৈ আছো। অতীতৰ পৰা বৰ্তমানৰ মাজেৰে ভবিষ্যতলৈ এই যাত্ৰা । আমাৰ অজ্ঞাতেই অবিৰত ভাৱে পাৰ হৈ যায় সময়ৰ সোঁত ।

এক মিনিট সময় খুব চুটি' যেন লাগে তেতিয়া, যেতিয়া আমি হাঁহি ধেমালী কৰি থাকো বা ব্যস্ত হৈ থাকো কোনো কামত। কিন্তু সেই এক মিনিট সময়েই কিমান দীঘলীয়া তাক গম পোৱা যায় শোকসভাত মৌন হৈ তলমুৰ কৰি থাকোতে বা পৰীক্ষাহলত কলম কামুৰি বহি থাকোতে অথবা কোনোবা প্ৰিয়জনে বৈ থাকোতে ....। কি বিচিত্ৰ এই সময় । ❑❑

মুনীন্দ্ৰ শৰ্মা উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰ

নিজ মাতৃক অৱহেলা কৰি দেশ মাতৃকাৰ সেৱাৰ চেষ্টা কৰাটো ভণ্ডামি মাথোন

ভিন্ন শিল্প

# অনুভৱ - ৰিক্সাৱালা আৰু পানদোকানীৰ

সাধি ৰাম বড়া

ৰিক্সাচালক জনৰ পৰিয়ালটো তেনেই সৰু। সিহঁত দুজন আৰু ল'ৰা-ছোৱালী দুটি। ক'ব গ'লে সিহঁত সৰু সুখী পৰিয়াল। নিজৰ বুলিবলৈ মাটি অকনো নাই। চৰকাৰী মাটি এডৰাতেই এটি চালি ঘৰ সাজি তাতেই থাকে। ৰাতিপুৱাই "ওঁম শান্তি ওঁম শান্তি" বুলি ঈশ্বৰক আৰধনা কৰি ওলাই দুই তিনি কিলোমিটাৰ বাট গৈ দূৰত থকা ভাৰাত চলোৱা ৰিক্সাখনৰ ওচৰ চাপে। ৰিক্সাৰ গৰাকীক মাত কেতিয়াবা দিয়ে আৰু কেতিয়াবা হয়তো মাত নিদিয়াকৈ ওলাই আহে। ৰিক্সাচালক জনৰ ৰিক্সাত ভিন ভিন ধৰণৰ মানুহ উঠে আৰু সময়ত নামি যায়। ৰিক্সাত উঠা মানুহৰ কথোপ-কথন আৰু সংলাপে কেতিয়াবা ৰিক্সাৱালাৰ হৃদয় স্পৰ্শ কৰি নোযোৱাকৈ নাথাকে। এজন ভদ্ৰলোক ৰিক্সাচালক জনৰ ওচৰলৈ আহি কলে, "ঐ ৰিক্সা যাবানে? বলা - - -।" ভদ্ৰলোকজনে ৰিক্সাচালক আৰু তেওঁৰ মাজত ব্যৱধান খিনি ওচৰ চপাই অনাৰ প্ৰয়াসেৰে সুধিলে, "অ' ৰিক্সা, তই বিয়া বাৰ হৈছনে, ল'ৰা-ছোৱালী কেইটা, ঘৰ ক'ত, ক'ত থাকা ? ৰিক্সাৱালাই কলে, "ঘৰখন পাতিছো এজনীৰ লগত। ল'ৰা-ছোৱালী দুটিৰেই চৰকাৰী মাটি এডৰাতেই চালি ঘৰ এটা সাজি আছো। ভাৰাৰ ৰিক্সাখনেই জীৱনৰ হাতোৰা।" ভদ্ৰলোকজনে কলে, "ঐ ৰিক্সা দুখ নকৰিবা। ল'ৰা-ছোৱালী কেইটাৰ পঢ়া-শুনাৰ যত্ন লবা। তোমালোক দুয়োজনেই লঘোণে থাকি হলেও সিহঁত দুটাক পঢ়িবলৈ সুবিধা দিবা। মানুহে খাবলৈ জীয়াই নাথাকে। খাই লৈ জীয়াই থাকিলেই হ'ল। কোনো মৰে হাড়ে-চালে, কোনো মৰে মঙহে ভাৰে। দুখে কাম ধেনু। যত্ন কৰিলে ৰত্ন পায়, ধৈৰ্য্যই সুষম গতি।" ভদ্ৰলোকজনে গন্তব্য স্থান পালে আৰু জেপৰ পৰা পাঁচ টকীয়া নোট এখন উলিয়াই দি ৰিক্সাৰ পৰা নামি যাওঁ দেই ৰিক্সা বুলি বিদায় ললে।

আকৌ আন এদিনৰ কথা। ৰিক্সাখনত দুগৰাকী মানুহ উঠিল গাঁৱৰ পৰা চহৰলৈ অহা। মানুহ দুগৰাকীয়ে এখন ৰিক্সাক মাতিলে, "এ শুনছোন, আমি এই চৌকাটোৰ পে সেই চৌকাটোলে যাম। আমিনো কিমান দিবা লাগ্‌বো।" তেতিয়া ৰিক্সাৱালাই ক'লে, "আপোনালোকে পাঁচ টকা দিলেই হ'ব।" তেওঁলোক দুয়োগৰাকীয়ে কোৱা-কুই কৰি ক'লে, "তই দুই টকা আঠ আনা দিবা লাগ্‌বো আৰু ময়ো দুটকা আঠ আনা দিবা লাগ্‌বো তেতিয়াহে পাঁচ টকা হবো।" তেওঁলোকে ৰিক্সাৱালাক ক'লে, "তোক ইত্তেয়ে দিবা লাগ্‌বোনে ?" নালাগে বাইদেউ ৰিক্সাৰ পৰা নামি দিলেই হ'ব। তেওঁলোক দুয়োজনীয়ে ৰিক্সাত বহি লৈ কথা আৰম্ভ কৰি দিলে, "ঐ তিনিটা চকাৰ ওপৰত এখান চাং। এটা মানহুই আমাক টানি নিচি কিবা জাত পাতৰ মানহুহ। আমি ঘৰত যাই গা ধোবা লাগবো। মানুহটোৰ বৰ কষ্ট দে। কেতবা পোনহে কেতবা কুজাঁহে ৰিক্সাখান চলৱেই। বৰ বেয়া লাগে দেই।নুঠিলিও নহয়েই, চহৰৰ গাড়ী ঘোঁৰাৰ মাজেদি কিমাননো খোজ কাঢ়িম।" আনজনীয়ে ক'লে, "চহৰক লেগি আইচু পইচাৰ চিতাবায়ে লাগ্‌বোৱা, ডিমা বেচি, কল বেচি, কাপোৰ বেচি পোৱা পইচা গি তা যাবো ইটা।" তেওঁলোকে গন্তব্য স্থান পাই ৰিক্সাৱালাক টকা পাঁচটা দি ৰিক্সাখনৰ পৰা নামি ক'লে, "যাওঁ দেই বাপা।"

আন এদিনৰ দৃশ্য। এজন মানুহ এখন ৰিক্সাত উঠি গৈ আছে। প্ৰায় দুই কিলোমিটাৰ বাট যাব। নিৰ্দিষ্ট স্থানত ৰিক্সাৰ পৰা নামি টকা চাৰিটা দি গপ্‌গপাই গুছি গ'ল। ৰিক্সাচালক জনে ক'ল, "ডাঙৰীয়া ভাৰা বহুত কম হ'ল আৰু অলপ দিয়ক।" "নাই নাই পইচা নাই হ'ব দে।" ৰিক্সাচালকজনে কিছু সময় মানুহজন যোৱালৈ চাই এটি হুমুনিয়াহ কাঢ়ি আকৌ চহৰ মুখে ঘূৰিল। চহৰৰ মাজ মজিয়াত ৰিক্সাচালক বিলাকে আনন্দ, নিৰানন্দ, ৰিক্ত-তিক্ত কথাৰ সোৱাদ লৈ ৰিক্সা চলায়। দিনৰ ভাগত পৰিয়ালৰ মানুহখিনিৰ কথা ভাৱিবলৈ আজৰি নাপায়। ৰিক্সাত বহি যোৱা যাত্ৰী সকলৰ নানা কথোপ-কথনে ৰিক্সাৱালাক কেতিয়াবা আনন্দ দিয়ে আৰু কেতিয়াবা নিৰাশো কৰে। কেতিয়াবা যাত্ৰীৰ কথাৰ মাজতে হয় নহয় দুই এটা কথাৰ উত্তৰো দিব লগা হয়। ল'ৰা-ছোৱালী দুটি হাইস্কুলত পঢ়ে। সিহঁত দুটাক ৰিক্সাৱালাই উপদেশ দিয়ে, "বাপাহঁত ভাল ধৰণে পঢ়া-শুনা কৰিবা। পঢ়ি-শুনি মানুহ হোৱা। জ্ঞানী লোকে কয়- বিদ্যা শ্ৰেষ্ঠ ভূষণ। মই যিমান পাৰো খৰছ পাতি বহন কৰিম।" ৰিক্সাৱালাৰ ল'ৰা-ছোৱালী দুটি পঢ়াত মধ্যমীয়া, কিয়নো টিউচন নামৰ বৃত্তিটোৰ পৰা সিহঁত বহু নিলগত। আশা নিৰাশাৰ মাজেৰে ৰিক্সাৱালা আৰু ঘৈনীয়েকে ল'ৰা-ছোৱালী দুটিৰ চলন-ফুৰন নিৰীক্ষণ কৰিছে। গধূলি হৈ অহাৰ লগে লগে যাত্ৰী চিতৰ কথা-বতৰা, অভিমত, হাঁহি-প্ৰেম আদিৰ সুৰে ৰিক্সাৱালাৰ কাণত ৰিঙিয়াই। সেই কথাবোৰ সি পাহৰি যাব খোজে যদিও নোৱাৰে। জীয়াই থকাৰ সংগ্ৰামত ভাল-বেয়া কথা বিলাকে ৰিক্সাৱালাৰ হৃদয়ত সাচ বহুৱাই। সেয়ে সি মাজে সময়ে ঘৈনীয়েকক কয়, "মৰমৰ লখিমী জনী (ঘৈনীয়েকক সি লখিমী বুলিয়েই মাতে) আমি দুখীয়া মানুহ বিলাকে শুনিব লাগেনে নালাগে সেইটো নহয়। ভাল বেয়াৰ চাকনৈয়াত আমি বুৰ গৈ আছো। ভালখিনি লৈ বেয়াখিনি এৰি দিয়াটোহে টান। শুনিছানে।" এদিনৰ কথা এজনী ভদ্ৰ মহিলা ৰিক্সা আৰোহী বাইদেৱে আমাৰ ল'ৰা-ছোৱালী দুটিৰ পঢ়া-শুনাৰ বাবদ ৰিক্সাভাৰা সাতটকা দিয়াৰ উপৰিও নগদ দহ টকা দি সহায় কৰিছে। মই সেইদিনা ভাৰা মাত্ৰ ত্ৰিশ টকাহে পাইছিলো। তাৰে পোন্ধৰ টকাৰ আমাৰ ঘৰৰ বজাৰ কৰি আনিছো। আৰু বাকী পোন্ধৰ টকা মালিকক দিছো। বাইদেৱে দিয়া দহ টকাটো তুমিয়েই ৰাখা। আজি চাউল আনিব নহ'ল। আটাকে আনিছো। তাকে আমি দুয়োৱে খাম আৰু যিখিনি চাউল আছে তাৰে ভাত কেইটামান বনাই ল'ৰা-ছোৱালী হালক দিয়া। শুকান কটি

**Ranjana Rani Dutta**
*TDC IIIrd Year(Arts)*
*Dept. of English*

Last night
I saw a dream
An angel came near me
Near and near
so near...............
At last he embraced me
His icy body touched
My heart
I felt.
My body also became icy
So, opened my eyes
Oh, it's a cold morning
I remember the last night
How sweet the dream was...................!

কলেজ চৌহদ

# ৯৯-২০০০ ৰ প্ৰতিভা, প্ৰতিশ্ৰুতি . . .



**আবতি বৰুৱা**
বছবব শ্ৰেষ্ঠা অন্তঃদ্বাব খেলুৱৈ



**সাগবিকা ডেকা**
বছবব শ্ৰেষ্ঠা গায়িকা



**দ্বীপ কিশোব শইকীয়া**
বছবব শ্ৰেষ্ঠ অন্তঃদ্বাব খেলুৱৈ



**মৃদুল শৰ্মা**
বছবব শ্ৰেষ্ঠ সাঁতোববিদ



**পূৱবী কলিতা**
বছবব শ্ৰেষ্ঠা বহিঃদ্বাব খেলুৱৈ



**চিৰঞ্জীৱ হাজবিকা**
বছবব শ্ৰেষ্ঠ বহিঃদ্বাব খেলুৱৈ



**তপন বাজবংশী**
বছৰব শ্ৰেষ্ঠ মাবাথনদৌববিদ



**গণেশ চন্দ্ৰ শইকীয়া**
বছবব শ্ৰেষ্ঠ সমাজ সেৱক



**উপেন্দ্ৰজিৎ কলিতা**
বছবব শ্ৰেষ্ঠ কৌতুক অভিনেতা

কলেজ চৌহদ

# ৯৯-২০০০ ৰ প্ৰতিভা, প্ৰতিশ্ৰুতি . . .



**কমৰুন জান্নাত**
বছৰৰ শ্ৰেষ্ঠা পত্ৰ লেখিকা



**ৰাজৰ্ষি ভৰদ্বাজ**
বছৰৰ ২য় শ্ৰেষ্ঠ অভিনেতা



**অঞ্জুলা চহৰীয়া**
স্নাতক চূড়ান্ত পৰীক্ষাত শিক্ষা বিভাগত ডিচটিংচন সহঃ প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান



**জয়ন্ত কুমাৰ ৰাজবংশী**
বছৰৰ শ্ৰেষ্ঠ দেহশ্ৰী প্ৰতিযোগী



**চমক দাস**
বছৰৰ শ্ৰেষ্ঠ ক্যাবাটিয়ান



**পলাশ কুমাৰ ডেকা**
মিজোৰামৰ পৰা Para Medical Course ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান



বাওঁফালৰ পৰা ক্ৰমে (১ম শাৰীত) ঃ কমল বৰুৱা, বীনা শইকীয়া, ধৰ্ম ডেকা
(২য় শাৰীত) ঃ ৰোনাল্ড হাজৰিকা, বিনয় ভট্টাচাৰ্য্য, বাতুল বৈশ্য
আন্তঃ মহাবিদ্যালয় যুৱ ক্ৰীড়া মহোৎসৱত ব্যাংগ নাটত সোণৰ পদক প্ৰাপ্ত শ্ৰেষ্ঠ দল



**শ্বাহনাৱাজ আহমেদ আৰু কৰবী শৰ্মা**
যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত ১৯তম কৃষ্ণ চন্দ্ৰ কাকতি সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল

## সম্পাদকলৈ চিঠি

প্ৰতি

সম্পাদক মহোদয়,

আপোনাৰ সম্পাদনাত ওলাবলগীয়া মহাবিদ্যালয় আলোচনীখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলৰ লগতে যি সকল সন্মানীয়ই ইয়াৰ পৃষ্ঠা লুটিয়াব তেওঁলোককো জ্ঞাত কৰাও যে অসমৰ ঐতিহ্য মণ্ডিত মহাবিদ্যালয় সমূহৰ অন্যতম মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰাবাস বৰ্তমান ধ্বংস স্তুপত পৰিণত হৈছে। আবাসী সকলে তেওঁলোকৰ নিৰাপত্তাৰ অৰ্থে বহুবাৰ কৰ্তৃপক্ষৰ লগত আলোচনা কৰিলে, ছাত্ৰাবাস চৌহদত স্থায়ী বেৰ দিবলৈ, কিন্তু কোনো ধৰণৰ সমাধান নহ'ল। আলোচনা ফুটুকাৰ ফেনত পৰিণত হ'ল। কৰ্তৃপক্ষৰ আশ্বাস নাইবা 'ফাণ্ড' নোহোৱা এইবোৰ সহজ ভাৱে মানি লব পৰা নাযায়। বিগত বৰ্ষবোৰত ছাত্ৰাবাসত ৬০/৭০ জনকৈ আবাসীয়ে " হোষ্টেল নিয়ম" অনুসৰি সকলো মাচুল আদায় দি আহিছে, মাথো মহাবিদ্যালয় কৰ্তৃপক্ষৰ অমনোযোগিতাৰ বাবেহে 'ফাণ্ড' নাই বুলি কয়।

আমি চলিত বৰ্ষত মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষক লগ কৰিছিলো ছাত্ৰাবাস খোলাৰ সম্পৰ্কত, তেওঁলোকে আমাক ছাত্ৰাবাসত নাম ভৰ্তি কৰি থাকিবলৈ কলে যদিও প্ৰয়োজনীয় নিৰাপত্তাৰ ক্ষেত্ৰত কোনো ধৰণৰ আগ্ৰহ প্ৰকাশ নকৰিলে। গতিকে আমি আবাসী সকল মিলিত হৈ ছাত্ৰাবাসত নথকাৰ সিদ্ধান্ত লওঁ। ফলস্বৰূপে মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষত ছাত্ৰাবাস পৰিণত হ'ল মৰিশালিত।

শেষত মুকলি ভাৱে অনুৰোধ জনাইছোঁ নিৰাপত্তাৰ ব্যৱস্থা গ্ৰহণ কৰি অহা শিক্ষা বৰ্ষৰ পৰা ছাত্ৰাবাস মুকলি কৰে যেন ।

ইতিত

শ্ৰীশশীন শৰ্মা

*প্ৰাক্তন উপদেশক*

*মহাবিদ্যালয় ছাত্ৰাবাস*

প্ৰিয় সম্পাদক

ডাঙৰীয়া,

অভিনন্দন গ্ৰহণ কৰিব। মঙলদৈ মহাবিদ্যালয় সমগ্ৰ দৰং জিলাৰ ভিতৰতে এখন শ্ৰেষ্ঠ উচ্চ শিক্ষানুষ্ঠান। মহাবিদ্যালয়খনে পঞ্চাশ বছৰ অতিক্ৰম কৰিবলৈ আৰু মাথোন কেইটামান দিনহে বাকী। এই পঞ্চাশ বছৰৰ পিছতো মহাবিদ্যালয় খনৰ এশ এবুৰি সমস্যাই দেখা দি আছে। যেনে ঃ শ্ৰেণী কোঠাৰ অভাৱ, বিজুলী পাংখাৰ অভাৱ ; যাৰ ফলত গৰমত পাঠ গ্ৰহণ কৰিব নোৱাৰি, পুথি ভঁৰালত প্ৰয়োজনীয় গ্ৰন্থৰ অভাৱ, ছাত্ৰ-ছাত্ৰীৰ বাহিৰে বাহিৰা মানুহৰ উপদ্ৰৱ, মহাবিদ্যালয় চৌহদৰ ভিতৰত ঠায়ে ঠায়ে খলাবমা ; যাৰ ফলত এজাক বৰষুণ দিলে পানীৰে উপচি পৰে, নিয়মিত পাঠদানৰ অভাৱ, ছাত্ৰ-ছাত্ৰীৰ অনুপাতে আচবাবৰ অভাৱ ; যাৰ ফলত থিয় হৈয়ো পাঠগ্ৰহণ কৰিব লগা হয়, ছাত্ৰ জিৰণি কোঠাটোৰ অচলাৱস্থা আদি বহুতো। লগতে জনা যায় মহাবিদ্যালয়খন হেনো সৌন্দৰ্য্যৰ ফালৰ পৰা তৃতীয় স্থানত আছে। কিন্তু বৰ্তমান মহাবিদ্যালয়ৰ সৌন্দৰ্য্যৰ উন্নতিৰ পৰিৱৰ্তে অৱনতিৰ ফালেহে গতি কৰা যেন অনুমান হৈছে। এই ক্ষেত্ৰত মহাবিদ্যালয় কৰ্তৃপক্ষই মনোযোগ দিয়ক।

শ্ৰীগণেশ চন্দ্ৰ শইকীয়া

স্নাতক তৃতীয় বৰ্ষ

প্ৰিয়

সম্পাদক ডাঙৰীয়া,

নমস্কাৰ লব। কেৱল পাঠ্যপুথি অধ্যয়ন কৰিয়েই এজন ছাত্ৰ বা এজনী ছাত্ৰীয়ে নিজৰ প্ৰতিভা বিকাশ কৰিব নোৱাৰে। তাৰ বাবে মানসিক আৰু শাৰীৰিক পৰিশ্ৰমৰো প্ৰয়োজন। অথচ আমাৰ কলেজত এটা ব্যায়ামাগাৰ নাই। খেল-ধেমালিৰ কোনো সঁজুলি নাই।

ছাত্ৰ-ছাত্ৰীৰ প্ৰাপ্য সুবিধাখিনিও বহু ক্ষেত্ৰত পোৱা দেখা নাযায়। বহুতো ছাত্ৰ-ছাত্ৰী পুথিভঁৰালত গৈ কিতাপ পঢ়াতকৈ (অফ পিৰিয়ডত) বাৰান্দাত বহি অথবা গছৰ তলত বহি আড্ডা দিয়াটোত অধিক গুৰুত্ব দিয়া দেখা যায়। তাৰোপৰি ছাত্ৰ-ছাত্ৰীসকলৰ ইমানেই সময়ৰ অভাৱ যে বিভিন্ন সময়ত অনুষ্ঠিত হোৱা বিভিন্ন সভা, আলোচনা চক্ৰ অথবা কবি সন্মিলন আদিত উপস্থিত থাকিব নোৱাৰে। সকলোৱে যেন নিজক ফাঁকি দিয়াৰ প্ৰচেষ্টাত অগ্ৰসৰ।

শেষত মঙলদৈ মহাবিদ্যালয়ৰ এক সুস্থিৰ শান্ত বাতাবৰণ আৰু ভৱিষ্যত উজ্জ্বল কামনা কৰিলো।

শ্ৰীআৰতি বৰুৱা

স্নাতক দ্বিতীয় বৰ্ষ

প্ৰিয়

সম্পাদক ডাঙৰীয়া,

দৰং জিলাৰ ভিতৰতে এখন উচ্চ শিক্ষাৰ মহৎ প্ৰতিষ্ঠান হ'ল 'মঙলদৈ মহাবিদ্যালয়'। কিন্তু আমাৰ এই মহাবিদ্যালয়খনৰ বহু দিশে সমস্যাৰে জৰ্জৰিত। তাৰে ভিতৰত প্ৰধানকৈ চকুত পৰা দুটা সমস্যা হ'ল - খোৱা পানীৰ সমস্যাআৰু চাইকেল ষ্টেণ্ডৰ কোনো নিয়মানুবৰ্তিতা নাই। ফলত ইমান ধুনীয়া প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ মঙলদৈ মহাবিদ্যালয়খনৰ চৌহদটো এক অশোভনীয় পৰিবেশে গ্ৰাস কৰিছে। আনহাতে ছাত্ৰীনিবাসৰ ওৱালখনো সম্পূৰ্ণ নিৰাপদ নহয়। তাৰোপৰি মহাবিদ্যালয়ৰ পুথিভঁৰালটো নিম্ন খাপৰ বুলি কলেও মিচা কোৱা নহব। সেয়ে তাক উচ্চ মান বিশিষ্ট

কৰিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনালো। N.S.S. বিভাগটো মহাবদ্যিালয়ৰ এটা গুৰুত্বপূৰ্ণ বিষয়। বহু বিষয়ত এই বিভাগটোৱে অংশ গ্ৰহণ কৰাও দেখা যায়। কিন্তু ইয়াৰ বাবে এটা আহল বহল কোঠাবো বিশেষ প্ৰয়োজন।

কমৰুন জান্নাত
স্নাতক ১ম বৰ্ষ

প্ৰিয়

সম্পাদক মহোদয়,

মঙলদৈ মহাবিদ্যালয় দৰং জিলাৰ ভিতৰতে এখন উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান। কিন্তু এই মহাবিদ্যালয়খনে সোণালী জয়ন্তী বৰ্ষত ভৰিদিবলৈ মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাটো ইয়াৰ বিভিন্ন সমস্যা সমাধান নহ'ল। তাৰে ভিতৰত বহুতো বিভাগৰ নিৰ্দিষ্ট বিভাগীয় কম নাই। যাৰ ফলত ছাত্ৰ-ছাত্ৰী বহু সময়ত অসুবিধাৰ সন্মুখীন হব লগা হয়। তাৰোপৰি খোৱা পানীৰ অভাৱ, আহল বহল শ্ৰেণী কোঠাৰ অভাৱ আৰু নিৰ্দিষ্ট চাইকেল ষ্টেণ্ডৰ অভাৱ। মহাবিদ্যালয়ত যদিও নামত এটা পুথিভঁৰাল আছে, তাত মাত্ৰ আওঁপুৰণি কিতাপৰ বাহিৰে নতুন কিতাপ প্ৰায় নাই বুলিয়েই কব পাৰি। এইবোৰ ক্ষেত্ৰত মহাবিদ্যালয় কৰ্তৃপক্ষই অধিক মনোযোগ দিয়ক।

শ্ৰীকিশোৰ বৰুৱা
স্নাতক তৃতীয় বৰ্ষ

To

**The Editor, Mangaldai College Magazine**

Mangaldai College serves as a premier educational institution in the realm of higher education in Darrang Distict. This college is going to celebrate its Golden jubilee in this very year. Almost three thousand students take education in this college. Education is imparted in this institution in two streams, viz. Science and Arts.

However, inspite of all these, this premier institution has been suffering from a lot of problems. Though this college has already run a race of 50 years, it has not succeeded to create a congenial educational environment. It is realy matter of concern that adequate library facility is not here in this college. The college authority has failed to do this. Besides, lack of common rooms also creates major problems. The students are either to move to and fro or to sit in the college-field which actually displays the poor educational environment. Again, inavailability of pure drinking water is also one major problem of this college.

Your faithfully
**Mr. Rana Basistha**
T.D.C. 2nd year (Science)

প্ৰিয়

সম্পাদক ডাঙৰীয়া,

আপোনাৰ দ্বাৰা প্ৰকাশিত মঙ্গলদৈ মহাবিদ্যালয় আলোচনীখনৰ জৰিয়তে মহাবিদ্যালয়ৰ ওপৰত কেইটামান কথা উনুকিয়াব খুজিছো।

যদিও মঙ্গলদৈ মহাবিদ্যালয়খনে ৫০ বছৰ অতিক্ৰম কৰিলে, তথাপি কিন্তু বহু সমস্যা আজিও সমাধান নহ'ল। বিশেষকৈ চাইকেল, মটৰ চাইকেল ৰখাবলৈ এটা স্থায়ী ষ্টেণ্ড নোহোৱা বাবে কলেজ চৌহদটো এক বিশৃংখল পৰিবেশে গ্ৰাস কৰে। তাৰোপৰি শ্ৰেণীকোঠাত প্ৰৰ্যাপ্ত পৰিমাণৰ ডেস্ক-বেঞ্চৰ অভাৱ হোৱা হেতুকে বহু ক্ষেত্ৰত ঠিয় হৈয়ো ক্লাছ কৰিব লগা হয়। মহাবিদ্যালয়খনত আন এক গুৰুত্বৰ সমস্যাৰূপে থিয় দিছে খোৱা পানীৰ সমস্যাই। মহাবিদ্যালয়ৰ পুথিভঁৰালটোৰো একো নতুনত্ব নাই বুলিয়েই কব পাৰি। তাতো ডেস্ক-বেঞ্চৰ অভাৱ পৰিলক্ষিত হয়।

সেয়েহে মহাবিদ্যালয়খনৰ বৃহৎ স্বাৰ্থৰ খাতিৰত কতৃপক্ষই এই বিষয়ত অধিক গুৰুত্ব দিবলৈ আলোচনীখনৰ জৰিয়তে মুকলিভাৱে অনুৰোধ জনালো।

ধন্যবাদেৰে
শ্ৰীদেৱজিৎ কলিতা
শ্ৰীদিলীপ নাৰায়ণ কোঁৱৰ
স্নাতক ২য় বৰ্ষ

## উপ সভাপতিৰ প্ৰতিবেদন



দৰং জিলাৰ চাৰিও দিশ জ্ঞানৰ জিলিঙনিৰে জিলিকাই তোলা জ্ঞানদীপ্তালয় হ'ল মঙলদৈ মহাবিদ্যালয়। এই মহাবিদ্যালয়ে বৌদ্ধিক শিক্ষাৰে ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰি বৰ্তমান সোণালী জয়ন্তী বৰ্ষত ভৰি দিছেহি যদিও ভাৰতবৰ্ষৰ অন্য ৰাজ্যত ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ তুলনাত মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি তেনেই নগন্য।

পৃথিৱী আজি আগুৱাই গৈছে ভৱিষ্যতৰ ন-সূৰুযৰ সন্ধানত, কিন্তু আমি গৈছো অতীতৰ অস্তমিত সূৰ্য্যৰ দেশলৈ। মকৰাৰ দৰে নিজৰ এঠাৰে তৈয়াৰী জালত আজি নিজেই আবদ্ধ। অসমীয়া ভাষা সংস্কৃতি চৰ্চা কৰা নিষ্ঠাবান পণ্ডিত, গৱেষক, উপন্যাসিক, চিন্তাবিদৰ স্থান আজি শূণ্য।

শিক্ষাৰ ক্ষেত্ৰতো এচাম স্বাৰ্থান্বেষী ৰাজনৈতিক নেতাৰ কবলত পৰি বৰ্তমান শিক্ষা ব্যৱস্থা পংগু হৈ পৰিছে। ইয়াৰ পৰা পৰিত্ৰাণৰ উপায় মাত্ৰ এটাই, সেয়া হৈছে ছাত্ৰ-ছাত্ৰীসকল একত্ৰিত হোৱা। আজিৰ ছাত্ৰ কাইলৈ দেশৰ ভৱিষ্যত। তেনেক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন পুথি অধ্যয়নৰ লগতে দেশখনকো অধ্যয়ন কৰিব লাগিব। আজিৰ সমাজত প্ৰকৃত ছাত্ৰ-ছাত্ৰী হব লাগিলে তেওঁলোকৰ দেহত থাকিব লাগিব সত্যবাদিতা, নম্ৰতা, বিনয়ী, সুচৰিত্ৰ, দায়িত্ব, কৰ্তব্যবোধ আৰু সমাজ সেৱাৰ মনোভাৱ। সেয়েহে এখন শিক্ষাৰ হৃদপিণ্ড স্বৰূপ মহাবিদ্যালয় ''মঙলদৈ মহাবিদ্যালয়''ৰ ছাত্ৰ একতা সভাৰ উপ সভাপতি হিচাপে মোৰ কাৰ্য্যকালত শিক্ষা জগতৰ সেৱক সকলৰ মই এজন সেৱক হিচাপে মান্যতা বিচাৰিছো।

মোৰ কাৰ্য্যকালত ছাত্ৰ একতা সভাৰ উপ সভাপতি হিচাপে মই প্ৰয়োজন সাপেক্ষে দুই এটা পৰামৰ্শ সমন্বয় ৰক্ষা আদিৰ বাহিৰে মোৰ দ্বায়িত্ব সীমিত। মই দ্বায়িত্বভাৰ লোৱাৰ পিছতে মহাবিদ্যালয় সপ্তাহ, ফাটেহা দোৱাজ দাহম, নবাগত আদৰণি সভা আৰু শংকৰদেৱৰ তিথি আদি ছাত্ৰ-ছাত্ৰীৰ সহযোগত উদ্‌যাপন কৰা হয়। শংকৰদেৱৰ তিথিৰ লগত সংগতি ৰাখি বৰগীত প্ৰতিযোগিতা আৰু বক্তৃতা প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিযোগিতাৰ মুকলি সভাত সভাপতিত্ব কৰে ড°হীৰেন গোস্বামী ছাৰে আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰিকা শ্ৰীবীনাপাণি ডেকাই নিৰ্দ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যে গুৰুজনাৰ আদৰ্শৰ বিষয়ে বক্তব্য দাঙি ধৰে।

আমাৰ কাম-কাজে ছাত্ৰ-ছাত্ৰীসকলক কি অৱিহনা যোগালে নাজানো। কিন্তু কৰ্মস্থলত মোক সহায় কৰিলে শ্ৰদ্ধাৰ বাইদেউ অৱসৰ প্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষা ড°অমিয়া দেৱী, বৰ্তমানৰ অধ্যক্ষ ড°গিৰিশ গোস্বামী ছাৰ, ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক মতিৰাম মেধি ছাৰ আৰু উপাধ্যক্ষ ড°হীৰেন গোস্বামী ছাৰে। এওঁলোকে আগবঢ়োৱা পৰামৰ্শ মোৰ বাবে হৈ ৰব চিৰস্মৰণীয়।

মঙ্গলদৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ছাত্ৰ-ছাত্ৰী (N.S.S.) ৰাষ্ট্ৰীয় শিক্ষা বাহিনী (N.C.C.) ছাত্ৰ আৰু ছাত্ৰী নিবাসৰ ছাত্ৰী সকলৰ সহায়ৰ অবিহনে আজি উপ সভাপতিৰ আসনৰ পৰা প্ৰতিবেদন লিখাটো সম্ভৱ নহ'লহেতেন। তথাপি কৌশিক, প্ৰৱীণ, মিতালী, উমেশ, গীতিকা, গীতা, মালবিকা, ভানু, দেইজী, নিৰঞ্জন, মৃনাল, নুৰ মহম্মদৰ কথা বিশেষভাৱে স্মৰণ নকৰি নোৱাৰিলো। দেশ আৰু মহাবিদ্যালয়ৰ হকে ত্যাগ স্বীকাৰ কৰি যোৱা ব্যক্তিসকলক মই এই প্ৰতিবেদনৰ জৰিয়তে শ্ৰদ্ধাৰে সুঁৱৰিছো।

জয়তু মঙলদৈ মহাবিদ্যালয়
জয় আই অসম



দ্বীপেন ডেকা
উপ সভাপতি
মঙলদৈ মহাবিদ্যালয়
১৯৯৯-২০০০

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



**শুভাৰম্ভত ঃ**

যাৰ দেহৰ কেঁচা তেজ আৰু ঘামৰ বিনিময়ত এই বিদ্যামন্দিৰখনি দৰং বাসীৰ বাবে ঠন ধৰি উঠিছিল, মই সেই সকল জ্ঞানলিপ্সু মহামানৱৰ প্ৰতি একাঁজলি শ্ৰদ্ধাৰ্ঘ্য যাচিছোঁ।

**কি লিখিম !**

সময়ৰ কথা দেশ তথা সমাজৰ, শিক্ষা সংস্কৃতিৰ নে মানৱীয় প্ৰমূল্যৰ কথা। যুগসন্ধিক্ষণত আজি জৰ্জৰিত হৈছে সময়, দেশ-জাতি, আৰ্থসামাজিক স্থিতি, মানৱীয় অনুভূতি আদি। জ্ঞানৰ উচ্চ শিখৰত আৰোহণ কৰা বুলি আমি যিমানেই নিচিঞঁৰো কিয়, অপাতত ক্ৰমশঃ আমাৰ সত্বা হেৰাই গৈছে আদিম বন্যতাত। ফোঁপোলা জ্ঞানৰ অহমিকাত প্ৰগতিশীলতাৰ কথা কৈছো। প্ৰগতিৰ পিছে পিছে অন্ধৰ হস্তী দৰ্শনৰ লেখিয়াকৈ দৌৰিছোঁ। কিন্তু আমি আমাৰ মানসিকতাক ঐকান্তিকতাক স্বেচ্ছাই আবদ্ধ কৰি থৈছোঁ ৰক্ষণশীলতাৰ দ্ৰয়িং ৰূমত। আজি আমি নিজে নগ্ন হৈ আনক নাঙঠ বুলি কোৱাৰহে প্ৰয়াস কৰিছোঁ।

সকলোৰে এবাৰ নিজকে প্ৰশ্ন কৰি চোৱাৰ সময় হ'ল। সভ্যতাৰ বিগত দিনবোৰত আমি কি পালো, নাপালো তাক হিচাপ কৰাৰ সময় সমাগত। সেই বুলিয়েই অতীত ৰোমন্থনতেই ব্যস্ত থাকিলে নহ'ব। অতীতক সোঁৱৰাৰ লগে লগেই ভৱিষ্যত প্ৰজন্মকো সমানে আদৰিব লাগিব। পুৰণি চামৰ ত্যাগ, শ্ৰমৰ প্ৰমূল্য আৰু নতুন চামৰ আশা উদ্দীপনাৰ সংমিশ্ৰণেৰে আমি প্ৰগতিৰ সোপান বচিব লাগিব। তেতিয়াহে সঁচা অৰ্থত আমি প্ৰগতিশীলতাৰ কথা কব পাৰিম স্বতঃস্ফূতঃ ভাৱে।

**কৰ্মৰ খতিয়ান ঃ**

১) আমি ইং ১৯৯৯-২০০০ বৰ্ষৰ নৱ নিৰ্বাচিত ছাত্ৰ একতা সভাই আনুষ্ঠানিক ভাৱে মহাবিদ্যালয়ৰ ওচৰত কাৰ্য্যভাৰ গ্ৰহণ কৰি শপত বাক্য পাঠ কৰো।

২) ৩১ জানুৱাৰীৰ পৰা ইং ২০০০ চনৰ ৪ ফেব্ৰুৱাৰীলৈ মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। উল্লেখ থাকে যে, পোন প্ৰথমবাৰৰ বাবে মোৰ কাৰ্য্যকালত বিশিষ্ট কবি মাননীয় নীলিম কুমাৰ দেৱৰ উপস্থিতিত আমাৰ মহাবিদ্যালয়ত সফলতাৰে এখনি কবি সন্মিলন অনুষ্ঠিত হয়।

৩) ইং ১১ চেপ্তেম্বৰত নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসমৰ ৰাজহ মন্ত্ৰী মাননীয় ড° জয়নাথ শৰ্মা। লগতে কৌতুক অভিনেতা হিৰণ্য ডেকাই কৌতুকৰ জৰিয়তে সকলোকে হাঁহিৰ খোৰাক যোগায়।

৪) নিত্য-নৈমত্তিক ভাৱে মহাবিদ্যালয়ত পালন কৰিবলগীয়া

উৎসৱ সৰস্বতী পূজা, ফাতেহা দোৱাজ দাহম আৰু শ্ৰীমন্ত শংকৰ দেৱৰ তিথি উদ্‌যাপন কৰা হয়।

৫) বহুদিন ধৰি অৱহেলিত হৈ থকা "শ্বহীদ বেদী" পুণৰ নিৰ্মাণ কৰা হয়।

৬) মহাবিদ্যালয়ৰ সন্মুখৰ ৰাষ্ট্ৰীয় ঘাই পথৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষাৰ্থে 'গতিৰোধক'ৰ ব্যৱস্থা কৰা হয়।

৭) ছাত্ৰ একতা সভাৰ সক্ৰিয়তা আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত নৱাগত সকলক ৰেগিঙৰ পৰা মুক্ত ৰাখিবলৈ সক্ষম হৈছিলো। আমি ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ বিভিন্ন সমস্যা সমাধানৰ হেতু কৰ্তৃপক্ষৰ ওচৰত দাবী জনাই আহিছিলো আৰু কাৰ্য্যতঃ সেয়া চাক্ষুক ৰূপে সকলোৰে জ্ঞাত।

শেহতীয়াভাৱে গুৱাহাটী বিশ্ব বিদ্যালয়ত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত যোগদান কৰি শ্ৰেষ্ঠ নাটক, শ্ৰেষ্ঠ পৰিচালক, দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী, শ্ৰেষ্ঠ সমৰ্থিত অভিনেতা, দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক, দ্বিতীয় শ্ৰেষ্ঠ বক্তা আৰু ব্যঙ্গ নাট প্ৰতিযোগিতাত দ্বিতীয় শ্ৰেষ্ঠ খ্যাতিৰে মঙ্গলদৈ মহাবিদ্যালয়লৈ কৃতিত্বৰ গৌৰৱ কঢ়িয়াই আনে।

**কৃতজ্ঞতা জ্ঞাপন ঃ**

মহাবিদ্যালয়ৰ সমূহ সচেতন ছাত্ৰ-ছাত্ৰীলৈ মোৰ কৃতজ্ঞতা থাকিল, যি সকলে মোক সাধাৰণ সম্পাদক পদত নিৰ্বাচিত কৰিলে। মোৰ কাৰ্য্যকালত বিভিন্ন দিহা পৰামৰ্শৰে আগবঢ়াই নিয়া শ্ৰদ্ধাৰ তত্বাবধায়ক মাননীয় মতিৰাম মেধি ছাৰ, প্ৰাক্তন অধ্যক্ষা ড° অমিয়া দেৱী বাইদেউ, বৰ্তমানৰ অধ্যক্ষ ড°গিৰিশ চন্দ্ৰ গোস্বামী, উপাধ্যক্ষ ড°হিৰেণ গোস্বামী, মানীয় বিচিত্ৰ কুমাৰ মেধি, মাননীয় শচীন চহৰীয়া, মাননীয় প্ৰমোদ শৰ্মা আৰু সমূহ কৰ্মচাৰী বৃন্দলৈ থাকিল মোৰ কৃতজ্ঞতা।

**পাহৰিব নোৱাৰিম ঃ**

কাৰ্য্যকালত সকলো সময়তে ছাঁৰ দৰে লাগি সহায় আগবঢ়োৱা প্ৰাক্তন সাধাৰণ সম্পাদক দিব্যজ্যোতি বড়া, উপ-সভাপতি দ্বীপেন ডেকা, সহঃ সম্পাদক হৰমোহন চহৰীয়া আৰু আলোচনী সম্পাদক অসীম শৰ্মাক। তাৰোপৰি মৃণাল, মতি, জীৱন, হীৰামনি, মিতালী, পঙ্কজ, জাহ্নৱী, দ্বীপেন, সত্য প্ৰসাদ, বিজু, মুকুন্দ, মুকুট, প্ৰেমদালৈ ৰ'ল মোৰ স্নেহসিক্ত সোঁৱৰণী।

**যৱণিকাত ঃ**

সময়ৰ হিচাপত একোটা ক্ষণত মোৰ এই কাৰ্য্যকালৰ সময় খিনি তেনেই নগণ্য। তথাপি ইতিহাসৰ পাতত প্ৰতিটো ঘটনা পৰিঘটনা খিনি সযত্নে সঞ্চিত কৰি যোৱাটোৱেই মানৱৰ ধৰ্ম। সঁচা অৰ্থত যদি আমি সকলো দিশত বিশেষকৈ সমাজিক আৰু শৈক্ষিক বাতাবৰণৰ এক সুস্থ-সৌৰ্হাদ্যপূৰ্ণ ৰূপ পাব বিচাৰো তেনেহলে আমি প্ৰতিজন নাগৰিকে সমানে দায়বদ্ধতা মূৰ পাতি লব লাগিব। বিশেষকৈ জ্ঞানৰ কঠিয়াতলীৰ বীজ সিঁচা শিক্ষক সকলে শিক্ষক সকলৰ, অভিভাৱকে অভিভাৱকৰ আৰু ছাত্ৰই দেশ আৰু সমাজৰ ভৱিষ্যত ছাত্ৰৰ লগতে লাগিব দেশৰ বৰমূৰীয়া সকলে বুৰ্জোৱা মানসিকতা ত্যাগ কৰি সৰ্বহাৰাৰ প্ৰতি, দেশৰ দহৰ প্ৰতি নিজৰ দায়বদ্ধতা পালন কৰিব লাগিব। তেতিয়াহে আমাৰ প্ৰগতিত সেন্দূৰীয়া আভা জিলিকি উঠিব।

॥ জয়তু মঙ্গলদৈ মহাবিদ্যালয় ॥

হিতেশ কুমাৰ ডেকা

সাধাৰণ সম্পাদক

১৯৯৯-২০০০ বৰ্ষ

# ২০০০ৰ এক বছৰেকীয়া স্বীকাৰোক্তি



দোকমোকালিতে,

অশিক্ষিত, অৰ্ধশিক্ষিত আৰু শিক্ষিত শ্ৰমজীৱি মানুহে হাবি-জংঘল ভাঙি কৃষি কৰ্মৰ বাবেই যে অকল উৰ্বৰ মাটি চহাইছিল, তেনে নহয়। বৰঞ্চ তেওঁলোকে নিজ নিজ মন মগজুবোৰো চহাইছিল যাৰ ফলত তেওঁলোকৰ মনত জাগ্ৰত হৈছিল এক বিদ্যাস্পৃহা, নতুন প্ৰজন্মক শিক্ষিত কৰি এখন নতুন সমাজ গঢ়াৰ প্ৰৱল বাসনা। তাৰেই ফলশ্ৰুতিত ঠায়ে ঠায়ে গঢ় লৈ উঠিল বিদ্যালয় আৰু উচ্চ শিক্ষাৰ বাবে মহাবিদ্যালয়। এয়া সম্ভৱ হ'ল তেওঁলোকৰ অদম্য হেঁপাহ আৰু সু-সংস্কৃত মনৰ অধিকাৰী হোৱা বাবেহে। তেনেকৈয়ে দৰং জিলাৰ উপহুপাবা গাৱৰ ভূত-যখিনীৰ বাসস্থান জয়াল শ্মশান স্থলীতেই কেইজনমান উৎসাহী আৰু নৱ সৃষ্টিৰ অদম্য হেঁপাহ থকা ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টাত জন্ম পালে উচ্চ শিক্ষাৰ এই জ্ঞান মন্দিৰ "মঙ্গলদৈ মহাবিদ্যালয়"। শামুকৰ খোলাত মাণিক থকাৰ দৰে এই অখ্যাত শ্মশানৰ মাজত জন্ম লোৱা মঙ্গলদৈ মহাবিদ্যালয়ে ক্ৰমে তাৰ শৈশৱ, কৈশোৰ, অতিক্ৰম কৰি ভৰি দিলেহি যৌৱনত। ডেকা-গাভৰুসকলক প্ৰজ্ঞাৰ জ্যোতিৰে দীপ্ত কৰি তুলিবলৈ যৌৱনোচ্চল মঙ্গলদৈ মহাবিদ্যালয় হ'ল সমগ্ৰ দৰং জিলাৰ শৈক্ষিক তথা বৌদ্ধিক জগতৰ প্ৰাণ কেন্দ্ৰ।

সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভনীতে মই তেওঁলোকলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত আৰু প্ৰয়াত সকলৰ আত্মাৰ চিৰশান্তিৰ বাবে কামনা কৰিছো, যি সকলৰ আপ্ৰাণ প্ৰচেষ্টা, অদম্য হেঁপাহ আৰু অকৃপণ ত্যাগৰ ফলত এই জ্ঞান মন্দিৰ প্ৰতিষ্ঠিত হ'ল আৰু যি সকলে এই মহান জ্ঞান মন্দিৰক অপৈনত অৱস্থাৰ পৰা আজিৰ এই গৌৰৱোজ্বল অৱস্থাত উপনীত কৰিলে, তেওঁলোকলৈয়ো থাকিল সশ্ৰদ্ধ প্ৰণাম।

**কাৰ্য্যকালত,**

মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শুভাকাঙ্খাত মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক নিৰ্বাচিত হ'লো। কাৰ্য্য ক্ষেত্ৰত মই কিদৰে আগবাঢ়িছো, যোগ্যতা দেখুৱাব পাৰিছোনে নাই তাৰ বিশ্লেষণ সময় আৰু শুভানুধ্যায়ী ছাত্ৰ-ছাত্ৰীৰ হাতত। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই অনুষ্ঠিত হয় মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহত আলোচনী বিভাগৰ দ্বাৰা থিতাতে লিখা কবিতা আৰু গল্প প্ৰতিযোগিতা, কবিতা আবৃত্তি আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কাৰ্য্যকালৰ শেষ সময়ত ডিচেম্বৰ মাহৰ ৯ তাৰিখে আলোচনী বিভাগৰ উদ্যোগত পোন প্ৰথমবাৰৰ বাবে এখনি কবি সন্মিলনৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ সৰহ সংখ্যক

ছাত্ৰ-ছাত্ৰীয়ে স্ব-ৰচিত কবিতা পাঠ কৰাৰ লগতে আমন্ত্ৰিত কবি সকলেও কবিতা পাঠ কৰি অনুষ্ঠানটিৰ সৌষ্ঠৱ বঢ়ায়। সেইদিনাই 'হাঁচতি' নামেৰে কবিতা পুথি এখনো কবি সন্মিলনৰ স্মৰণিকা ৰূপে প্ৰকাশ কৰা হয়।

**ব্যক্তিগত**

মহাবিদ্যালয় আলোচনী এখন সম্পাদনা কৰাটো বৰ কঠিন। তাতোকৈ কঠিন পূৰ্বৰ অভিজ্ঞতা নাথাকিলে। আমাৰো পূৰ্বৰ অভিজ্ঞতা নিচেই কম, এক কথাত অনভিজ্ঞ। তথাপি যত্ন কৰিছো পূৰ্ণাংগ ৰূপত এখন উন্নত মানৰ আলোচনী প্ৰকাশৰ বাবে। কিন্তু "হাতত নাই ধন, বৰসবাহলৈ মন" এনেহে লাগে। নিচেই তাকৰীয়া ধনেৰে উন্নত মানৰ এখন পূৰ্ণাংগ মহাবদ্যিালয় আলোচনী প্ৰকাশ কৰাটো কঠিনেই নহয়, এক প্ৰকাৰ অসম্ভৱো। বিশেষকৈ এই প্ৰতিযোগিতামূলক যুগত। আলোচনীৰ বাবে নিৰ্দ্ধাৰিত ধনৰ কথাটোত কলেজ কৰ্তৃপক্ষই অধিক মনোযোগ দিব বুলি আশা ৰাখিলো। দুখৰ বিষয় আমাৰ সু-গল্পকাৰৰ অভাৱ। কিছু পৰিমাণে অভাৱ কম কবিতা আৰু কিছু ক্ষেত্ৰত প্ৰবন্ধৰ।

**কৃতজ্ঞতা,**

কৃতজ্ঞতা মানুহে প্ৰকাশ কৰে, কিন্তু চিৰকৃতজ্ঞতা গোপনে থাকে। তথাপি নকৈ নোৱাৰি - - - । প্ৰথমে কৃতজ্ঞতা জ্ঞাপন কৰিছো মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ দ্বায়িত্বশীল বিবেকবান ছাত্ৰ-ছাত্ৰীক, যি সকলে মোক নিঃস্বাৰ্থভাৱে মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰ দৰে গধূৰ দায়িত্বৰ বাবে নিৰ্বাচিত কৰিলে। মোৰ কাৰ্য্যকালত বিভিন্ন দিহা-পৰামৰ্শৰে কাৰ্য্য ক্ষেত্ৰত আগবাঢ়িবলৈ উৎসাহ জগোৱা মোৰ শ্ৰদ্ধাৰ প্ৰাক্তন অধ্যক্ষা অমিয়া বাইদেউ, অধ্যক্ষ ড°গিৰিশ গোস্বামী ছাৰ, উপাধ্যক্ষ ড°হীৰেন গোস্বামী ছাৰ, তত্বাবধায়ক মাননীয় বিচিত্ৰ কুমাৰ মেধি ছাৰ, মতিৰাম মেধি ছাৰ, লিখনি সমূহ পৰীক্ষা কৰি দিয়াৰ বাবে ড°বিজয় শৰ্মা ছাৰ, বনানী চক্ৰৱৰ্ত্তী বাইদেউ, ডিম্বেশ্বৰ বৰুৱা ছাৰ, মনিমুগ্ধ বৰঠাকুৰ ছাৰৰ ওচৰত মই কৃতজ্ঞ। সম্পাদনা সমিতিৰ সকলোৱে দেহে কেহে খাটি সহায় কৰিছে। প্ৰৱীণ দা, মহাদেৱ দা, জীৱন দা, বন্ধুবৰ হিতেশ, দ্বীপেন, বাইদেউ ৰীপা, আৰতি , দেৱজিৎ, দিলীপ, প্ৰৱীণ, জুৱেল, ধন, বৰ্ণালী, মৃদুস্মিতা, গীতিকা, ভানু, মালা, দেইজী, ধিৰাজ, দিপু, মান্নান, অমিতাভ, অৰুণ, কিশোৰ, জ্যোতিষ, শিশিৰ, ভাগ্য, চণ্ডী, লিটন, মইনা, হীৰা, শশীন, ধনমনি, জ্যোতি, দুলাল, কল্প, কঙ্কন, বনী, চিত্ত, নৰেন, মৃত্যুঞ্জয়, মুনীন্দ্ৰ, শৰৎ, বিপুল, গনেশ, কৰুণ, মুকুট, সবিতা, পংকজ, মুন্না, চিন্ময়ী, ৰাজীৱ, অলিক, জেচমিন, শেৱালী, মিনতি, কৃষ্ণ, ভূবনেশ্বৰ, অৱনী, অপূৰ্ব, দিপাঙ্কৰ, নিপু, দ্বিপেন, নমিতা, ইন্দ্ৰ, জিণ্টু, জুলহাচ, মিলন তেওঁলোক সকলোৱে ধন্যবাদৰ পাত্ৰ। ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ সমূহ আবাসীলৈ এই সুযোগতে মোৰ ধন্যবাদ যাছিলোঁ। লগতে প্ৰিণ্ট'মেটিকচ্‌ৰ কৰ্মীবৃন্দলৈ শলাগৰ শৰাই আগবঢ়ালোঁ। কৃতজ্ঞতা থাকিল প্ৰণয় বৰদলৈদেৱলৈও। বহুখিনি ব্যস্ততাৰ মাজতো খুব কম সময়ৰ ভিতৰত প্ৰবন্ধ এটি যুগুতাই দিয়াৰ বাবে ড° পৰমানন্দ ৰাজবংশী দেৱৰ ওচৰত কৃতজ্ঞ। লগতে যি সকল লেখকৰ লিখনিৰে আলোচনীখন সমৃদ্ধ হ'ল, তেওঁলোকলৈও ধন্যবাদ জ্ঞাপন কৰিলো। বেতুপাটৰ শিল্পী নৱ চহৰীয়া আৰু ৰেখাঙ্কন শিল্পী গৌতম ঠাকুৰীয়াৰ লগতে গৌতম বৰুৱালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

**সামৰণিত ২০০০ৰ ক্ষমা প্ৰাৰ্থনাৰে**

মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হিচাপে মোৰ কৰণীয়খিনি কিদৰে কৰিলো, কৰিব পাৰিলোনে নাই কব নোৱাৰো। মোৰ অনভিজ্ঞতাৰ বাবে যদি কিবা ক্ৰটী বিচ্যুতি বৈ গৈছে তাৰ কাৰণে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

শেষত মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনীখনে অসমৰ ভিন্ন প্ৰান্তত এক সুকীয়া স্থান লাভ কৰক, আলোচনীৰ উন্নত লিখনিয়ে ভৱিষ্যতৰ সাহিত্য জগতলৈ সুযোগ্য সাহিত্যিকৰ জন্ম দিয়ক, তাৰেই শুভ কামনাৰে-



অসীম শৰ্মা
সম্পাদক ,আলোচনী
মঙ্গলদৈ মহাবিদ্যালয়

# সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



সাহিত্য যদি এটা জাতিৰ দাপোন হয় তেনেহ'লে এটা জাতি বা এখন সমাজৰ বাবে সাহিত্যৰ প্ৰয়োজনীয়তা কিমান তাক উনুকিওৱাৰ প্ৰয়োজন নিশ্চয় নতুনকৈ নাই। জাতিৰ স্বকীয়তা, মানদণ্ড, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক ৰীতি-নীতি আদি যদি প্ৰতিফলিত হয় সাহিত্যৰ জৰিয়তে তেনেহ'লে সাহিত্য সৃষ্টি কৰিবলৈ যাওতে প্ৰতিজন সৃষ্টিশীল ব্যক্তিয়ে গুৰুত্ব সহকাৰে কলম হাতত লৈ এক সুস্থ তথা সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ হকে সৃষ্টি কৰ্মত ৰত হৈ ভৱিষ্যতৰ দিশত সুবাটে পৰিচালিত হোৱাত সহায় কৰাটো উচিত।

মঙলদৈ মহাবিদ্যালয়ৰ সাহিত্য বিভাগৰ গুৰুত্ব কিমান ই নিশ্চয় ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱক তথা সচেতন ৰাইজৰেই জ্ঞাত। মহাবিদ্যালয়খনৰ আভ্যন্তৰিন প্ৰতিটো সুবিধা অসুবিধাৰেই বাহ্যিক প্ৰতিফলন ঘটিব পাৰে সাহিত্য বিভাগৰ দ্বাৰা। গতিকে এনে এটা বিভাগৰ দ্বায়িত্ব লোৱাৰ ক্ষেত্ৰত যি সকলে মোক উৎসাহ উদ্দীপনা আগবঢ়ালে বিগত বছৰটোত তেখেত সকলৰ ওচৰত মই মোৰ ধন্যবাদৰ শৰাই আগবঢ়োৱাৰ লগতে কৃতজ্ঞতাৰ নিৰ্লোভ স্বীকাৰোক্তি যাঁছিলো। আমাৰ মহাবিদ্যালয় সাহিত্য বিভাগৰ আৰ্থিক অৱস্থা তেনেই পুতৌজনক। বিশেষকৈ এনেকুৱা গ্ৰাম্য অৰ্থনীতিক ভেটি কৰি গঢ়ি উঠা পুঁজি তেনেকুৱা হোৱাটোৱেই স্বাভাৱিক। অভাৱ অভিযোগৰ মাজতো মোৰ কাৰ্য্যকালত কৰ্ত্তব্য সমূহ পালন কৰাৰ ক্ষেত্ৰত সদায় কষ্ট কৰিয়েই আহিছো। বিশেষকৈ

সাহিত্য বিভাগৰ উদ্যোগত প্ৰকাশ কৰা হৈছে প্ৰাচীৰ পত্ৰিকা, প্ৰেৰণা, মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা হৈছে বিভিন্ন প্ৰতিযোগিতা সমূহ।

সদৌ শেষত সবাৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছোঁ যদি অজ্ঞাতভাৱে কেতিয়াবা কিবা ভুল কৰিছো তাৰ বাবে আৰু মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ সেই সকলৰ ওচৰত যি সকলৰ অৰ্থবহ মৃত্যুৱে আদৰ্শ হৈ ৰ'ল জাতিৰ বাবে।

জয়তু মঙলদৈ মহাবিদ্যালয়

ধন্যবাদেৰে
পংকজ বড়া
সম্পাদক, সাহিত্য বিভাগ

নবাগত আদৰণী সভা উপলক্ষে ০৯/০৯/২০০০ তাৰিখে এটি পূৰ্ণদিনীয়া শিবিৰ মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহযোগত অনুষ্ঠিত কৰা হৈছিল।

শেষত মোৰ কাৰ্য্যকালত প্ৰতিটো পদক্ষেপতে সু-পৰামৰ্শ আগবঢ়োৱা তত্বাবধায়ক ছাৰ শ্ৰীডিম্বেশ্বৰ কলিতা দেৱলৈ লগতে ভাঃ অধ্যক্ষা ড°অমিয়া দেৱী বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাছিলোঁ।

সামৰণিত মোৰ কাৰ্য্যকালৰ ভিতৰত কৰা অনিচ্ছাকৃত ভূলৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

ধন্যবাদেৰে
পংকজ চমুৱা
সম্পাদক, সমাজ সেৱা বিভাগ
মঙলদৈ মহাবিদ্যালয়

# সমাজসেৱা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে যি সকল ছাত্ৰ-ছাত্ৰীৰ মৰম উৎসাহ প্ৰেৰণা আৰু বহুমূলীয়া ভোটেৰে ছাত্ৰ একতাসভাৰ সমাজ সেৱা বিভাগৰ সম্পাদকৰ দৰে দায়িত্বপূৰ্ণ পদত কাৰ্য্যনিৰ্বাহ কৰাৰ সৌভাগ্য লাভ কৰিলোঁ সেই সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

'সমাজ সেৱা' বুলি কওঁতে আমি নিস্বাৰ্থভাৱে সমাজ সেৱা আগবঢ়োৱাকে বুজোঁ। কিন্তু আজিৰ তাৰিখত নিস্বাৰ্থভাৱে সমাজৰ সেৱা আগবঢ়োৱা ব্যক্তিৰ সংখ্যা এপাচি শাকত এটা জলকীয়াৰ দৰে। বৰ্তমান সময়ত পাঠ্যপুথিৰ শিক্ষাই যথেষ্ট নহয়। ইয়াৰ লগতে লাগিব আমাক কৰ্ম সংস্কৃতি। জাতি এটাৰ উন্নতিৰ মাপকাঠি হ'ল কৰ্ম সংস্কৃতি সমাজ সেৱা বিষয়টি জড়িত হৈ আছে কৰ্ম সংস্কৃতিৰ লগত। স্কুল-কলেজৰ পৰ্য্যায়ৰ পৰাই আমি ছাত্ৰ-ছাত্ৰীসকলে নিজকে সমাজ সেৱাৰ লগত জড়িত কৰিব পাৰো। স্বামী বিবেকানন্দ, নবীন চন্দ্ৰ বৰদলৈ, মাদাৰ টেৰেছা আদিৰ দৰে মনীষি সকলৰ আদৰ্শ শিৰোগত কৰি আমি সমাজখন সৰ্বাংগসুন্দৰ কৰি তুলিবলৈ ছাত্ৰ কালৰ পৰাই প্ৰয়াস কৰা উচিত।

যোৱা ২০০০ চনৰ ৩১ জানুৱাৰীৰ পৰা ছাত্ৰ একতা সভাই মহাবিদ্যালয় সপ্তাহ পালন কৰে। মই মোৰ বিভাগৰ পৰা ৩০ জানুৱাৰী তাৰিখে বহু সংখ্যক ছাত্ৰ-ছাত্ৰীৰ সহযোগত মহাবিদ্যালয় চৌহদ পৰিস্কাৰ কৰি শ্বহীদ বেদী আৰু গছবোৰত ৰং দিয়াই মহাবিদ্যালয়খনিক সৰ্বাংগসুন্দৰ কৰিবলৈ যত্ন কৰিছিলোঁ। মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনা অনুষ্ঠিত সমাজ সেৱা প্ৰতিযোগিতাত প্ৰায় ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে।

মোৰ কাৰ্য্যকালৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ নামত আৱণ্টিত কেৰাচিন তেলখিনি উপাযুক্ত মহোদয়ে কৰ্ত্তন কৰি দিয়াত বিশেষ তৎপৰতাৰে ছাত্ৰ-ছাত্ৰীৰ মাজত কেৰাচিন তেল যোগান পুণৰ নিয়মীয়া কৰা হৈছিল।

# সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



' সংগীতৰ কোনো ধৰ্ম নথকাৰ হেতুকেই ই চিৰকাল ৰাইজৰ মাজত জীয়াই থাকিব। সংস্কৃতি হ'ল এক ধৰ্মপৰিচয়হীন ধাৰণা। সংগীত সংস্কৃতিৰ লগত একাকাৰ ভাৱে সাঙোৰ খাই আছে। ফুল যিদৰে সদায় থাকিব একেদৰে সংগীতো মানুহৰ মাজত সদায় চিৰ প্ৰৱাহিত হৈ থাকিব।' এই মন্তব্য বিশ্ব বিশ্ৰুত সংগীতজ্ঞ ওস্তাদ আমজাদ আলি খানৰ।

সুন্দৰেই সংস্কৃতি। সংস্কৃতি জাতিৰ মেৰুদণ্ড স্বৰূপ। দেশৰ চুকে কোণে থকা বিভিন্ন গীত-মাত, নৃত্য-ভাওঁনা আদিৰ ঐতিহ্য ৰক্ষা কৰি তাক বহিঃ জগতত বিতৰণ কৰি দেশ বা জাতিক সমৃদ্ধ কৰাই সংস্কৃতিৰ লক্ষ্য। আমি মঙলদৈ মহাবিদ্যালয়ত অধ্যয়নৰত হাজাৰ বিজাৰ শিক্ষাৰ্থী সংস্কৃতিৰে মহিমামণ্ডিত দৰঙৰ চুক কোণৰ পৰা অহা। আমি দৰঙীয়া সংস্কৃতিৰ সম্ভাৰ চাৰিওফালৰ পৰা সংগ্ৰহ কৰি আমাৰ মহাবিদ্যালয়ৰ মাজত দাঙি ধৰিব পাৰিলে ই ৰাজ্যৰ চাৰিওফালে প্ৰসাৰিত হ'ব। তেনেলক্ষ্য আমাৰ হোৱা উচিত।

সংগীত বা সংস্কৃতিৰ ওপৰত দখল নথকা স্বত্বেও মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী সকলে মোক ১৯৯৯-২০০০ বৰ্ষৰ বাবে এই বিভাগৰ সম্পাদকৰ লেখিয়া গুৰু দায়িত্ব দিয়াত এই লক্ষ্য যৎ সামান্য হলেও ৰক্ষা কৰিবলৈ পাই নিজকে ধন্য মানিছো। সেয়ে মহাবিদ্যালয় সপ্তাহ উপলক্ষে যোৱা ৩১/০১/২০০০ তাৰিখৰ পৰা ০৪/০২/২০০০ তাৰিখলৈ ৫ দিন ধৰি চলা উৎসৱত এই বিভাগৰো শিল্পী সকলৰ পাৰদৰ্শিতা দেখুৱাত সাফল্য লাভ কৰিব পাৰিছে। এই বিষয়ত অংশ লোৱা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা প্ৰদৰ্শন অতি আদৰণীয় হৈ পৰিছে। সেয়ে অংশ গ্ৰহণকাৰী সকললৈ মই মোৰ হিয়া ভৰা সম্ভাষণ জ্ঞাপন কৰিছো। আমি আশা কৰিছোঁ ভৱিষ্যতেও এই মঞ্চই হওঁক দৰঙৰ আপুৰুগীয়া সংস্কৃতিৰ প্ৰচাৰৰ মাধ্যম।

একেদৰেই অতি গৌৰৱেৰে ঘোষণা কৰিবলৈ পাই নথৈ সুখী হৈছো, যোৱা ৩১/০১/২০০১ তাৰিখৰ পৰা ০৪/০২/২০০১ তাৰিখলৈ গুৱাহাটী বিশ্ব বিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰা আমাৰ বিদ্যালয়ৰ সংগীত আৰু সাংস্কৃতিক বিভাগৰ শিল্পীসকলে ৬টাকৈ সোণৰ পদক আৰু ৬টা ৰূপৰ পদক লাভ কৰি অন্যতম শ্ৰেষ্ঠদল বুলি চিনাকি দিব পাৰিছে। বিগত দিনবোৰতকৈ এই বৰ্ষৰ দলে আমাৰ মহাবিদ্যালয়ৰ পৰা শ্ৰেষ্ঠতৰ আসন লাভ কৰিছে। ভৱিষ্যতলৈও এনে ক্ৰমবৰ্দ্ধমান প্ৰগতিৰ আশা ৰাখিছোঁ।

কিন্তু অতি পৰিতাপৰ কথা, এনেহেন এটি গুৰুত্বপূৰ্ণ বিভাগৰ বাবে আৱশ্যক হোৱা সা-সুবিধা আজিলৈও এইখন মহাবিদ্যালয়ত হোৱা নাই। আৱশ্যকীয় সা-সঁজুলি যোগান সহ সংগীত সংস্কৃতি চৰ্চাৰ পৰিৱেশ যাতে ভৱিষ্যতলৈ মহাবিদ্যালয়ত সুস্থ হয় তালৈ মহাবিদ্যালয় কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলো।

এই বিভাগৰ বিভিন্ন দিশ পৰিচালনাত সততে মোক পৰামৰ্শ দি উৎসাহিত কৰা মহাবিদ্যালয়ৰ সংগীত আৰু সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপিকা মাননীয়া শ্ৰীমঞ্জু কলিতা বাইদেউলৈ মোৰ হিয়া ভৰা শ্ৰদ্ধা নিবেদন কৰিছোঁ আৰু অন্যান্য বন্ধু-বান্ধৱীৰ লগতে সকলো সময়তে মোৰ সোঁহাত স্বৰূপে থাকি সহযোগিতা আগবঢ়োৱা এই বিভাগৰ সহকাৰী সম্পাদিকা শ্ৰীগীতাৰাণী ডেকালৈ শলাগ যাছিলোঁ।

সদৌ শেষত বিগত কালচোৱাত অজানিত ভাৱে কৰা ভূল ভ্ৰান্তিৰ ক্ষমা বিচাৰি গীতাৰ ভাষাৰেই

শুক্লা বৰং ধৰত্ বিষ্ণুং শশী বৰ্ণং চতুৰ্ভুজম্ ।<br>
প্ৰসন্ন বদনং ধায়েৎ সৰ্ব্ব বিঘ্নোপশুয়ে ॥<br>
জয়তু মঙলদৈ মহাবিদ্যালয়

সেৱাৰে<br>
উপেন্দ্ৰজিৎ কলিতা<br>
সম্পাদক, সংগীত আৰু সাংস্কৃতিক বিভাগ<br>
মঙলদৈ মহাবিদ্যালয়

# খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে এটা জাতিক জীয়াই ৰখাৰ সংগ্ৰামত যিসকল অসমীৰ বীৰ সন্তানে নিজ কলিজাৰ কেঁচা তেজেৰে ইতিহাস লিখিলে সেই সকল বীৰ শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলী নিবেদিছোঁ।

অসমৰ ঐতিহ্য ম ণ্ডিত শিক্ষাৰ প্ৰাণ কেন্দ্ৰ দৰঙৰ "মঙলদৈ মহাবিদ্যালয়"ৰ ১৯৯৯-২০০০ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হওঁ। যি সকল সদাশয় ছাত্ৰ বন্ধু সতীৰ্থৰ সহযোগিতাৰে খেল সম্পাদক নিৰ্বাচিত হলো, তেওঁলোকলৈ এই চেগতে মোৰ শ্ৰদ্ধাসিক্ত ধন্যবাদ জনাইছোঁ। এনে এটি মহান দায়িত্ব লৈ কাৰ্য্যক্ষেত্ৰত কি কৰিলো সেয়া বিচাৰৰ ভাৰ আপোনালোকৰ হাতত।

বৰ্তমান সময়ত খেল অকল অৱসৰ বিনোদনৰ আহিলাই হৈ থকা নাই। ই শিক্ষা দানৰ এটি পদ্ধতি হিচাপে ইতিমধ্যে স্বীকৃত হৈছে। খেলাই মানুহৰ স্বতঃস্ফূততা সক্ৰিয়তা প্ৰকাশ কৰে। খেলৰ শিক্ষাৰ ক্ষেত্ৰত থকা অৱদানৰ ফালৰ পৰা চালে বিদ্যালয়ৰ লগত খেল পথাৰক অনানুষ্ঠানিক কেন্দ্ৰ হিচাপে তুলনা কৰিব পাৰি।

এইখিনিতে মোৰ কাৰ্য্যকালৰ এটি আভাষ দাঙি ধৰিছো।

মহাবিদ্যালয় সপ্তাহ ঃ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই ৩১ জানুৱাৰীৰ পৰা ৪ ফেব্ৰুৱাৰী ২০০০ লৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ ক্ৰীড়ানুষ্ঠানীৰ কাৰ্য্যসূচী, খেল পথাৰ উদ্বোধন কৰে খেল বিভাগৰ ভাৰ প্ৰাপ্ত অধ্যাপক শ্ৰীশচীন চহৰীয়াই। ক্ৰীড়ানুষ্ঠানীৰ প্ৰাক মুহূৰ্ত্তত অলিম্পিক শিখা প্ৰজ্বলন কৰে মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন সাধাৰণ সম্পাদক শ্ৰীগণেশ দত্তই। তেওঁৰ লগত শিখা কঢ়িয়াই আনে আন্তঃমঙ্গলদৈ ছাত্ৰ সন্থাৰ কাৰ্য্য নিৰ্বাহক শ্ৰীহিৰণ্য কুমাৰ শৰ্মা আৰু মঙ্গলদৈ মহাবিদ্যালয়ৰ চাৰু কলা বিভাগৰ সম্পাদক শ্ৰীশশাংক শেখৰ ভৰদ্বাজে।

এই খিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে মঙ্গলদৈ মহাবিদ্যালয়ত ক্ৰীড়াৰ ক্ষেত্ৰত যি চিন্তা চৰ্চাই গা কৰি উঠিব লাগিছিল সেয়া প্ৰয়োজন মতে পৰিলক্ষিত হোৱা নাই। মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতা সমূহত সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি আৰু অংশগ্ৰহণ মন কৰিবলগীয়া আছিল। ল'ৰাৰ শাখাত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে শ্ৰীচিৰঞ্জীৱ হাজৰিকাই। ছোৱালীৰ শাখাত শ্ৰেষ্ঠ খেলুৱৈৰ স্থান পায় শ্ৰীপূৰৱী কলিতাই।

মাৰাথান ঃ মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি মাৰাথান দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ছিপাঝাৰ মহাবিদ্যালয়ৰ পৰা মঙ্গলদৈ মহাবিদ্যালয়লৈ নিৰ্ধাৰিত কৰি দিয়া দূৰত্বত প্ৰথম স্থান অধিকাৰ কৰে শ্ৰীতপন ৰাজবংশীয়ে।

ভলীবল ঃ ভলীবল প্ৰতিযোগিতাৰ ল'ৰা শাখাত "এন. চি. চি." দলটো চূড়ান্ত বিজয়ী ঘোষণা কৰা হয়।

আন্তঃশ্ৰেণী ফুটবল প্ৰতিযোগিতা ঃ মঙ্গলদৈ মহাবিদ্যালয়ত প্ৰতিবছৰে অনুষ্ঠিত হোৱা আন্তঃশ্ৰেণী ফুটবল প্ৰতিযোগিতা খনি এইবাৰো অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাৰ চূড়ান্ত খেলত অৱত্তীৰ্ণ হয় উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক আৰু স্নাতক প্ৰথম বাৰ্ষিক। চূড়ান্ত বিজয়ী ঘোষণা কৰা হয় স্নাতক প্ৰথম বাৰ্ষিক দলটো।

আন্তঃমহাবিদ্যালয় ভলী প্ৰতিযোগিতাত অংশগ্ৰহণ আৰু চূড়ান্ত বিজয়ী দল হিচাপে ঘোষণা ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ "আইন বিভাগে" কৃষ্ণকান্ত সন্দিকৈ সোঁৱৰণীত আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত কৰে। আমাৰ মহাবিদ্যালয়ৰ পৰাও উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। সৌভাগ্য আমাৰ দলটি মঙ্গলদৈ মহাবিদ্যালয়ে দৰং জিলালৈ কঢ়িয়াই আনিলে চূড়ান্ত বিজয়ীৰ সন্মান। দলটিৰ সফলতাত বিশেষ ভাৱে অৰিহণা আগবঢ়াই প্ৰশিক্ষক শ্ৰদ্ধাৰ শ্ৰীহৰিমন ডেকা আৰু পৰিচালক, সহ পৰিচালক ক্ৰমে শ্ৰদ্ধাৰ শ্ৰীশচীন চহৰীয়া আৰু শ্ৰীহিৰণ্য কুমাৰ শৰ্মাই। দলটিৰ অধিনায়ক

আছিল সুনিপুন খেলুৱৈ শ্ৰীপল্লৱ প্ৰাণ শাণ্ডিল্য।

মোৰ কাৰ্য্যকালতেই মঙ্গলদৈ মহাবিদ্যালয়ত এখনি ভলীবল কৰ্ট, এটা ড্ৰেচিং ৰুমৰ অভাৱ সদায়ে অনুভৱ কৰিছিলো। এই সমস্যাৰ বিষয়ে কৰ্তৃপক্ষক অৱগত কৰি সমাধানৰ বাবে হেচা দিছিলো।

কৃতজ্ঞতা জ্ঞাপন ঃ মই শ্ৰদ্ধাৰে সদায়ে মনত ৰাখিম মোৰ শিক্ষাগুৰু শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, মোৰ পৰামৰ্শ আৰু কৰ্মপ্ৰেৰণাৰ দাতা শ্ৰীশচীন চহৰীয়া, শ্ৰীহৰিমন ডেকা, শ্ৰীবিচিত্ৰ কুমাৰ মেধি, শ্ৰীমতিৰাম মেধি ছাৰক। সদৌ অসম ছাত্ৰ সন্থাৰ সহ সাধাৰণ সম্পাদক শ্ৰীদিগন্ত মনি বড়া, পশ্চিম মঙ্গলদৈ ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীকামাখ্যা প্ৰসাদ শৰ্মাৰ লগতে সদৌ দৰং জিলা আছু গোটৰ সাধাৰণ সম্পাদক শ্ৰীজয়কান্ত শৰ্মা আৰু মঙ্গলদৈ মহাবিদ্যালয়ৰে ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক শ্ৰীদিব্যজ্যোতি বড়াৰ সহায়ৰ কথা জীৱনত নাপাহৰো। তেখেত সকলক আন্তৰিক ধন্যবাদ জনাইছো। মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, ছাত্ৰ-ছাত্ৰীলৈ মোৰ ধন্যবাদ জনাইছোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত হোৱা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি মঙ্গলদৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়
জয় আই অসম
শ্ৰদ্ধাৰে



**নৱজ্যোতি শৰ্মা**
সম্পাদক, খেল বিভাগ

# তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



সৰ্বত্ৰতে হত্যা, লুণ্ঠন, হিংসা, সন্ত্ৰাস আদি এশ এবুৰি সমস্যাৰে বিশৃংখল তথা অশান্তিকৰ পৰিস্থিতিৰ মাজত অসমৰ জাতীয় জীৱন আজি বিপদগ্ৰস্ত। ব্যাপকভাৱে স্খলিত তথা অৱনমিত হৈছে অসমৰ শৈক্ষিক পৰিবেশ।এইবোৰৰ মাজতে 'সোণৰ অসম' গঢ়াৰ সংকল্প লৈ আগবাঢ়িব লগা হৈছে ছাত্ৰ সমাজ। এনে এক সন্ধিক্ষণতে ঐতিহ্য মণ্ডিত মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদকৰ দায়িত্ব বহনৰ লগতে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলক নেতৃত্ব দিয়াৰ সুযোগ পোৱাৰ বাবে নিজকে সৌভাগ্যবান অনুভৱ কৰিছো।

ছাত্ৰ-ছাত্ৰীৰ মানসিক, আধ্যাত্মিক তথা বৌদ্ধিক বিকাশ তথা উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত তৰ্ক, বক্তৃতা, কুইজ আদিৰ প্ৰয়োজনীয়তা অপৰিসীম। তদুপৰি প্ৰতিটো কথাৰে যুক্তিবাদী চিন্তা চৰ্চাই সমাজক শুদ্ধ পথৰ সন্ধান দিয়াৰ লগতে সমাজখন সুশৃংখল কৰিব পাৰে। আৱেগবিহীন তৰ্ক, বক্তৃতাই ছাত্ৰ-ছাত্ৰীক নিৰ্ভীক আৰু সত্যৰ মুখামুখি হবলৈ সদায়েই অনুপ্ৰেৰণা যোগায়।

এই বিভাগৰ সম্পাদক হিচাপে প্ৰথম কাৰ্যসূচী ৰূপে 'মহাবিদ্যালয় সপ্তাহ'ত তৰ্ক, বক্তৃতা, আকস্মিক বক্তৃতা, কুইজপ্ৰতিযোগিতা অনুষ্ঠিত কৰিলো। মহাবিদ্যালয় সপ্তাহত তৰ্ক আৰু বক্তৃতা বিভাগৰ উদ্যোগত পোন প্ৰথম বাৰৰ বাবে অনুষ্ঠিত কৰিলো 'সাধাৰণ জ্ঞান আৰু মানসিক সক্ষমতা'ৰ পৰীক্ষা। প্ৰতিটো প্ৰতিযোগিতাত যথেষ্ট সংখ্যক প্ৰতিযোগীৰ অংশগ্ৰহণে প্ৰতিটো কাৰ্য্যসূচী সফল হোৱাত সহায় কৰে।

অংশগ্ৰহণ ঃ ১৯ আৰু ২০ ফেব্ৰুৱাৰী, ২০০০ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয় আইন মহাবিদ্যালয়ত অনুষ্ঠিত কৃষ্ণ কান্ত সোঁৱৰণী উত্তৰ পূৰ্বাঞ্চল শৈক্ষিক প্ৰতিভা প্ৰতিযোগিতাৰ কুইজ আৰু তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ। ১১মাৰ্চ, ২০০০ তাৰিখে সেনা বাহিনীৰ উদ্যোগত স্থানীয় নাট্য মন্দিৰত অনুষ্ঠিত 'অসমত নাৰী আৰু শিশুৰ ওপৰত সন্ত্ৰাসবাদৰ প্ৰভাৱ' শীৰ্ষক আলোচনা চক্ৰত সেনাবাহিনীৰ আমন্ত্ৰনত ১১ জনীয়া এটি দলৰ অংশগ্ৰহণ। ২৭ আগষ্ট, ২০০০ ত কটন কলেজত অনুষ্ঠিত পৰাগ দাস সোঁৱৰণী সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ।

সাফল্য ঃ ২৯ চেপ্তেম্বৰ, ২০০০ ত যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত ১৯তম কৃষ্ণ চন্দ্ৰ কাকতি সোঁৱৰণী সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ পৰা কৰবী শৰ্মা আৰু শ্বাহনাৱাজ আহমেদে অংশগ্ৰহণ কৰি শ্ৰেষ্ঠ তাৰ্কিক দলৰ সন্মান কঢ়িয়াই আনে। সংস্কৃত দিৱস উপলক্ষে দৰং জিলা ভিত্তিত অনুষ্ঠিত তৰ্ক আৰু কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি মহাবিদ্যালয়ৰ দলটিয়ে শ্ৰেষ্ঠ স্থান অধিকাৰ কৰে। স্বাধীনতা দিৱস উপলক্ষে দৰং জিলা প্ৰশাসনে জিলা ভিত্তিত অনুষ্ঠিত কৰা বক্তৃতা আৰু কুইজ প্ৰতিযোগিতাত কেবাগৰাকী প্ৰতিযোগিক অংশ গ্ৰহণ কৰোৱাওঁ। উক্ত প্ৰতিযোগিতাৰ বক্তৃতা প্ৰতিযোগিতাত প্ৰথম আৰু দ্বিতীয় স্থানৰ লগতে কুইজপ্ৰতিযোগিতাতো শ্ৰেষ্ঠ স্থান দখল কৰে মহাবিদ্যালয়ৰ প্ৰতিযোগিয়ে।

আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰ্য্যসূচী আছিল ২০ চেপ্তেম্বৰ, ২০০০ ত অনুষ্ঠিত কৰা "শ্বহীদ সোঁৱৰণী সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা"। ১৯৮৯ চনৰ পৰা অনুষ্ঠিত কৰি অহা এই প্ৰতিযোগিতাত প্ৰতিবছৰেই খুব সীমিত সংখ্যক মহাবিদ্যালয়ে অংশগ্ৰহণ কৰাটো আছিল এটা বৈশিষ্ট্য। এইবেলি যথেষ্ট চেষ্টা আৰু কষ্টৰ অন্তত সৰ্বমুঠ ১৮খন মহাবিদ্যালয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। প্ৰতিযোগিতা খনিত নতুনত্ব হিচাপে এইবেলি ৺বিদ্যুৎ প্ৰভা দাস সোঁৱৰণী শ্ৰেষ্ঠ তাৰ্কিক দলৰ বঁটা, ষ্টেট বেংকৰ সৌজন্যত শ্ৰেষ্ঠ তাৰ্কিকৰ বঁটা আৰু দুটা উদ্গনিমূলক বঁটা অন্তৰ্ভূক্ত কৰোৱাওঁ।

উক্ত প্ৰতিযোগিতাৰ তৰ্কৰ বিষয় আছিল 'দেশৰ সৰ্বাঙ্গীন বিকাশৰ বাবে ৰাজ্যসমূহে পূৰ্ণ স্বায়ত্ব শাসন পোৱা উচিত'। ড°নগেন্দ্ৰ নাথ শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত এই প্ৰতিযোগিতা খনিত বিচাৰকৰ আসনত আছিল ডাঃমৃন্ময় নাথ, মিৰ্জা গিয়াচ আৰু অমিয় দত্ত।

সামৰণিত ঃ মোৰ কাৰ্য্যকালত দিহা-পৰামৰ্শৰে প্ৰতিটো কাৰ্য্যসূচী সফল হোৱাত সহায় কৰা বাবে বিভাগীয় তত্বাবধায়িকা বনানি চক্ৰৱৰ্ত্তী, অধ্যক্ষা ড°অমিয়া দেৱী আৰু বৰ্তমানৰ অধ্যক্ষ ড°গিৰিশ চন্দ্ৰ গোস্বামীদেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। কৰ্ম ক্ষেত্ৰত বিভিন্ন প্ৰকাৰে সহায় সহযোগ আগবঢ়োৱাৰ বাবে মোৰ সতীৰ্থ তথা সমূহ

ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপনৰ লগতে শুভেচ্ছা যাছিলোঁ।

মঙ্গলদৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনাৰে -

শ্বাহনাৱাজ আহমেদ
সম্পাদক, তৰ্ক আৰু বক্তৃতা বিভাগ

# ব্যায়ামশালা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

কেৱল শাৰিৰীক আৰু মানসিক বিকাশৰ বাবেই নহয় ; খেল ধেমালিয়ে এতিয়া বিশ্বভাতৃত্বৰ ভেটিটোক সবল কৰি তোলাত যে অবিহণা যোগাইছে তাত সন্দেহ নাই। সৌ তাহানিৰ অলিম্পাচ পৰ্বতত খেলোৱা খেলে (য'ত বিদায়ী জনক জলফাইৰ পাতৰ মালাৰে সুশোভিত কৰা হৈছিল) বিকাশ লাভ কৰি এতিয়া এক আন্তৰ্জাতিক ক্ৰীয়া মহোৎসৱত পৰিণত হৈছে। লগে লগে সুচল হৈছে হৃদয়ৰ কথা পৰস্পৰে পৰস্পৰৰ মাজত বিনিময় কৰাত। খেল ধেমালিয়ে যদি এখন দেশৰ খেলুৱৈ এগৰাকীক অইন এখন দেশৰ খেলুৱৈ এগৰাকীৰ হৃদয়ৰ কাষ চপাই নিব পাৰে, তাতোকৈ সুন্দৰ কথা আৰু কি হব পাৰে ?

স-স্বাস্থ্যৰ বাবে শৰীৰ চৰ্চা খুবেই আৱশ্যক। আজিৰ সমাজ ব্যৱস্থাত অধ্যয়নৰ লগতে শৰীৰ চৰ্চা ওতপ্ৰোত ভাবে জড়িত। কাৰণ ই শাৰিৰীক দিশৰ লগতে মানসিক দিশৰো উৎকৰ্ষ সাধন কৰে। দুখৰ বিষয় যে সোণালী জয়ন্তী বৰ্ষ গৰকা আমাৰ উক্ত বিভাগটো বহুতো সমস্যাৰে জৰ্জৰিত। মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ত উক্ত বিভাগটো উন্নতিৰ বাবে কৰ্তৃপক্ষৰ ওচৰত বহুবাৰ আবেদন নিবেদন কৰিছিলো আৰু আশ্বাসো দিছিল। বিশেষকৈ এটা Gymnasiam Hall ৰ প্ৰয়োজন বোধ কৰি।

মোৰ কাৰ্য্যকালত মহাবিদ্যালয় সপ্তাহত এই বিভাগৰ ভাৰোত্তোলন, দেহশ্ৰী, পাঞ্জা, স্কীপিং, সাঁতোৰ, যোগাসন আদি উচ্চমানদণ্ডৰ হৈছিল যদিও ছাত্ৰীৰ অংশগ্ৰহণত আশানুৰূপ সঁহাৰি দেখা নগ'ল। ইয়াৰ উপৰিও এখন আটক ধুনীয়াকৈ সমৰকলা প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। প্ৰতিযোগিতাখনি পৰিচালনা কৰিছিল Darrang Martial Atrs Association ৰ সম্পাদক আৰু সদস্য শ্ৰীবিশ্বজিৎ বৰা, মনোজ বৰুৱা, মুকুট কোচ, ধ্ৰুৱ জ্যোতি শৰ্মা আৰু তপন ডেকা দেৱৰ সু-পৰিচালনাৰ বাবে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন নকৰি নোৱাৰিলো। ইয়াৰোপৰি আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতা সমূহতো আমাৰ মহাবিদ্যালয়ৰ পাৰদৰ্শিতা উল্লেখযোগ্য। যোৱা ১২-৮-২০০০ তাৰিখৰ পৰা বাঙাপাৰা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় টাইকোৱানডো প্ৰতিযোগিতাত সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়।

কৃতজ্ঞতা জ্ঞাপন ঃ সাধাৰণতে উপকাৰৰ বিনিময় নাথাকে। তথাপিও আদিৰে পৰা মোৰ বিভিন্ন কামত জড়িত থকা বা প্ৰয়োজনত দিহা পৰামৰ্শ আদিৰে উপকৃত কৰোতা সকলৰ ভিতৰত প্ৰধানকৈ অৱসৰ প্ৰাপ্ত অধ্যক্ষা ড°অমিয়া দেৱী, ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত পৰেশ কুমাৰ শৰ্মা, অধ্যাপক মতিৰাম মেধি, অধ্যাপক বোদ্ধিন হাজৰিকা, অধ্যাপক বিচিত্ৰ কুমাৰ মেধি, অধ্যাপক হৰিমন ডেকা, অধ্যাপক শচীন চহৰীয়া, আৰু কোষাধ্যক্ষ শ্ৰীযুত সাধিৰাম বড়াদেৱৰ পৰামৰ্শই মোৰ কাৰ্য্যকালত যি অবিহণা যোগালে তাৰ বাবে মই চিৰকৃতজ্ঞ। মঙ্গলদৈয়ান সকলৰ ভিতৰত প্ৰাক্তন সাধাৰণ সম্পাদক দিব্যজ্যোতি বৰা, হৰমোহন, জিতুমনি, মৃদুস্মিতা, ডেইজী, হিৰণ্ময়ী, শেৱালী, অৰুণ, N.C.C. Unit, N.S.S. Unit, ছাত্ৰী নিবাসৰ আবাসী সকলে মোৰ কাৰ্য্যকালত আগবঢ়োৱা সহায় সহযোগিতা উল্লেখযোগ্য। মঙ্গলদৈ বক হেলথ্ (Rock Health)ৰ স্বত্বাধিকাৰী শ্ৰীযুত অপুল ডেকা দেৱৰ সহায় সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সদৌ শেষত মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ ৰ'ল হেজাৰ শুভেচ্ছা।

শ্ৰদ্ধাৰে

বিপ্লৱ কুমাৰ শৰ্মা
সম্পাদক, ব্যায়ামশালা বিভাগ
মঙ্গলদৈ মহাবিদ্যালয়
১৯৯৯-২০০০

# ছাত্ৰী জিৰণী কোঠা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভনীতে মই শ্ৰদ্ধাঞ্জলী নিবেদিছোঁ যি সকল বীৰ-বীৰঙ্গনাই দেশ মাতৃৰ হকে প্ৰাণ বিসৰ্জন দিলে লগতে মই কৃতজ্ঞতা জনাইছোঁ এই সকল ছাত্ৰ-ছাত্ৰীলৈ যি সকলে মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা পদত মোক নিৰ্বাচিত কৰিলে।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মোৰ প্ৰথম পদক্ষেপ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয় ৩১ জানুৱাৰীৰ পৰা ৪ ফেব্ৰুৱাৰী তাৰিখলৈ। মোৰ বিভাগৰ আন্তঃদ্বাৰ খেল সমূহৰ চমু আভাষ দাঙি ধৰা হ'ল।

বেডমিণ্টন ঃ একক শাখাত আৱতি বৰুৱাই অৰুণিমাক পৰাজিত কৰি বিজয়ী হয়। যুটীয়া শাখাত আৱতি বৰুৱা আৰু অৰুণিমা বৰুৱাই অনামিকা ডেকা আৰু ৰঞ্জনা বৰুৱাক পৰাজিত কৰে। ল'ৰা/ছোৱালী শাখাত মৃত্যুঞ্জয় দেৱশৰ্মা আৰু আৱতি বৰুৱাই ৰাতুল বৈশ্য আৰু অৰুণিমাক পৰাজিত কৰে।

কেৰম ঃ একক শাখাত দীপিকা চহৰীয়াই চন্দ্ৰমা ৰাজবংশীক পৰাজিত কৰে। যুটীয়া শাখাত চন্দ্ৰমা ৰাজবংশী আৰু ৰঞ্জিতা বৰুৱাই জুৰিমা ডেকা আৰু ইন্দ্ৰানী পাঠকক পৰাজিত কৰে।

ডবা ঃ ৰেখা চহৰীয়াই কবৰী শৰ্মাক পৰাজিত কৰে।

আন্তঃদ্বাৰ খেল সমূহৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে শ্ৰীআৱতি বৰুৱাই। সমূহ পুৰস্কাৰ মহাবিদ্যালয় সপ্তাহৰ মুকলি সভাত প্ৰদান কৰা

হয়। এবছৰীয়া কাল চোৱাত সকলো দিশতে পৰামৰ্শ আগবঢ়োৱা শ্ৰীকণিমা শৰ্মা, প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষা ড°অমিয়া দেৱী, অধ্যক্ষ ড°গিৰিশ গোস্বামী আৰু শ্ৰীযুত মতিৰাম মেধি ছাৰলৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে প্ৰতিটো খোজতে সহায় আগবঢ়োৱা তপন, গণেশ, কুশল দা, নৰ দা, লব, হৰেকৃষ্ণ, সবিতা, অনিমা, মনালিচা, মামনি, ধনমনি, মামনি, অজন্তা, অঞ্জনা, ডালিমী আৰু জয়ালৈ মোৰ মৰম আৰু কৃতজ্ঞতা নিবেদিলোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত অজানিতে বৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বাতো উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিলোঁ।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়

অৰুন্ধতি ডেকা
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

# ছাত্ৰ জিৰণী কোঠা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভনীত অসমী আইৰ অস্তিত্ব ৰক্ষাৰ হকে যুঁজ দিবলৈ গৈ যি সকল শ্বহীদ হব লগা হ'ল তেওঁলোকলৈ মই সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

দৰং জিলাৰ একমাত্ৰ বৃহৎ শিক্ষানুষ্ঠান মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১৯৯৯-২০০০ চনৰ ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰাৰ বাবে সমূহ মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক মৰম আৰু কৃতজ্ঞতা নিবেদিছোঁ।

কাৰ্যভাৰ গ্ৰহণৰ পিছতেই আমাৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ কৰা হয়। মহাবিদ্যালয় সপ্তাহত ছাত্ৰ জিৰণি কোঠা বিভাগৰ দ্বাৰা আন্তঃদ্বাৰ খেল সমূহৰ (বেডমিণ্টন, কেৰম, ডবা, টেবুল টেনিচ) প্ৰতিযোগিতা পতা হয়। ছাত্ৰ জিৰণি কোঠাৰ নিজাকৈ টেবুল টেনিচ বৰ্ড নথকাৰ বাবে খেলখন মহাবিদ্যালয়ৰ ছাত্ৰাবাসত অনুষ্ঠিত কৰা হয়।

এই খেল সমূহত মহাবিদ্যালয়ৰ যথেষ্ট সংখ্যক প্ৰতিযোগিয়ে অংশ গ্ৰহণ কৰিছিল।

মোৰ দায়িত্ব পালনত কেইবাজনো অভিজ্ঞ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ সহায় সহযোগ পাই মই নিজকে ধন্য মানিছো। ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত কমলা কান্ত বড়াদেৱে মোৰ কাৰ্য্যকালচোৱাত সকলো সময়তে দিহা পৰামৰ্শ আৰু বিভিন্ন খেলা-ধূলাত দৃষ্টি নিক্ষেপ কৰি হাত ফুৰাই সুচাৰু ৰূপে পৰিচালনা কৰা হেতুকে মই তেখেতৰ ওচৰত চিৰকৃতজ্ঞ আৰু যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোৰ কাৰ্য্যকালত সহায় সহযোগিতা আগবঢ়াইছিল তেওঁলোকক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সম্পাদকৰ সুদীৰ্ঘ কালচোৱাত মই অজ্ঞাতে যদি কিবা ভুল কৰিছিলো তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

সদৌ শেষত মই মঙ্গলদৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু মঙ্গলদৈ মহাবিদ্যালয়"
জয় আই অসম

নিৰঞ্জন হাজৰিকা
সম্পাদক, ছাত্ৰ জিৰণি কোঠা

# চাৰুকলা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



এবি অহা খোজত ............

এটা বিপন্ন মুহূৰ্ত্তত আমি বৰ্তমানে বস্তুবাদী উন্নয়নৰ নামত 'গিমিক' সৃষ্টি কৰা হৈছে। পৰিণতিত 'সৃষ্টি' আজি পোতাশালত। শ্যামলী পৃথিৱী আজি সংকটাপন্ন। জ্ঞান-বুদ্ধিৰে ধন্য মানৱ জাতিয়ে নিজেই ৰচনা কৰিছে ধ্বংসৰ মায়াজাল। শ্বহীদৰ ত্যাগ বেসুৰা অজ্ঞাত হৈ উঠিল। পাহৰি গ'লো সেই সকলৰ হেৰুৱা অতীতৰ পৰিণতিত এতিয়াৰ সময়।

সমস্যাজৰ্জৰ সামাজিক প্ৰতিচ্ছবি আগত ৰাখি যিদিনা মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ মজিয়াত গুৰু দায়িত্ব লৈ থিয় হ'লো, নামাকৰণ কৰিলে চাৰুকলা বিভাগৰ সম্পাদক ৰূপে। পাৰ্য্যমানে ধূলি-মাকতি গুছোৱাৰ চেষ্টাত ব্ৰতী হ'লো। নাজানো আতৰিল নে নাই। সেয়া সময়ৰ হাতত। লগত আছিল ছাত্ৰ-ছাত্ৰী সকলৰ অকৃত্ৰিম মৰম তথা সহযোগ আৰু শিক্ষাগুৰু সকলৰ আশীৰ্বাদ। পৰিসীমাৰ গণ্ডিত মুখ্যৰূপত থাকিল শ্ৰীযুত হৰিমন ডেকা ছাৰ প্ৰমুখ্যে। প্ৰতিদানত হয়তো তেখেত সকলে দেখিলে মোৰ কঙাল স্বৰূপ। তথাপি কৃতজ্ঞতা মোৰ হৃদয়ত আৱহমান।

সমাজৰ প্ৰতিটো খোজ, উত্থান-পতনৰ নান্দনিক প্ৰতিফলন হ'ল আয়োজন কৰা চিত্ৰ প্ৰদৰ্শনীত। সুন্দৰৰ সাধক শিল্পীৰ কেনভাছত মূৰ্তিমন্ত হ'ল বিভিন্ন পৰিঘটনাৰ। নিয়মতান্ত্ৰিকতা সামন্তৰাল গতিত চলি থাকিল। পূৰ্ব্বৰ প্ৰতিযোগিতা আৰু কাৰ্য্যক্ৰমণিকা বাহাল ৰাখি যোগ দিয়া হ'ল নতুন সৃষ্টি পৰিক্ৰমা। বিভিন্ন ছাত্ৰ-ছাত্ৰীয়ে অন্তৰৰ গভীৰ প্ৰত্যাশাৰ গতিময় ৰূপক পুষ্পস্তৱকেৰে প্ৰাণৱন্ত কৰি তুলিলে আয়োজন কৰা পুষ্পসজ্জা প্ৰদৰ্শনীত। সৃষ্টিৰ বন্যাক স্বীকৃতি দিয়া হ'ল গুৱাহাটী বিশ্ববিদ্যালয় যুৱমহোৎসৱত।

এটা গভীৰ প্ৰত্যাশা আছিল এখন কৰ্মশালা অনুষ্ঠিত কৰাৰ। কিন্তু

সময় ...... । তথাপি ক্ষন্তেকীয়া কাৰ্য্যকালৰ মাজতে প্ৰস্তুতি সম্পন্ন কৰিলো। অপেক্ষা কেৱল ৰূপায়ণৰ। আমি যিদৰে অগ্ৰজ সকলৰ আধৰুৱা দায়িত্ব মূৰ পাতি লৈছিলো, সেইদৰে আমাৰ অনাকাংক্ষিত আধৰুৱাবোৰ - হে ভৱিষ্যত প্ৰজন্ম, লবানে ?

শশাংক শেখৰ ভৰদ্বাজ
সম্পাদক, চাৰুকলা বিভাগ
মঙ্গলদৈ মহাবিদ্যালয়
১৯৯৯-২০০০

মোৰ কাৰ্য্যকালত সকলো ক্ষেত্ৰত দিহা পৰামৰ্শ, অনুপ্ৰেৰণা আৰু সহায় আগবঢ়োৱাৰ বাবে মাননীয় শ্ৰীৰমনী কান্তচহৰীয়া ছাৰলৈ মোৰ গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদিছোঁ। এই প্ৰতিবেদনৰ মাজেৰে মহাবিদ্যালয়ৰ যি সকল সতীৰ্থ তথা ছাত্ৰ-ছাত্ৰীয়ে সহায় সহযোগিতা আগবঢ়াইছিল সেই সকললৈ যাঁচিছো অফুৰন্ত মৰম আৰু কৃতজ্ঞতা।

ধন্যবাদেৰে
কৃষ্ণ বড়া
অধিনায়ক, ৰাষ্ট্ৰীয় সেৱা আঁচনি
মঙ্গলদৈ মহাবিদ্যালয়

# প্ৰতিবেদন ঃ ৰাষ্ট্ৰীয় সেৱা আঁচনি



নিষ্ঠুৰ বাস্তৱ আৰু সংঘাটৰ সৈতে মুখামুখি হৈও নিজ আদৰ্শ অটুট ৰাখি মাতৃভূমিৰ কাৰণে বিগত কালচোৱাত যি সকল বীৰ-বীৰঙ্গনাই প্ৰাণ আহুতি দিলে, সেই মহান শ্বহীদ সকললৈ মোৰ ভক্তিভৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

হে মহান ছাত্ৰ-ছাত্ৰী সকল,

বহুজনৰ বহু মৰম আৰু বহু আশাক উপেক্ষা কৰিব নোৱাৰাৰ ফলত মই ১৯৯৯-২০০০ বৰ্ষৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়কৰ দায়িত্ব গ্ৰহণ কৰো। অৱশ্যে এই দায়িত্ব কিমান দূৰ সফলতাৰে পালন কৰিব পাৰিছো সেইটো আপোনালোকৰ বিচাৰ্য্য। এই চেগতে মোৰ কাৰ্য্যকালত ১৯৯৯-২০০০ বৰ্ষত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধীনত কৰা কামৰ বিৱৰণ দাঙি ধৰিব বিচাৰিছো।

২০০০ চনত মঙ্গলদৈ সনাতন ধৰ্ম মন্দিৰত অনুষ্ঠিত ৰাসোৎসৱত আমাৰ মহাবিদ্যালয়ৰ পৰা ২০ গৰাকী স্বেচ্ছাসেৱকে সেৱা আগবঢ়ায়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা আয়োজিত মৰিগাওঁ মহাবিদ্যালয়ত অনুষ্ঠিত ২০০০ চনৰ ANNUAL ORIENTATION CAMP ত আমি চাৰি গৰাকী স্বেচ্ছাসেৱকে অংশ গ্ৰহণ কৰো।

২০০০ চনৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। সভাত চা-চিনাকি আৰু প্ৰতিযোগিতামূলক প্ৰতিভা বিকাশ অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰতিযোগিতাৰ ১ম, ২য় আৰু ৩য় শ্ৰেষ্ঠ প্ৰতিযোগিক বঁটা প্ৰদান কৰা হয়।

দুখৰ বিষয়, এই সেৱা আঁচনিৰ পৰা পাব লগা ধন সময়মতে আৰু উচিত পৰিমাণে নোপোৱাৰ বাবে শিবিৰ অনুষ্ঠিত কৰাত বিশেষ অসুবিধাৰ সন্মুখিন হ'ব লগা হয়। মোৰ আশা অনাগত দিনবোৰত বিভাগীয় কতৃপক্ষই এই অসুবিধা দূৰ কৰিবলৈ চেষ্টা কৰিব।



Printed at: Printomatics, Mangaldai, Ph: 03713-23630